## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 47 No. 8**
সপ্তচত্বাৰিংশ বৰ্ষ ঃ অষ্টম সংখ্যা
অক্টোবৰ ঃ ২০১৬


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই


বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ❐ হস্ত-শিল্পৰ নিৰৱচ্ছিন্নতা | ✍ স্মৃতি ইৰাণী | ৩ |
| ❐ শ্ৰমিকৰ কল্যাণ নিশ্চিতি | ✍ অজয় টামতা | ৬ |
| ❐ নিয়োগ সৃষ্টি আৰু সামগ্ৰিক দিশ | ✍ ৰশ্মি বাৰ্মা | ৯ |
| ❐ হস্ত-তাঁত ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ | ✍ জয়া ে জইট্‌লি | ১৪ |
| ❐ খাদী— কাৰ্বন শূন্য উদ্যোগ | ✍ বিনয় কুমাৰ ছাক্সেনা | ১৮ |
| ❐ কাৰিকৰী বস্ত্ৰ ঃ উদিত উদ্যোগ | ✍ প্ৰকাশ বাসুদেৱন | ২১ |
| ❐ বস্ত্ৰ খণ্ডৰ বিকাশ অধিক গতিশীল কৰি তোলাৰ বাবে সংহত দৃষ্টিভংগী | ✍ এ কে কৃষ্ণ কুমাৰ | ২৪ |
| ❐ ৰেচম বস্ত্ৰ উদ্যোগ ঃ প্ৰত্যাহ্বান আৰু আগলৈ যোৱাৰ পথ | ✍ বি এছ অংগাৰি<br>✍ কে কে ছেট্টী<br>✍ এইছ নাগেশ প্ৰভু | ৩১ |
| ❐ ভাৰতীয় বস্ত্ৰ শিল্পৰ ক্ৰমবৰ্দ্ধমান বিকাশ | ✍ কবিতা গুপ্ত | ৩৯ |
| ❐ খাদীৰ মহত্ত্ব ঃ স্বাধীনতা সংগ্ৰামৰ আঁত ধৰি | ✍ এ অন্নামালাই | ৪৩ |
| ❐ খাদীৰ জন্ম | ✍ মহাত্মা গান্ধী | ৪৭ |
| ❐ বস্ত্ৰ ৰপ্তানি ঃ সাম্প্ৰতিক দৃশ্যপট আৰু আগলৈ যোৱা পথ | ✍ বিজয়া কাট্টি | ৪৮ |
| ❐ ভাৰতীয় মৰাপাট খণ্ডলৈ উৎসাহ প্ৰদান | ✍ সুব্ৰত গুপ্ত | ৬১ |
| ❐ অসমৰ বস্ত্ৰশিল্প ঃ কৌশল ভিত্তিক শিক্ষণ ব্যৱস্থা | ✍ ৰাণী মুদিয়াৰ ডেকা | ৬৮ |
| ❐ প্ৰধান মন্ত্ৰীৰ বাৰ্তা | | ৭২ |



পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব



পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

# এই সংখ্যাৰ প্ৰসংগত

'বস্ত্ৰ' শব্দটোৱে কপাহী, ৰেছম, চিফন, মিহি সূতাৰ কাপোৰৰ সুন্দৰ পোছাকৰ প্ৰতিচ্ছবি কঢ়িয়াই আনে। মহেঞ্জোদাৰোত পোৱা চীনামাটিৰ সৰু মূৰ্তিত অংকিত আৱৰণ, ক্লিওপেট্ৰাৰ দেখনিয়াৰ পোছাক, ভিক্টোৰিয়া যুগৰ বল্ নৃত্যৰ গাউন বা আমাৰ নিজৰ ৰাণী আৰু ৰাজকুঁৱৰীসকলে পৰিধান কৰা সাজ-পোছাকেই হওক— সাজ-পোছাক সদায়েই এজন ব্যক্তিৰ জীৱনৰ অপৰিহাৰ্য অংশ হিচাপে পৰিগণিত হৈ আহিছে। কপাহী, মৰাপাট আৰু ৰেছম আদিৰ দৰে প্ৰাকৃতিক আঁহ আৰু মানৱ সৃষ্ট কৃত্ৰিম তন্তু ৰেইঅন্, চিফন আৰু মায়্‌লিন আদি বিভিন্ন তৰহৰ আঁহেৰে নিৰ্মিত কাপোৰ যুগ যুগ ধৰি পৰিধান কৰি অহা হৈছে।

ভাৰতৰ বস্ত্ৰ সুন্দৰ ৰং আৰু আৰ্হিৰ বাবে বিশ্বখ্যাত। ভাৰতৰ দৰে বিশ্বৰ কোনো দেশতে নিজৰ বস্ত্ৰত বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি আৰু ব্যাপক বস্ত্ৰ পৰম্পৰাৰ নিবিড় সংযোগ দেখা নাযায়। ৰাজস্থানৰ বন্ধনী, বংগৰ কাঁথা, গুজৰাটৰ তানছয় আৰু তামিলনাডুৰ কাঞ্জীভৰমৰ বস্ত্ৰত আঞ্চলিক সংস্কৃতি আৰু পৰম্পৰাৰ উচ্চ গুণমান নিৰ্দেশক চিহ্ন (হল্‌মাৰ্ক) আছে। বানাৰসী শাৰী, ওড়িছাৰ পাট, তছ্ মুগাৰ সমগ্ৰ বিশ্বতে সুখ্যাতি আছে।

কপাহী বস্ত্ৰ উৎপাদন আৰু ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰত সদায়েই আগত। ঐতিহাসিকভাৱে, কপাহী কাপোৰ ধুতি, কুৰ্তা, শাৰী বা লেহেংগা আদি ৰূপত সৰ্বসাধাৰণ লোকৰ পোছাক আছিল। কপাহৰ প্ৰধান উৎপাদনকাৰী হিচাপে আৰু ভাৰতৰ কপাহ উদ্যোগ এসময়ত ইমানেই প্ৰৱলভাৱে খ্যাত আছিল যে ই গ্ৰেট বৃটেইনৰ কপাহী উদ্যোগৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিছিল— বৃটিছে নিজৰ বস্ত্ৰ নিৰ্মাণ খণ্ড সুৰক্ষিত কৰাৰ বাবে ভাৰতীয় কপাহী বস্ত্ৰ বিশ্বৰ আন কোণত উপলব্ধ হোৱাত বাধা দিবলৈ বিভিন্ন নীতি গ্ৰহণ কৰিব লগা হৈছিল আৰু তেওঁলোকৰ উৎপাদিত কপাহী বস্ত্ৰ কিনিবলৈ ভাৰতীয় গ্ৰাহকক বাধ্য কৰিছিল। বৃটিছ চৰকাৰৰ এই নিয়মবোৰ ভাৰত জাতীয় আন্দোলনৰ উন্মেষৰ প্ৰধান উপাদান আছিল। স্বাধীনতাৰ প্ৰতীক হিচাপে খাদীৰো জন্ম হৈছিল।

বছৰ বছৰ ধৰি, খাদী বুজন পৰিমাণৰ মানৱ সম্পদৰ বিশেষকৈ গ্ৰাম্য মহিলা বাবে সন্মানজনক জীৱিকাৰ উপায় আগবঢ়োৱা অমূল্য সম্পদলৈ ৰূপান্তৰিত হৈছে। লাখ লাখ লোকক নিয়োগ আগবঢ়োৱা খাদীৰ সম্ভাৱনা দেখি প্ৰধান মন্ত্ৰীয়ে তেওঁৰ এটা "মন কী বাত" অনুষ্ঠানত বিভিন্ন সাজ-পোছাকৰ মাজত অন্ততঃ এযোৰ খাদীৰ বস্ত্ৰ ৰাখিবলৈ যুৱ সমাজৰ প্ৰতি আহ্বান জনাইছিল। খাদী সবাতোকৈ পৰিষ্কাৰো আৰু পৰিৱেশিকভাৱে অসুৰক্ষিত আধুনিক কৃত্ৰিম বস্ত্ৰৰ এটা শক্তিশালী বিকল্প আগবঢ়োৱাৰ ক্ষেত্ৰত সবাতোকৈ বেছি বহনক্ষমতাযুক্ত। হস্ত-তাঁতৰ সামগ্ৰী হ'ল আন এটা বৈচিত্ৰ্যপূৰ্ণ আৰু পৰিৱেশ অনুকূল খণ্ড য'ত চহকী প্ৰাচীন পৰম্পৰা আৰু আধুনিক অভিযোজনৰ সমন্বয় ঘটিছে। প্ৰধান মন্ত্ৰীৰ ভাষাত আমি পৰম্পৰাগত হস্ত-তাঁত উৎপাদনসমূহক উচিত স্থান দিব লাগে এইবোৰক ভাৰত আৰু বিশ্বত ধুনপেছৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিব লাগে।

মনত পৰা যুগৰ পৰাই ভাৰতৰ পাটৰ কাপোৰ বিশ্বজুৰি খ্যাত। মুক্তা, ময়ূৰ আৰু মছলাৰ লগতে ই আছিল প্ৰধান ৰপ্তানিকৃত সামগ্ৰী। ভাৰতীয় পাট আৰু মায়্‌লিন কাপোৰৰ বিশ্বজুৰি অত্যন্ত চাহিদা আছিল। ৰেছম উদ্যোগে দেশৰ উত্তৰ-পূব আৰু দক্ষিণ অংশত প্ৰধান নিয়োগ উদ্ৰেককাৰী হিচাপে ভূমিকা গ্ৰহণ কৰিছে। মৰাপাট আঁহ হিচাপে সামগ্ৰী টোপালা বন্ধা কাৰ্যত বিশেষভাৱে ব্যৱহৃত হৈ আহিছে। কিন্তু সম্প্ৰতি, মৰাপাট ধুনপেছ আৰ্হি প্ৰস্তুতকাৰীসকলৰ কল্পনাত স্থান লাভ কৰিছে আৰু মৰাপাটৰদ্বাৰা প্ৰস্তুত সামগ্ৰী বিপণন হৈছে আৰু গুৰুত্ব সহকাৰে পৰিধান কৰা হৈছে। কাৰিকৰী বস্ত্ৰ হ'ল উদিত বস্ত্ৰ আৰু এইবোৰ বিভিন্ন চিকিৎসা সম্পৰ্কীয়, অসামৰিক অভিযান্ত্ৰিক সেৱা আৰু মটৰগাড়ী আদিত ব্যৱহাৰ কৰা হৈছে।

বস্ত্ৰ আৰু সাজপাৰ উৎপাদন আৰু ৰপ্তানিত বিশ্বৰ দ্বিতীয় বৃহৎ দেশ। ভাৰত কৃষিৰ পাছতে এই খণ্ডতো ৪৫ নিযুত ভাৰতীয় লোকক প্ৰত্যক্ষভাৱে আৰু ৬০ নিযুত লোকক পৰোক্ষভাৱে নিযুক্তিৰ সুবিধা দিয়াৰ ক্ষেত্ৰতো দ্বিতীয় বৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। ই দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ ৪ শতাংশ বৰঙণি আগবঢ়াইছে। হস্তশিল্পীসকলৰ কল্যাণৰ বাবে যত্ন লোৱাৰ অৰ্থে আৰু তেওঁলোকক এই ক্ষেত্ৰত শেহতীয়া প্ৰযুক্তি সুবিধাৰ লগত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যেৰে চৰকাৰে 'শিপিনীৰ সেৱা কেন্দ্ৰ' (ৱীভাৰছ ছৰ্‌ভিছ ছে'ন্‌ট্ৰছ্) কৰ্মদক্ষতা গুচ্ছ উদগনি (ক্ৰাফ্‌ট ক্লাছটৰ ইনিশ্বিয়েটিভ), ই-কমৰ্ছ্ প্লেট্‌ফৰ্ম আদি আঁচনি প্ৰৱৰ্তন কৰিছে।

বস্ত্ৰ উদ্যোগে সমগ্ৰ বিশ্বৰ ৫.৬৫ শতাংশ অংশ অধিকাৰ কৰিছে আৰু ২০১৫-১৬ চনৰ কালছোৱাত ভাৰতৰ মুঠ ৰপ্তানিৰ পৰিমাণ আছিল ১৪ শতাংশ। সি যি কি নহওক, ভাৰত ৰপ্তানিৰ ক্ষেত্ৰত সন্ধিক্ষণত আছে আৰু চীন, বাংলাদেশ, ই ইউ, হংকং, ভিয়েটনাম, ইন্দোনেছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কাম্বোডিয়াৰ লগগত প্ৰৱল প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। সি যি কি নহওক, বস্ত্ৰ খণ্ডত ১০০ শতাংশ বিদেশী প্ৰত্যক্ষ বিয়োগ, সংশোধিত প্ৰযুক্তি বিজ্ঞান, উন্নীতকৰণ পুঁজি আঁচনি (এ টি যু এফ এছ), কৌশলগত বস্ত্ৰৰ ওপৰত প্ৰযুক্তি বিজ্ঞান অভিযান (টি এম টি টি), কেন্দ্ৰীভূত উম্মায়ক কেন্দ্ৰ (ফ'কাছ্ ইন্‌কিউবেশ্বন ছে'ন্‌টৰছ্), বজাৰ উন্নয়ন সাহায্য, বৃহৎ গুচ্ছ উন্নয়ন আঁচনি (মেগা ক্লাছ্‌টৰ ডিভে'লপমেণ্ট স্কীম) আদি অনুকূল চৰকাৰী নীতিৰ বাবে মাত্ৰ ভাৰতীয় অৰ্থনীতিতে নহয়, বিশ্বৰ ৰপ্তানিত এটা নতুন উচ্চতাও স্পৰ্শ কৰিব। একে সময়তে ই সাধাৰণ মানুহৰ "অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ (ৰুটী, কপড়া ঔৰ মকান) প্ৰয়োজন পূৰ্ণ কৰিবলৈকো ইয়াৰ সম্ভাৱনা আছে।

# হস্ত-শিল্পৰ নিৰৱচ্ছিন্নতা

স্মৃতি ইৰাণী*

মহান ভাৰতীয় সংস্কৃতিৰ অন্যতম অভিন্ন অংগ হ'ল হস্তকলা আৰু হস্ত তাঁত-বস্ত্ৰশিল্প। অতিকে অসংগঠিত, বিকেন্দ্ৰীকৃত, শ্ৰমিক-নিৰ্ভৰশীল এই কেইপদ কুটীৰ শিল্পই গ্ৰাম্য আৰু অৰ্ধ চহৰীয়া অঞ্চলৰ কাৰু-শিল্পীসকলক জীৱিকাৰ সমল দিয়াৰ লগতে দেশৰ বাবে এটা উল্লেখনীয় পৰিমাণৰ বিদেশী মুদ্ৰা আহৰণৰ সুযোগ দান কৰে। কেৱল সেয়াই নহয় হস্তকলা আৰু হস্ত তাঁত-বস্ত্ৰ শিল্পই ভাৰতীয় সংস্কৃতিৰ মহান ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰতো এটা প্ৰভাৱশালী ভূমিকা পালন কৰি আহিছে।

কৃষি আৰু পশু-পালনকে জীৱিকাৰ সম্বল কৰি অহা দেশৰ কোটি কোটি জনতাৰ বাবে হস্ত আৰু কাৰু কলাৰ সাধনা হৈছে আয়ৰ অন্যতম সাধন। আজিৰ তাৰিখত আমাৰ দেশৰ ২৩ নিযুত লোক হস্ত কলা আৰু বয়ন শিল্পৰ সৈতে জড়িত হৈ আছে। অৱশ্যে আৰ্থ-সামাজিক গোট হিচাপে এই সকল লোক 'অৰ্থনীতিৰ পিৰামিড'টোৰ আটাইতকৈ তলত বাস কৰে। ভাৰতীয় কাৰু-শিল্পই ৰপ্তানিৰ জৰিয়তে আহৰণ কৰা লক্ষণীয় পৰিমাণৰ আয়েই এনে শিল্প সামগ্ৰীৰ পৃথিৱী জুৰি থকা বিশেষ আদৰকে প্ৰতিপন্ন কৰি আহিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ, ইউনাইটেড কিংডম, সংযুক্ত, আৰব আমিৰী, জাৰ্মানী, ফ্ৰান্স, লেটিন আমেৰিকান দেশসমূহ (এলএচি), ইটালি, নেদাৰলেণ্ডছ, কানাডা, অষ্ট্ৰেলিয়াৰ দৰে উন্নত অৰ্থনীতিৰ দেশৰ লগতে পৃথিৱী ইমূৰ সিমূৰ ব্যাপী-ভাৰীতয় শিল্পই বিশাল পৰিসৰৰ বজাৰ গঢ়ি তুলিবলৈ সক্ষম হৈছে। সাংস্কৃতিক পৰিমণ্ডলত এয়া হৈছে ভাৰতীয় কাৰু শিল্পৰ সমৃদ্ধিশালী আৰু পুৰাতনীয়া পৰম্পৰাৰ বিশিষ্ট বাৰ্তবাহক আৰু হস্তকলাৰ সুন্দৰতাৰ উৎকৃষ্ট উদাহৰণ।

বিশাল পৰিসৰত উপলব্ধ সুলভ আৰু নিম্ন বেতনৰ শ্ৰমিক, স্থানীয় সমলৰ সদ্ব্যৱহাৰ, কম মূলধনৰ প্ৰয়োজনীয়তা, আৰু বিশ্ব বন্দিত অনন্য শিল্প দক্ষতা হৈছে ভাৰতীয় কাৰু শিল্প খণ্ডৰ অন্তৰ্নিৰ্হিত শক্তিৰ আধাৰ। অৱশ্যে ইমানৰ পিছতো খণ্ডটোৱে অনাক্ষৰিতা অথবা কম শিক্ষা, আধুনিক প্ৰযুক্তিগত দক্ষতা সম্পৰ্কে অজ্ঞতা, কেঁচা সামগ্ৰী আহৰণৰ বাবে প্ৰয়োজন হোৱা মূলধনৰ অভাৱ, কিম্বা প্ৰতিষ্ঠানিক পৰিকাঠামোৰ অভাৱ আদিৰ দৰে প্ৰত্যাহ্বানসমূহৰে বাৰুকৈয়ে মুখামুখি হ'বলগা হৈছে। বিস্তৃত পৰিসৰত কাৰু শিল্প যন্ত্ৰ-উৎপাদিত সামগ্ৰীসম্ভাৰৰে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া হয়। হস্ত তাঁত বস্ত্ৰ শিল্প আকৌ 'শক্তিচালিত তাঁতশাল' আৰু কৃত্ৰিম বস্ত্ৰৰদ্বাৰা সততে ভাবুকিৰ সন্মুখীন হৈ আহিছে। সাম্প্ৰতিক সময়ত কাঁচ আৰু মেলামাইনৰ আধুনিক সামগ্ৰীয়ে পৰিৱেশ অনুকূল মৃত-শিল্প-সামগ্ৰী প্ৰায় এলাগী কৰি পেলাইছে।

তাৰ মাজতো অৱশ্যে এই খণ্ডটোৱে প্ৰতি বছৰে এক ধৰণ বিকাশৰ তথ্যকে প্ৰদৰ্শিত কৰি অহাটো নিতান্তই আশাৰ বতৰা।

কাৰুশিল্প খণ্ডত কৰা বিনিয়োগে আক্ষৰিক অৰ্থতে গ্ৰামাঞ্চলত বসবাস কৰা জনসাধাৰণৰ সামাজিক, অৰ্থনৈতিক অৱস্থা উন্নীত কৰাৰ লগতে পাৰিপাৰ্শ্বিক পৰিৱেশৰ অৱক্ষয় বোধ কৰাৰ ক্ষেত্ৰতো লক্ষণীয় সহযোগিতা লাভ কৰায়। সমীক্ষা অনুসৰি বিশ্বৰ হস্ত-শিল্প খণ্ডৰ উৎপাদিত সামগ্ৰীৰ বজাৰ ২০১৯ চনৰ ভিতৰত ৭০০ বিলিয়ন ডলাৰ পৰিমাণলৈ বৃদ্ধি পাব। এই পৰ্যন্ত ২ শতাংশৰ অৰিহণা আগবঢ়োৱা ভাৰতে আগন্তুক সময়ছোৱাত এটা লক্ষণীয় প্ৰগতি লাভ কৰি বুলি ইতিমধ্যেই আশা কৰা হৈছে। এই সামগ্ৰীৰ ব্যাপক ব্যৱহাৰে পৰিৱেশ তন্ত্ৰলৈও শুভ-বাৰ্তা কঢ়িয়াই নিব। কাৰু শিল্প সামগ্ৰীৰ উৎপাদনী প্ৰক্ৰিয়াত কাৰ্বন বিকিৰণৰ হাৰ তেনেই কম হোৱাৰ লগতে এনে সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত স্থানীয় ভাৱে উপলব্ধ প্ৰাকৃতিক তথা জৈৱিক উপাদানহে ব্যৱহাৰ কৰা হয়। কাৰু শিল্পৰ উৎপাদনে আন কথাত কম দক্ষ লোকৰ লগতে ঘৰৰ গৃহিনীসকলৰ বাবে আয়ৰ এটা আদৰ্শ পথ প্ৰদান কৰাৰ লগতে পৰিয়াল তথা সামাজিক ক্ষেত্ৰতো তেওঁলোকৰ মৰ্যাদা উন্নত কৰাত সহায় কৰে।

হস্তকলা খণ্ডৰ প্ৰতিপালন তথা খণ্ডটোৰ সম্ভাৱনাৰ সদ্ব্যৱহাৰ কৰিবলৈ হ'লে খণ্ডটো বিভিন্ন প্ৰকাৰৰ বিনিয়োগ সম্পন্ন হ'ব লাগিব। এনে বিনিয়োগেহে পৰম্পৰাগত কাৰু শিল্প সম্ভাৰৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ লগতে এই শিল্পৰে জড়িত

*স্মৃতি ইৰাণী ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ কেবিনেট মন্ত্ৰী

থকা শিল্পীসকলৰ আয় আৰু মৰ্যাদা বৃদ্ধি কৰিব। প্ৰতিগৰাকী শিল্পী-কাৰিকৰক উদ্বুদ্ধ কৰিব পৰাকৈ এটা প্ৰমূল্যবোধৰ বাতাবৰণ গঢ়ি তোলাৰ প্ৰয়োজন আছে। তদুপৰি সংশ্লিষ্ট ক্ষেত্ৰত নিয়োজিত কাৰু শিল্পীসকলক তেওঁলোকে বহন কৰা ঈশ্বৰ প্ৰদত্ত দক্ষতাৰ সম্পৰ্কে সততে সচেতন কৰি ৰখাৰ লগতে তেওঁলোকৰ দক্ষতাৰ উত্তৰণ আৰু তেওঁলোকে প্ৰস্তুত কৰা শিল্প সামগ্ৰীৰ উন্নতকৰণৰ বাবে ধাৰাবাহিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰো প্ৰাসংগিতা নিশ্চয় থাকিব। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ বস্ত্ৰ শিল্প মন্ত্ৰালয়ৰ অধীনস্থ হস্ত তাঁত শিল্প বিভাগৰ উপায়ুক্ত কাৰ্যালয়ৰ 'শিপিনী সেৱা কেন্দ্ৰ' সমূহে হস্ত তাঁত শিল্পৰে জড়িত শিপিনীসকলৰ দক্ষতা বিকাশ, সামৰ্থ বৰ্দ্ধন প্ৰযুক্তিগত সহযোগিতা প্ৰদান কৰি উৎপাদন বৃদ্ধিৰ কৰাত-সহযোগিতা আগবঢ়াই তেওঁলোকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত অতিকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁলোকে শিপিনী সকললৈ চানেকী আদিৰ যোগান ধৰাৰ উপৰি প্ৰাক্ বয়ন, বয়ন তথা বয়নোত্তৰ পৰ্যায় বিভিন্ন কাম কাজ, যেনে তাঁত বাতি কঢ়া, ব-তোলা, আকাৰ নিৰ্দ্ধাৰণ কৰা, ৰং কৰা, চানেকী প্ৰস্তুত কৰাকে ধৰি বিভিন্ন কামৰ ক্ষেত্ৰত উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। কেন্দ্ৰসমূহে বিভিন্ন বাণিজ্য মেলা আদিত অংশ গ্ৰহণ কৰি উৎপাদিত সামগ্ৰীৰ প্ৰত্যক্ষ বিপনন উৎসাহিত কৰাৰ লগতে শিল্প কলাৰ প্ৰদৰ্শন কৰাৰ বাবে শিপিনী-শিল্পীসকললৈ আৰ্থিক পৃষ্ঠপোষকতাও আগবঢ়ায়।

ইফালে 'বিস্তৃত হস্ত তাঁত গোট আঁচনি'ৰ জৰিয়তে ভৌগোলিক অৱস্থান অনুসৰি প্ৰয়োজন হোৱা বিশেষ প্ৰকাৰৰ শিল্প-সামগ্ৰী প্ৰস্তুত কৰা, তেনে সামগ্ৰী উৎপাদনৰ বাবে প্ৰয়োজন হোৱা দক্ষতা শিল্প সুলভতা উন্নত কৰাৰ বাবে প্ৰশিক্ষণ দিয়া, আহিৰ্ৰ যোগান ধৰা, আন্তঃগাঁথনি নিৰ্মাণ কৰা, আৰু স্বাস্থ্য সেৱা উন্নত কৰি ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ পৰিৱৰ্তিত প্ৰেক্ষাপটত উদ্ভৱ হোৱা চাহিদা পূৰণ কৰিব পৰাকৈ শিপিনী, কাৰিকৰ-সকলক দক্ষতাসম্পন্ন কৰাৰ লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

চলিত বৰ্ষৰ ৭ আগষ্টত উদ্যাপিত ৰাষ্ট্ৰীয় হস্ততাঁত বস্ত্ৰ শিল্প দিৱসৰ দিনা কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয় আৰু দক্ষতা বিকাশ আৰু উদ্যমশীলতা মন্ত্ৰণালয়ে হস্ততাঁত-শিল্পৰে জড়িতসকলৰ দক্ষতা বিকাশ সন্দৰ্ভত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তি সম্পাদিত কৰে। এই চুক্তিৰ আধাৰত দুয়োটা মন্ত্ৰণালয়ে যুটীয়া সহযোগিতাৰে শিপিনী, কাৰিকৰসকলৰ দক্ষতা বিকাশ আৰু উদ্যমশীলতাৰ উত্তৰণ ঘটোৱাৰ বাবে বিভিন্ন কাৰ্যক্ৰম ৰূপায়ণ কৰিব।

তদুপৰি, কাৰু শিল্পৰ সাম্প্ৰতিক কালৰ চাহিদা পূৰণ কৰিব পৰাকৈ গঢ়ি তোলাৰ লগতে এনে শিল্প সামগ্ৰীক নগৰীয়া জীৱন শৈলীৰ বাবে উপযোগী কৰি ন-ৰূপত গঢ়াৰ বাবেও পদক্ষেপ হাতত লোৱা হৈছে। ভাৰতীয় কাৰু শিল্পক আধুনিক পৃথিৱীৰ চাহিদা পূৰণ কৰিব পৰাকৈ গঢ়ি তুলিব পাৰিলেহে ইয়াৰ প্ৰাসংগিকতা বৃদ্ধি পাব আৰু তাকে কৰিবলৈ যাওঁতে বাণিজ্যিক সম্ভাৱনীয়তা সৃষ্টিৰ লগতে সামাজিক লক্ষ্যপ্ৰাপ্তিও সম্ভৱ হ'ব পৰা এটা বাণিজ্যিক পন্থা উদ্ভাৱন কৰিব লাগিব। বিপনন আৰু শৈলী জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে শেহতীয়া ভাৱে গ্ৰহণ কৰা 'ইণ্ডিয়া হেণ্ডলুম ব্ৰেণ্ড'—অৰ্থাৎ 'ভাৰত হস্ত তাঁত বস্ত্ৰ-শিল্প শৈলী'ক এটা অতিকৈ উল্লেখনীয় পদক্ষেপ বুলি অভিহিত কৰিব পাৰি। ২০১৫ চনৰ ৭ আগষ্টত উদ্যাপন কৰা প্ৰথম ৰাষ্ট্ৰীয় হস্ততাঁত বস্ত্ৰ-শিল্প দিৱস'ত এই আঁচনিৰ শুভাৰম্ভ কৰিছিল মাননীয় প্ৰধান মন্ত্ৰীয়ে। বয়ন, কেঁচামাল, সংসাধন, চানেকীকে ধৰি বস্ত্ৰ শিল্পৰ প্ৰয়োজনীয় সকলো দিশতে গুণমান অক্ষুণ্ণ ৰাখি প্ৰস্তুত কৰা হস্ত তাঁত বস্ত্ৰ শিল্প সামগ্ৰী নিখুঁত আৰু পৰিৱেশ অনুকূলতাৰে নিশ্চিতি প্ৰদান কৰিব এই ব্ৰেণ্ডে।

গ্ৰাহক ৰাইজৰ সততে সলনি হৈ থকা পছন্দ আৰু আগ্ৰহ সন্দৰ্ভত কাৰিকৰ—শিপিনীসকলক যাৱতীয় তথ্য যোগানেৰে সচেতন কৰি চাহিদা অনুসৰি সামগ্ৰী উৎপাদন ক্ষেত্ৰত দিক দৰ্শন কৰাব পৰা পেছাদাৰি নিৰ্দেশকৰ অভাৱৰ বিষয়টোত গুৰুত্ব সহকাৰে চিন্তা কৰাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত সমাধান সূত্ৰ উলিওৱাৰ বাবে ৰাষ্ট্ৰীয় আহিৰ্-প্ৰযুক্তি প্ৰতিষ্ঠান (এন আই এফ টি)এ— "ক্ৰাফ্‌ট ক্লাষ্টাৰ ইনিছিয়েটিভ'ক পাঠ্যক্ৰমৰ অন্তভুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ জৰিয়তে প্ৰতিষ্ঠানটোৰ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিপিনী, কাৰিকৰসকলৰ সৈতে যৌথ ভাৱে কাম কৰাৰ সুযোগ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে শিপিনী আৰু কাৰিকৰসমাজক উপকৃত কৰাৰ বাবে নতুন নতুন আহিৰ্, নতুন কাৰিকৰী, প্ৰৱৰ্তন কৰিবলৈ যাওঁতে হস্ততাঁত বস্ত্ৰ শিল্প খণ্ডই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যক্ষভাৱে অৱগত হোৱাৰ সুযোগ লাভ কৰিব। সেইদৰে আধুনিক বিপনন ক্ষেত্ৰসমূহত শিপিনী, কাৰিকৰসকলে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান সমূহকো তেওঁলোকে প্ৰত্যক্ষ কৰা অৱকাশ লাভ কৰিব। চেন্নাই স্থিত এন আই এফ টি-খনে কেৰালাৰ কোজিকোড় গোট (ৰাড়কাৰা, কৈলান্দি আৰু কোজিকোড়) ৰ সৈতে অঞ্চল কেইটাত পৰম্পৰাগত ভাৱে চলি অহা হস্ততাঁত শিল্প আৰু 'উৰু'ৰ উত্তৰণৰ লক্ষ্যৰে যুগুতোৱা কাৰ্যক্ৰমত অংশ গ্ৰহণ

কৰিছে। বজাৰৰ চাহিদা পূৰণ কৰিব পৰাকৈ শিপিনী-কাৰিকৰ সকলে সামগ্ৰীৰ যোগান নিয়মীয়া কৰাটো নিশ্চিত কৰিলে আৰু যদি নিয়মীয়াকৈ আৰু সুলভ মূল্যত কেঁচা সামগ্ৰী প্ৰাচুৰ্যতাই শিপিনী-কাৰিকৰসকলক আশানুৰূপ ভাৱে সহযোগিতা আগবঢ়ায় তেন্তে উন্নত মানৰ কাম আৰু উন্নত হাৰৰ মজুৰিৰ ধাৰাবাহিকতা অব্যাহত নথকাৰ প্ৰশ্নই উঠিব নোৱাৰে। প্ৰত্যক্ষ বিপণনৰ সুযোগৰ অভাৱৰ লগতে সৰহ সংখ্যক শিপিনী-কাৰিকৰৰ বাবে চহৰীয়া বজাৰত সামগ্ৰীৰ বিপণন সম্পন্ন কৰিবলৈ যোৱাটো আজিৰ তাৰিখতো এটা কঠিন প্ৰত্যাহ্বান হৈয়ে আছে। এনে পৰিস্থিতিৰ পৰা শিপিনী -কাৰিকৰসলক উদ্ধাৰ কৰিবলৈ হ'লে উৎপাদিত সামগ্ৰীৰ বিপণনৰ বাবে বাণিজ্যিক শৃংখল গঢ়ি তোলাৰ লগতে শিপিনী-কাৰিকৰৰ গোট শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। ইফালে এনে পদক্ষেপক সহযোগিতা আগবঢ়াব পৰাকৈ প্ৰযুক্তিৰ সদ্ব্যৱহাৰতো মনোনিৱেশ কৰাত গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়োজনীয়তা থাকিব।

এনে প্ৰেক্ষাপটতে বস্ত্ৰ মন্ত্ৰালয়ে হস্ততাঁত শিল্প সামগ্ৰীৰ বিপণনৰ ক্ষেত্ৰত ই-বাণিজ্যিক প্ৰাধান্য দিব খুজিছে। হস্ততাঁত বস্ত্ৰ শিল্প সামগ্ৰীৰ ই-বাণিজ্যক স্বচ্ছ, প্ৰতিযোগিতা সুলভ আৰু প্ৰভাৱশালী ৰূপত উৎসাহিত কৰাৰ বাবে ইতিমধ্যে বিভিন্ন ই-বাণিজ্য মঞ্চক কামত লগোৱা হৈছে। এনে বাণিজ্যক সম্প্ৰসাৰিত কৰিব পাৰিলে শিপিনী-কাৰিকৰসকলৰ অৱস্থা উন্নত হোৱাৰ লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মানো উন্নত হ'ব বুলি আশা কৰিব পাৰি।

কাৰুশিল্প খণ্ডক উপকৃত কৰিবলৈ হ'লে চৰকাৰৰ লগতে, বিত্তীয় প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু বিভিন্ন ক্ষেত্ৰত দক্ষতা থকা বৌদ্ধিক লোকৰ বিশেষ সহযোগিতা নিতান্তই প্ৰয়োজন। এটা সংহত বাতাবৰণহে বিভিন্ন ক্ষেত্ৰত দক্ষতা থকা এইসকল সহযোগীৰ অৱিহণাক শিল্প খণ্ডটোৰে শ্ৰীবৃদ্ধিৰ সাধনৰ লগতে শিপিনী কাৰিকৰ সকলৰ মংগলৰ বাবে ব্যৱহাৰ কৰাত সহায় আগবঢ়াব। এই ক্ষেত্ৰত উত্তৰ-পূৱ বিত্ত নিমগ—'নেডফি'ৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা 'একুৱা উইঙ' নামৰ অসম ভিত্তিক প্ৰতিষ্ঠানটোৱে মেটেকাৰ দৰে অপতৃণৰ পৰা গৃহসজ্জাৰ সামগ্ৰী, বেগ, মেট আদিৰ দৰে দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা বিভিন্ন সা-সামগ্ৰী প্ৰস্তুত কৰি বিপণনত কৃতকাৰ্যতা লাভ কৰাৰ কথাটো উদাহৰণ হিচাপে দাঙি ধৰিব পাৰি। থাইলেণ্ড আৰু মালয়ছিয়াৰ আৰ্হি গ্ৰহণ কৰি, আহমেদাবাদৰ ৰাষ্ট্ৰীয় আৰ্হি প্ৰতিষ্ঠানৰ পৰা আৰ্হি আৰু অন্যান্য বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰি ঘৰুৱা গ্ৰাহকৰ লগতে নেপাল, জাপান আদি দেশৰ বিভিন্ন দেশৰ বাবে বস্ত্ৰ সামগ্ৰী প্ৰস্তুত কৰি উলিওৱা হৈছে। এনেবোৰ ব্যৱস্থাই আক্ষৰিক অৰ্থতে শিল্প খণ্ডটোৰে জড়িত প্ৰতিগৰাকী শিল্পী কাৰিকৰকে উপকৃত কৰিব। ভাৰতৰ বস্ত্ৰ শিল্পৰ বৈচিত্ৰ্যতা আছে। দেশখনৰ বিভিন্ন প্ৰান্তৰ জলবায়ু, ভৌগোলিক অৱস্থানৰ ভিন্নতাৰ লগতে পুৰাতন সাংস্কৃতিক ঐতিহ্যই আমাৰ দেশৰ বস্ত্ৰ শিল্পকো বৈচিত্ৰ্য প্ৰদান কৰিছে বুলি ক'ব লাগিব।

প্ৰণিধানযোগ্য যে, 'ভৌগোলিক সূচক' (জি আই)ৰ তালিকাত আমাৰ দেশৰ ১৪৩ বিধ সূঁতা পঞ্জীভুক্ত হৈছে। এনে সূঁতাৰ ভিতৰত ১৩০৫ খৃষ্টাব্দত উদ্ভাৱন কৰা 'চান্দেৰী'ৰ দৰে সূঁতাও আছে। সেইদৰে ৰাজস্থানৰ বাৰাম জিলাৰ কাটিনুৰ আৰু ইয়াৰ সমীপৱৰ্তী কেইখন-মান গাঁৱত বোৱা 'জি আই'ৰ তালিকা ভুক্ত কোটা জৰিয়া' নামৰ শাৰী-বিধ পাট সূঁতা আৰু কপাহী সূঁতাৰ দীঘ আৰু বাণী দি প্ৰস্তুত কৰা হয়।

পচমপলি আইকাট, কাঞ্জীভৰম পাট, শ্ৰীকলাহস্তী কলমকাৰী, কাঁথা (পশ্চিম বংগৰ থলুৱা গৃহস্থীত প্ৰস্তুত কৰা এবিধ কাৰু শিল্প), জামদানী, বালুচৰি, ওড়িছা আইকাট আদি বস্ত্ৰ শিল্পই বহু শতিকা ধৰি সমৃদ্ধ ইতিহাস গঢ়াৰ লগতে 'জি আই'ৰ স্বীকৃতিও লাভ কৰিবলৈ সক্ষম হৈছে।

প্ৰণিধানযোগ্য যে শিপিনী, কাৰু শিল্পীসকলে বহন কৰা পৰম্পৰা য'ত জ্ঞানক সুৰক্ষা প্ৰদানৰ লগতে অবৈধ ব্যৱহাৰ ক্ষেত্ৰত আইনী-সুৰক্ষা প্ৰদান কৰে এই ভৌগোলিক সূচক' কিম্বা 'জিঅ'গ্ৰাফিক ইণ্ডিকেটৰে'-জি আই-এ। ইয়ে আমাৰ দেশৰ প্ৰান্তে প্ৰান্তে যুগ যুগ ধৰি লালিত-পালিত আৰু চৰ্চিত হৈ অহা থলুৱা কলা কাৰুশিল্প অনন্যতা অক্ষুণ্ণ ৰখাৰ নিশ্চয়তা প্ৰদান কৰে।

সাম্প্ৰতিক পৃথিৱীৰ যন্ত্ৰ সৰ্বস্বতা আৰু একেজাতীয় সাজ-পাৰৰ প্ৰতি আকৰ্ষিত হোৱা বৰ্দ্ধিত প্ৰৱণতাই ভাৰতীয় ঐতিহ্যশালী হস্ত তাঁত বস্ত্ৰ শিল্প খণ্ডৰ ভৱিষ্যতৰ প্ৰতি বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। থলুৱা সামগ্ৰীৰ উন্নত বজাৰৰ অভাৱ কিম্বা উপযুক্ত মূল্য বহুসময়ত নোপোৱাৰ বাবেই গ্ৰামাঞ্চালৰ যুৱক-যুৱতীসকলে পৰিয়ালৰ কাৰুশিল্প পৰম্পৰাক পৰিহাৰ কৰিবলৈ বাধ্য হৈছে। হস্ত কলাৰ অনন্যতা, সুন্দৰতা, মৰ্যাদা আৰু জাতীয় আভিজাত্য ৰক্ষাৰ ক্ষেত্ৰত থকা গুৰুত্ব সম্পৰ্কে ব্যাপক জন সজাগতা সৃষ্টিৰ বিশেষ প্ৰয়োজনীয়তা আছে। চাৰু আৰু কাৰু শিল্পীসকলৰ সন্তান-সকলৰ বাবে উপযুক্ত শিক্ষা, প্ৰয়োজনীয় প্ৰশিক্ষণ, বিপণনৰ বাবে বজাৰ আৰু এটা উন্নত জীৱন ধাৰা পাব পৰাকৈ উপযুক্ত মজুৰি উপলব্ধ কৰিব পাৰিলেহে তেওঁলোকে পৰিয়াল তথা বংশক্ৰমিক ভাৱে পুৰাতন কালৰ পৰা চলি অহা বৰ্ণাঢ্য কাৰু আৰু চাৰু কলাৰ ঐতিহ্যমণ্ডিত পৰম্পৰা অব্যাহত ৰাখিবলৈ মনোবল লাভ কৰিব। ❒

# শ্ৰমিকৰ কল্যাণ নিশ্চিতি

**অজয় টামতা**

**বস্ত্ৰ মন্ত্ৰালয়ে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বস্ত্ৰ কৰ্মীসকলৰ হিতাৰ্থে আঁচনিসমূহ পৰ্যবেক্ষণ কৰে। কৰ্মীসকলৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি মন্ত্ৰালয়ে সৰ্বাধিক গুৰুত্ব দিয়ে আৰু তেওঁলোকৰ বাবে থকা বিভিন্ন কল্যাণমূলক আঁচনিবোৰৰ উন্নতি সাধন কৰিবলৈ নিৰন্তৰভাৱে প্ৰয়াস কৰিছে।**

বস্ত্ৰ উদ্যোগ ভাৰতৰ প্ৰাচীন আৰু বৃহৎ উদ্যোগসমূহৰ ভিতৰত এটা অন্যতম উদ্যোগ। যিবোৰ প্ৰত্নতাত্বিক অধ্যয়ন তথা জৰীপ কাৰ্য সমাপণ কৰা হয় তাৰ পৰা এইটো পৰিলক্ষিত হয় যে প্ৰায় চাৰি হেজাৰ বছৰ পূৰ্বতে গা কৰি উঠা হৰপ্পা সভ্যতাৰ কালছোৱাত লোকসকলে সূতা কাটিব আৰু কাপোৰ ব'বও জানিছিল। বস্ত্ৰ খণ্ডৰ সেই গৌৰৱময় গাঁথাৰ গতিধাৰা তেতিয়াৰ পৰাই অব্যাহত আছে; আৰু সম্প্ৰতি এই উদ্যোগে দেশখনৰ লাখ লাখ লোকক জীৱিকা নিৰ্বাহৰ যোগান ধৰিছে। এই সকলৰ উপৰিও অন্য সহস্ৰ কৰ্মীক বস্ত্ৰ উদ্যোগত নিয়োগ প্ৰদান কৰাৰ প্ৰয়াস জাৰি আছে। এই উদ্যোগৰ কৰ্মীসকললৈ এখ সুস্থ পৰিৱেশ প্ৰদান কৰিবৰ কাৰণে ভাৰত চৰকাৰে চেষ্টা কৰিছে—যাতে তেওঁলোকে গুণগতভাৱে ভাল উৎপাদন কৰিব পাৰে আৰু তাৰদ্বাৰাই উদ্যোগৰ সকলো কৰ্মীৰ কল্যাণ সাধনৰ নিশ্চয়তা কৰিব পৰা যায়। বস্ত্ৰ উদ্যোগৰ বৃহৎ আকাৰ আৰু ইয়াৰ বিভিন্ন খণ্ডলৈ চাই কৰ্মীসকলে বিভিন্ন দক্ষতা আৰু ধৰণ-কৰণ আয়ত্ত কৰাৰ আৰশ্যক হয়। ভাৰত চৰকাৰে তেওঁলোকৰ আৱশ্যকতা অনুসৰি কিছুমান আঁচনি ৰূপায়ণ কৰিছে। তাৰ কেইটামান আভাস তলত দিয়া হ'ল—

১। বিদ্যুৎচালিত তাঁত খণ্ডৰ বাবে কল্যাণমূলক ব্যৱস্থা

ক) **গ্ৰুপ ইনচুৰেঞ্চ আঁচনি ঃ**

এই খণ্ডৰ তাঁতীসকলক কোনো জীৱন বীমা বা স্বাস্থ্য বীমা আঁচনিৰ অধীনত পৰিব্যাপ্ত কৰা হোৱা নাই। তাৰ কাৰণ হ'ল সেইবোৰ সমাজৰ নিম্ন উপাৰ্জনকাৰী তথা এটা অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰা লোকৰ বাবেহে ব্যৱস্থা কৰা হৈছে। বস্ত্ৰ শিল্পৰ তাঁতীসকলৰ বাবে গ্ৰুপ ইনচুৰেঞ্চ আঁচনি ২০০৩ চনৰ জুলাইত প্ৰচলন কৰা হৈছিল আৰু ই দ্বাদশ পৰিকল্পনাৰ কালছোৱাতো চলি আছে। বস্ত্ৰ মন্ত্ৰালয়ে বস্ত্ৰ আয়ুক্তৰ কাৰ্যালয়ৰ জৰিয়তে আঁচনিখন ৰূপায়ণ কৰে। মুম্বাইতস্থিত এই কাৰ্যালয়ে তাঁতীসকললৈ নিম্নোল্লিখিত লাভবোৰ যোগান ধৰে—

ক) স্বাভাৱিৰ মৃত্যুৰ ক্ষেত্ৰত ৬০,০০০ টকা।

খ) দুৰ্ঘটনাজনিত কাৰণত হোৱা মৃত্যুৰ ক্ষেত্ৰত ১,৫০,০০০ টকা;

গ) দুৰ্ঘটনাৰ বাবদ স্থায়ীভাৱে হোৱা প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত ১,৫০,০০০ টকা;

ঘ) দুৰ্ঘটনাৰ বাবদ আংশিকভাৱে হোৱা প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত ৭৫,০০০ টকা।

শিক্ষা বিষয়ক সাহায্য আঁচনিৰ অধীনত বীমা কৰোতাৰ দুটা সন্তানৰ বাবে বাৰ্ষিক শিক্ষামূলক মঞ্জুৰি প্ৰদান কৰাৰ ব্যৱস্থাও আছে। এই মঞ্জুৰিৰ সৰ্বাধিক ধনৰাশিৰ পৰিমাণ হ'ল (বছৰেকীয়া) ২,৪০০ টকা। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে পঢ়া তেনে দুই সন্তানৰ বাবে এই সুবিধা আগবঢ়োৱা হয়। এনে বয়ন শিল্পীয়ে এই আঁচনিখনৰ অধীনত ৪৭০ টকাৰ বাৰ্ষিক বীমা প্ৰিমিয়ামৰ মাত্ৰ ৮০ টকাহে বছৰি বৰঙণি যোগাব লগা হয়। বাকী ধনৰাশি ভাৰত চৰকাৰে আদায় দিয়ে।

খ) **তাঁতীসকলৰ পুনৰ সংস্থাপন পুঁজি আঁচনি ঃ**

এই আঁচনিখনৰ অধীনত এটা বস্ত্ৰ ইউনিট অথবা ইয়াৰ যিকোনো এটা অংশ বন্ধ কিম্বা আংশিকভাৱে বন্ধ হ'লে কৰ্মীসকলক অন্তৰ্বৰ্তী সাহায্য প্ৰদান কৰা হয়।

ভাৰতৰ ৯৮টা বন্ধ হোৱা কাপোৰ কলৰ (textile mills) ১,১৭,৭৫১ কৰ্মীক এই বছৰৰ আগষ্টলৈকে ৩১৯.৬৬ কোটি টকা সাহায্য প্ৰদান কৰা হয়।

**হস্ত-তাঁত কৰ্মীসকলৰ বাবে কল্যাণ-মূলক আঁচনি**

হস্ত-তাঁত বয়ন শিল্পীসকলৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা বিদ্যুৎচালিত তাঁত খণ্ডৰ সতীৰ্থসকলৰ

***অজয় টামতা ভাৰত চৰকাৰৰ বস্ত্ৰ ৰাজ্যমন্ত্ৰী**

পৰা অধিক প্ৰভেদ নাই। হস্ত-তাঁতৰ তাঁতীসকলো গোটেই ভাৰততেই সিঁচৰতি হৈ আছে। দূৰ-দূৰণিৰ জনজাতীয় এলেকাতো তেওঁলোকক পোৱা যায়। এইটোৱেই হ'ল তেওঁলোকৰ সামাজিক নিৰাপত্তাৰ জীৱন দিনক দিনে জটিল হোৱাৰ কাৰণ। ভাৰত চৰকাৰে তাঁতীসকলৰ হিতাৰ্থে অনেক কল্যাণ-মূলক আঁচনি আৰম্ভ কৰিছে। তাৰ ভিতৰত কেইখনমান আঁচনি হ'ল এনে ধৰণৰ—

ক) **মহাত্মা গান্ধী উইভাৰ ইনচুৰেঞ্চ স্কীম**

এই আঁচনিখনৰ অধীনত তাঁতী-সকলক বীমা নিৰাপত্তাৰ সুবিধা যোগান ধৰা হয়। এনেদৰে বীমা কৰা তাঁতী-সকলে তলত উল্লেখ কৰা লাভসমূহ পোৱাৰ অধিকাৰী হয় ঃ

১। স্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত ৬০,০০০ টকা;

২। দুৰ্ঘটনাজনিত মৃত্যুৰ ক্ষেত্ৰত ১,৫০,০০০ টকা;

৩। দুৰ্ঘটনাজনিত কাৰণত স্থায়ীভাৱে হোৱা প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত ১,৫০,০০০ টকা;

৪। দুৰ্ঘটনাজনিত কাৰণত আংশিকভাৱে হোৱা প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত ৭৫,০০০ টকা।

**খ) স্বাস্থ্য বীমা আঁচনি**

দ্বাদশ পৰিকল্পনাত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ আৰ্হিতেই এখন স্বাস্থ্য বীমা আঁচনিত অনুমোদন জনায়। সম্প্ৰতি এই আঁচনিখন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে চোৱাচিতা কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে ২০১৬ চনৰ অৰ্থাৎ চলিত বৰ্ষৰ ২৯ মাৰ্চত হস্ত-তাঁত তাঁতীসকলক ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ লাভসমূহ যোগান ধৰিবলৈ বিস্তৃতভাৱে এক নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশ অনুযায়ী চিকিৎসালয়ত থকা ৰোগীলৈ ৩০,০০০ টকাৰ এক বীমাৰ ব্যৱস্থা কৰা হয়। এই ৰাষ্ট্ৰীয় বীমা যোজনা ১৯ খন ৰাজ্যত ৰূপায়ণ ব্যৱস্থাৰ অধীনত আছে। উক্ত ৰাজ্যকেইখন হ'ল—অসম, বিহাৰ, ছত্তিশগড়, গুজৰাট, হাৰিয়াণা, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, কৰ্ণাটক, কেৰালা, মণিপুৰ, মেঘালয়, মিজোৰাম, ওড়িছা, পাঞ্জাব, ৰাজস্থান, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু পশ্চিম বঙ্গ।

কেবিনেটৰ সিদ্ধান্ত অনুসৰি তামিলনাডুত (যি ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা ৰূপায়ণ কৰা নাই) অন্য এখন আঁচনি ৰূপায়ণ কৰিবলৈ লয়। সেয়া হ'ল ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা আৰ্হিৰেই এখন আঁচনি— যাৰ নাম হ'ল স্বাস্থ্য বীমা আঁচনি (Health Insurance Scheme)। ভাৰত চৰকাৰে এই আঁচনিৰ অধীনত চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগীৰ কাৰণে ৩০,০০০ টকাৰ সাহায্য আগবঢ়াইছে আৰু বৰ্হি বিভাগৰ ৰোগীৰ বাবে ৭,৫০০ টকাৰ যোগান ধৰিছে। ২০১৫ চনৰ ১ অক্টোবৰ পৰ্যন্ত এই আঁচনিৰ অধীনত ১,৪৪,২৯৪ তাঁতীক ইতিমধ্যে মনোনীত কৰা হৈছে।

বস্ত্ৰ মন্ত্ৰালয়ে সময়ে সময়ে ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ সন্দৰ্ভত কৰ্মশালাৰ আয়োজন কৰে। তাত অংশ গ্ৰহণ কৰে ৰাজ্যিক হস্ত-তাঁত বিভাগসমূহৰ আয়ুক্ত আৰু সঞ্চালসকলে তথা ৰাষ্ট্ৰীয় বীমা যোজনাৰ বিষয়াবৰ্গই। আঁচনিখন ৰূপায়ণ কৰিবৰ বাবে তাৰ আৰ্হি মতে কেনে ধৰণৰ ব্যৱস্থা আৰু দৃষ্টিভংগী অৱলম্বন কৰিব লাগিব সেইবোৰ বিষয়ে কৰ্মশালাত বিতংভাৱে আলোচনা কৰা হয়।

**হস্তশিল্প খণ্ডৰ তাঁতীৰ বাবে কল্যাণ-মূলক আঁচনি**

ভাৰতত হস্তশিল্প উদ্যোগ বৰ চহকী আৰু ই সকলো এলেকাকে সামৰি লৈছে—একেবাৰে গ্ৰাম্য আৰু জনজাতীয় ক্ষেত্ৰৰ পৰা দূৰ-দূৰণি তথা ভিতৰুৱা অঞ্চল পৰ্যন্ত। এই খণ্ডটোৰ কৰ্মীসকলক সামাজিক নিৰাপত্তা প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনেক কল্যাণমূলক আঁচনি ৰূপায়ণ কৰিছে। সেই আঁচনিবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

ক) **ৰাজীৱ গান্ধী শিল্পী স্বাস্থ্য বীমা যোজনা**

এই আঁচনিখন পৰীক্ষামূলক ভিত্তিত ২০০৬-০৭ বৰ্ষত ৰূপায়ণ কৰা হৈছিল আৰু ই একাদশ তথা দ্বাদশ পৰিকল্পনা কালছোৱাত চলি থাকে। ইয়াৰ লক্ষ্য হ'ল হস্তশিল্প খণ্ডটোত কাম কৰি থকা কৰ্মীসকললৈ চিকিৎসাৰ সা-সুবিধা যোগান ধৰা। কৰ্মীসকলে পঞ্জীকৰণৰ বাবে মাত্ৰ ৩০ টকা দিব লাগে আৰু আঁচনিখনৰ ৭৫ শতাংশ ব্যয় ভাৰত চৰকাৰে বহন কৰে। বাকী ২৫ শতাংশ ব্যয় ৰাজ্য চৰকাৰেসমূহে বহন কৰে। জম্মু আৰু কাশ্মীৰ তথা উত্তৰ পূৰ্বাঞ্চলৰ দৰে ৰাজ্যসমূহৰ ক্ষেত্ৰত প্ৰিমিয়ামৰ ৯০ শতাংশ ধনৰাশি কেন্দ্ৰীয় চৰকাৰে বহন কৰে।

আঁচনিখনৰ অধীনত শিল্পীকে ধৰি তেওঁৰ পৰিয়ালৰ আন চাৰিজন সদস্যক স্বাস্থ্য বীমাৰ লাভ প্ৰদান কৰা হয়। বীমা কৰা পৰিয়ালটোৰ যি কোনো সদস্য চিকিৎসালয়ত ভৰ্তি কৰিলে পৰিয়ালটোলৈ ৩০,০০০ টকা বীমা আগবঢ়োৱা হয় আৰু বৰ্হি বিভাগৰ ৰোগীৰ ক্ষেত্ৰত ৭,৫০০ টকাৰ ব্যৱস্থা আছে। এতিয়া এই আঁচনিখন ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ সতে চামিল কৰা হৈছে।

২০১৭ বৰ্ষৰ এপ্ৰিলৰ পৰা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় ইয়াৰ ৰূপায়ণৰ বাবে দায়িত্বত থাকিব। এতিয়ালৈকে আঁচনিখনৰ অধীনত ২৩,৭৪,৯৩৮ শিল্পীক পঞ্জীকৃত কৰা হৈছে।

**খ) আম আদমী বীমা যোজনা**

ভাৰতৰ জীৱন বীমা নিগমে হস্তশিল্প খণ্ডৰ শিল্পীসকলক জীৱন বীমা প্ৰদান কৰিবলৈ ২০০৪-০৫ বৰ্ষৰ কালছোৱাত জনশ্ৰী বীমা যোজনা ৰূপায়ণ কৰিছিল। যদিও অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে একাদশ পৰিকল্পনাৰ বাবে আঁচনিখনত অনুমোদন জনাইছিল, ইয়াৰ নাম কিন্তু বিত্ত ব্যয় বিষয়ক কমিটীৰ (Expendifive Finance Conmittee) অনুমোদন ক্ৰমে আম আদমী বীমা যোজনালৈ সলনি কৰা হয়। যোৱা তিনিটা বিত্তীয় বৰ্ষ (২০১৩-১৪ৰ পৰা ২০১৫-১৬ বৰ্ষলৈকে) আৰু চলিত ২০১৬-১৭ বৰ্ষত (২০১৬ চনৰ জুন পৰ্যন্ত) ২৩,৩১,২৮৮ শিল্পীক ইয়াৰ পৰিধিলৈ অনা হয়। এই আঁচনিখনক প্ৰধীন মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ সতে চামিল কৰাৰ এক প্ৰস্তাৱ আছে।

**দুখীয়া হস্ত শিল্পীলৈ আৰ্থিক সাহায্য**

আঁচনিখনৰ অধীনত শিল্পীসকলক তেওঁলোকৰ জীৱনৰ শেষ কালছোৱাত বিত্তীয় সাহায্য আগবঢ়োৱা হয়। ৬০ বছৰতকৈ অধিক বয়সৰ দুখীয়া শিল্পী সকল যি শিল্প গুৰু/ৰাষ্ট্ৰীয় বঁটা/ৰাষ্ট্ৰীয় মেধাবী বঁটা/ৰাজ্যিক হস্তশিল্প বঁটা আৰু যাৰ বাৰ্ষিক উপাৰ্জন ৩০,০০০ টকাতকৈ কম তেওঁলোকক ৩,০০০ টকাৰ মাহিলী বিত্তীয় সাহায্য প্ৰদান কৰা হয়। এই আঁচনিখনৰ অধীনত ২০১৪-১৫ বৰ্ষৰ পৰা ২০১৬-১৭ বৰ্ষলৈকে ১৬৪.০৬ টকাৰ বিত্তীয় সাহায্য ১০৩৫ শিল্পীক আগবঢ়োৱা হয়।

**মৰাপাট খণ্ডৰ কৰ্মীসকলৰ বাবে কল্যাণমূলক আঁচনি**

**১। মৰাপাট কৰ্মীৰ কল্যাণ আঁচনি ঃ কাৰখানা এলেকাৰ পৰিষ্কাৰ-পৰিছন্নতা**

এই আঁচনিখনৰ লক্ষ্য হ'ল মৰাপাট কলৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়াল-বৰ্গলৈ পৰিষ্কাৰ পৰিছন্নতাৰ সা-সুবিধা যোগান ধৰা। আঁচনিখনৰ অধীনত এই কলবোৰৰ কৰ্মীসকললৈ (পুৰুষ আৰু মহিলা উভয়) প্ৰশ্ৰাৱগাৰ, ৱাচ বেচিল আদিৰ সুবিধা কৰা হয়। আঁচনিখনৰ বাবে নেচনেল জুট বোৰ্ডে মুঠ খৰচৰ ৯০ শতাংশ কিম্বা সৰ্বাধিক ৪০ লাখ টকাৰ যোগান ধৰে।

**২। শিক্ষা অৰ্জনৰ উৎসাহ-উদগণিৰ বাবে বৃত্তি**

এই আঁচনিখনৰ অধীনত মৰাপাট কলৰ কৰ্মীসকলৰ ল'ৰা-ছোৱালীৰ মাজত শিক্ষা অৰ্জনৰ ক্ষেত্ৰত উৎসাহ-উদগণি জনাবৰ বাবে— বিশেষকৈ বালিকাসকলৰ বাবে বৃত্তি যোগান ধৰা হয়। মাধ্যমিক স্কুলৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰিয়ালৰ প্ৰত্যেক বালিকাক ৫,০০০ টকা আৰু উচ্চ মাধ্যমিক পৰীক্ষাত সফল হোৱা প্ৰত্যেক বালিকাক ১০,০০০ টকা প্ৰদান কৰা হয়।

২০১৫-১৬ বৰ্ষৰ কালছোৱাত বৃত্তি আঁচনিৰ পৰিব্যাপ্তি স্নাতক আৰু স্নাতকোত্তৰ সকললৈ সম্প্ৰসাৰিত কৰা হয়। এই ক্ষেত্ৰত স্নাতকৰ কাৰণে ১৫,০০০ টকা আৰু স্নাতকোত্তৰক ২০,০০০ টকা যোগান ধৰা হয়। পেছাদাৰী পাঠ্যক্ৰমৰ বাবে (যেনে ইঞ্জিনীয়াৰিং টেকনোলজী, মেনেজমেণ্ট, চিত্ৰ, চিএছ, আইচি-ডব্লিউ-এ-আই) বছৰি টিউচন ফীজৰ সাহায্য যোগান ধৰিবৰ কাৰণেও ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ অধীনত ২০১৩-১৪ বৰ্ষৰ পৰা ৬,৭৩৩ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

**৩। জীৱন বীমা আঁচনি**

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মৰাপাট কলৰ কৰ্মীসকলৰ কাৰণে জীৱন বীমা আঁচনি আৰম্ভণিতে তিনি বছৰ কালৰ বাবেহে (২০১৬ চনৰ আগষ্টৰ পৰা ২০১৯ চনৰ মাৰ্চলৈকে) নিৰ্দিষ্ট কৰা হয়। আঁচনিখনৰ দুটা ভাগ আছে। সেয়া হ'ল ক) প্ৰধান মন্ত্ৰী জীৱন বীমা যোজনা আৰু খ) প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা।

বস্ত্ৰ মন্ত্ৰালয়ে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বস্ত্ৰ কৰ্মীসকলৰ হিতাৰ্থে আঁচনি-সমূহ পৰ্যবেক্ষণ কৰে। কৰ্মীসকলৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি মন্ত্ৰালয়ে সৰ্বাধিক গুৰুত্ব দিয়ে আৰু তেওঁলোকৰ বাবে থকা বিভিন্ন কল্যাণ-মূলক আঁচনিবোৰৰ উন্নতি সাধন কৰিবলৈ নিৰন্তৰভাৱে প্ৰয়াস কৰিছে। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# নিয়োগ সৃষ্টি আৰু সামগ্ৰিক দিশ

**ৰশ্মি বাৰ্মা***

**পাতনি ঃ**

জনগাঁথনিগত দায়বদ্ধতা আৰু সংস্থাপন সন্ধানী কৰ্ম-বাহিনীৰ বৰ্দ্ধিত সংখ্যাই ভাৰতত নিয়োগৰ সম্ভাৱনা সৃষ্টিৰ প্ৰসংগক অন্যতম গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত কৰিছে। ইফালে নিয়োগৰ ক্ষেত্ৰত বাৰুকৈয়ে স্থিতিস্থাপকতা থকা খণ্ড হিচাপে সাজ-পাৰ আৰু বস্ত্ৰ-শিল্পখণ্ডই ভাৰতৰ বৰ্দ্ধিত কৰ্ম-বাহিনীৰ এক বৃহৎ অংশক সামৰি লোৱাৰ বিপুল সামৰ্থ্যকো প্ৰতীয়মান কৰিছে। বিশ্ব-অৰ্থনীতি মন্দাৰ সন্মুখীন হোৱাৰ মুহূৰ্ততো ভাৰতে এনে পৰিস্থিতিৰ মুখামুখি হোৱাৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ সক্ষম হোৱা অৱস্থাটোৰ সুৱৰ্ণ সুযোগ গ্ৰহণ কৰি বৰ্তমানৰ চৰকাৰে সাজ-পাৰ আৰু বস্ত্ৰ-শিল্প খণ্ডক পুনৰাই সঞ্জীৱিত কৰি তুলি দক্ষতাসুলভভাৱে নিয়োগ সৃষ্টিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। বস্ত্ৰ-শিল্পখণ্ডৰ বাবে যুগুতোৱা অন্যান্য নীতি-নিয়মসমূহৰ লগতে শেহতীয়াভাৱে গ্ৰহণ কৰা আঁচনিৰ জৰিয়তে চৰকাৰে উচ্চতৰ বিকাশ, অধিকতৰ ৰপ্তানি, অধিক সংখ্যক নিয়োগ আৰু অধিক হাৰত সামাজিক হিতসাধনত মনোনিৱেশ কৰিব খুজিছে।

শেহতীয়া প্ৰেক্ষাপটত পৃথিৱীজুৰি অৰ্থনীতিৰ মন্দা সদৃশ পৰিৱেশে বিৰাজ কৰি থকাৰ মুহূৰ্ততো যি কেইখন দেশে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ইতিবাচক অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে তাৰ ভিতৰত ৭ শতাংশ বিকাশ হাৰৰে ভাৰতে অন্যতম অগ্ৰণী দেশ হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। অৱশ্যে ইয়াৰ পিছতো দেশৰ বৰ্দ্ধিত কৰ্ম-বাহিনীৰ বাবে নিয়োগ সম্ভাৱনা সৃষ্টিক লৈ এক ধৰণৰ উদ্বিগ্নতা অব্যাহত থকাটো সহজেই অনুমেয় কথা। আধুনিক পৃথিৱীৰ ইতিহাসৰ প্ৰায় সকলো পৰ্যায়তে কৰ্ম সংস্থাপনৰ সম্ভাৱনা সৃষ্টিৰ লগতে অৰ্থনৈতিক প্ৰগতি সম্ভৱ কৰিবলৈ বস্ত্ৰ-শিল্পখণ্ডৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰাটো দেখিবলৈ পোৱা যায়। শেহতীয়া মাহচেৰেকত ভাৰত চৰকাৰেও বিকাশ অব্যাহত ৰাখি নিয়োগ সম্ভাৱনা সৃষ্টিৰ লক্ষ্যৰে নিৰূপণ কৰা পদক্ষেপৰ ক্ষেত্ৰত এই কথাই পুনৰবাৰ প্ৰতীয়মান হৈছে। যি মুহূৰ্তত পৃথিৱী জুৰি অৰ্থনৈতিক হতাশা নিবাৰণৰ বাবে কচৰৎ আৰম্ভ হৈছে সেই মুহূৰ্তত ভাৰতে বস্ত্ৰ শিল্প আৰু সাজ-পাৰ খণ্ডক বিশেষ গুৰুত্ব প্ৰদানৰে উচ্চ হাৰৰ অৰ্থনৈতিক বিকাশ লাভৰ বাবে পৰৱৰ্তী পৰ্যায়ৰ যাত্ৰা আৰম্ভ কৰাৰ যো-জা চলাইছে।

**ভাৰতীয় বস্ত্ৰ শিল্পৰ পুনৰুত্থান ঃ** পৰম্পৰাগত কাৰিকৰী জ্ঞান আৰু শৈল্পিক দক্ষতাৰ সুবাদত ভাৰতে বহু শতিকা ধৰি নিজকে কপাহী আৰু পাট কাপোৰৰ অন্যতম বৃহৎ উৎপাদনকাৰী দেশ হিচাপে পৰিচয় দি আহিছে। অৱশ্যে ঔপনিৱেশিকতাৰ কালছোৱাত বৃটিছ চৰকাৰে গ্ৰহণ কৰা নীতিৰ ধামখুমীয়াত পৰি এই শিল্পখণ্ডই বাৰুকৈয়ে মুখ থেকেচা খাবলগীয়াত পৰিছিল। অৱশ্যে স্বৰাজোত্তৰ কালত দেশৰ কোটি কোটি লোকৰ লগতে আধুনিক বস্ত্ৰ উদ্যোগসমূহলৈ কৰ্মৰ সন্ধান প্ৰব্ৰজিত হোৱা সহস্ৰজনৰ বাবে এই খণ্ডই প্ৰধান জীৱিকাৰ সমল হৈ পৰিছিল। পৰৱৰ্তী সময়ত বিশেষকৈ ৯০ দশকৰ প্ৰথম ভাগতে দেশৰ চৰকাৰে গ্ৰহণ কৰা মুক্ত অৰ্থনৈতিক নীতি আৰু বস্ত্ৰ শিল্পখণ্ডক কেন্দ্ৰই গুৰুত্ব প্ৰদান কৰি গ্ৰহণ কৰা আঁচনিৰ সুবাদত ভাৰতীয় বস্ত্ৰ-শিল্প উদ্যোগে পুনৰাই বিকাশৰ গতি লাভ কৰিবলৈ সক্ষম হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত উৎপাদনী ব্যয়ৰ হাৰ ব্যাপক ৰূপত বৃদ্ধি পোৱাৰ বিপৰীতে ভাৰতকে ধৰি এছিয়াৰ বহুকেইখন দেশে অপৰ্যাপ্ত হাৰত আৰু নিম্ন মজুৰিত উপলব্ধ শ্ৰমিক, বিশাল পৰিমাণৰ প্ৰাকৃতিক সম্পদ তথা অনুকূল অৰ্থনৈতিক নীতিৰ সুবাদত বস্ত্ৰ-সামগ্ৰী উৎপাদনৰ আটাইতকৈ আকৰ্ষণীয় লক্ষ্যস্থান হিচাপে স্বীকৃতি লভিবলৈ সক্ষম হয়। প্ৰকৃতি প্ৰদত্ত কেঁচা মালৰ উপৰি মানুহে কটা সূতাৰ লগতে উদ্যোগটোত নিয়োজিত কৰিব পৰাকৈ শ্ৰমিক-মজদুৰৰ পৰ্যাপ্ততাৰ জৰিয়তে ভাৰতীয় বস্ত্ৰ-শিল্পখণ্ডই এক ধৰণৰ স্বাভাৱিক অনুকূলতা সদায়ে লাভ কৰি আহিছে। যি মুহূৰ্তত বাংলাদেশ কিম্বা ভিয়েটনামৰ দৰে দেশে তেওঁলোকৰ বস্ত্ৰ-উদ্যোগৰ সফলতা অব্যাহত ৰাখিবৰ

***ৰশ্মি বাৰ্মা ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ সচিব**

বাবে মূলতঃ ৰপ্তানিৰ ওপৰতে নির্ভৰ কৰিবলগীয়া হয়, সেই মুহূর্তত কিন্তু ভাৰতে কেৱল ৰপ্তানিকে সাৰোগত কৰি বস্ত্ৰ উদ্যোগৰ ভৱিষ্যৎ নিৰূপণত ব্যস্ত থাকিবলগীয়া নহয়। কিয়নো ভাৰতৰ বস্ত্ৰ উদ্যোগৰ বাবে দেশৰ ভিতৰতে বস্ত্ৰ সামগ্ৰীৰ এখন বিশাল বজাৰ আছে। এই অনুকূলতাৰ সুবাদতে বহু বছৰ ধৰি ভাৰত বস্ত্ৰ শিল্প তথা সাজ-পাৰ ৰপ্তানিৰ ক্ষেত্ৰত পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ দেশ হিচাপে চিহ্নিত হৈ আহিছে। বস্ত্ৰ সামগ্ৰী ৰপ্তানিৰ জৰিয়তে ভাৰতে আহৰণ কৰা বিদেশী মুদ্ৰাৰ পৰিমাণ প্ৰায় ৪০ বিলিয়ন মাৰ্কিন ডলাৰ। এই পৰিমাণ মুঠ গোলকীয় বাণিজ্যৰ প্ৰায় ৫ শতাংশৰ সমান। দেশৰ ২.৩ ট্ৰিলিয়ন পৰিমাণৰ মুঠ ঘৰুৱা উৎপাদনলৈ বস্ত্ৰ শিল্প খণ্ডৰ অৰিহণা হ'ল ২ শতাংশ আৰু কৃষিৰ পিছতে বৃহত্তম নিযুক্তি প্ৰদানকাৰী খণ্ড হ'ল বস্ত্ৰ শিল্প খণ্ড। তদুপৰি খণ্ডটোৱে দেশৰ মুঠ ঔদ্যোগিক উৎপাদনৰ ১০ শতাংশ আৰু দেশৰ মুঠ ৰপ্তানিৰ ১৩ শতাংশৰ অৰিহণা আগবঢ়ায়।

**ভাৰতৰ জনসংখ্যাগত অনকূলতা**

প্ৰায় ১২৮ কোটি জনসংখ্যাৰে ভাৰত হ'ল পৃথিৱীৰ দ্বিতীয় সৰ্বাধিক জনতাৰ দেশ। বৰ্তমান সময়ত ভাৰতৰ মুঠ জনসংখ্যাৰ ৬৬ শতাংশ অৰ্থাৎ প্ৰায় ৮৫ কোটি লোক কৰ্মক্ষম বয়স সীমাৰ মাজৰ। ২০৩০ চনৰ ভিতৰত দেশত মানুহৰ সংখ্যা ১৬৯ কোটি লৈ বৃদ্ধিৰ সম্ভাৱনা আছে। জনসংখ্যাগত এই অনুকূলতাই অদূৰ ভৱিষ্যতে ভাৰতক বস্ত্ৰ শিল্প তথা সাজ-পাৰৰ দৰে অধিক শ্ৰমিক নিৰ্ভৰশীল সামগ্ৰীৰ সফল উৎপাদনকাৰী দেশ হিচাপে চিহ্নিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। আশীৰ্বাদ স্বৰূপে লাভ কৰা মানৱ

**তালিকা ঃ বস্ত্ৰ শিল্প তথা সাজ-পাৰ সামগ্ৰী খণ্ডত আনুমানিক নিয়োগ সম্ভাৱনা (নিযুতৰ হিচাপত)**

| খণ্ড/উদ্যোগ বস্ত্ৰশিল্প/খণ্ড | ২০১১ চনৰ মাৰ্চ পৰ্যন্ত | ২০১৭ চন পৰ্যন্ত | ২০১৫-১৬ (প্ৰস্তাৱিত) |
|---|---|---|---|
| কপাহ/হাতে কটাসূতা/ পকোৱা সূতা/কল (ক্ষুদ্ৰ হাতশাল তথা সম্পূৰ্ণ বয়ন গোট সহ) | ১.৪ | ১.৬১ | ১.৫৮ |
| হাতে কটা সূতা/পকোৱা সূতাৰ ফিলামেণ্ট উদ্যোগ (টেক্সাৰাইজিং উদ্যোগ সহ) | ০.২৪ | ০.২৮ | ০.২৭ |
| বিকেন্দ্ৰীকৃত শক্তি চালিত তাঁত শিল্প | ৫.০৮ | ৫.৮৪ | ৫.৭১ |
| হস্ততাঁত খণ্ড | ৭.০০ | ৮.০৫ | ৭.৮৮ |
| গুঠনি খণ্ড | ০.৪৫ | ০.৫২ | ০.৫১ |
| সংশোধন খণ্ড | ০.৪৪ | ০.৫১ | ০.৫০ |
| ঊণী খণ্ড | ৩.২০ | ৩.৬৮ | ৩.৬০ |
| প্ৰস্তুত সাজ-পাৰ খণ্ড (গুঠা সাজখণ্ড সহ) | ১১.২২ | ১২.৯ | ১২.৬২ |
| ৰেচম | ৭.৭০ | ৮.৮৬ | ৮.৬৭ |
| হস্তকলা খণ্ড | ৮.০০ | ৯.২০ | ৯.০০ |
| মৰাপাট শিল্প উদ্যোগ | | | |
| ক) সংগঠিত মৰাপাট উদ্যোগ | ০.২৬ | ০.৩ | ০.২৯ |
| খ) বিকেন্দ্ৰীকৃত মৰাপাট উদ্যোগ | ০.২০ | ০.২৩ | ০.২৩ |
| মুঠ (১) | ৪৫.১৯ | ৫১.৯৭ | ৫০.৮৪ |
| আনুষংগিক খণ্ড | | | |
| কপাহ<br>১। কপাহ খেতি | ২০ | ২৩ | ২২.৫০ |
| ২। কপাহৰ বীজ নিষ্কাষন/ছাপন | ১.৩ | ১.৫ | ১.৪৭ |
| ৩। কপাহৰ বাণিজ্য | ১৯ | ২১.৮৫ | ২১.৩৮ |
| মুঠ | ৪০.৩ | ৪৬.৩৫ | ৪৫.৩৪ |
| ভেড়া পালন | ২.৮ | ৩.২২ | ৩.১৫ |
| মৰাপাটৰ খেতি | ১৭ | ১৯.৫৫ | ১৯.১৩ |
| বস্ত্ৰ শিল্পৰ যন্ত্ৰ আৰু সা-সৰঞ্জাম | ০.১ | ০.১২ | ০.১২ |
| মুঠ (২) | ৬০.২ | ৬৯.২৩ | ৬৭.৭৩ |
| সৰ্বমুঠ (১+২) | ১০৫.৪ | ১২১.২ | ১১৮.৫৭ |

**সূত্ৰ ঃ ভাৰত চৰকাৰৰ বস্ত্ৰ শিল্প মন্ত্ৰণালয়ৰ দ্বাদশ পৰিকল্পনা সম্পৰ্কীয় কৰ্ম গোটৰ প্ৰতিবেদন**

সম্পদৰ এই অনুকূলতাক সাৰ্থক ৰূপত ব্যৱহাৰ কৰিবলৈ হ'লে ভাৰতে প্ৰতিমাহত অন্ততঃ এক নিযুত হাৰত নিয়োগ সম্ভাৱনা সৃষ্টিত মনোনিৱেশ কৰিব লাগিব। তাকে কৰিবলৈ হ'লে ভাৰতে প্ৰতি বছৰে ৮ ৰ পৰা ১০ শতাংশ হাৰে অৰ্থনৈতিক প্ৰগতি আহৰণ কৰিব লাগিব। তদুপৰি নিয়োগ সৃষ্টিত বিশেষ গুৰুত্ব প্ৰদানৰে এই বিকাশৰ আৰ্হি সৰ্বাত্মক হ'ব লাগিব।

**বস্ত্ৰ শিল্প খণ্ডত নিয়োগ সম্ভাৱনা**

নিয়োগ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত বস্ত্ৰ শিল্পখণ্ডই সদায়ে লক্ষণীয় প্ৰমূল্যবোধৰ লগতে বিপুল সম্ভাৱনীয়তা বহন কৰি আহিছে। এই উদ্যোগত বৰ্তমানে দেশৰ ৫ কোটি ব্যক্তিয়ে প্ৰত্যক্ষভাৱে জীৱন নিৰ্বাহৰ সুযোগ লাভ কৰাৰ বিপৰীতে এই শিল্পৰ সৈতে সম্পৰ্ক থকা আনুষংগিক ক্ষেত্ৰ যেনে—কপাহ, মৰাপাটৰ খেতি কিম্বা ভেড়া প্ৰতিপালন, বস্ত্ৰ শিল্পৰ কাৰিকৰী ক্ষেত্ৰ তথা যন্ত্ৰ নিৰ্মাণ আদি কৰ্মত আন ৬.৭ কোটি লোকে কৰ্ম সংস্থাপন লাভ কৰিছে।

নিম্নোল্লিখিত তালিকাখনত ব্যৱহৃত তথ্যাৱলী ঔদ্যোগিক খণ্ডৰ বাৰ্ষিক সমীক্ষাৰদ্বাৰা প্ৰকাশিত তথ্যৰ আধাৰত যুগুতোৱা হৈছে। ইয়াৰ জৰিয়তে নিয়োগ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত অন্যান্য ক্ষেত্ৰসমূহৰ তুলনাত বস্ত্ৰ শিল্পখণ্ডৰ এক তুলনাত্মক বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

সাধাৰণতে প্ৰতি এক কোটি টকা বিনিয়োগ সম্পন্ন সংহত বস্ত্ৰ আৰু সাজ-পাৰ উৎপাদনী প্ৰকল্প এটাত কমেও ৩০ টা কৰ্ম সংস্থাপনৰ দিহা কৰিব পৰা যায় যদিও ইয়াৰ বিপৰীতে ১ কোটি টকা বিনিয়োগ সম্পন্ন সাজ-পাৰ প্ৰস্তুতকৰণ প্ৰকল্প এটাত আকৌ অকলেই ৭০ টা পৰ্যন্ত নিয়োগ সম্ভাৱনা সৃষ্টি কৰিব পাৰি। ২০১১-২২ চনত সৰ্ব ভাৰতীয় বস্ত্ৰ শিল্প আৰু সাজ-পাৰ উদ্যোগ সম্পৰ্কীয় এক সমীক্ষাত প্ৰতি কোটি টকাৰ বিনিয়োগ সম্পন্ন একোটা বস্ত্ৰ শিল্প উদ্যোগত ৬৮ ৰ পৰা ১৬৯ টা পৰিমাণ নিয়োগ সম্ভাৱনা সৃষ্টি কৰিব পাৰি। নিয়োগ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত বিনিয়োগকৃত ধনৰ মূল্যায়ন কৰোঁতে বস্ত্ৰ শিল্পখণ্ড সদায় বিপদৰ আশংকা বিহীন খণ্ড হিচাপে চিহ্নিত হৈ আহিছে।

**তালিকা ঃ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত অন্যান্য ক্ষেত্ৰসমূহৰ সৈতে বস্ত্ৰ শিল্প খণ্ডৰ এক তুলনাত্মক বিশ্লেষণ**

| উৎপাদনী খণ্ড | নিৰ্দিষ্ট মূলধন (লাখৰ হিচাপত) | নিয়োজিত লোকৰ সংখ্যা | প্ৰতি কোটি টকাৰ বিনিয়োগৰ বিপৰীতে নিয়োগ |
|---|---|---|---|
| দুগ্ধজাত সামগ্ৰী | ১২০৩৮৬৯ | ১৪৫৬০১ | ১২ |
| জলপান | ২৬৭৫২৪৭ | ১৫৮৫০৭ | ৬ |
| জন্তুৰ নোমৰে প্ৰস্তুত সাজ-পাৰৰ বাহিৰে অন্যান্য পিন্ধন সামগ্ৰী | ১২৮০৫৬৪ | ৭১৩৮৩৩ | ৫৬ |
| গুঠা আৰু জালি কাপোৰৰ সাজ-পাৰ | ১৩৬৯১৪১ | ২৬৪২৬১ | ১৯ |
| ৰবৰৰ সামগ্ৰী | ২৬৬৮৫১২ | ২১৮৭৫৪ | ৮ |
| বুনিয়াদী লো আৰু তীখা | ৪০৯৯৯৬৬১ | ৬৫০৬৮০ | ২ |
| বৈদ্যুতীন সা-সামগ্ৰী | ৪২১১৫৪ | ৭৬৬১৯ | ১৮ |
| সাধাৰণ কাম-কাজত ব্যৱহৃত যন্ত্ৰ-পাতি | ৩৪১৭৪৫৩ | ৩৩৮৯৬৪ | ১০ |
| যান-বাহন | ৭০৮৮০২০ | ১৭৬৫২৩ | ২ |

**তথ্য সূত্ৰ ঃ ঔদ্যোগিক খণ্ডৰ বাৰ্ষিক প্ৰতিবেদন ২০১৩-১৪**

**বস্ত্ৰশিল্প আৰু সৰ্বাত্মক বিকাশ**

নিয়োগ সম্ভাৱনা সৃষ্টিৰ বাহিৰেও এই খণ্ডই সদায় মহিলা সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা উদ্যোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাজ-পাৰ সামগ্ৰী উৎপাদন ক্ষেত্ৰত নিয়োজিত কৰ্মবাহিনীৰ ৭০ শতাংশই মহিলা। তদুপৰি সমাজৰ অৰ্থনৈতিক-ভাৱে দুৰ্বল শ্ৰেণীৰ নাগৰিকসকলক এক সুস্থিৰ কৰ্মসংস্থানৰ সুযোগ আগবঢ়োৱাৰ লগতে জীৱন-ধাৰণৰ মান উন্নত কৰাৰ আহিলা হিচাপে এই খণ্ডই দেশৰ কোটি কোটি লোকক সুযোগ আগবঢ়াই অহাটো প্ৰণিধানযোগ্য। এনে প্ৰেক্ষাপটতে ভাৰতৰ দৰে দেশত কৰ্মসংস্থাপনৰ সুযোগ দানৰ ক্ষেত্ৰত বস্ত্ৰ উদ্যোগ খণ্ডক অপ্ৰতিদ্বন্দ্বী খণ্ড হিচাপেই চিহ্নিত কৰিব পাৰি। আমাৰ দেশৰ সৰহ সংখ্যক নাগৰিকে গাঁৱত বাস কৰে আৰু ইয়াৰে সৰহ সংখ্যকেই উন্নত শিক্ষাৰ লগতে অন্যান্য বুনিয়াদী সা-সুবিধাৰপৰা বঞ্চিত হৈ আহিব লগা হয়। বস্ত্ৰ উদ্যোগত নিয়োজিত হোৱাৰ

বাবে প্ৰাথমিক পৰ্যায়ত বিশেষ শিক্ষাগত অৰ্হতা কিম্বা দক্ষতাৰ প্ৰয়োজন নাথাকে। বৰং গ্ৰামাঞ্চলৰপৰা অহা যিকোনো নাগৰিকেই ৩-৪ সপ্তাহৰ সামান্য প্ৰশিক্ষণ গ্ৰহণ কৰিয়েই এই খণ্ডটোত কাম কৰাৰ বাবে যাৱতীয় অৰ্হতা কিম্বা দক্ষতা আহৰণ কৰিব পাৰে।

**গোলকীয় প্ৰেক্ষাপটত বস্ত্ৰ শিল্পৰ গাঁথনি ৰূপান্তৰ ঃ** শেহতীয়া তিনিটা দশকত বস্ত্ৰ উদ্যোগৰ বাণিজ্যিক ক্ষেত্ৰত চীন দেশে সকলোৰে শীৰ্ষত অৱস্থান গ্ৰহণ কৰি আহিছে। বিশেষকৈ বয়ন শিল্প আৰু সাজ-পাৰ উৎপাদনী ক্ষেত্ৰত দেশখনে বিগত ২০ টা বছৰ ধৰি পৃথিৱীৰ মুঠ উৎপাদনৰ ৪০ শতাংশ অংশীদাৰিত্ব বহনৰ পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। অৱশ্যে ২০০৯ চনৰ অৰ্থনৈতিক সংকটৰ পিছৰ পৰিস্থিতিত দেশখনৰ বস্ত্ৰ সামগ্ৰীৰ বাণিজ্য গড়ে ১৫ শতাংশ হাৰে নিম্নগামী হৈ ২০১৪ চনত ৪ শতাংশ লৈ অৱনমিত হয়। অদূৰ ভৱিষ্যতেও দেশখনত এই ধাৰা অব্যাহত থকাৰ সম্ভাৱনা আছে। শেহতীয়াভাৱে দেশখনত বৃদ্ধি পোৱা শ্ৰমিকৰ মজুৰিৰ হাৰ আৰু আভ্যন্তৰীণ বাণিজ্যত অধিক মনোনিৱেশ কৰাৰ পৰিপ্ৰেক্ষিততে চীন দেশে বস্ত্ৰ-সামগ্ৰীৰ গোলকীয় বাণিজ্যৰ ক্ষেত্ৰত শীৰ্ষস্থান হেৰুৱাবলগীয়া হৈছে। স্বাভাৱিকতেই ভাৰতে ইয়াৰ সুলভ হাৰৰ শ্ৰমিক আৰু কেঁচা মালৰ প্ৰাচুৰ্যতাক সঠিকভাৱে ব্যৱহাৰ কৰি চীন দেশে আজৰাই দিয়া এই স্থানত উপৱিষ্ট হোৱাৰ সুৱৰ্ণ সুযোগ লাভ কৰিছে।

**বস্ত্ৰ শিল্পজাত সামগ্ৰীৰ প্ৰক্ষেপিত বাণিজ্যিক বিকাশ ঃ** বস্ত্ৰ শিল্পজাত সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি সম্ভাৱনাৰ লগতে সৰ্বসাধাৰণ নাগৰিকৰ হাতলৈ অহা ৰাহি ধন, তথা এই ধনেৰে বস্ত্ৰ সামগ্ৰী ক্ৰয়ৰ বৰ্দ্ধিত প্ৰৱণতাই ভাৰতৰ ঘৰুৱা বজাৰত বস্ত্ৰ শিল্পজাত সামগ্ৰীৰ হাৰ দুটা সংখ্যাযুক্ত বাণিজ্যিক বিকাশৰ সম্ভাৱনাকে প্ৰকট কৰি তুলিছে। গোলকীয় প্ৰেক্ষাপট আৰু ঘৰুৱা বজাৰৰ শেহতীয়া ৰেহ-ৰূপে ভাৰতীয় বস্ত্ৰ শিল্প তথা সাজ-পাৰ সামগ্ৰীৰ উৎপাদনীখণ্ডৰ বাণিজ্য বৰ্তমানৰ ১১৯ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা ২০২৫-২৬ চনত ৪০০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

**কৰ্ম সংস্থাপন সৃষ্টি আৰু সৰ্বাত্মক বিকাশৰ যুগুতোৱা কৌশল ঃ** বস্ত্ৰ শিল্প আৰু বস্ত্ৰ সামগ্ৰী খণ্ডৰ নিয়োগ সম্ভাৱনীয়তা আৰু গোলকীয় বজাৰত এনে সামগ্ৰীৰ বৰ্দ্ধিত বাণিজ্যিক সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি খণ্ডটোৱে লাভ কৰিব পৰা বিকাশৰ গতি অধিক খৰতকীয়া কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে এলানি ৰণ কৌশল যুগুতাই উলিয়াইছে। সেই উদ্দেশ্যে বৰ্তমানে থকা আঁচনি যেনে—প্ৰযুক্তিৰ উন্নয়ন, আন্তঃগাঁথনি নিৰ্মাণ, পৰম্পৰাগত খণ্ডৰ সৰলীকৰণৰ লগতে বৰ্তমান চৰকাৰে দক্ষতা বিকাশৰ প্ৰসংগত অধিক গুৰুত্ব প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় বস্ত্ৰ সামগ্ৰী উৎপাদনী ক্ষেত্ৰখনক অধিক শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে চৰকাৰে উৎপাদনশীলতাৰ ক্ষেত্ৰত এই পৰ্যন্ত অব্যাহত থকা প্ৰতিবন্ধকতা আঁতৰোৱাৰ লগতে নিয়োগ সৃষ্টি তথা ৰপ্তানি বঢ়োৱাৰ ক্ষেত্ৰত উদগণি জনোৱাৰ বাবে বিশেষ সহযোগিতা আগবঢ়োৱাত গুৰুত্ব প্ৰদান কৰিছে।

**দক্ষতাৰ বিকাশ তথা পাৰিপাৰ্শ্বিকতা গঢ়াত গুৰুত্ব ঃ** নিয়োগ সম্ভাৱনা বৃদ্ধি কৰিবলৈ হ'লে আগন্তুক বৰ্ষসমূহত বস্ত্ৰ শিল্প তথা বস্ত্ৰ সামগ্ৰী উৎপাদনী ক্ষেত্ৰত উচ্চ হাৰত বিকাশ সম্ভৱ কৰি তুলিব লাগিব। এনে বিকাশ সম্ভৱ কৰিবলৈ আকৌ বিশাল পৰিমাণৰ বিনিয়োগৰ প্ৰয়োজন হ'ব। বৰ্দ্ধিত বিনিয়োগে আকৌ খণ্ডটোত দক্ষ শ্ৰমিকৰ চাহিদা বৃদ্ধি কৰিব। আগন্তুক সময়ছোৱাত বৃদ্ধি পাবলগীয়া দক্ষ শ্ৰমিকৰ চাহিদা পূৰণৰ বাবে ইতিমধ্যেই দেশৰ চৰকাৰে এলানি দক্ষতা বিকাশক পদক্ষেপ গ্ৰহণ কৰিছে। বস্ত্ৰ শিল্পখণ্ড প্ৰয়োজন হ'ব লগা দক্ষ শ্ৰমিকৰ চাহিদা পূৰণ কৰিব পৰাকৈ ইতিমধ্যে 'সংহত দক্ষতা বিকাশ আঁচনি' (আই এছ ডি এছ) খন ৰূপায়ণৰ দিহা কৰা হৈছে। এইখন আঁচনিয়ে বৰ্তমানে থকা বস্ত্ৰ শিল্প প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক বিশেষজ্ঞ নিয়োজিত কৰি প্ৰশিক্ষাৰ্থীসকলক অধিক উন্নত মানৰ প্ৰশিক্ষণ প্ৰদানৰে দক্ষ কৰি তোলাত বিশেষভাৱে সহায় কৰিব বুলি আশা কৰা হৈছে। তদুপৰি আঁচনিখনে ব্যক্তিগত খণ্ডৰ লগতে ৰাজ্য চৰকাৰসমূহৰ সংস্থাসমূহকো খণ্ডটোক বিকশিত কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনাব। তথ্য মতে ২০১৬ চনৰ ১ ছেপ্টেম্বৰ পৰ্যন্ত 'আই এছ ডি এছ' আঁচনিৰ অধীনত দেশৰ ৭.৭ লাখ যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰাৰ বিপৰীতে প্ৰশিক্ষণ সম্পূৰ্ণ কৰা ৫.০৬ লাখ (৬৬ শতাংশ) প্ৰশিক্ষাৰ্থীয়ে ইতিমধ্যে বস্ত্ৰ শিল্পখণ্ডত কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰণিধানযোগ্য যে ২০১৬-১৭ বিত্তীয় বৰ্ষত আঁচনিখনৰ অধীনত ১৫ লাখ যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়াৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ইফালে অসংগঠিত খণ্ডত নিয়োজিতসকলক দক্ষতা বৰ্দ্ধক প্ৰশিক্ষণ দিয়াৰ বাবে ভাৰত চৰকাৰে হস্ততাঁত আৰু হস্ত কলাখণ্ডৰ অন্তৰ্গত আঁচনিৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি শেহতীয়াভাৱে দক্ষ ভাৰত অভিযান'ৰ

অধীনতো এটা প্ৰভাৱশালী আৰু ব্যাপক আঁচনি ৰূপায়ণৰ দিহা কৰিছে ভাৰত চৰকাৰে। বস্ত্ৰ শিল্প তথা সাজ-পাৰ উৎপাদনী ক্ষেত্ৰত নিয়োজিত সকলৰ দক্ষতা বৰ্দ্ধনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পৰাকৈ 'বস্ত্ৰ শিল্প খণ্ডৰ দক্ষতা বিকাশ পৰিষদ' আৰু সাজ-পাৰ, প্ৰস্তুত গৃহ সজ্জা খণ্ডৰ দক্ষতা বিকাশ পৰিষদ শীৰ্ষক দুখন পৰিষদ গঠন কৰা হৈছে।

**সাজ-পাৰ প্ৰস্তুত খণ্ডৰ বাবে বিশেষ সহযোগিতা ঃ** নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত বিপুল সম্ভাৱনা বহন কৰাৰ পিছতো বিগত সময়ছোৱাত সাজ-পাৰ প্ৰস্তুত খণ্ডৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত সমানে সুযোগ লাভ নকৰা, তুলনামূলকভাৱে উচ্চ হাৰৰ পাৰিশ্ৰমিক ব্যয় উৎপাদনৰ গতি বাধাগ্ৰস্ত কৰিব পৰা শ্ৰমিক নিয়ন্ত্ৰণ বিধি, সীমিত বিনিয়োগ তথা সীমিত ৰপ্তানি দৰে নেতিবাচক কাৰকৰ উপস্থিতিত আশানুৰূপ অগ্ৰগতি লাভ কৰিব পৰা নাছিল। এনে প্ৰেক্ষাপটতে বৰ্তমানৰ চৰকাৰে সাজ-পাৰ প্ৰস্তুত খণ্ডৰ দ্ৰুত বিকাশ সম্পন্ন কৰিব পৰাকৈ এলানি পদক্ষেপ গ্ৰহণ কৰিছে। বস্ত্ৰ-সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত থকা নিয়ন্ত্ৰণ বিধি শিথিল কৰা, শ্ৰম বিধি সংস্কাৰ কৰি নিৰ্দ্দিষ্টকালীন নিয়োগৰ নিশ্চয়তা প্ৰদান কৰা, 'অতিৰিক্ত সময়'ৰ সীমা বৃদ্ধি কৰা, আয় কৰ আইনৰ ৮০ জে জে এ এ অনুচ্ছেদৰ শিথিলকৰণৰ দৰে সিদ্ধান্তৰে এই লানি পদক্ষেপেৰে বৰ্তমানৰ চৰকাৰে বস্ত্ৰ শিল্প তথা বস্ত্ৰ সামগ্ৰী উৎপাদনী খণ্ডৰ বিকাশৰ গতি ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰিছে। তদুপৰি খণ্ডটোত নিয়োজিত নতুন শ্ৰমিক কৰ্মচাৰীৰ প্ৰথম তিনিটা বছৰৰ বাবে আদায় দিব লগা ভৱিষ্য নিধিৰ সমুদায় ১২ শতাংশ কিস্তিৰ ধন চৰকাৰেই বহন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে সেইদৰে মাহিলি ১৫০০০ টকাৰ কম আয় কৰা শ্ৰমিক-কৰ্মচাৰীৰ ক্ষেত্ৰত ভৱিষ্য নিধিৰ বাবে আদায় দিবলগীয়া কিস্তিও ইচ্ছা ভিত্তিক কৰা হৈছে। ইয়াৰ ফলত সংশ্লিষ্ট সকলৰ হাতলৈ অধিক হাৰত নগদ ধন অহাটো নিশ্চিত হ'ব। ইফালে নিৰ্দ্দিষ্ট কালীন নিয়োগৰ নিশ্চিতিয়ে সাজ-পাৰ প্ৰস্তুত খণ্ডলৈ শ্ৰমিকৰ দল বঢ়োৱাৰ লগতে উদ্যোগটোৰ বাবে সৰ্বাধিক প্ৰয়োজনীয় সময়ছোৱাত নিয়োগ সম্ভাৱনীয়তা বৃদ্ধি কৰিব। এনে শ্ৰমিক কৰ্মচাৰীয়ে স্থায়ী শ্ৰমিক কৰ্মচাৰীৰ হাৰতে দা-দৰমহা তথা যাৱতীয় সা-সুবিধা লাভ কৰিব। ইফালে 'অতিৰিক্ত সময়'ৰ সীমা পূৰ্বৰ ৫০ ঘণ্টাৰপৰা ১০০ ঘণ্টালৈ বৃদ্ধি কৰা হৈছে। সাজ-পাৰ প্ৰস্তুত খণ্ডলৈ আগবঢ়োৱা বিশেষ সহযোগিতা আঁচনিৰ সুবাদত আগন্তুক তিনিটা বছৰত খণ্ডটোত ১ কোটি লোকক নিয়োজিত কৰিব পৰা যাব বুলি আশা কৰা হৈছে। উল্লিখিত তালিকাত নিয়োগ সম্ভাৱনাৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

**তালিকা ঃ ভাৰতীয় বস্ত্ৰশিল্প আৰু সাজ-পাৰ খণ্ডৰ প্ৰক্ষেপিত বাণিজ্যিক বিকাশ**

| | ২০১৫-১৬ | ২০২৫-২৬ | বৃদ্ধিৰ শতাংশ হাৰ |
|---|---|---|---|
| ৰপ্তানি | ৪০বিলিয়ন মাৰ্কিন ডলাৰ | ১৫০ বিলিয়ন মাৰ্কিন ডলাৰ | ১৪ শতাংশ |
| ঘৰুৱা বজাৰ | ৭৯ বিলিয়ন মাৰ্কিন ডলাৰ | ২৫০ বিলিয়ন মাৰ্কিন ডলাৰ | ১২ শতাংশ |
| মুঠ | ১১৯ বিলিয়ন মাৰ্কিন ডলাৰ | ৪০০ বিলিয়ন মাৰ্কিন ডলাৰ | ১৩ শতাংশ |

**সূত্ৰ ঃ ভাৰত চৰকাৰৰ বস্ত্ৰ আৰু সাজ-পাৰ মন্ত্ৰণালয়ৰ আভ্যন্তৰীণ পূৰ্বানুমান প্ৰতিবেদন**

**সামৰণি ঃ** বস্ত্ৰ শিল্প খণ্ডত আগন্তুক সময়ছোৱাত আশা কৰাৰ দৰে নিয়োগ সম্ভৱ হোৱাৰ লগতে দক্ষ শ্ৰমিক কৰ্মচাৰীৰ পৰ্যাপ্ত উপস্থিতিয়ে আক্ষৰিক অৰ্থতে আভ্যন্তৰীণ তথা বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰবহন সম্ভৱ কৰি তুলিব আৰু এনে এটা পৰিৱেশে ভাৰতক এটা আদৰ্শ; উৎপাদনী পীঠ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধান মন্ত্ৰীয়ে জনোৱা আহ্বানে আক্ষৰিক অৰ্থতে সাৰ্থকতা লাভ কৰিব বুলি আশা কৰিব পাৰি। 'ৰূপান্তৰৰ ভাৰত' শীৰ্ষক বক্তৃতালানিৰ উদ্বোধনী অনুষ্ঠানত ছিংগাপুৰৰ উপ প্ৰধানমন্ত্ৰী থৰমান শ্বানমুখদ্ৰৰত্নমে উচিতভাৱেই উল্লেখ কৰিছিল 'গোলকীয় অৰ্থনীতিৰ শেহতীয়া নিৰাশাজনক প্ৰেক্ষাপটটোৰ লগতে অন্যান্য নেতিবাচক দিশসমূহক মন্থন কৰি নিৰাশাক ইতিবাচক প্ৰত্যাশালৈ ৰূপান্তৰিত কৰাৰ বাবে ভাৰতে সামাজিক সচ্চলতা গুৰুত্ব প্ৰদান কৰি, দীৰ্ঘম্যাদী লক্ষ্যত উপনীত হোৱাত গুৰুত্ব আৰোপ কৰাৰ বাবে সামাজিক আৰু মানবীয় মূলধনক সদ্ব্যৱহাৰ কৰাত গুৰুত্ব প্ৰদান কৰি আক্ষৰিক অৰ্থতে অনন্য নিদৰ্শন দাঙি ধৰিছে। ❐

# হস্ত-তাঁত ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

জয়া জেইট্‌লি*

আমাৰ ভাৰতৰ সৃষ্টিশীল হস্তশিল্প দক্ষতা আৰু নন্দনতাত্বিক প্ৰকাশৰ এটা প্ৰাচুৰ্যপূৰ্ণ ঐতিহ্য আছে। আমি প্ৰায়ে সমসাময়িক বিশ্বৰ বিদেশী সংস্কৃতি ভুৱা প্ৰত্যয় আৰু নিৰাপত্তা বিচাৰি আনৰ বৈচিত্ৰ্য আৰু সোৱাদহীন সংস্কৃতিৰে আমাৰ চহকী সংস্কৃতিক ঢাকি পেলাওঁ। আমি পাহৰি যাওঁ যে, সাংস্কৃতিকভাৱে আমি নিজেই প্ৰোথিত হৈ থকা পৰম্পৰাৰ শিপা নতুন পৰিস্থিতি আৰু বাস্তৱৰ লগত দেশৰ সঞ্চৰণৰ এইবোৰ এটা অংশ। এই পৰম্পৰাসমূহে ভাৰতীয় হিচাপে আমাৰ সঁচা পৰিচয় সুৰক্ষিত কৰি ৰাখে।

## অৰ্থ, পৰিচয় আৰু শৈলী

ভাৰতক আধ্যাত্মিকতাৰে পূৰ্ণ দেশ বুলি প্ৰায়ে কোৱা হয়। ভাৰতৰ বেছিভাগ কাপোৰত পূৰলৈ কঢ়িয়াই নিয়া বৌদ্ধ ধৰ্মৰ বাৰ্তাৰে ৰং কৰা আৰু ছপা কৰা প্ৰাৰ্থনাৰ পতাকা আৰু ৰেছমৰ কাপোৰত উজ্বলি থকা সোণালী সূতাৰে পৱিত্ৰ শ্লোক বৈ দিয়া হয় আৰু এইবোৰে পৱিত্ৰতাৰ উপাদানেৰে মন্দিৰৰ শিলৰ চিত্ৰ আৰু ৰজাৰ কান্ধ অলংকৃত কৰে। কইনাৰ বাবে বোৱা শাৰীৰ দাঁতিৰ দীৰ্ঘ আৰু সুখী আৰু বৈবাহিক জীৱনৰ আশীৰ্বাদ সন্নিৱিষ্ট কৰা হয় আৰু উড়িছাৰ হাতেবোৱা আইকট শাৰীত পল্লৱৰ মহাকাব্যিক সৰল ভজনবোৰে জিলিকি উঠে। ভাৰতত যিকোনো উপলক্ষতে দিয়া আশীৰ্বাদক পৱিত্ৰ গণ্য কৰা হয় আনকি কোনো যুৱকে নিজৰ প্ৰথম উপাৰ্জনেৰে মাতৃলৈ কিনা হস্তনিৰ্মিত শাৰীখনতো থাকে কৃতজ্ঞতা আৰু শ্ৰদ্ধাভিত্তিক পৱিত্ৰ পৰম্পৰাৰ প্ৰতিফলন। বস্ত্ৰৰ বাহিৰেও মৌলিক সাজপাৰসমূহত এটা সম্প্ৰদায়ৰ সংস্কৃতি আৰু বিশেষ বৈশিষ্ট্য ফুটি উঠে। হাতেৰে বোৱা আন প্ৰকাৰৰ শোভন কাপোৰৰো বিশেষ অৰ্থ বা উদ্দেশ্য থাকে। সেই কাৰণেই ভাৰতীয় বস্ত্ৰ অতি বিশেষ আৰু অৰ্থপূৰ্ণ। দক্ষিণ আমেৰিকা, আফ্ৰিকা আৰু দক্ষিণ এছিয়াৰ কেইটামান নৃগোষ্ঠীয় সম্প্ৰদায়ে বিশেষ উপলক্ষত এনেধৰণৰ বস্ত্ৰ উৎপাদন আৰু ব্যৱহাৰ কৰে যদিও ভাৰতৰ দৰে ব্যাপক আৰু অস্তিত্ব অব্যাহত ৰাখিব পৰা নাই। উত্তৰ-পূবৰ ৰাজ্যসমূহৰ হাতেৰে নিৰ্মিত বিভিন্ন শ্বলসমূহত বিশেষ সম্প্ৰদায়টোৰ আৰ্হি আৰু সামাজিক স্থিতিও অংকিত হৈ থাকে। একেদৰে, ভাৰতৰ প্ৰত্যেক হস্ত-তাঁতক বিশেষ অঞ্চলৰ লগত সংযোগ কৰিব পাৰি।

ভাৰতত মোগলসকলৰ পদাৰ্পণৰ পূৰ্বে সাজ-পোছাকবোৰ আছিল চিলাই নকৰা আৰু পৰিপাটিভাৱে ভাঁজ কৰা। পুৰুষৰ বাবে আছিল লুঙি, ধূতি, অংগবস্ত্ৰ, পাগুৰি, হলৌ চোলা, জহৰ কোট আৰু শ্বল আৰু মহিলাৰ বাবে শাৰী, লুঙ্গী, মূৰৰ ওৰণি, শ্বল আদি হস্ত-তাঁতত বৈ লোৱা হৈছিল। মোগল ৰজাসকলে চিলাই কৰা দৰ্জীকে ধৰি বিভিন্ন কৌশলী হস্তশিল্পীক লগত ৰাখিছিল। পাৰ্চীৰ আৰ্হিযুক্ত শ্বেৰৱানি, পায়জামা, চেলোৱাৰ কুৰ্তা, সজ্জিত লেহেংগা আদি বেনাৰসত ব্যাপকভাৱে বোৱা পাটৰ বস্ত্ৰৰ চাহিদা সৃষ্টি কৰিছিল আৰু ১৪ আৰু ১৫ শতিকাত ভাৰত আৰু য়ুৰোপৰ সভাসদসকলৰ সন্তুষ্টিৰ বাবে বংগৰ সুন্দৰ মাযলিন কাপোৰ চিলোৱা হৈছিল। ভাৰত বৃটিছৰ শাসনলৈ অহাৰ পাছত মানছেষ্টাৰআৰু লাংকাছায়াৰৰ বস্ত্ৰ কাৰখানা যন্ত্ৰচালিত কৰি আৰু ঔপনিৱেশিক শাসনেৰে অ-সম আৰু খণ্ড কৰাৰ জৰিয়তে ভাৰতীয় হস্ত-তাঁত শিল্পীৰ অৱস্থা ভগ্নপ্ৰায় কৰি তোলে। যোগ্যজন বৰ্তি থাকিল আৰু দৰিদ্ৰজনো কাপোৰৰ প্ৰতিযোগিতাৰ মাজত বৰ্তি থাকিল। এইবোৰৰ ভিতৰত অতি সাধাৰণ নিত্য ব্যৱহাৰ্য টাৱেল, পাগুৰি, আধা লুঙ্গি, বিছনা চাদৰ আদি বহু উদ্দেশ্যৰে তৈয়াৰ কৰা ৰুমাল বিশেষ আছিল। কৰ্ণাটকৰ থিগালৰু জনজাতিসকলে তেওঁলোকৰ উৎসৱৰ সময়ত ধৰ্মৰজাৰ (যুধিষ্ঠিৰ) উপাসনা কৰাৰ নিমিত্তে কান্ধত লোৱা চৰাইৰ পাখিৰে কাম কৰা গভীৰ ৰঙা ৰঙৰ ধৰ্মীয় পৰম্পৰাগত সাজ বৰ্তি থাকিল।

## ধাৰাবাহিকতা

ভাৰতীয় হস্ত-তাঁত পৰম্পৰা বৰ্তি থকাক ধাৰাবাহিকতাই সমৰ্থ কৰিছে। প্ৰথমতে পৱিত্ৰতাক উৎসাহিত কৰি আৰু বস্ত্ৰৰ প্ৰকৃতি আৰু আৰ্হিত অৰ্থ প্ৰদান কৰি; দ্বিতীয়তে পৰিধানকাৰীক সম্প্ৰদায়, অঞ্চল বা ধৰ্মীয় এটা পৰিচয় প্ৰদান কৰি

*জয়া জেইট্‌লি দস্তকাৰী হাট সমিতিৰ প্ৰতিষ্ঠাতা আৰু হস্ত-তাঁত আৰু হস্ত-শিল্প খণ্ডৰ এগৰাকী বিশেষজ্ঞ

আৰু তৃতীয়তে সম্প্ৰদায় ব্যৱস্থাৰ বিশুদ্ধ ধাৰাবাহিকতাৰ জৰিয়তে, যিটোৱে গতিহীনতাক নিশ্চিত কৰে। ই শিল্পীসকলক তেওঁলোকে জনা বৃত্তিটোৰ ভিতৰত নিৰাশ কৰে, তেওঁলোকে মাত্ৰ বংশানুক্ৰম দক্ষতাৰ অভ্যাস কৰে আৰু উচ্চ হিচাপে বিবেচিত আন বৃত্তিলৈ মুক্তভাৱে গতি কৰিবলৈ অসমৰ্থ হৈ পৰে। দক্ষিণ ভাৰতৰ বিজয়নগৰ আৰু ভ্ৰমণী সাম্ৰাজ্যৰ দৰে শাসকসকল আৰু মন্দিৰৰদ্বৰা পুঁজিৰ যোগান লাভ কৰা ধনী আৰু ক্ষমতাশালী শিপিনী সংঘৰদ্বাৰা পিছৰ যুগত শোষণকাৰী সদাগৰ ব্যৱসায়ীৰ ভিন্ন দিশত ভ্ৰমণ আৰু সামাজিক অসাম্যক ধন্যবাদ জ্ঞাপন কেতিয়াও কৰা হোৱা নাছিল। বৃটেইনৰ বস্ত্ৰ কাৰখানাসমূহ যন্ত্ৰচালিতকৰণৰ আৰ্বিভাৱ পৰম্পৰা ৰক্ষা আৰু প্ৰসাৰতাৰ প্ৰতি আছিল চৰম আঘাত (মাধমাৰ)।

**ক্ৰেতাসকল**

অতীতৰ মূল্যায়ণ কৰাৰ সময়ত সেই সময়ৰ ক্ৰেতাসকলৰ বিষয়টোও পৰীক্ষা কৰিব লাগিব। ওপৰত উল্লেখ কৰা হৈছে যে অৰ্ধ সহস্ৰাব্দৰ পূৰ্বে যেতিয়া 'বস্ত্ৰ ব্যৱসায়' আকৃতিতকৈ বেছি গুৰুত্বপূৰ্ণ আছিল, প্ৰত্যেকে হাতেবোৱা কাপোৰৰ লগত নিজক সজ্জিত কৰিছিল। হস্ত-তাঁতৰ শিপিনীয়ে সকলো শ্ৰেণীৰ ক্ৰেতালৈ বস্ত্ৰৰ যোগান ধৰিছিল। মোগলসকলৰ চিলোৱা কাপোৰৰ সৈতে উচ্চ পদমৰ্যাদা আৰু উচ্চ শ্ৰেণীৰ খৰচী বয়নকাৰীলৈ পৰিণত হৈছিল আৰু নিম্ন শ্ৰেণীৰ লোকসকলে লম্বা পায়জামা, ব্লাউজ আৰু কুৰ্তাৰ দৰে কিছুমান চিলাই কৰা সাজপাৰৰ লগত নিত্য ব্যৱহাৰ্য বস্ত্ৰ ব্যৱহাৰ কৰিছিল।

আজিকালি নগৰীয়া মধ্যবিত্ত শ্ৰেণীয়ে ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ বস্ত্ৰ ঐতিহ্যৰ লগত সম্পৰ্ক হেৰুৱাই বেলেগ সংস্কৃতিৰ জীৱনশৈলীৰ আমদানিকৃত সাজ-পোছাকৰ দিশে আকৰ্ষিত হৈছে। গোলকীয় ধুনপেছে হস্ত-তাঁতৰ কাপোৰ ব্যৱহাৰ অন্তৰ্ভুক্ত নকৰে আৰু কৃত্ৰিম কাপোৰ চিক্‌মিকনিয়ে ক্ৰেতাক প্ৰায়েই প্ৰলোভিত কৰে। আনকি বহু স্থানীয় সম্প্ৰদায়ে তেওঁলোকৰ জীৱন পৰম্পৰাৰ অংশ হিচাপে হস্ত-তাঁত ঐতিহ্যক মূল্য দিলেও তেওঁলোকো নিজৰ স্থিতিতে থাকিব লগা হয়। শেহতীয়া সময়ত এইবোৰ পুনৰ উত্থানৰ বাবে নতুন নিশ্চিতিৰ ব্যৱস্থা কৰা হৈছে আৰু এইবোৰৰ বিষয়ে এই প্ৰৱন্ধটোৰ পৰৱৰ্তী অংশত উল্লেখ কৰা হ'ব।

**স্বাধীন ভাৰতত প্ৰশাসন**

স্বাধীনতাৰ পূৰ্বে, ভাৰতৰ পৰা যিকোনো ধৰণৰ বস্ত্ৰৰ বজাৰকৰণৰ ব্যৱস্থাটো সেই সময়ৰ শাসকসকলে বলৱৎ কৰা কিছুমান বিধিৰ সৈতে বজাৰ শক্তিৰদ্বাৰা পৰিচালিত হৈছিল। ১৯৪৭ চনৰ পাছত চৰকাৰে আগবঢ়োৱা কল্যাণ, উন্নয়ন আৰু সমৰ্থন ব্যৱস্থা মহাত্মা গান্ধী আৰু জাতীয়তাবাদী খাদী আন্দোলনৰ প্ৰচেষ্টাৰ জৰিয়তে আৰম্ভ হৈছিল আৰু কমলা দেৱী চট্টোপাধ্যায় আৰু পাছত অতি সফলভাৱে প্ৰভাৱিত কৰিব পৰা লোক পুপুল জয়কাৰীৰ দৰে ব্যক্তিৰ গাঁথনিগত পুনৰুজ্জীৱিত প্ৰচেষ্টাৰদ্বাৰা অনুসৰণ কৰা হৈছিল। সি যি কি নহওক, স্বৰাজোত্তৰ উদ্যোগীকৰণে কাপোৰ কল, কৃত্ৰিম কাপোৰ আৰু শক্তিচালিত তাঁতশাল আনিলে যিবোৰ আছিল সস্তা আৰু শ্ৰমিক শ্ৰেণীৰ বাবে অনুকুল আৰু ইয়াৰ বাবে শিপিনীৰ জনসংখ্যাৰ গুৰুত্ব হ্ৰাস পালে।

প্ৰথমতে পুনৰুজ্জীৱিতকৰণ কৰা হৈছিল আৰু পৰৱৰ্তী দশকত কি চলি আছে, বিকশিত হৈছে, কি ম্লান পৰিছে আদি দিশত গভীৰ জৰীপ মানচিত্ৰ অবিহনে বজাৰ, ৰপ্তানি আৰু ৰাজসাহায্যৰ বিষয়ত মনোযোগ কেন্দ্ৰীভূত কৰা হৈছিল। বহুমুখী উৎসৰ পৰা সাম্প্ৰতিক পৰিস্থিতিৰ সম্পৰ্কে জ্ঞান উপলব্ধ কৰিব পৰা অৱস্থাতো এটা অকৃত্ৰিম বৃত্তিসুলভ পদ্ধতিৰে এই বিশ্লেষণ আৰু মূল্যায়ণ কৰা নহ'ল। বিশৃঙ্খলভাৱেই বা স্বচ্ছতা আৰু পৰ্যবেক্ষণ অবিহনেই পুঁজিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হ'ল, সেয়েহে প্ৰকৃত হিতাধিকাৰী দূৰতে থাকিল আৰু শিপিনীসকলক বঞ্চিত কৰি অধিক দাৰিদ্ৰ্যৰ অৱস্থালৈ ঠেলি দিয়া হ'ল। তেওঁলোকে অৱশেষত নিজৰ গ্ৰাম্য বাসস্থানত কাপোৰ বোৱা কাম পৰিত্যাগ কৰি মহানগৰসমূহত ৰিক্সা চলাবলৈ বা চীনাবাদাম বেচি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হ'ল।

'৮০ৰ দশকৰ মাজভাগৰ পাছত শক্তিচালিত তাঁতশালৰ দ্ৰুত বৰ্দ্ধন পাৰ্থক্যৰ বিষয়ে কেনেকৈ কোৱা হ'ব বা বেদখল কেনেকৈ নিয়ন্ত্ৰণ কৰিব আদি দিশবোৰৰ সন্দৰ্ভত গ্ৰাহকৰ শিক্ষাৰ বিষয়টোৰ লগত খাপ নাখায়। ই হস্ত-তাঁতশালৰ বিপক্ষেহে কাম কৰিছিল। আনকি চৰকাৰী সংস্থাৰদ্বাৰা হস্ত-তাঁতশাল উৎকৰ্ষৰ কাৰণে কৰা কামো চিক্‌চিকীয়া ব্যক্তিগত খণ্ডৰ বিজ্ঞাপনৰ সন্মুখত বৰ্দ্ধিত ৰূপত অসফল হোৱা দেখা গৈছিল। দুৰ্ভাগ্যজনকভাৱে, প্ৰাৰম্ভিক আশ্বাস আৰু উদ্যমপূৰ্ণ সক্ৰিয়তা ছিন্নভিন্ন হৈছিল আৰু সামাজিক আৰু বাণিজ্যিক কাম, ৰাজ্যিক বিপণন পৰিষদ আৰু চৰকাৰী গাঁথনিৰ ভালেমান সৰু অংশ হৈ বিয়পি পৰিছিল। কাৰ্যালয়ৰ হস্তক্ষেপ ভাল অৰ্থৰ আছিল কিন্তু এইবোৰ কল্পনাৰ অতীত আৰু অৱহেলাৰে নিস্পৃহভাৱে ৰূপায়িত হৈছিল।

বিগত এই দশকবোৰত সমগ্ৰ বিশ্বজুৰি মৰ্যাদাপূৰ্ণ পৃষ্ঠপোষকতা আৰু মুক্ত বজাৰ সুবিধাৰ অভাৱ আছিল। এইটো স্বীকাৰ কৰি লোৱা ভাল হ'ব যে, ভিন্ন প্ৰকাৰৰ চৰকাৰৰ হস্তক্ষেপে হস্ত-তাঁত আৰু খাদী জীৱন্ত হৈ থকাত সহায় কৰিছিল, যদিও ই সংখ্যাত তীব্ৰভাৱে হ্ৰাস পাইছিল।

এই ক্ষেত্ৰত পুনৰুজ্জীৱিত আৰু অভিযোজনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ হস্তক্ষেপক অভিজ্ঞ সৃষ্টিশীল ব্যক্তি আৰু হস্ত শিল্প আৰু বস্ত্ৰত শিপোৱা সংগঠনৰ মাজত হোৱা সফল অংশীদাৰত্বৰ কথা উল্লেখ কৰিব পাৰি। ইয়াৰ কিছুমান উদাহৰণ হ'ল আশীৰ দশকৰ চৰকাৰৰ বিশ্বকৰ্মা প্ৰকল্প আৰু ৭০ দশকৰ শেষছোৱা আৰু ৮০ দশকত দেশৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা শ শ হস্ত-তাঁত প্ৰদৰ্শনী (এক্সপ') সমূহ। বিগত দুটা দশকত, বজাৰ শক্তিয়ে লাহে লাহে পুনৰ ভূমিকা গ্ৰহণ কৰিছে। এইবোৰে হস্ত-তাঁতক সফল বজাৰ অঞ্চললৈ আনি পুনৰুজ্জীৱিতকৰণ, ফেশ্বন উদ্যোগত উপাদান সন্নিৱিষ্ট কৰি ভাৰতীয় শিপিনীৰ উৎকৰ্ষক স্বীকৃতি দিয়াত সহায় কৰিছে।

**পুনৰুজ্জীৱিত সমৰ্থন ব্যৱস্থালৈ সম্ভৱপৰ নতুন প্ৰৱেশ পথ**

হস্ত-তাঁত খণ্ডৰ পুনৰুজ্জীৱিতকৰণৰ বাবে প্ৰৱেশ পথৰ ক্ষেত্ৰত প্ৰশাসনিক ব্যৱস্থাত জৰুৰী পৰ্যালোচনাৰ প্ৰয়োজন। এই খণ্ডটোক অৱনমিত পুতৌজনক অৱস্থাৰ দৰে নহয় অতি সম্ভাৱনাপূৰ্ণ খণ্ড হিচাপেহে চোৱা উচিত। অধিক বাস্তৱসন্মত ৰূপেৰে বৰ্তমানৰ আঁচনি আৰু উন্নয়নৰ 'যোজনা'সমূহ আঁতৰোৱা প্ৰয়োজন। কুশলী লোকসকলে কেনেকৈ মুদ্ৰা ঋণ, ষ্টাৰ্ট-আপ আৰু দক্ষ ভাৰত (স্কীল ইণ্ডিয়া) আঁচনিৰ সহায় লাভ কৰিব সেই বিষয়ে পথ প্ৰদৰ্শন কৰিবলৈ অনানুষ্ঠানিক আৰু ব্যাপকভাৱে স্ব-নিয়োজিত খণ্ডত অধিক শিথিল প্ৰৱেশ পথৰ প্ৰয়োজন। বেংক খণ্ডৰ লোক-সকলৰ বাবে অধিক প্ৰশিক্ষণ আৰু এই খণ্ডত পৰ্যাপ্ত পৰিমাণৰ সংবেদনশীলতাৰ দৰ্কাৰ। এমএনৰেগা আঁচনিয়ে শিপিনী-সকলক উপকৃত নকৰে আৰু কোনো হেৰাই যোৱা কৌশলো নিশিকায়। ই প্ৰায়েই কৌশল ৰক্ষাৰ ক্ষেত্ৰত নিৰুৎসাহ কৰা কৌশলহে। কৌশল, হস্ত-তাঁতৰ কৰ্মচাৰী আৰু এমএনৰেগাৰ মাজত হোৱা সু-সমন্বয়েহে বিপৰীত উদ্দেশ্য পৰিহাৰ কৰাত সহায় কৰিব।

যুক্তিসংগত মূল্যত গুণগত সূতা লাভ কৰাত অসুবিধা আছে। মৰাপাট, জৈৱিক কপাহ আৰু শণ সূতা আদিৰ দৰে বিকল্পৰ সপক্ষে জ্ঞানৰ অভাৱ অতিক্ৰম কৰিব লাগিব। এইটো এনেকুৱা এটা ক্ষেত্ৰ য'ত বস্ত্ৰ আৰু ধুনপেছ (ফেশ্বন) আৰ্হিকাৰকে ধুনপেছ উদ্যোগৰ প্ৰয়োজনৰ কাৰণে আৰু হস্ত-তাঁতত বোৱাৰ বাবে খাপ খোৱা নতুন আৰ্হি আৰু নতুন বস্ত্ৰ সৃষ্টিত অভিযোজনামূলক আৱিষ্কাৰেৰে একেলগে খোজ দিব। ২ বছৰজোৰা গুৰুত্বপূৰ্ণ কামে খৰখেদাকৈ কৰা ধুনপেছ প্ৰদৰ্শনী আৰু ক্ষীপ্ৰ প্ৰচাৰ কামবোৰতকৈ ভাল ফল দিব।

শিক্ষণ, পুনৰুজ্জীৱিতকৰণ আৰু প্ৰাকৃতিক ৰং দিয়া অভ্যাসৰ ক্ষেত্ৰত উৎসাহজনক কেন্দ্ৰীভূতকৰণে পৰিৱেশ প্ৰদূষণ হ্ৰাস কৰাত সুন্দৰভাৱে সহায় কৰিব আৰু ইয়াৰ বিশ্বব্যাপী গ্ৰহণযোগ্যতা আছে। প্ৰাকৃতিক ৰঞ্জন বা ৰং দিয়া কাৰ্যৰ ফলত হোৱা নিষ্কাষিত পদাৰ্থ মাটি অনুকুলো। প্ৰাকৃতিক ৰঞ্জন কাৰ্য ভৱিষ্যতৰ বাবে এটা সম্পদো হ'ব পাৰে কাৰণ সমগ্ৰ দেশতে প্ৰাকৃতিক ৰঞ্জনৰ বিষয়ে এটা বৃহৎ জ্ঞানৰ ভাণ্ডাৰ আছে।

পাৰ্বত্য আৰু উপকূলীয় অঞ্চলৰ পৰা আহৰণ কৰা বিভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক আঁহৰ ব্যৱহাৰ বাঁহ, আনাৰস আৰু কলৰ আঁহ আন্তৰ্জাতিক প্ৰযুক্তি সহযোগিতাৰে বিকাশ কৰিব পাৰি। এনেধৰণৰ নতুন কেঁচা সামগ্ৰীয়ে শিপিনীসকলক হস্ত-তাঁত খণ্ডত নতুন জৈৱিক সম্পদৰ সৃষ্টিলৈ ঘূৰাই আনিব পাৰে।

হস্তশিল্প আৰু হস্ত-তাঁত খণ্ডত বিপণীকৰণৰ সুবিধাসমূহো আমাজন, ফ্লিপকাৰ্ট আদি অন্‌লাইন বিক্ৰেতা প্ৰতিদ্বন্দ্বীৰে সৈতে ক্ষীপ্ৰভাৱে সম্প্ৰসাৰিত হৈছে। তদুপৰি বহুতো সৰু ব্যক্তিগত নিকায়সমূহে বিৰল হস্ত-তাঁত সামগ্ৰী সীমিত বিক্ৰেতাক অন্‌লাইন-যোগে বিক্ৰী কৰি আছে। শিপিনীসকলে এই বজাৰসমূহৰ উপকাৰ আৰু বিপদৰ বিষয়ে বুজাটো প্ৰয়োজন যাতে তেওঁলোকে ফৰ্মাচ অনুসৰি উৎপাদিত সামগ্ৰী সময় মতে যোগান ধৰাত সফল হ'ব পাৰে। কুশলী লোকসকলে বৰ্তমান ফেইছ বুক একাউণ্ট খুলিবলৈ শিকিছে আৰু আনকি ৱেবছাইটতো নিজৰ কাম প্ৰকল্পিত কৰিছে।

অত্যন্ত সাধাৰণ কিন্তু প্ৰতিভাৱান শিল্পী আৰু শিপিনী উদ্যোগসমূহে এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যত বিক্ৰীৰ অৰ্থে সামগ্ৰী প্ৰেৰণ কৰাৰ বাবে প্ৰয়োজনীয় চিঠি-পত্ৰৰ লেন-দেনৰ বিষয়ে বুজিবলৈ অসমৰ্থ। নতুন জি এছ টি ব্যৱস্থা বাস্তৱত পৰিণত নোহোৱালৈকে আন্তঃৰাজ্যিক সামগ্ৰীৰ প্ৰেৰণ আৰু প্ৰাপ্তি বিষয়ক বৰ্তমানৰ বিধিসমূহ জটিল আৰু বহুতৰ বাবে অজ্ঞাত হৈয়ে থাকিব। বৰ্তমান আধুনিক যুগৰ পদ্ধতিসমূহৰ কৰ আৰোপণৰ ভীতি আৰু সাধাৰণ অৱজ্ঞা দূৰণিকো স্পৰ্শ কৰা মসৃণ বজাৰকৰণ আৰু সম্প্ৰসাৰণৰ কাৰণে অত্যন্ত হানিকাৰক।

ঘৰুৱা বজাৰবোৰত বিক্ৰী বৃদ্ধি কৰাৰ বাবে বিশেষ প্ৰচেষ্টা চলাব পাৰি। ই ক্ৰয় ক্ষমতা, সাংস্কৃতিক সম্বন্ধ আৰু নন্দনতাত্ত্বিক সম্বন্ধ বৃদ্ধি কৰে। ভাৰতীয় ৰুচিৰ লগত ৰজিতা খুৱাই বহুমুখী আৰু বহু তৰপীয়া বেৰত খোলনি কটা বজাৰৰ নিশ্চয় বিকাশ কৰিব লাগিব। এইটো ৰপ্তানি বজাৰৰ অনুকূলতাৰ বাবে অৱজ্ঞা কৰা উচিত নহয় যাৰ বাবে হস্ত-তাঁত খাপ খুৱাই লোৱা হোৱা নাই। এনে পৰিস্থিতি সাপেক্ষে শক্তিচালিত তাঁতশালসমূহ হস্ত-তাঁত হিচাপে বিক্ৰী আৰু ৰপ্তানি কৰা হৈছে। ই কেতিয়াবা সুনামৰ ক্ষেত্ৰ গম্ভীৰ প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে।

চৰকাৰৰ সৈতে নিবিড়ভাৱে আৰু মুক্ত, স্বচ্ছ আৰু সৎ অংশীদাৰীত্বৰ সহযোগিতাৰে কাম কৰাৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ খণ্ডটো যথেষ্টভাৱে সহজলভ্য হৈ উঠা নাই। এই অসহজলভ্য সম্পদ বিকশিত হোৱা উচিত। এই ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠনসমূহৰদ্বাৰা বিশেষ প্ৰচেষ্টা দাখিলকৰণ তেওঁলোকৰ কামৰ স্থিতি স্থিৰকৰণত ভাল উদাহৰণ হ'ব পাৰে আৰু ই প্ৰকৃত নেপথ্য বাস্তৱৰ ভিত্তিত অধিক সফল কাৰ্যসূচী গঠন কৰাত সহায় কৰিব।

সমগ্ৰ দেশতে ভালেমান শিপিনী সেৱা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয় আৰু আশীৰ দশকত এই কেন্দ্ৰবোৰে সফলভাৱে সেৱা আগবঢ়ায় আৰু আজিকোপতি এই কাম কৰি আছে। স্থানীয়ভাৱে ভালদৰে কাম কৰি থকাসকলক বহুত লোকে নাজানে। এই কেন্দ্ৰসমূহ শিপিনীসমূহৰ লগত শক্তিশালী ভাব আদান-প্ৰদানৰ আৰু সংযোগৰ জৰিয়তে জীৱন্ত প্ৰদৰ্শনী প্ৰদৰ্শন আৰু বিকাশ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পৰা যায়। তেওঁলোকৰ ভাৱমূৰ্তি উন্নীত হ'ব পাৰে। ব্যৱস্থাটোও উন্নীত হ'ব লাগে আৰু স্বচ্ছতাৰ বাবে ডিজিটেল ব্যৱস্থা হ'ব লাগে তথা তথ্য সংগ্ৰহ বিনিময় কৰিব লাগে। তেওঁলোকৰ কাৰ্যকাৰিতাৰ এটা স্বতন্ত্ৰ অধ্যয়ন পোৱাটো ভাল প্ৰচেষ্টাযোগ্য আৰু শিপিনীসকলক দিক্-দৰ্শন কৰাৰ বাবে বিৰাট সম্ভাৱনা আছে আৰু জনসাধাৰণৰ কাৰণে গ্ৰহণযোগ্য হ'ব। তেওঁলোকে চাহিদা বৃদ্ধি পালে শিকা, উৎপাদন কৰা আদিত সহায় কৰিববলৈ পাৰদৰ্শী শিপিনীক শিক্ষানবীচ শিপিনীৰ ওচৰলৈ আনিব পাৰে। উত্তৰ পুৰুষৰ বাবে তথ্যসহকাৰে প্ৰতিপাদন অতি গুৰুত্বপূৰ্ণ, কৰ্মৰ এই ক্ষেত্ৰখনে কেন্দ্ৰৰ ওচৰত উৎসাহ পাব লাগে আৰু অংশগ্ৰহণৰ বাবে প্ৰতিষ্ঠাপন কৰিব লাগে।

আগলৈ যোৱাৰ পথ মূল্যায়ন কৰাৰ বাবে এটা ডাঙৰ দক্ষ জৰীপ কাৰ্যসূচীৰ প্ৰয়োজন। ইয়াত শিপিনী সম্প্ৰদায়ৰ বৰ্তমানৰ দক্ষতা আৰু অৰ্থনৈতিক আৰু সামাজিক স্থিতি মানচিত্ৰকৰণ অন্তৰ্ভুক্ত কৰিব লাগে। এই ব্যৱস্থাই তেওঁলোকৰ সম্ভাৱনীয়তা পদ্ধতিগতভাৱে কেনেদৰে বিকাশ কৰিব পৰা যাব সেই বিষয়ত সহায় কৰিব। আলোকচিত্ৰ, হিচাপ পৰীক্ষণ, প্ৰদৰ্শনী সজ্জিতকৰণ, অন্‌লাইন বিক্ৰীৰ বাবে পদ্ধতি আদি নতুন দক্ষতা যোগ দি এই খণ্ডত দক্ষতা সম্প্ৰসাৰণ কৰিব পৰা যায়।

**পুনৰুত্থান**

সম্প্ৰতি হস্ত-তাঁতৰ প্ৰতি আগ্ৰহৰ সুন্দৰ পুনৰুত্থান ঘটিছে। এইটো সমগ্ৰ বিশ্বতে অনুৰূপ গোলকীয় পৰিচয় চিহ্নৰ (গ্ল'বেলাইয্ ব্ৰেণ্ড) বৈচিত্ৰ্যহীনতাৰ আমোদজনক স্বাভাৱিক ফলাফল হ'ব পাৰে। ইয়াৰ বিপৰীতে, ভাৰতৰ হস্ত-তাঁত উৎপাদনে বিশুদ্ধ সূতাৰ আছুতীয়া, আমদানি শুল্ক, আৰোপিত উৎপাদন, পৰম্পৰা আৰু ঐতিহ্যৰ লগত জড়িত হৈ থকা প্ৰেম, বিভিন্নতাৰ মাজৰ পছন্দ কৰিব পৰা সুবিধা আৰু প্ৰত্যেক বস্ত্ৰৰ লগত জড়িত হৈ থকা সাংস্কৃতিক কাহিনী কয়।

হস্ত-তাঁত উৎকৰ্ষৰ কাৰণে সামাজিক মাধ্যমে বহু অভিযানৰ জৰিয়তে বহুল প্ৰচাৰ কৰাত সহায় আগবঢ়াইছে। বস্ত্ৰ মন্ত্ৰীৰদ্বাৰা প্ৰৱৰ্তন কৰা #wearhandlooms tag, # 100 saries pactৰ দৰে পুৰণি প্ৰচেষ্টা আৰু ভালেমান উৎসৰ্গিত ব্যক্তিৰদ্বাৰা চলোৱা অনুৰূপ প্ৰচাৰে বহু নতুন ক্ৰেতাক হস্ত-তাঁতৰ উৎপাদনৰ ক্ৰেতাৰ তালিকালৈ আনিছে।

ভাৰতে "মেইক্ ইন ইণ্ডিয়া, স্কীল ইণ্ডিয়া' আদি আঁচনিৰে দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিশ্বৰ আগ্ৰহ সৃষ্টি কৰিচে আৰু বেছিদিনৰ বাবে ভাৰত তৃতীয় বিশ্বৰ দেশ হিচাপে পৰিগণিত হ'ব নালাগিব বুলি বিশ্বত এটা ধাৰণা প্ৰতিষ্ঠা কৰিছে, কিন্তু চহকী সাংস্কৃতিক আৰু দাৰ্শনিক পৰম্পৰাৰ সম্ভাৱনাৰ দেশ ভাৰতে শেহতীয়াকৈ ইয়াৰ লগত আধুনিকতাৰ দিশটোও সংযোজন কৰিছে। এই কাহিনীয়ে সমগ্ৰ বিশ্বতে ক্ৰেতাসকলৰ হস্তশিল্প, পৰম্পৰা, হস্ত-তাঁত আদিৰ বিষয়ে থকা কল্পনা গ্ৰহণ কৰিছে। শ্ব' কেছ, বেছিকৈ গুৰুত্ব প্ৰতিফলিত কৰা অংশ, বৰ্তমানৰ সৃষ্টিমূলক সাংস্কৃতিক সম্পত্তিৰ উৎকৰ্ষ সাধন কৰাৰ ক্ষেত্ৰত আৰু অধিক কৰিবলগীয়া আছে।

সম্ভাৱনা সীমাহীন আৰু সমস্যাও বহুত হ'ব পাৰে। সি যি কি নহওক, এই প্ৰত্যাহ্বান হৈছে সৃষ্টিসুলভ আৰু উৎসাহজনক কিয়নো ই ভাৰতৰ বহু স্তৰীয় ঐতিহ্য, বিচিত্ৰ বিৰল দক্ষতা, বিশ্বৰ আন অংশত হেৰাই যোৱা কৌশল আৰু প্ৰক্ৰিয়া বৰ্তি থকাত সহায় কৰিব আৰু অতি গুৰুত্বপূৰ্ণ কথা হ'ল— শিপিনী সম্প্ৰদায়লৈ প্ৰকৃত অৰ্থনৈতিক সবলীকৰণেৰে অৰ্থপূৰ্ণ জীৱিকাৰ পথ আগবঢ়াব। ❒

# খাদী— কাৰ্বন শূন্য উদ্যোগ

**বিনয় কুমাৰ ছাক্সেনা***

এটা আধুনিক জাতি গঠনৰ বিষয়ে আমি বাৰম্বাৰ কৈ আছো। ইয়াৰ বাবে আন্তঃগাঁথনি, বিজ্ঞানভিত্তিক উদ্যম, কাৰিকৰী শক্তি, সামৰিক বল, কলাসুলভ উৎকৃষ্টতা বিকাশৰ বাবে এই সকলো বৰ্ণাঢ্য বিভাগৰ আধুনিকতাৰ লক্ষণৰ যিমান প্ৰয়োজন, আগবঢ়াৰ বাবে তাতোকৈ বেছি প্ৰয়োজন হ'ল আমাৰ বুনিয়াদী সামৰ্থ্য। এটা জাতিয়ে যেনে ধৰণেৰে কৰ্ষণ কৰে তেনে ফলেই লাভ কৰে। ঠিক তেনেদৰে এটা সপোনৰ নিৰ্মাণ আমাৰ লগত দীৰ্ঘকাল জোৰাকৈ থাকিবলৈ ইয়াৰ বুনিয়াদৰ ওপৰত নিৰ্ভৰ কৰে।

আনকি বৃটিছৰ শাসনৰ শতিকা-সমূহতো এটা জাতি হিচাপে আমাৰ জীৱন চৰ্যাৰ সাংস্কৃতিক আৰু পৰম্পৰা পৃথকভাৱেই অক্ষুণ্ণ আছিল। মহাত্মা গান্ধীয়ে ক্ষীপ্ৰভাৱেই উপলব্ধি কৰিছিল যে আমাৰ মূল শক্তি তৃণমূল পৰ্যায়ত প্ৰোথিত হৈ আছে, ইয়াৰ ভিত্তি আমদানিকৃত মূল্যৰে গঠন কৰিব নোৱাৰি। ১৯২০ চনৰ মাজভাগত, ভাৰতত বৃটিছৰ সাম্ৰাজ্যবাদৰ মধ্যম কালছোৱাত গান্ধীজীয়ে স্বদেশী আন্দোলনত জাতীয়তাবাদৰ ৰাজনৈতিক অস্ত্ৰ হিচাপে 'খাদী' প্ৰৱৰ্তন কৰিছিল। "স্বাধীনতাৰ সাজ" নামেৰে অভিহিত কৰি তেওঁ ভাৰতৰ স্ব-পৰ্যাপ্ততাৰ এটা চিৰস্থায়ী প্ৰতীক আনিছিল। তেওঁ বৃটিছক প্ৰমাণসহ দেখুৱাইছিল যে ভাৰতে নিজকে সমৰ্থন কৰিব পাৰে, একে সময়তে ভাৰতীয়সকলে গৌৰৱ অনুভৱ কৰিব পাৰে যে তেওঁলোকে নিজৰ দৈনন্দিন জীৱনত দৰ্কাৰ হোৱা কাপোৰ নিজেই বৈ সমৃদ্ধি আনিব পাৰে।

খাদী আৰু গ্ৰাম্য উৎপাদন জাতীয়তাবাদৰ এটা সুন্দৰ উৎস হৈ পৰিছিল আৰু ভাৰতে সমগ্ৰ বিশ্বত প্ৰমাণ কৰি দেখুৱাইছিল যে, আমাৰ সমাজ গ্ৰাম্য জনসাধাৰণৰ প্ৰচেষ্টা আৰু বৰঙণিৰ ভিত্তিত প্ৰতিষ্ঠিত। একেদৰেই খাদী কেৱল এডোখৰ কাপোৰ হিচাপে নহয়, ই শান্তিৰ আগজাননী আৰু আমাৰ স্বাধীনতা আৰু জাতীয় অস্তিত্বৰ প্ৰতীক হৈ পৰিল।

স্বাধীনতাৰ পাছত ভাৰত চৰকাৰৰদ্বাৰা খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগ (কে ভি আই চি নিকায়) আইন ১৯৫৬ৰ অধীনত বিধি হিচাপে খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগ গঠন কৰা হয়। এটা জাতি গঠনৰ বাবে স্ব-পৰ্যাপ্ততা শক্তিলৈ বৰঙণি আছিল। বিৰাট পৰিমাণৰ মানৱ সম্পদ থকা এটা জাতি কাম কৰিবলৈ আগ্ৰহী আছিল যদিও সমূহীয়া মানৱ শক্তি আৰু প্ৰতিভা উপকাৰী ৰাষ্ট্ৰীয় সামগ্ৰী উৎপাদন আৰু ব্যক্তিৰ জীৱিকা আৰু সমৃদ্ধিৰ বাবে সমৰ্থন আগবঢ়াবলৈ অৰ্থনৈতিক সম্পদৰ অভাৱ আছিল। খাদী আৰু গ্ৰাম্য উদ্যোগক উচ্চাকাংক্ষাৰ উৎসাহ দিয়াৰ বাহিৰে ভাৰতে আন উল্লেখযোগ্য আৰু যথোপযুক্ত ব্যৱস্থা অব্যাহত ৰাখিব পৰা নাছিল।

বৰ্তমানৰ খাদী উৎপাদন বিশ্বৰ ভিতৰতে বৃহৎ গ্ৰাম্য উৎপাদন আঁচনি, য'ত হাজাৰ হাজাৰ পৰিয়ালে তেওঁলোকৰ উৎপাদন মধ্যভোগী বা বজাৰ চৌহদ, সংস্থান অবিহনে গ্ৰাহকৰ ওচৰলৈ নিব পাৰিছে। ই গ্ৰাম্য সম্প্ৰদায়লৈ তেওঁলোকৰ প্ৰচেষ্টাৰ বাবে উচ্চ মূল্য আগবঢ়াইছে। আনহাতে গ্ৰাহকলৈ আগবঢ়াইছে তেওঁলোকৰ ধনৰ উচিত মূল্য। এটা জাতিৰ বাবে ই নিঃসন্দেহে ঐতিহ্যৰ এটা অমূল্য সম্পদ।

পাঁচ হাজাৰৰো অধিক প্ৰতিষ্ঠান আৰু ৩.২০ লাখ ক্ষুদ্ৰ উদ্যোগীৰে এই বিশাল নেটৱৰ্ক ব্যৱস্থাই ভাৰতত খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগৰ উদ্দেশ্য আৰু কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই খাদী গ্ৰাম্য উদ্যোগ আয়োগৰ বিভিন্ন আঁচনিৰ অধীনত ১ কোটিৰো অধিক লোক উৎপাদনমূলক কাৰ্যত জড়িত হৈ আছে। খাদী উদ্যোগ বিশেষকৈ মহিলাসকলে দখল কৰি আছে আৰু এই উদ্যোগৰ ৮০ শতাংশৰো অধিক উদ্যোগ কাৰু-শিল্পীয়েই হ'ল মহিলা। গ্ৰাম্য উদ্যোগ কাৰ্যসূচীত মহিলাৰ ৩০ শতাংশ অংশ আছে। খাদী আৰু গ্ৰাম্য উদ্যোগ খণ্ডই ৪০ হাজাৰ কোটিৰো অধিক টকা খাদী আৰু গ্ৰাম্য উদ্যোগ উৎপাদনৰ পৰা নিৰ্দিষ্ট সময়ত লাভ কৰে, ইয়াৰ ভিতৰত ৪০ শতাংশ খাদী কৰ্মৰ অধীনত গ্ৰাম্য সম্প্ৰদায়লৈ

*বিনয় কুমাৰ ছাক্সেনা খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগৰ অধ্যক্ষ

জীৱিকা সমৰ্থন হিচাপে প্ৰৱাহিত হয়। বিশ্বত জলবায়ু পৰিৱৰ্তন আৰু উদ্যোগৰ ফলত বৃদ্ধি হোৱা কাৰ্বন পদচিহ্নৰ প্ৰভাৱসমূহৰ বিষয়ে গভীৰভাৱে আলচ কৰি থকাৰ সময়তে, ভাৰতে বিশ্বৰ মঞ্চত সংশ্লেষণ বিক্ৰিয়াৰদ্বাৰা প্ৰস্তুত কৃত্ৰিম বস্ত্ৰ উদ্যোগৰদ্বাৰা হোৱা পাৰিৱেশিক অনিষ্টৰ বিপৰীতে খাদী উদ্যোগৰ কাৰ্বনবিহীন ব্যৱস্থাৰ বিষয়টো প্ৰতিষ্ঠিত কৰাৰ প্ৰয়োজন আছে। বছৰত বিশ্বৰ বস্ত্ৰ উৎপাদনৰ ৬০ বিলিয়ন কিলোগ্ৰামৰো অধিক বস্ত্ৰৰ কাৰণে প্ৰয়োজন হয় ১,০৭৪ বিলিয়ন KN$^{h}$ বিদ্যুৎ শক্তি (বা ১০২ নিযুত মেট্ৰিক টন কয়লা) আৰু ৮-৯ লাখ লিটাৰ পানীৰ। মুঠ কাৰ্বনৰ প্ৰায় কুৰিভাগৰ এভাগ কাৰ্বন সৃষ্টিকাৰী কৃত্ৰিম বস্ত্ৰ উদ্যোগসমূহ হ'ল বৃহৎ সেউজ গৃহ গেছ নিৰ্গমনকাৰী।

সি যি কি নহওক, হাতেৰে সূতা তৈয়াৰ কৰা আৰু হাতেৰে তাঁত বোৱা বাবে এই উৎপাদন প্ৰক্ৰিয়াত বিদ্যুৎ শক্তিৰ প্ৰয়োজন নহয়। ই হ'ল সম্পূৰ্ণ জৈৱিক আৰু কাৰ্বন প্ৰশমিত। ভৱিষ্যতৰ সূতা হিচাপে বস্ত্ৰ উদ্যোগত খাদীয়ে এটা আকাংক্ষিত স্থান অধিকাৰ কৰা উচিত। এইটোৱেই হ'ল ইয়াৰ মৌলিক আধাৰ, যাৰ ওপৰত ভিত্তি কৰি আমি খাদীক বিশ্বৰ মঞ্চলৈ লৈ যাব লাগিব আৰু ইয়াৰ আধুনিক প্ৰাসংগিকতা আৰু পৰিষ্কাৰ আৰু বহনক্ষম পৃথিৱীৰ কাৰণে ভৱিষ্যতৰ ভূমিকা প্ৰদৰ্শন কৰিব লাগিব।

माननीয় প্ৰধান মন্ত্ৰীয়ে তেওঁৰ "মন কী বাত"ত কৈছে— "আমি ভাৰতৰ গাঁৱত খাদী গ্ৰামোদ্যোগ নেটৱৰ্ক প্ৰতিষ্ঠা কৰিব বিচাৰোঁ। লাখ লাখ লোকৰ বাবে নিয়োগ সৃষ্টি কৰাৰ সম্ভাৱনা খাদীত আছে।"

মাননীয় প্ৰধান মন্ত্ৰীয়ে খাদীক গুৰুত্ব দিয়া বিষয়টোত হস্তশিল্পীসকল জড়িত হৈ আছে, দেশ গঠনত এই তত্ত্বই ভূমিকা গ্ৰহণ কৰিব পাৰে। মাননীয় প্ৰধান মন্ত্ৰীয়ে অলপতে এটা শ্ল'গান দিছে— "স্বাধীনতাৰ পূৰ্বে ৰাষ্ট্ৰৰ বাবে খাদী আৰু স্বাধীনতাৰ পাছত সাজপাৰৰ নতুন আৰ্হি অৰ্থাৎ ফেশ্বনৰ বাবে খাদী।" তেওঁ আৰু কয় যে, "আমি খাদীৰ ব্যৱহাৰৰ নিশ্চয় উৎকৰ্ষ সাধন কৰিব লাগিব। অন্ততঃ খাদীৰ এবিধ সামগ্ৰী ক্ৰয় কৰক। যদি আপুনি খাদী ক্ৰয় কৰে, তেনেহ'লে এঘৰ দুখীয়া লোকৰ ঘৰত আপুনি সমৃদ্ধিৰ আলোক বন্তি প্ৰজ্বলন কৰিলে।" এই আহ্বানৰ পাছত যোৱা বছৰ খাদী বস্ত্ৰ আৰু সাজপাৰৰ ক্ষেত্ৰত ২৯ শতাংশ বিক্ৰী বৃদ্ধি পায়। এই ধাৰা অব্যাহত আছে।

বস্ত্ৰ হিচাপে খাদীয়ে আধুনিক সমাজৰ লগত খাপ খুৱাই ল'বলৈ পৰিৱৰ্তন কৰাৰ প্ৰয়োজন আছে আৰু বৰ্তমান হাজাৰ হাজাৰ উৎপাদন কেন্দ্ৰই ব্যৱহাৰকাৰীসকলৰ চাহিদা অনুসৰি বিভিন্ন অনুপাতত সংযোজন কৰা বস্ত্ৰ সামগ্ৰী, কপাহী, পলিয়েষ্টাৰ, ৰেছম আৰু অন্যান্য সামগ্ৰী উৎপাদন কৰি আছে।

বৰ্তমান নতুন উদ্ধৃত বাক্যশাৰী হ'ল— 'এক সূতা, এক জাতি।' পৰিচয় চিহ্নত 'খাদী'ৰ পৰা 'খাদী ভাৰত' কৰা হৈছে। 'এক সূতা, এক জাতি'ৰ বাক্যশাৰীৰ আলমত খাদী গ্ৰাম্য উদ্যোগ আয়োগে শ্ৰীনগৰত চলিত বছৰৰ ৫ মেইৰ পৰা ৪ জুনলৈ এমাহজোৰা ৰাষ্ট্ৰীয় খাদী প্ৰদৰ্শনীৰ আয়োজন কৰে। স্বাধীনতাৰ পাছত সন্ত্ৰাস জৰ্জৰিত জম্মু আৰু কাশ্মীৰত এইখনেই হ'ল এনে ধৰণৰ প্ৰথম প্ৰদৰ্শনী। সমগ্ৰ দেশৰে ১৯৮ খাদী প্ৰতিষ্ঠানৰদ্বাৰা উৎপাদিত সামগ্ৰীৰে প্ৰদৰ্শনী কক্ষ সজাই তোলা হয়। ইয়াৰ ৫৬ খন আছিল জম্মু আৰু কাশ্মীৰৰ। এক লাখতকৈয়ো অধিক লোকে এই প্ৰদৰ্শনী দৰ্শন কৰে আৰু ২ কোটিতকৈ অধিক টকাৰ সামগ্ৰীৰ বিক্ৰীৰ সফলতা প্ৰদৰ্শন কৰে। ২০১৬ চনৰ সেই মাহত খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে কাশ্মীৰৰ পামপুৰৰ ওচৰত ২৫ চৰ্খাৰ গোট আৰু ৫ খন তাঁতশাল আৰম্ভ কৰে আৰু জম্মু জিলাৰ নাগ্ৰ'টা গাঁৱত সন্ত্ৰাস জৰ্জৰিত পৰিয়ালসমূহৰ ২৯৬ গৰাকী মহিলাক নিয়োজিত কৰি এটা নেপকিন চিলাই প্ৰকল্পও আৰম্ভ কৰে।

বিশ্বৰ নতুন ধুনপেছৰ বা ফেশ্বনৰ জগতত সুন্দৰ প্ৰৱেশৰ বাবে খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে খাদীৰ তৈয়াৰী সাজ-পোছাকত ৰাজ্যৰ কলা আৰু বিভিন্ন ফেশ্বনৰ আৰ্হিৰ সংযোগ কৰা আৰু দেশৰ লগতে বিদেশতো খাদীৰ উৎকৰ্ষৰ ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ বাবে আন্তৰ্জাতিক খ্যাতসম্পন্ন আৰ্হিকাৰক ৰিতু বেৰীক আয়োগৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়ে।

এই নেপথ্যৰে উৎপাদনমূলক নিযুক্তিত অতি দুখীয়া আৰু গ্ৰাম্য জনসাধাৰণক নিয়োজিত কৰাৰ বাবে খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগৰ এটা বোজাস্বৰূপ দায়িত্ব আছে। খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে সেয়েহে গ্ৰাম্য উদ্যোগক অতি বৃহৎ বৈচিত্ৰ্যৰ মাজতো সৃষ্টি, উৎকৰ্ষ সাধন আৰু উৎসাহৰ জৰিয়তে ভাৰতৰ গ্ৰাম্য উন্নয়নৰ এটা প্ৰধান চালিকা শক্তি হিচাপে কাম কৰাটো বাধ্যতামূলক।

আমাৰ অজানা সৈনিকসকলৰ বাবে স্মাৰকৰ দৰে আমাৰ অচিনাকি জনসাধাৰণৰ, যিসকলে জাতিৰ পিতাৰ আহ্বানত স্ব-নিৰ্ভৰশীলতা আৰু কামৰ মৰ্যাদাৰ পথ গ্ৰহণ কৰিছিল, সেইসকলৰ কাৰণে চৰ্খাক এটা স্মাৰক হিচাপে মই সদায় বিশ্বাস কৰো। সূতাৰে কাপোৰ বৈ

অহিংস স্বাধীনতা যুঁজলৈ বৰঙণি আগবঢ়োৱা পদব্ৰজী সকলৰ প্ৰত্যেককে আমি মনত ৰাখিব নোৱাৰিব পাৰো বা তেওঁলোকক সম্পূৰ্ণভাৱে তথ্যসহকাৰে প্ৰতিপাদন কৰিব নোৱাৰিব পাৰো, কিন্তু আমি চৰ্খা উদ্‌যাপনৰ সময়ত তেওঁলোকলৈ প্ৰতীকিভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰো। এই দিশৰ পৰা, ৰাজধানীৰ গুৰুত্বপূৰ্ণ স্থানত স্বৰাজৰ এই প্ৰতীক স্থাপনক আমি পাহৰিব নালাগে। এই দিশটোত নিৰৱচ্ছিন্ন মনোযোগ দিয়াৰ বাবে এইটো অতি ফলপ্ৰসূ উপায় বুলি মই বিশ্বাস কৰো।

চৰ্খাৰ এই গুৰুত্ব মনত ৰাখি ৩০ ফুট দীঘল, ১৭ ফুট ওখ, ৯ ফুট প্ৰস্থ আৰু ৪ টনতকৈ অধিক ওজনৰ আৰু বাৰ্মা চেগুণেৰে নিৰ্মিত বিশ্বৰ সবাতোকৈ বৃহৎ এই চৰ্খা নতুন দিল্লীৰ আই জি আই বিমান বন্দৰৰ টি-৩ত খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগৰদ্বাৰা স্থাপন কৰা হয়, য'ত বিশ্বৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ লোকে ক্ষন্তেকৰ বাবে থমকি ৰয় আৰু ভাৰতৰ ঐতিহাসিক প্ৰতীকটোৰ প্ৰশংসা কৰে। নতুন দিল্লীৰ আন্তৰ্জাতিক বিমান বন্দৰ ৰাষ্ট্ৰীয় উৰণ স্থানৰ দুৱাৰমুখ স্বৰূপ এই স্থানত গগণচুম্বী চৰ্খাৰ উপস্থিতিয়ে আমাৰ স্বাধীনতাৰ আকাঙ্খাৰ প্ৰতি ডেউকা গজোৱা ১৯৪২ চনত মহাত্মা গান্ধীয়ে আহ্বান দিয়া স্বৰাজলৈ সোঁৱৰাই দিয়ে।

খাদী আৰু গ্ৰাম্য উদ্যোগৰ প্ৰধান অন্যতম অভিযান হ'ল গ্ৰাম্য অঞ্চলত নিযুক্তিৰ উদ্ৰেক কৰা। দেশত ইয়াৰ প্ৰৱৰ্তনৰ দিন ধৰি পি এম ই জি পি-ৰদ্বাৰা দুই নিযুতত্তকৈয়ো অধিক নিয়োগ সুবিধা সৃষ্টি হৈছে। খাদী আৰু গ্ৰাম্য উদ্যোগৰ আন এটা প্ৰধান বৰঙণি হ'ল— গাঁৱৰপৰা চহৰলৈ প্ৰব্ৰজন ৰোধ আৰু ইয়াৰদ্বাৰা গ্ৰাম্য অঞ্চলত স্থানীয় প্ৰতিভাৰ সমৃদ্ধিক উৎসাহিত কৰা।

খাদী গ্ৰাম্য উদ্যোগ আয়োগৰদ্বাৰা ভালেমান আঁচনি আৰু উদ্যোগ অব্যাহত ৰখা সত্বেও, আয়োগৰ অধ্যক্ষ হিচাপে মোৰ বৰ্তমান অভিলাষ হ'ল ৰুগ্ন গ্ৰাম্য উদ্যোগসমূহ পুনৰুজ্জীৱিত কৰি তোলা, বিক্ৰী দুগুণ কৰা আৰু কাৰু-শিল্পীসকলক উচ্চ মজুৰি দিবৰ বাবে ব্যৱস্থাটোৰ বিকাশ সাধন কৰা। আমি খাদী গ্ৰাম্য উদ্যোগ আয়োগ অৰ্থাৎ কে ভি আই চি-ত বয়ন কেন্দ্ৰসমূহ চলাবৰ বাবে সৌৰশক্তি ব্যৱহাৰ কৰাৰ বাবে মনস্থ কৰিছো, ইয়াৰদ্বাৰা শাৰীৰিক পৰিশ্ৰমৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব পৰা যাব। শিপিনীসকলৰ বাবে নিৰ্ভৰযোগ্য স্বাস্থ্য সেৱাৰ নেটৱৰ্ক, তেওঁলোক শৈক্ষিক সমৰ্থতা বৃদ্ধি, তেওঁলোকলৈ স্বীকৃতি প্ৰদান আৰু জীৱনৰ গোলকীয় ঘাইসূতিলৈ তেওঁলোকৰ প্ৰচেষ্টা আদিত নিশ্চয়তা প্ৰদান কৰিব। আকাংক্ষিত উদ্দেশ্যবোৰ ৰূপায়িত কৰাৰ কাৰণে বৰ্তমান খাদী গ্ৰাম্য উদ্যোগ আয়োগত প্ৰচেষ্টা চলোৱা হৈছে।

সৰ্বোপৰি, খাদী আৰু গ্ৰাম্য উদ্যোগে আধুনিক ভাৰত আৰু আধুনিক বিশ্বত মানৰ ইতিহাসত সবাতোকৈ বহনক্ষম আৰ্থ-সামাজিক আৰ্হি হিচাপে নিজৰ উচ্চ প্ৰাসংগিকতা বৰ্দ্ধিত ৰূপত প্ৰমাণ কৰিছে। ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

### নৱেম্বৰ ২০১৬ — "কৰাৰোপণ সংস্কাৰ"

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# কাৰিকৰী বস্ত্ৰ ঃ উদিত উদ্যোগ

**প্ৰকাশ বাসুদেৱন***

বয়ন বস্ত্ৰই মানৱ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বস্ত্ৰৰ ব্যৱহাৰ পোছাক-পৰিচ্ছদতেই সীমাৱদ্ধ নাথাকে। বিভিন্ন ক্ষেত্ৰত যেনে কেঁচুৰাৰ খাটৰ পৰা কফিনৰ কাপোৰ টুকুৰালৈ ই বহুলভাৱে ব্যৱহৃত হয়। এনেধৰণৰ বিশেষভাৱে ব্যৱহৃত বস্তুক কোৱা হয় কাৰিকৰী বয়ন বস্ত্ৰ। কাৰিকৰী বয়ন বস্ত্ৰ হ'ল এনেধৰণৰ সামগ্ৰী বা পণ্য যি শোভাবৰ্ধনকাৰী বা সুসজ্জিত বৈশিষ্ট্যতকৈ কাৰিকৰী বা কাৰ্যকাৰিতা গুণৰ বাবেহে উৎপাদিত হয়।

বয়ন বস্ত্ৰৰ বিভিন্ন কেঁচা সামগ্ৰীৰ সংমিশ্ৰণ, গঠন, অন্তিম পৰিৱৰ্তন আৰু বস্ত্ৰ পৰিচ্ছদ ৰূপান্তৰ কৌশল ব্যৱহাৰ কৰি বিবিধ কাৰিকৰী বস্ত্ৰ সামগ্ৰী প্ৰস্তুত কৰিব পাৰি। এইদৰে ঘৰ মোচাৰ বাবে ব্যৱহৃত 'ক্লীনিং ৱাইপ'ৰ দৰে সৰল অথবা অতি জটিল ধৰণৰ বস্তু সামগ্ৰী তৈয়াৰ কৰিব পাৰি। কাৰিকৰী উদ্দেশ্যৰ বাবে বস্ত্ৰৰ ব্যৱহাৰ মানৱ সমাজৰ বাবে নতুন কথা নহয়। আজিকালি ব্যৱহৃত কাৰিকৰী বস্ত্ৰ সামগ্ৰী পূৰ্বে অধিক সৰল ধৰণৰ আছিল। বৰ্তমানৰ কাৰিকৰী বস্ত্ৰ বহু বেছি উন্নত। প্ৰয়োজনীয় অৰ্হতা পূৰাব পৰাকৈ নিৰ্দিষ্ট কামৰ বাবে নতুন সামগ্ৰীৰ লগতে প্ৰস্তুতকৰণত নতুন ৰাসায়নিক দ্ৰব্য আৰু সেইবোৰৰ সংমিশ্ৰণৰ ব্যৱহাৰৰ বাবেই মান উন্নত হ'বলৈ ধৰিছে।

প্লাষ্টিক, ধাতু, কাগজ অথবা ফিল্মতকৈ বস্তুৰ কাৰিকৰী ব্যৱহাৰ অধিক পৰিমাণে হোৱা দেখা যায়। বস্ত্ৰৰ অনন্য ধৰ্ম, ছিদ্ৰযুক্ত গঠন, কম ভাৰযুক্ত, দীঘ-বাণিৰ অনুপাত, মেৰিয়াব পৰা সুবিধা আদিৰ বাবেই বস্ত্ৰৰ ব্যৱহাৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। আধুনিক কাৰিকৰী বস্ত্ৰ অধিক কাৰ্যকৰী, কিন্তু ইয়াৰ গঠন বৰ জটিল। বিশেষ ধৰণৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিব পৰাকৈ পলিমাৰ বা কেঁচা সামগ্ৰী তন্তু বা সূতাৰ গঠন আৰু ধৰ্ম, কাপোৰৰ গঠন বা ধৰ্ম, পৰিচ্ছদ বা বস্ত্ৰ সামগ্ৰীৰ গঠন আৰু ধৰ্ম আদিৰ বাবেই বয়ন বস্ত্ৰৰ গঠনত জটিলতা থাকে।

বহু কাৰিকৰী বয়ন বস্ত্ৰ আঁহজাতীয় হোৱা দেখা যায়। অস্ত্ৰোপচাৰৰ বাবে ব্যৱহৃত সামগ্ৰী, যেনে— কটন উল ৰ'ল, কটন বাড, হিম'ষ্টেটিক ফাইব্ৰাছ পেড, ফাইবাৰ ফিল্ড্ ছাউণ্ড প্ৰুফ, হীট প্ৰুফ, গাৰু, হোছ পাইপ, ফিল্টাৰ, ৰুফ্লাইন ইত্যাদি সামগ্ৰী বয়ন বস্ত্ৰৰে প্ৰস্তুত কৰা হয় আৰু এইবোৰ আঁহজাতীয় দ্ৰব্যৰে তৈয়াৰী ৰছী, অস্ত্ৰোপচাৰৰ পাছত ব্যৱহৃত সূতা আদি আঁহ বা বস্ত্ৰৰে তৈয়াৰী। কাৰিকৰী বস্ত্ৰ বিভিন্ন প্ৰকাৰৰ সামগ্ৰী যেনে— ৰোৱা (বিচনা চাদৰ, ছাৰ্জিকেল গাউন, কাৰ্বন/কাঁচযুক্ত মিশ্ৰিত বস্ত্ৰ, দলিচা, বহা আসনৰ ঢাকনী, বেণ্ডেজ, সহজে কাটিব নোৱাৰা বস্ত্ৰ আদি), চিলোৱা (হাৰ্নিয়া মেশ্ব, খেলৰ পৰিচ্ছদ, কম্প্ৰে'ছন গাৰমেণ্ট, স্পেছাৰ ফেব্ৰিক আদি; ভাছকিউলাৰ গ্ৰাফ্ট, নলী আকাৰৰ বেণ্ডেজ, মাছ ধৰা জাল, ছেটেলাইট এণ্টেনা আদি), যিবোৰ বস্ত্ৰ বোৱা নহয় (যেনে— ফিল্টাৰ আৱৰণ, মজিয়া মোচা শোটা, পৰিত্যাজ্য বা পেলাই দিব পৰা সামগ্ৰী, খেতি পথাৰৰ ঢাকনী, বীজ ঢাকনী, অপতৃণ নিয়ন্ত্ৰণকাৰী বস্ত্ৰ, বিদ্যুৎ অন্তৰিত টেইপ ইত্যাদি) গুঁথা বা পকোৱা (অস্ত্ৰোপচাৰত ব্যৱহৃত বা ক্ষতস্থান চিলোৱা সূতা, ৰছী, অস্থিৰজ্জু, পেশীগুচ্ছ বা কণ্ডৰা, অতি মিহি সূতা, শকত ৰছী, সূচিকৰ্ম (ৰ'টেটৰ কাফ, এমব্ৰইডাৰ্ড চাৰ্কিট) আৰু উল্লিখিত গঠনসমূহৰ সংমিশ্ৰণ (বেবী ডায়েপাৰ, ছেনিটেৰী নেপকিন আদি)।

কাৰিকৰী বস্ত্ৰৰ বহুকেইটা প্ৰকাৰৰ বিশেষ বা কাৰ্যকৰী ফীনিশ্বিং বা কোটিং, লেমিনেচন (যেনে— ৰিটাৰডেণ্ট, এণ্টিমাইক্ৰ'বিয়েল, ব্ৰিদেবল ফিনিশ্বেছ, ফ্লুইড ৰিপেলেণ্ট ফিনিশ্ব আদি) ব্যৱহাৰ কৰা হয়।

**কাৰিকৰী বয়ন বস্ত্ৰ উদ্যোগৰ চালিকা শক্তি, সুযোগ আৰু কাৰকসমূহ ঃ**

**বৰ্ধিত উপাৰ্জন আৰু সেইবাবে ভাৰতীয় উপভোক্তাৰ বৰ্ধিত ক্ৰয় ক্ষমতা ঃ** সম্প্ৰতি ভাৰতীয় উপভোক্তাই অধিক আৰাম, উন্নত জীৱনশৈলী, বিলাসিতা, স্বাস্থ্যসন্মত পৰিচ্ছন্নতা, চাফ-চিকুণতা, সুৰক্ষা ইত্যাদি বিষয়ত অধিক ব্যয় কৰিবলৈ লৈছে। পূৰ্বৰ তুলনাত ৱাইপ, ছেনিটেৰী নেপ্‌কিন, বেবী ডায়েপাৰৰ ব্যৱহাৰ বৃদ্ধি পাইছে।

*প্ৰকাশ বাসুদেৱন 'ছাউথ ইণ্ডিয়া টেক্সটাইল ৰিছাৰ্ছ এছ'ছিএইশ্বন কইম্বাট'ৰ সঞ্চালক

- **অট'ম'বাইল বস্ত্ৰৰ চাহিদা বৃদ্ধি পোৱা বাবে এই বস্ত্ৰৰ বজাৰ** সম্প্ৰসাৰিত হৈছে। শেহতীয়াকৈ অট'ম'বাইল উদ্যোগৰ দ্ৰুতগতিত বিকাশ হোৱা বাবে কাৰিকৰী বস্ত্ৰৰো চাহিদা বাঢ়িছে। দেশৰ নগৰ অঞ্চলসমূহত নতুন অত্যাধুনিক চিকিৎসালয় স্থাপনৰ ফলত চিকিৎসা পৰ্যটনৰ বিকাশ ঘটিছে। ইয়াৰ লগে লগে চিকিৎসা ক্ষেত্ৰত প্ৰয়োজনীয় বস্ত্ৰৰো চাহিদা বাঢ়িছে।
- **ভাৰতীয় উপভোক্তাৰ অধিকাংশই সুশিক্ষিত** হোৱা বাবে ইণ্টাৰনেট, টেলিভিছনৰ জৰিয়তে কাৰিকৰী বস্ত্ৰ ব্যৱহাৰৰ লাভ সম্পৰ্কে অৱগত হয় আৰু কম ব্যয় সাপেক্ষে কাৰিকৰী বস্ত্ৰক সহজে আঁকোৱালি লয়। উদাহৰণস্বৰূপে বহু ভাৰতীয় কৃষকে কৃষি-বস্ত্ৰৰ উপযোগিতাৰ বিষয়ে জানিব পাৰি এই বস্ত্ৰ ব্যৱহাৰ কৰা আৰম্ভ কৰিছে।
- **কাৰিকৰী বস্ত্ৰ উন্নত প্ৰযুক্তিৰে তৈয়াৰ** আন্তঃঅনুশাসনমূলক আৰু ভাৰতৰ বস্ত্ৰ উৎপাদনকাৰীসকলৰ বাবে তুলনামূলকভাৱে নতুন হোৱাৰ বাবে নতুন উদ্যমীসকল ঘৰুৱা প্ৰতিযোগিতাৰ সন্মুখীন নহয়।
- **জনসংখ্যা বৃদ্ধি আৰু বৰ্ধিত জীৱন কাল ঃ** জন্মৰ হাৰ বৰ বেছি আৰু বৰ্ধিত জীৱন কালৰ বাবে বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনসংখ্যাৰ দেশৰূপে ভাৰত পৰিগণিত হৈছে। সেই কাৰণে স্বাস্থ্যসন্মত পৰিচ্ছন্নতা আৰু স্বাস্থ্য সেৱাৰ বাবে কাৰিকৰী বস্ত্ৰৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পাইছে।
- **উপভোক্তাৰ কাষ চপাব পৰা আৰু বিতৰণ ব্যৱস্থাৰ উন্নতি।** অন্‌লাইন বাণিজ্য আৰু অধিক সংগঠিত খুচুৰা ব্যৱসায়ৰ বাবে এয়া সম্ভৱ হৈছে আৰু ই কাৰিকৰী বয়ন বস্ত্ৰৰ বজাৰখন সম্প্ৰসাৰিত কৰাত সহায়ক হৈছে।
- **প্ৰচলিত বস্ত্ৰতকৈ অধিক হাৰত লাভ হোৱা** বাবে এই ব্যৱসায়ে উদ্যোগীসকলক আকৰ্ষণ কৰিছে।
- **কাৰিকৰী বস্ত্ৰৰ বৰ কম ব্যৱহাৰ ঃ** বিশ্বৰ অন্য দেশৰ তুলনাত ভাৰতৰ ঘৰে ঘৰে এই বস্ত্ৰৰ ব্যৱহাৰ বৰ কম হোৱা বাবে অধিক বিকাশৰ সম্ভাৱনা পৰিলক্ষিত হয়।
- **বিশ্বায়ন বা পশ্চিমায়নৰ দিশে** ভাৰতীয় উপভোক্তাসকল আকৰ্ষিত হোৱা বাবে উন্নততৰ পণ্য সম্পৰ্কে তেওঁলোকে পূৰ্বতকৈ অধিক তথ্য আহৰণ কৰিবলৈ সক্ষম হৈছে। সেয়ে বিভিন্ন কাৰিকৰী বস্ত্ৰ যেনে— ঘৰুৱা বস্ত্ৰ, গাড়ী-মটৰ বা ক্ৰীড়া ক্ষেত্ৰত ব্যৱহৃত বস্ত্ৰৰ প্ৰয়োগ বৃদ্ধি পাইছে।
- **উদ্যোগ ক্ষেত্ৰত বিশেষ কেতবোৰ** কাৰিকৰী বস্ত্ৰৰ চাহিদা বৃদ্ধি।
- **বয়ন বস্ত্ৰ আধাৰিত অৰ্থনীতিৰ ক্ষেত্ৰত** বিশ্বৰ ভিতৰত ভাৰত দ্বিতীয় বৃহত্তম দেশ। সেইবাবে সামগ্ৰিক যোগান শৃংখল, আমদানি-ৰপ্তানি সম্পৰ্ক, আন্তঃগাঁথনি আদিৰ সবল উপস্থিতিয়ে কাৰিকৰী বস্ত্ৰৰ বজাৰখন সম্প্ৰসাৰিত হোৱাত অৰিহণা যোগাইছে।
- **বিশ্বায়নৰ ফলত উদ্ভূত আন্তঃৰাষ্ট্ৰীয়** বজাৰত ক্ৰমবৰ্ধমান বিকাশ।
- **প্ৰচলিত বয়ন বস্ত্ৰ সন্দৰ্ভত জ্ঞান** তথা সস্তীয়া শ্ৰমৰ বাবেও কাৰিকৰী উদ্যোগৰ উন্নয়ন বৃদ্ধি হৈছে।

**কাৰিকৰী বস্ত্ৰৰ চাহিদা ঃ**

আয়তনৰ দিশৰ পৰা কাৰিকৰী বস্ত্ৰৰ বজাৰখন ২০২০ চনলৈ ৪২.২ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পাব। এই বৃদ্ধি ২০১৫-২০ বৰ্ষৰ ভিতৰত ৪.৬৮ শতাংশ চি এ জি আৰ হ'ব। অন্য এখন প্ৰতিবেদন মতে ২০১৪-২০১৯ বৰ্ষত কাৰিকৰী বস্ত্ৰৰ বজাৰখনৰ বিকাশ হ'ব ৩.৭১ শতাংশ চি এ জি আৰ। অৱশ্যে মূল্যৰ হিচাপত কাৰিকৰী বস্ত্ৰৰ বিভিন্ন শাখাত বছৰি ৮-১৯ শতাংশ বৃদ্ধি পাইছে। সৰ্বমুঠ কাৰিকৰী বস্ত্ৰ প্ৰস্তুতকৰণ গড় চি এ জি আৰ ১১ শতাংশ। ভাৰতীয় মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)লৈ কাৰিকৰী বস্ত্ৰৰ অৱদান ০.৭৫ শতাংশ। সম্প্ৰতি ভাৰতীয় বয়ন বস্ত্ৰ উদ্যোগলৈ অৱদান ১২ শতাংশ। চীনত এই হাৰ ২০ শতাংশ। ২০১৭-১৮ বৰ্ষলৈ ভাৰতৰ কাৰিকৰী বস্ত্ৰ উদ্যোগৰ বজাৰখন ১,১৬,২১৭ কোটি টকালৈ বৃদ্ধি পাব। বিশ্বৰ কাৰিকৰী বস্ত্ৰৰ ভাৰতৰ অংশ মাথোঁ ৩ শতাংশ; ইয়াৰ বিপৰীতে চীন আৰু ইউৰোপৰ অংশ ৭৫ শতাংশ। কাৰিকৰীবস্ত্ৰৰ পণ্যসমূহ তলত দিয়া ধৰণে ১২টা ভাগত বিভক্ত ঃ

- এগ্ৰ'টেক (কৃষি, উদ্যান শস্য আৰু বন পালন)
- বিল্ডটেক্ (ভৱন আৰু নিৰ্মাণ)
- জিঅ'টেক্ (জিঅ'টেক্সটাইল আৰু অসামৰিক আভিযান্ত্ৰিক শাখা)
- ক্লথটেক্ (জোতা আৰু কাপোৰৰ কাৰিকৰী উপাংশ)
- হোমটেক্ (আচবাবৰ উপাংশ, ঘৰুৱা বস্ত্ৰ আৰু মজিয়াৰ আৱৰণ)
- ইণ্ডুটেক্ (পৰিস্ৰাৱণ, পৰিষ্কাৰক আৰু অন্য ঔদ্যোগিক ব্যৱহাৰ)
- মেডিটেক্ (স্বাস্থ্যবিজ্ঞান আৰু চিকিৎসা সম্বন্ধীয়)
- ম'বাইলটেক্ (গাড়ী, মটৰ, জাহাজ, ৰে'ল আৰু বিমান সম্বন্ধীয়)
- অ'য়িক'টেক্ (পৰিৱেশ সুৰক্ষা)
- পেক্‌টেক্ (পেকেজিং)
- প্ৰ'টেক্ (ব্যক্তিগত আৰু সম্পত্তিৰ নিৰাপত্তা)

❍ স্পৰ্টেক্ (ক্ৰীড়া আৰু অৱকাশ)

**প্ৰত্যাহ্বানসমূহ ঃ**

❍ বিশেষভাৱে ব্যৱহৃত কেঁচা সামগ্ৰীৰ অভাৱ।

❍ প্ৰযুক্তিৰ অভাৱ

❍ আন্তঃঅনুশাসনমূলক পদক্ষেপ, নতুন পণ্যৰ বাবে বৃদ্ধিকৰণ আৰু কাৰ্যকৰী বিপণন।

উন্নয়নৰ বাবে আঁচনি, কাৰিকৰী বস্ত্ৰ সন্দৰ্ভত সজাগতা সৃষ্টি আৰু কাৰিকৰী বস্ত্ৰ সম্পৰ্কিত নিখুঁত তথ্য আহৰণ কৰিবলৈ জৰীপ চলোৱা।

❍ কাৰিকৰী বস্ত্ৰৰ প্ৰযুক্তি অভিযান ঃ বস্ত্ৰ মন্ত্ৰ্যালয়ে কাৰিকৰী বস্ত্ৰৰ বাবে প্ৰযুক্তি অভিযান প্ৰৱৰ্তন কৰিছে।

❍ বস্ত্ৰ মন্ত্ৰণালয়ে কাৰিকৰী বস্ত্ৰৰ বাবে নিয়ন্ত্ৰণকাৰী বিধি প্ৰস্তুত কৰি আছে। ই ভাৰতত কাৰিকৰী বস্ত্ৰৰ চাহিদা আৰু ব্যৱহাৰ বৃদ্ধি কৰিব।

❍ কাৰিকৰী বস্ত্ৰৰ বাবে উৎকৰ্ষৰ কেন্দ্ৰ স্থাপন। পৰীক্ষা, প্ৰশিক্ষণ, পণ্য উৎপাদন, তথ্য উৎস আদিৰ ক্ষেত্ৰত উদ্যোগটোক ই সমৰ্থন দিব।

**কাৰিকৰী বস্ত্ৰৰ বাবে ভাৰতৰ উৎকৰ্ষ কেন্দ্ৰসমূহ ঃ**

| ক্ৰমাংক | প্ৰতিষ্ঠানৰ নাম | কাৰিকৰী বস্ত্ৰ শাখা |
|---|---|---|
| ১ | ছিন্থেটিক এণ্ড আৰ্ট ছিল্ক মিল্‌ছ গৱেষণা সংস্থা (SASMIRA), মুম্বাই | এগ্ৰ'টেক্ |
| ২ | আহমেদাবাদ টেক্সটাইল ইণ্ডাষ্ট্ৰিজ গৱেষণা সংস্থা (ATIRA), আহমেদাবাদ | কম্প'জিটছ্ |
| ৩ | বম্বে টেক্সটাইল গৱেষণা সংস্থা (BTRA), মুম্বাই | জিঅ'টেক্ |
| ৪ | পি এছ জি কলেজ অৱ টেকন'লজি, কইম্বাট'ৰ, কইম্বাট'ৰ | ইণ্ডুটেক্ |
| ৫ | ছাউথ ইণ্ডিয়া টেক্সটাইল গৱেষণা সংস্থা (SITRA), কইম্বাট'ৰ | মেডিটেক্ |
| ৬ | ডি কে টি এ ছ'চাইটিজ টেক্সটাইল এণ্ড ইঞ্জিনীয়াৰিং ইনষ্টিটিউট, ইচালকাৰাঞ্জি | নন-ৱভেন্ |
| ৭ | নৰ্দাৰ্ণ ইণ্ডিয়া টেক্সটাইল গৱেষণা সংস্থা (NITRA), গাজিয়াবাদ | প্ৰ'টেক্ |
| ৮ | উল গৱেষণা সংস্থা, মুম্বাই | স্পৰ্টেক্ |

❍ প্ৰকৃত বিধি-নিয়ম আৰু মাপকৰ অভাৱ।

❍ সজাগতাৰ অভাৱ।

❍ বিশ্বমানৰ গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ অভাৱ।

❍ সুষম বিধি ব্যৱস্থাৰ অভাৱ।

❍ সু-সংগঠিত কাৰিকৰী বস্ত্ৰ খণ্ডৰ অভাৱ।

❍ ব্যৱসায়কেন্দ্ৰিক আন্তঃগাঁথনিৰ অভাৱ।

❍ চীনৰ দৰে ব্যৱসায়মুখী দেশৰ সৈতে প্ৰতিযোগিতা।

❍ আৱৰ্জনা ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণৰ অভাৱ।

**চিকিৎসা সম্বন্ধীয় কাৰিকৰী বস্ত্ৰৰ প্ৰয়োগক উৎসাহিত কৰিবলৈ চৰকাৰী পদক্ষেপ ঃ**

চৰকাৰে এই ক্ষেত্ৰত কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে।

❍ উৎকৰ্ষ কেন্দ্ৰৰ বিকাশৰ উদ্দেশ্যে কাৰিকৰী বস্ত্ৰৰ বিকাশ আৰু ইয়াৰ বাবে মিনি মিছন-১ আৰু মিনি মিছন-২ আৰম্ভ কৰা হৈছে।

❍ কৃষিভিত্তিত কাৰিকৰী বস্ত্ৰৰ ব্যৱহাৰক উদগনি দিবলৈ আঁচনি (উত্তৰ-পূৰ্বাঞ্চল বহিৰ্ভূত)

❍ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিভিত্তিত কাৰিকৰী বস্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিৰ আঁচনি।

❍ উত্তৰ-পূৰ্বাঞ্চলত জিঅ'টেক্‌নিকেল বস্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিৰ আঁচনি।

❍ বিনিয়োগকাৰীক চৰকাৰে উদগনি দিবলৈ ৰাজসাহায্য বা ঋণ দিয়াৰ ব্যৱস্থা।

❍ সংহত বস্ত্ৰ কেন্দ্ৰৰ আঁচনি।

❍ কাৰিকৰী বস্ত্ৰ উৎপাদনৰ বাবে ব্যৱহৃত বৃহৎ যন্ত্ৰৰ সীমা শুল্ক ৰেহাই।

❍ কাৰিকৰী বস্ত্ৰৰ ৰপ্তানি বঢ়াবলৈ 'ডিউটি ক্ৰেডিট স্কীপ' যোগান ধৰা।

**সামৰণি ঃ**

বস্ত্ৰৰ জগতখনত কাৰিকৰী বস্ত্ৰ হ'ল নতুন উদীয়মান ক্ষেত্ৰ। কাৰিকৰী বস্ত্ৰ ব্যৱহাৰ হোৱা বিভিন্ন ক্ষেত্ৰসমূহ হ'ল— চিকিৎসা, অসামৰিক আভিযান্ত্ৰিক, গাড়ী-মটৰ আদি। পৰিস্ৰাৱণ, সুৰক্ষা, প্ৰতিবন্ধক, স্বাস্থ্যবিজ্ঞান, দৃঢ়তা বা দুৰ্ভেদ্যতা, দীৰ্ঘতৰ আয়ুস আদি বিশেষ ক্ৰিয়াকলাপৰ বাবে কাৰিকৰী বস্ত্ৰ প্ৰয়োগ হয়। বিশ্বৰ অন্যান্য দেশৰ তুলনাত ভাৰতত কাৰিকৰী বস্ত্ৰৰ ব্যৱহাৰ বৰ কম। কিন্তু সস্তীয়া শ্ৰম, কেঁচা সামগ্ৰীৰ সুলভতা, বৃহৎ ঘৰুৱা বজাৰ আদিৰ বাবে কাৰিকৰী বস্ত্ৰৰ বজাৰ সম্প্ৰসাৰিত হোৱাৰ প্ৰচুৰ সম্ভাৱনা নিহিত হৈ আছে। সহযোগিতামূলক চৰকাৰী নীতিৰ সহায়ত এই উদীয়মান উদ্যোগৰ প্ৰসাৰ আৰু বিকাশ বৃদ্ধি কৰাটো বৰ আৱশ্যকীয়। ❐

# বস্ত্র খণ্ডৰ বিকাশ অধিক গতিশীল কৰি তোলাৰ বাবে সংহত দৃষ্টিভঙ্গী

**এ কে কৃষ্ণ কুমাৰ***

**গোলকীয় বস্ত্র বাণিজ্যৰ দৃশ্যপট ঃ এটা অৱলোকন**

যোৱা দশকটোত বিশ্বৰ বস্ত্র উদ্যোগ আৰু বাণিজ্যৰ বিকাশৰ ক্ষেত্ৰত এটা পৰিৱৰ্তন দেখা যায় আৰু সেই পৰিৱৰ্তন সাধনৰ গুৰিতে হ'ল বহু-আঁহ যোগান ব্যৱস্থাৰ হ্ৰাসকৰণ কাৰ্য। এনে যোগানৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট পৰিমাণৰ ধৰা-বন্ধা নিয়মো আছিল—যিটো বিশ্ব বাণিজ্যৰ বাবে অনুকূল নাছিল। ক্ৰমান্বয়ে তেনে ব্যৱস্থা পৰিহাৰ কৰিবলৈ লোৱাৰ বাবে বস্ত্র আৰু সাজ-পোছাকৰ ক্ষেত্ৰত বেপাৰ-বাণিজ্য যথেষ্টভাৱে বৃদ্ধি পায়। তাৰ কাৰণে উৎপাদন কেন্দ্ৰসমূহে যথেষ্ট মাত্ৰাত আৰ্জি লাভ কৰে আৰু সেই কেন্দ্ৰবোৰৰ বাবেও উৎপাদন খৰচ কম হোৱাত বিশেষকৈ শ্ৰমিকৰ বাবদ কম ব্যয় কৰিব লগা হোৱাৰ কাৰণে সুবিধা হয়। ফলস্বৰূপে ডাঙৰ ডাঙৰ ব্ৰেণ্ডৰ প্ৰতিষ্ঠানবোৰে এছিয়াৰ কম খৰচত উৎপাদন কৰা দেশবোৰলৈ পুঁজি বিনিয়োগ কৰিবলৈ আৰম্ভ কৰে।

বস্ত্র-খণ্ডৰ গোলকীয় মূল্যৰ ওপৰত এই বিকাশ গতিৰ যথেষ্ট প্ৰভাৱ পৰে। আমেৰিকা, ইউৰোপীয় সংঘ আৰু জাপানৰ দৰে উন্নত দেশবোৰে উচ্চ মূল্য অটুট ৰখা স্তৰৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰে। তাৰ বাবে সেইবোৰ দেশে আৰ্হি, বিপণন আৰু খুচুৰা ব্যৱস্থাৰ ক্ষেত্ৰত অধিক মন দিয়ে আৰু চীন, ভাৰত, বাংলাদেশ আৰু ভিয়েটনামৰ দৰে বিকাশশীল দেশবোৰে গোলকীয় মূল্যৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা প্ৰস্তুতকৰণ দিশটোৰ ওপৰত আলোকপাত কৰে। ২০০৫ চনত সংৰক্ষণ পদ্ধতি উঠাই লোৱাৰ পিছৰপৰা বস্ত্র শিল্পৰ বিশ্ব বাণিজ্য যথেষ্ট বৃদ্ধি পায়। লেখৰ হিচাপত এই বৃদ্ধিৰ শতাংশ হাৰ হ'ল ৬। ২০০৪ চনত ইয়াৰ পৰিমাণ আছিল ৪৫৪ বিলিয়ন মাৰ্কিন ডলাৰ। ২০১৩ চনত এই পৰিমাণ হয়গৈ ৭০৬ বিলিয়ন মাৰ্কিন ডলাৰ। বৰ্তমানে বিকাশমুখী দেশ আৰু কম বিকশিত দেশবোৰে বস্ত্র আৰু সাজ-পোছাকৰ বিশ্ব ৰপ্তানিত প্ৰায় ৭০ শতাংশ বৰঙণি যোগায় আৰু গোলকীয় বস্ত্র বাণিজ্য বজাৰৰ প্ৰায় ৭৫ শতাংশ ইউৰোপ, আমেৰিকা, চীন আৰু জাপানত পুঞ্জীভূত হৈ আছে। (নক্সা- ১ আৰু ২ ত দ্ৰষ্টব্য)।

বস্ত্র উদ্যোগৰ অগ্ৰগতি সাধনৰ ফলত বস্ত্রৰ ক্ষেত্ৰত বিশ্বৰ বাণিজ্য প্ৰতি বছৰে কমেও ৬ শতাংশ বৃদ্ধি হোৱাৰ আশা আছে আৰু এই বৃদ্ধিৰ পৰিমাণ ২০২৫ বৰ্ষৰ ভিতৰত ১,৬০০ বিলিয়ন মাৰ্কিন ডলাৰ হ'বগৈ। সাজ-পোছাকৰ বৃদ্ধি হাৰ অধিক হ'ব আৰু তাৰ ফলত বিকাশমুখী দেশ তথা কম বিকশিত দেশবোৰে নিজৰ ৰপ্তানি বৃদ্ধি কৰিবলৈ যথেষ্ট সুযোগ-সুবিধা পাব।

**ভাৰতত বস্ত্র খণ্ডৰ স্থিতি**


বিশ্বৰ বস্ত্র-বজাৰত ভাৰতে এখন অতি ওখ আসন অধিকাৰ কৰিছে। প্ৰাচুৰ্যপূৰ্ণ প্ৰাকৃতিক সম্পদৰ আধাৰ থকা হেতু আৰু বিভিন্ন ক্ষেত্ৰৰ পৰা বহু সমল পোৱাৰ সুবিধা থকাৰ কাৰণে দেশখনে বস্ত্র বাণিজ্যলৈ যথেষ্ট বৰঙণি যোগাইছে। তলত উল্লেখিত বিষয়বোৰৰ পৰাই তাৰ পৰিচয় পোৱা যায়।

১। ৰেচম আৰু কপাহৰ দ্বিতীয় বৃহত্তম উৎপাদক
২। বিশ্বৰ ভিতৰত দ্বিতীয় বৃহত্তম বস্ত্র প্ৰস্তুত কৰ্তা।
৩। সৰ্বাধিক তাঁতশালৰ ক্ষমতা আছে। বিশ্ব বজাৰৰ ৬৩ শতাংশ অংশ ই অধিকাৰ কৰিছে।
৪। ২৪ শতাংশ বিশ্বৰ মহুৰা আৰু ৮ শতাংশ ৰটৰৰ অধিকাৰী।
৫। দক্ষ কৰ্মীৰ ক্ষেত্ৰত তুলনামূলক-ভাৱে সুবিধা আছে আৰু ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগৰ বাবে চৰকাৰৰ ৰাজসাহায্যৰ ব্যৱস্থা আছে।

ঘৰুৱা বস্ত্র আৰু পোছাক উদ্যোগ চতুৰ্দশ বিত্তীয় বৰ্ষৰ ৯৯ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ২৩ বিত্তীয় বৰ্ষত ২২৩ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি হোৱাৰ প্ৰক্ষেপণ কৰা হৈছে। তেনেদৰে বস্ত্র আৰু সাজ-পোছাকৰ ৰপ্তানি পৰিমাণ বৃদ্ধি পাব। চতুৰ্দশ বিত্তীয় বৰ্ষৰ ৪০ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ২৩ বিত্তীয় বৰ্ষত অৰ্থাৎ ২০২৩ চনত ২২০ বিলিয়ন মাৰ্কিন ডলাৰ হ'বগৈ বুলি আশা কৰা হৈছে। ভাৰতৰ পৰা যি মুঠ বস্ত্র ৰপ্তানি কৰা হয় তাৰ ভিতৰত প্ৰায় ৪০ শতাংশই হ'ল সাজ-পোছাকৰ বৰঙণি।


*এ কে কৃষ্ণ কুমাৰ আই এল এণ্ড এফ এছ ক্লাষ্টৰ ডিভেলপমেণ্ট ইনছিয়েটিভ্ লিমিটেডৰ কাৰ্যবাহী সঞ্চালক

নক্সা-১ ঃ **বস্ত্ৰৰ বিশ্ব ৰপ্তানিৰ অংশ**




নক্সা-২ ঃ **সাজ-পোছাক বিশ্ব ৰপ্তানিৰ অংশ**

৩৯ খন বস্ত্ৰ উদ্যানৰ ৰূপায়ণৰ অৰ্থে প্ৰ'গ্ৰাম মেনেজমেণ্ট সংস্থা ৰূপে বস্ত্ৰ মন্ত্ৰণালয়ে ক্লাষ্টৰ ডিভেলপমেণ্ট ইনষ্টিটিউটক নিয়োগ কৰিছিলি।




**উৎস ঃ** ৱৰ্ল্ড টেক্সটাইল এণ্ড এপাৰেল ট্ৰেডৰ সন্দৰ্ভত বিশ্ব বাণিজ্য সংস্থাৰ প্ৰতিবেদন।

বস্ত্ৰ উদ্যোগে ভাৰতীয় অৰ্থনীতিক সবল কৰাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয়বোৰলৈ বৰঙণি যোগাইছে—

১। ১৩ শতাংশ দেশৰ মুঠ ৰপ্তানি অৰ্জনত,

২। ১৪ শতাংশ মুঠ ঔদ্যোগিক উৎপাদনত,

৩। নিয়োগৰ ক্ষেত্ৰত; কৃষিৰ পিছতেই ২য় বৃহত্তম নিয়োগকাৰী। ৪৫ নিযুত লোকক পোনপটীয়াকৈ নিয়োগৰ যোগান ধৰে;

৪। ৪ শতাংশ দেশৰ মুঠ ঘৰুৱা উৎপাদনত।

এটা শক্তিশালী উৎপাদনৰ আধাৰ ৰূপে ভাৰতৰ যথেষ্ট সুবিধা আছে। সেইবোৰ হ'ল বহল পৰিসৰৰ স্বাভাৱিক আহ, যেনে—কপাহ, মৰাপাট, ৰেচম আৰু ঊণ, চিনথেটিক তথা মানুহে প্ৰস্তুত কৰা আঁহ যেনে—পলিষ্টাৰ, নাইলন, ভিছ্‌কছ আৰু এক্ৰিলিক; কম খৰচী শ্ৰমিক শক্তি, কম খৰচী উৎপাদন আৰু অনুকূল চৰকাৰৰ নীতি। বস্ত্ৰৰ ভিতৰতেই সাজ-পোছাক শাখাটোৱে সৰ্বাধিক মূল্যৰ ক্ষেত্ৰখনলৈ অৰিহণা যোগায় আৰু নিয়োগৰ অধিক ভাগত বৰঙণি প্ৰদান কৰে। সাজ-পোছাক শাখাটো মহিলাই কাম কৰিবৰ কাৰণে বেচ উপযোগী আৰু সেয়ে ইয়াত মহিলাৰ নিয়োগ উল্লেখনীয়। গতিকে অধিক উন্নত কৰাত এই গুৰুত্বপূৰ্ণ বস্ত্ৰ খণ্ডটোৱে সামাজিক গতিশীল ভূমিকা পালন কৰে। অন্য কিছুমান শক্তিশালী শাখাৰ উপস্থিতিত উদ্যোগটোৰ বৈশিষ্ট্য লেখত ল'ব লগা। তেনেবোৰ শাখাৰ ভিতৰত উল্লেখযোগ্য হ'ল—হস্ততাঁত, হাতে বোৱা প্ৰিণ্টেদ-বস্ত্ৰ, ৰেচম, শাড়ী ইত্যাদি। দেশৰ বিভিন্ন শাখা উদ্যোগবোৰত এইবোৰ প্ৰস্তুত কৰা হয়।

ভাৰতৰ বস্ত্ৰ উদ্যোগ বিভিন্ন গোটেৰে সমৃদ্ধ। মজলীয়া উদ্যোগৰ উপৰি সূতা কটা গোট যথেষ্ট আছে। ইয়াত কেতবোৰ গোট বেচ বৃহৎ। বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা গোটবোৰৰ অধিক সংখ্যকে ক্ষুদ্ৰ আৰু মজলীয়া আকাৰত সেৱা আগবঢ়ায়। ডাঙৰ গোটকে ধৰি সামগ্ৰিকভাৱে ইয়াক ক্ষিপ্ৰতাৰে বাঢ়ি উঠা এটা শাখা বুলি ক'ব পাৰি—য'ত সাজ-পোছাক প্ৰস্তুত কাৰ্যই প্ৰাধান্য বিস্তাৰ কৰে।

১নং তালিকাত দেখা গৈছে যে বস্ত্ৰ উদ্যোগে কিছুমান ৰাজ্যত প্ৰাধান্য বিস্তাৰ কৰিছে। তেনে কেইখনমান ৰাজ্য হ'ল—গুজৰাট, মহাৰাষ্ট্ৰ, তামিলনাডু ইত্যাদি। অৱশ্যে এনে গোটসমূহ সমন্বিতভাৱে কাৰ্যকৰাৰ স্থান নাই য'ত অধিক গতিশীলভাৱে সেৱাত নিৰিষ্ট হ'ব পাৰে।

**গোলকীয় প্ৰতিযোগিতাত ভাৰতৰ স্থিতি**

চীন বস্ত্ৰ আৰু সাজ-পোছাকৰ বাণিজ্যৰ ক্ষেত্ৰত বিশ্বৰ আগ স্থানত আছে। ইয়াৰ অংশ ভাগৰ পৰিমাণ হ'ল ১৬.১৩ শতাংশ। ভাৰত ৫.১৩ শতাংশ অংশ ভাগৰে দ্বিতীয় স্থানত আছে। বাংলাদেশ তৃতীয়— ইয়াৰ অংশ ভাগৰ

**১ নং তালিকা ঃ ভাৰতত বস্ত্ৰ খণ্ডৰ কিছু শাখা**

| স্থান | ৰাজ্য | মূল বৈশিষ্ট্য |
|---|---|---|
| চুৰাট | গুজৰাট | * চিনথেটিক আঁহ ভিত্তিক<br>* বয়ন আৰু প্ৰস্তুতকৰণ |
| ইচালকৰণ জি | মহাৰাষ্ট্ৰ | * কপাহ আঁহ ভিত্তিক<br>* বোৱন |
| তিৰুপুৰ | তামিলনাডু | * কপাহ<br>* গুঠন, বোৱন, প্ৰস্তুকৰণ<br>* কপাহী পোছাক ৰপ্তানিত প্ৰাধান্যতা |
| ভিৱান্দী | মহাৰাষ্ট্ৰ | * কপাহ<br>* বোৱন |
| লুধিয়ানা | পঞ্জাব | * চিনথেটিক আৰু কপাহ<br>* চিনথেটিক আৰু ঊণ পোছাকৰ ক্ষেত্ৰত বিশেষত্ব |
| পালি-বেলোট্ৰা | ৰাজস্থান | * চিনথেটিক<br>* প্ৰস্তুতকৰণ |
| কলকাতা | বেঙ্গল | * শিশুৰ সাজ-পোছাকৰ ক্ষেত্ৰত কপাহী তথা চিনথেটিক বস্ত্ৰৰ পাকৈত কৰ্মী |
| বাঙ্গালোৰ | কৰ্ণাটক | * কপাহী-চিনথেটিক<br>* সাজ-পোছাক |
| আহমদাবাদ | গুজৰাট | * কপাহী<br>* বয়ন, প্ৰস্তুতকৰণ আৰু সাজ- পোছাক<br>* ডেনিম |
| ছোলাপুৰ | মহাৰাষ্ট্ৰ | * কপাহী<br>* বিচনা চাদৰ, টাৱেল |
| কৰুৰ | তামিলনাডু | * কপাহী কাপোৰ<br>* ঘৰুৱা বস্ত্ৰ |

পৰিমাণ হ'ল ৪.৩৯ শতাংশ। ভিয়েটনামে ক্ষিপ্ৰভাৱে আগবাঢ়িছে। ৩.৭১ শতাংশ অংশ ভাগৰে ষষ্ঠ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। কিন্তু সাজ-পোছাকৰ ক্ষেত্ৰত গোলকীয় বাণিজ্যত ভাৰতৰ অংশ পৰিমাণ হ'ল মাত্ৰ ৪.৩৩ শতাংশ সেই হিচাপত ভাৰতৰ স্থান হ'ল পঞ্চম। ইপিনে বাংলাদেশ দ্বিতীয়, ভিয়েটনাম তৃতীয় আৰু ইটালীয়ে ৪ ৰ্থ স্থান অধিকাৰ কৰি ভাৰততকৈ আগত আছে।

এনে স্থিতিয়ে এটা কথালৈ আঙুলিয়াই দিয়ে যে ভাৰতৰ অন্তৰ্নিহিত শক্তি থাকিলেও মূল্য সংযোজিত উৎপাদন সামগ্ৰী ৰপ্তানি কৰাৰ ক্ষেত্ৰত আনবোৰ দেশৰপৰা প্ৰতিযোগিতাৰ সন্মুখীন হৈছে আৰু যি অন্তৰ্নিহিত শক্তিৰ কথা কোৱা হ'ল সেইবোৰৰ ভিতৰত উল্লেখ কৰিব পাৰি—যি সম্পদৰাজিৰ আধাৰ আছে সেয়া পৰ্যাপ্ত, অনুকূল জৈৱ পদ্ধতি তথা উদ্যোগীমনৰ দক্ষতাও আছে। কম মূল্যতে শ্ৰমিক শক্তি উপলব্ধ হোৱাটো নকলোৱেইবা গোলকীয় বস্ত্ৰ আৰু সাজ-পোছাকক বাণিজ্যিক আকাৰ দিয়াৰ ক্ষেত্ৰত এফ টি এ-সমূহে এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰাৰ আশা আছে। এফ টি এ-সমূহক কিছুমান অৰ্থনীতিৰ দিশতহে লক্ষ্য কৰা হৈছে। তেনে অৰ্থনীতিৰ দেশবোৰৰ ভিতৰত আছে বাংলাদেশ, ভিয়েটনাম, কম্বোডিয়া, মধ্য আমেৰিকাৰ দেশ তথা উপ-চাহাৰীয় আফ্ৰিকাৰ দেশসমূহ। গতিকে ভাৰতে সাজ-পোছাক বাণিজ্যৰ ক্ষেত্ৰত নিজৰ অংশ ভাগ বৃদ্ধি কৰাৰ প্ৰয়োজন। লগতে মূল্য স্থাপন কৰিবৰ অৰ্থে অন্য দেশৰ সৈতে যি সমন্ধ ৰক্ষা কৰি আহিছিল সেই সমন্ধ ছিন্নকৰণৰ বাবে দায়ী প্ৰভেদখিনিৰ সংকোচন ঘটোৱা দৰকাৰ—যাতে বস্ত্ৰ উদ্যোগৰ সকলোবোৰ দিশতে এটা আগশাৰীৰ গোলকীয় ভূমিকা প্ৰদান কৰোঁতা ৰূপে নিজকে স্থিত কৰিব পাৰে। তাৰ কাৰণে ভাৰতৰ প্ৰভূত শক্তি আৰু সম্ভাৱনা নথকা নহয়।

**বস্ত্ৰ শিল্পৰ ভিন্নমুখী ব্যৱস্থা**

ভাৰতীয় বস্ত্ৰ খণ্ডৰ বৈশিষ্ট্য হ'ল ভিন ভিন শাখাসমূহ স্বকীয় প্ৰতিভাৰে উজলি উঠাৰ প্ৰয়াস। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহত বয়ন আৰু সাজ-পোছাক গোটসমূহে নিজ নিজ ভূমিকা পালন কৰে। এয়া ঘাইকৈ কাৰখানাসমূহ বিকেন্দ্ৰীকৃত কৰাৰ বাবেই সম্ভৱ হৈ উঠিছে। পূৰ্বতে এনে কাপোৰৰ কাৰখানাই নতুন প্ৰযুক্তি সন্নিৱিষ্ট কৰিবৰ বাবে বিনিয়োগ কৰিব নোৱাৰিছিল আৰু সেয়ে যিবোৰ সৰু সৰু গোটে কাম কৰি আছিল সেইবোৰে ব্যয়ৰ দিশত কিছু সুবিধা লাভ কৰিছিল। ফলস্বৰূপে বিকেন্দ্ৰীকৃত কৰাত তেনে গোটবোৰৰ বহুত সুবিধা হয়। ক্ষুদ্ৰ আৰু মজলীয়া গোটবোৰক চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে মূলধনী ৰাজসাহায্য আগবঢ়োৱাৰ কাৰণে সেই গোটবোৰক প্ৰতিযোগিতামুখী কৰি তোলে। এনেদৰে বয়ন শাখাটো উৎপাদন কামত জড়িত বেপাৰীসকলে সজাই তোলে— যি

কামৰ আধাৰত ডাঙৰ কোম্পানীবোৰৰ-পৰা সূঁতা আদি পায়। তেনেদৰে সাজ-পোছাক প্ৰস্তুতিৰ কাম চলি থাকে। তাৰ বাবে সামগ্ৰীসমূহ ডাঙৰ কোম্পানী-সমূহে যোগান ধৰে।

বিকেন্দ্ৰীকৃত যন্ত্ৰচালিত তাঁত খণ্ডত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ভূমিকা আছে। বয়ন শাখাত ইয়াৰ গুৰুত্ব মন কৰিবলগীয়া। এই খণ্ডটোৰ ৫.৪০ লাখতকৈ অধিক যন্ত্ৰচালিত তাঁতশালৰ গোট আছে আৰু এই গোটবোৰত এনে তাঁতশালৰ মুঠ সংখ্যা হ'ল ২৪.৬৯ লাখ। বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত ৬০ শতাংশ ই বৰঙণি যোগায় আৰু উদ্যোগটোত ৬২ লাখৰ ওচৰা-উচৰি লোকৰ নিয়োগ উদ্ৰেক কৰে। এই খণ্ডৰ প্ৰযুক্তিৰ স্তৰ একেবাৰে সাধাৰণ তাঁতশালৰ পৰা উচ্চ প্ৰযুক্তিৰ মাকোবিহীন শাললৈকে পৰিব্যাপ্ত হয়। লেখৰ হিচাপত ক'বলৈ গ'লে খণ্ডটোত প্ৰায় ১.২৫ লাখ মাকোবিহীন তাঁতশাল আছে। মাকো ব্যৱহাৰ কৰি কাপোৰ বোৱা শালৰ ৭৫ শতাংশতকৈ অধিক বৰ্তমানে অচল হৈ পৰে আৰু এইবোৰ ১৫ বছৰতকৈ অধিক কালৰ পুৰণি। ইয়াৰ প্ৰস্তুত প্ৰক্ৰিয়া অথবা গুণ নিয়ন্ত্ৰণ উপায় আশানুৰূপভাৱে নথকাৰ হেতু যন্ত্ৰচালিত শালৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰিবলৈ লোৱা হয়। সি যি কি নহওক, যোৱা ৭-৮ বছৰ কালৰ ভিতৰত এই খণ্ডটোৰ প্ৰযুক্তিৰ স্তৰৰ মান যথেষ্ট উন্নত হৈছে। যোৱা ৮ বছৰত সংযোজন কৰা প্ৰায় ৫.৪৫ লাখ যন্ত্ৰচালিত তাঁতশালৰ ভিতৰত প্ৰায় ১ লাখ মাকোবিহীন শাল।

এনে তাঁত শালবোৰৰ দৰে তৈয়াৰী সাজ-পোছাক শাখাও ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অধীনত ভালদৰে গা কৰি উঠে। ডাঙৰ ডাঙৰ ব্ৰেণ্ডৰ অৰ্থাৎ ট্ৰেড মাৰ্কৰ প্ৰতি মনোযোগ দি গুৰুত্ব সহকাৰে পোছাক প্ৰস্তুত কামত লাগি যায় আৰু খুচুৰা বিক্ৰেতা তথা ৰপ্তানিকাৰীসকলৰ প্ৰতিও সমানেই মনোযোগ দিয়ে।

ভাৰতৰ বস্ত্ৰ খণ্ডৰ বয়ন আৰু সাজ-পোছাক প্ৰস্তুত কৰা গোটসমূহৰ কাম কৰাৰ নিজৰ ধৰণ-কৰণ আছে। এহাতে অধিক ৰাজসাহায্য লাভ কৰিলেও অন্যান্য গাঁথনিগত বিষয় আছে যিবোৰৰ কাৰণে ভাবিব লগা হয়। তেনেবোৰ বিষয়ৰ ভিতৰত এটা হ'ল শ্ৰমিক আইন আৰু সম্পদৰাজি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত থকা জটিলতা। তেনে সম্পদৰ ভিতৰত পুঁজি আৰু ডাঙৰ গোটবোৰে সন্মুখীন হোৱা মাটিৰ সমস্যা। সেয়ে এইটো অনুভূত হয় যে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে বস্ত্ৰ খণ্ডত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থাকিব।

ঙ) ২০০৫ চনত এম এফ এ ব্যৱস্থা উঠাই লোৱা ক্ৰমে বস্ত্ৰ খণ্ডৰ যি ভাল আন্তঃগাঁথনি আছে তাত বিনিয়োগ কৰাৰ প্ৰয়োজনৰ কথাটো আহি পৰে। খণ্ডটো ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে প্ৰাধান্য বিস্তাৰ কৰিলেও একেই ধৰণৰ প্ৰত্যাহ্বান আৰু ভাবুকিৰ সন্মুখীন হয়। সেয়ে এটা নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ কথাটো উপলব্ধি কৰা হয়। সেয়া হ'ল সমূহীয়া-ভাৱে সংগঠিত হৈ কৰা কাম-কাজ। দেশখনত বস্ত্ৰ খণ্ডৰ বিকাশৰ অৰ্থে বিশ্ৰ শ্ৰেণীৰ আন্তঃগাঁথনি সৃষ্টিৰ বাবে নিশ্চিত কৰিবলৈ এনে দৃষ্টিভঙ্গীয়েই হ'ল ভাল বিকল্প। ইয়াৰ দ্বাৰাই আন্তৰ্জাতিক-ভাৱে নিশ্চিত কৰা মান অটুট ৰখাত সহায়ক হ'ব।

**[illegible] [illegible]ক্স[illegible] [illegible] [illegible]**

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰাণালয়ে **১৯৯৯** চনত প্ৰযুক্তি মান উন্নীতকৰণ পুঁজি আঁচনি প্ৰচলন কৰিছিল। তাৰ ফলত উদ্যোগৰদ্বাৰা যথেষ্ট পৰিমাণৰ বিনিয়োগ কৰা হৈছিল। ইয়াৰ বাবে প্ৰতিযোগিতা-মূলক হাৰত ঋণৰ সমৰ্থনো লাভ কৰা হৈছিল। আন্তঃগাঁথনি আৰু ৰপ্তানিৰ উৎসাহ প্ৰদানৰ অৰ্থে মন্ত্ৰণালয়ে সমূহীয়া স্তৰৰ আঁচনিৰো দিহা কৰিছিল আৰু সমূহীয়াভাৱে থকা গোটবোৰে সেইবোৰৰ সুবিধা গ্ৰহণ কৰিব পাৰিছিল। পিছে এইবোৰ আঁচনিত কিছুমান অন্তৰ্নিহিত অসুবিধাও আছিল, যাৰ বাবে তেনে আঁচনি সীমিত অৱস্থাতেই আৱদ্ধ কৰি ৰাখিব লগা হৈছিল। সেয়ে এইবোৰক পুনৰ অৱলোকন কৰাৰ আৱশ্যক হৈছিল আৰু সেই অনুযায়ী ২০০৫ বৰ্ষত এই বিষয়ে চিন্তা-চৰ্চা কৰা হয়, যাতে বস্ত্ৰ খণ্ডৰ আন্তঃগাঁথনিত বিনিয়োগৰ সুবিধাৰ্থে এটা অনুকূল পৰিৱেশ সৃষ্টি কৰিব পৰা যায়। উদাৰীকৰণ গোলকীয় বাণিজ্য তেনে পৰিৱেশ অবিহনে খণ্ডটোৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো প্ৰায় নিশ্চিত। তাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ বিষয়টো বিবেচনা কৰিবলৈ লোৱা হয়।

বস্ত্ৰ খণ্ডত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰে আন্তঃগাঁথনি বিকাশৰ বাবে এটা গাঁথনিগত দৃষ্টিভংগী অৱলম্বন কৰিবৰ উদ্দেশ্যে ২০০৫ বৰ্ষত এখন নতুন আঁচনি আৰম্ভ কৰা হয়। সেই আঁচনিৰ নাম হ'ল 'সুসংহত বস্ত্ৰ পামৰ বাবে আঁচনি'। ইয়াৰ উদ্দেশ্য হ'ল উদ্যোগক বিশ্ব শ্ৰেণীৰ সা-সুবিধা যোগান ধৰা যাতে বস্ত্ৰ খণ্ডৰ গোটসমূহে তাৰদ্বাৰা পৰিপুষ্ট হ'ব পাৰে। আঁচনিখনে সেই গোটবোৰক যি আন্তৰ্জাতিক পৰিৱেশৰ প্ৰয়োজন হয় আৰু সামাজিক মান অক্ষুণ্ণ ৰাখিব লাগে, তাৰ কাৰণে সুবিধা আগবঢ়াব।

এই সংহত বস্ত্ৰ উদ্যান আঁচনিখন এনেদৰে গঢ় দিয়া হয় যি নিৰ্দিষ্ট উদ্দেশ্যৰ ব্যৱস্থাৰ মাজেৰে উদ্যোগে আগভাগ লোৱা প্ৰকল্পবোৰ ৰূপায়ণ কৰিব পাৰে। এইক্ষেত্ৰত তেনে উদ্যোগ হ'ল ঘাইকৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰ। বস্ত্ৰ পামসমূহ অৰ্থাৎ বস্ত্ৰ উদ্যানবোৰ তেনে নিৰ্দিষ্ট উদ্দেশ্যৰ ব্যৱস্থাৰ দ্বাৰা ৰূপায়ণ

কৰা হ'ব আৰু ইয়াৰ গৰাকীস্বত্ব ব্যক্তিগত খণ্ডৰ হাতত থাকিব। উদ্যানৰ সকলোবোৰ গোটৰ নিজাববীয়া অংশ থাকিব আৰু তেনে গোটবোৰক প্ৰদান কৰা মাটিৰ সমানুপাত হাৰ অনুযায়ী সেই অংশৰ পৰিমাণ হ'ব। চৰকাৰে হাতত লোৱা বস্ত্ৰ উদ্যানৰ ক্ষেত্ৰত এয়া অতি বৈশিষ্ট্যপূৰ্ণ পদক্ষেপ আৰু নতুন সৃষ্টি। বিশ্ব বেংকে কৰা অধ্যয়নত এই বিষয়ৰ মন্তব্য এনে ধৰণৰ— 'সংহত বস্ত্ৰ পাম আঁচনি'ৰ অতি লেখত ল'বলগা বিষয়টো হ'ল পাম ব্যৱহাৰ কৰোঁতাসকলক অধিক ভূমিকা গ্ৰহণ কৰিবলৈ দিয়া সুবিধা। এয়া হ'ল এটা নতুন পদক্ষেপ। প্ৰায় সকলোবোৰ অন্য আঁচনিৰ বিপৰীতে এই আঁচনিৰ ব্যতিক্ৰমী প্ৰয়াস হ'ল কেন্দ্ৰ আৰু ৰাজ্যৰ ভূমিকা কম কৰি সুকীয়া ধৰণে আলোচনা-বিলোচনাক আগ ঠাই দি কাৰ্যসূচী ৰূপায়ণ কৰা। এইক্ষেত্ৰত তৃতীয় পক্ষৰো সহায় আৱশ্যক নকৰে। অৱশ্যে কেন্দ্ৰ আৰু ৰাজ্যই সংগঠন আৰু সমৰ্থন লাভ কৰাৰ ক্ষেত্ৰত মনোনিৱেশ কৰিব পাৰে আৰু আঁচনিৰ কামত জড়িত থকা প্ৰতিষ্ঠানৰ গোটবোৰক পৰ্যবেক্ষণ কৰিব পাৰে। তাৰ পিছত উদ্যান গঢ়ি তুলিবৰ কাৰণে এই আনুষ্ঠানিক আৰু অনানুষ্ঠানিকভাৱে প্ৰয়োজন হোৱা বিষয়বোৰ চোৱা-চিতা কৰি কামত আগবাঢ়ি যাব পাৰে।'

সংহাত, উদ্যান আঁচনিয়ে এনেদৰে বস্ত্ৰ খণ্ডৰ প্ৰয়োজন অনুসাৰে সেউজ ক্ষেত্ৰৰ ঔদ্যোগিক উদ্যান স্থাপন কৰাত সহায় কৰে। এই বস্ত্ৰ উদ্যানৰ সুবিধাৰ বিষয়টো হ'ল উদ্যোগৰ আৱশ্যক অনুযায়ী সুনিৰ্দিষ্টভাৱে আন্তঃগাঁথনি আৰ্হি কৰিব পাৰে আৰু সেই আৰ্হি বা নক্সা অনুসৰি কাৰখানাৰ পৰা যি দূষিত পদাৰ্থ ওলায়, তাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। জল আৰু বিদ্যুৎ যোগানৰ ব্যৱস্থাও উদ্যানত স্থাপন কৰা গোটসমূহৰ চাহিদা অনুসৰি ঠিক কৰি ল'ব পাৰে। বস্ত্ৰ খণ্ডৰ বাবে প্ৰয়োজন হোৱা সাধাৰণ সা-সুবিধাবোৰো উদ্যানৰ ভিতৰতেই স্থাপন কৰি ল'ব পাৰে। তেনে সুবিধাৰ ভিতৰত উল্লেখযোগ্য হ'ল— টেষ্টিং লেব, পৰিদৰ্শন কেন্দ্ৰ, দক্ষতা বিকাশ কেন্দ্ৰ ইত্যাদি। এনেদৰে বস্ত্ৰ উদ্যান বিকাশৰ এটা উৎস হ'ব পাৰে— যাৰ চাৰিওফালে জৈৱ পদ্ধতি গা কৰি উঠিব।

এই সংহত উদ্যান বিকাশ আঁচনিৰ আন এটা মন কৰিবলগীয়া বিষয় হ'ল পেছাদাৰী সংস্থাৰ নিযুক্তি। এই সংস্থাবোৰে আঁচনিখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বস্ত্ৰ মন্ত্ৰণালয়ক সহায় কৰিব। আঁচনিসমূহে সংগ্ৰহ কৰা তথ্যপাতি বিচাৰ কৰি 'ডি পি আৰ' অৰ্থাৎ বিস্তৃত কাৰ্যসূচীৰ প্ৰতিবেদন যুগুতাই এই সংস্থায়ে সেইবোৰ মঞ্জুৰী দান কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব। ইয়াৰ বাহিৰেও সংস্থাবোৰে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ৰূপায়ণ কাৰ্য পৰ্যবেক্ষণ কৰিব তথা সেই বিষয়ে বস্ত্ৰ মন্ত্ৰণালয়কো অৱগত কৰিব। এই সন্দৰ্ভত বিশ্ব বেংকৰ অধ্যয়নৰ প্ৰতিবেদন হ'ল এনে ধৰণৰ— 'বিস্তৃতভাৱে ক'বলৈ গ'লে যি নীতি তৈয়াৰ কৰা হয়, সেই নীতিয়ে পামৰ সৃষ্টি আৰু কাম-কাজ কৰিবৰ বাবে আৱশ্যক হোৱা সমগ্ৰ প্ৰয়াসৰ ক্ষেত্ৰত উদ্যোগী-সকলক (এণ্ট্ৰেপ্ৰেনিওৰছ) চূড়ান্ত সিদ্ধান্ত নিৰ্ণয়কাৰীৰূপে স্থিত কৰায়। ইয়াৰ সৈতে ঔদ্যোগিক দিশৰ ব্যৱস্থা গ্ৰহণত পৰিচালনা সমিতিৰ অৱশ্যে পূৰ্ণ সমৰ্থন থাকে আৰু ঔদ্যোগিক দিশৰ প্ৰকল্পৰ কাম খৰতকীয়াকৈ ৰূপায়ণ কৰিবৰ বাবে সমিতিৰ সদস্যসকলৰ আন্তঃগাঁথনিমূলক অভিজ্ঞতা থকা দৰকাৰ।'

সংহত বস্ত্ৰ উদ্যোগ আঁচনি হ'ল খণ্ড পৰ্যায়ৰ নিৰ্দিষ্ট বিনিয়োগ কাৰ্যসূচীৰ প্ৰথম দৃষ্টান্ত। এটা সমূহীয়া বিকাশ ধাৰণাৰ ওপৰত ভিত্তি কৰি চৰকাৰে ইয়াক প্ৰচলন কৰে। ইয়াৰ পিছত এনে ধৰণৰ আঁচনি খাদ্য সংসাধন, প্ৰযুক্তি, চামৰা আৰু মূলধনী সামগ্ৰীৰ ক্ষেত্ৰতো আৰম্ভ কৰা হয়।

এই আঁচনিখনে যথেষ্ট সফলতা লাভ কৰিছে। এতিয়ালৈকে ৭২খন বস্ত্ৰ পামত অনুমোদন জনোৱা হয়। ইয়াৰ ভিতৰত ৩২খনক ইতিমধ্যে কাৰ্যৰূপ দিয়া হৈছে। উদ্যানসমূহে আৰ্থ-সামাজিক প্ৰভাৱ পেলোৱাৰ ক্ষেত্ৰত বিপুল সম্ভাৱনা কঢ়িয়াই আনিছে। তলত ইয়াৰ কিছু তথ্য দাঙি ধৰা হ'ল।

সংহত, বস্ত্ৰ উদ্যান আঁচনি এটা সমূহীয়া আৰ্হিৰ ভিত্তিত আধাৰিত— য'ত উদ্যান ব্যৱহাৰ কৰিব লগা উদ্যোগবোৰে একেলগ হৈ বস্ত্ৰ উদ্যান স্থাপন কৰিবৰ অৰ্থে বিশেষ উদ্দেশ্যৰ ব্যৱস্থা গ্ৰহণৰ সংকল্প লয়। এয়া বি SEZ অৰ্থাৎ বিশেষ অৰ্থনৈতিক মণ্ডলৰ দৰে নহয় যদিও ই বিকাশ আৰ্হিকেই গ্ৰহণ কৰিছে। বিশ্ব বেংকৰ অধ্যয়ন মতে বিত্তীয় আৰু বহু নিয়ামক ব্যৱস্থা আগবঢ়োৱা সত্বেও প্ৰস্তুতকৰণ কাৰ্যৰ ক্ষেত্ৰত SEZ বস্ত্ৰ উদ্যান আঁচনিৰ একে সমানেই বুলি ক'ব পাৰি।

এইখিনিতে এইটোও উল্লেখ কৰিব লাগিব যে পূৰ্বৰ 'বস্ত্ৰ ক্লাষ্টৰ' আঁচনিবোৰ

২নং তালিকা ঃ

| | |
|---|---|
| যন্ত্ৰপাতি আদি বিনিয়োগ | ৩০,০০০ কোটি টকা |
| বাৰ্ষিক উৎপাদন | ৮,৭০০ কোটি টকা |
| আশান্বিত গোটৰ সংখ্যা | ৪,০০০ |
| নিয়োগ সম্ভাৱনা | ৪৫০,০০০ |

সংহত বস্ত্র উদ্যান আঁচনিতকৈ কম সফলতা লাভ কৰিছিল যদিও উচ্চ স্তৰৰ সহায়-সমৰ্থন আগবঢ়োৱা হৈছিল। সেই আঁচনিবোৰত মূল কাম-কাজ সম্পাদন কৰিবৰ বাবে চৰকাৰসমূহ দায়ী (কেন্দ্ৰ আৰু ৰাজ্য) আছিল। তেনে কাম-কাজৰ ভিতৰত উল্লেখযোগ্য হ'ল— ভূমি চিহ্নিতকৰণ, তাৰ সীমা আদি চূড়ান্ত[illegible] ইত্যাদি। ই প্ৰকল্পৰগৰাকী স্বত্বৰ প্ৰতি আগ্ৰহ কৰা অনুষ্ঠানে লাভ কৰাৰ স্বাৰ্থৰ বিষয়টোকে উদঙাই দেখুৱায়; কাৰণ নিজ ইচ্ছামতে নিজৰ সুবিধাজনক ঠাইত তেনে প্ৰকল্প গঢ়ি উঠিলে স্বাৰ্থ পূৰণ হোৱাৰেই সম্ভাৱনা থাকে।

পাম স্থাপন কৰা সন্দৰ্ভত সংহত বস্ত্ৰ পাম আঁচনিৰ কেইটামান ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হয়। ইয়াৰ ভিতৰত তিৰুপুৰ আৰু বিশাখাপট্টনম উল্লেখযোগ্য। তিৰুপুৰৰ ওচৰত অনুমোদন জনোৱা বয়ন পামৰ মাটিৰ কালি হ'ল ৬৫ এটাৰ। বিশাখাপটনমৰ পাম তথা চেজৰ মাটিকালি হ'ল ১০০০ একৰ। এই ঠাইখনত পূৰ্বতে কোনো বস্ত্ৰ উদ্যোগ নাছিল। ওপৰত উল্লিখিত পামসমূহ বৰ্তমানে থকা সমূহীয়া বস্ত্ৰ উদ্যোগৰ কাষত অথবা ভিতৰত অৱস্থিত। তাৰ কাৰণ হ'ল উদ্যোক্তা-সকলে তেনে সমূহীয়া গোটৰ পৰিসৰৰ ভিতৰত উদ্যান প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল।

অৰ্থ বিনিয়োগৰ ক্ষেত্ৰত এই সংহত আঁচনিয়ে সফলতা লাভ কৰে। বহু বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। এই ক্ষেত্ৰত বিশাখাপট্টনমত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ উল্লেখযোগ্য। তেনেদৰে তিৰুপুৰৰ ওচৰৰ পাল্লাদামত ৯০টা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ কনছৰ্টিয়ামৰ সঁহাৰি বেচ উৎসাহজনক। ইয়াৰ ফলত পাল্লাদাম হাইটেক, বয়ন পাম প্ৰতিষ্ঠা কৰিবলৈ উৎসাহিত হয়। সংহত বস্ত্ৰ পাম আঁচনিখনে তেলেংগানাৰ বয়ন শিল্পীসকলক এটা এছ পি ভি গঠন কৰিবলৈ আৰু এখন হস্ততাঁত পাম প্ৰতিষ্ঠা কৰিবলৈ উৎসাহ প্ৰদান কৰে। ওপৰত উল্লেখ কৰা বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ সহায়তেই ব্ৰেণ্ডিক্স ইণ্ডিয়া এপাৰেল ছিটি বিশাখাপট্টনমত গঢ় লৈ উঠে।

[illegible]

১০০০ একৰ মাটিত বিস্তাৰিত হৈ থকা ব্ৰেণ্ডিক্স ইণ্ডিয়া এপাৰেল ছিটি প্ৰাইভেট লিমিটেড হ'ল এটা সমন্বিত সাজ-পোছাক আৰু বস্ত্ৰ উদ্যান। ই ষ্টেট অৱ দি আৰ্টৰ বিশ্ব শ্ৰেণীৰ আন্তঃগাঁথনি তথা সা-সুবিধা প্ৰস্তুতকৰণ গোটবোৰলৈ আগবঢ়ায়। সেই গোটটোৱে সংহত বস্ত্ৰ পাম আঁচনিৰ অধীনত ১৩৪ কোটি টকা মূল্যৰ এটা প্ৰকল্প স্থাপন কৰে। এই 'এপাৰেল চিটি' পামত ১৯টা গোট আছে (ইতিমধ্যে ১৭টা গোটত বস্ত্ৰ তৈয়াৰী কাম চলি আছে)। ইয়াত কৰা বিনিয়োগৰ পৰিমাণ হ'ল প্ৰায় ১১০০ কোটি টকা। ডলাৰৰ হিচাপত ইয়াৰ মূল্য হ'ল ২০০ নিযুত। বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰূপে কাৰ্যত খটুওৱা এই পুঁজিৰে বিভিন্ন কাম-কাজ সম্পাদন কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য, সূতা কটা, সূতা প্ৰস্তুতকৰণ (ৰং দিয়া, কাপোৰ প্ৰস্তুতিৰ বিভিন্ন প্ৰাৰম্ভিক কাম ইত্যাদি), আঁহ প্ৰস্তুতকৰণ আৰু সাজ-পোছাক তৈয়াৰ কৰা ইত্যাদি। সম্প্ৰতি এই পামে ১৯,০০০ লোকক নিয়োগ কৰিছে। ৬০,০০০ লোকক নিয়োগ কৰাৰ ইয়াৰ ক্ষমতা আছে। পামখনত কল-কাৰখানাবোৰ চলাবৰ কাৰণে যিবোৰ সম্পদ আৰু চাহিদাৰ প্ৰয়োজন হয়, তাৰ বাবে আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। উদাহৰণস্বৰূপে নিৰ্ভৰযোগ্য বিদ্যুৎ যোগানৰ অৰ্থে এটা ২০০ মেগা[illegible] শক্তিৰ উপকেন্দ্ৰ স্থাপন, দৈনিক ৬০ নিযুত লিটাৰৰ জল যোগান ব্যৱস্থা আৰু তাৰ বাবে ২৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পাইপলাইনেৰে জল সংগ্ৰহ, দূষিত পানীবোৰ উলিয়াই দিবৰ কাৰণে সমুদ্ৰলৈ গতি কৰা ৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ পাইপলাইন। ইয়াৰে ২ কিলোমিটাৰ উপকূলীয় অঞ্চলত পৰা। ইয়াৰ উপৰি বৰষুণৰ পানী ধৰি ৰাখিবৰ বাবেও জলাধাৰাৰ ব্যৱস্থা আছে। এই বস্ত্ৰ পামখনৰ বাৰ্ষিক লেন-দেনৰ পৰিমাণ হ'ল প্ৰায় ১,৪০০ কোটি টকা। প্ৰায় ৪,৮০০ কোটি টকা লাভ কৰাৰো ইয়াৰ ক্ষমতা আছে।

[illegible] [illegible] [illegible]ভ[illegible] [illegible]

[illegible] এনে সমন্বিত বস্ত্ৰ উদ্যান— যি দেশৰ ভিতৰতেই প্ৰথম। ৬৫ একৰ মাটিত বিস্তৃত উদ্যানত ৫৫.৪২ কোটি টকা ব্যয়ৰে সংহত বস্ত্ৰ উদ্যান আঁচনিৰ অধীনত এটা প্ৰকল্প স্থাপন কৰা হয়। ৯০টা গোট মিলিত হৈ যি বস্ত্ৰ উৎপাদনৰ কাম কৰিছে, তাৰদ্বাৰাই পাল্লাদামৰ চৌপাশৰ সৰু সৰু বয়ন শিল্পীসকলক আকৰ্ষণ কৰাত সফলতা লাভ কৰিছে। লগতে শেহতীয়া আধুনিক বয়ন প্ৰযুক্তিৰ বিষয়েও লোকসকলক পৰিচয় কৰাই দিছে। বেংক, উদ্যোগী আৰু চৰকাৰৰ তৰফৰপৰা উৎসাহ প্ৰদান কৰা এই কাৰ্যক 'বিশেষ কাৰ্য গ্ৰহণ ব্যৱস্থা'ৰ দ্বাৰা ৰূপায়ণ কৰা হৈছে। পামখনত প্ৰায় ২,৫০০ লোক পোনপটীয়াকৈ আৰু আন ৩৫০০ লোকে পৰোক্ষভাৱে নিয়োগ লাভ কৰিছে। এই উদ্যানে প্ৰায় ২৩০ কোটি টকা বিনিয়োগক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে আৰু ইয়াৰ বাৰ্ষিক লেন-দেনৰ পৰিমাণ হ'ল ১,১০০ কোটি টকা। আনকি ২০০০ কোটি টকা লাভ কৰাৰ ইয়াৰ ক্ষমতা আছে।

সংহত বস্ত্ৰ উদ্যোগ আঁচনিয়ে 'অপৰম্পৰাগত বস্ত্ৰ উদ্যোগ অঞ্চল'ত

সেউজ ক্ষেত্ৰৰ সমূহীয়া গোট সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। তেনে ক্ষেত্ৰৰ গোট হ'ল ব্ৰেণ্ডিক্স ইণ্ডিয়া এপাৰেল ছিটি লিমিটেড আৰু বেঙুনীয়া ক্ষেত্ৰৰ গোট হ'ল তিৰুপুৰৰ ওচৰৰ পাল্লাদাম হাইটেক বয়ন পাম। বহু পামত ক্ষুদ্ৰ আৰু মজলীয়া গোটৰ প্ৰাধান্য আছে। এই গোটসমূহত কাৰ্য সাধন কৰা উদ্যোগীসকলেই অৰ্থ বিনিয়োগ কৰে আৰু তেওঁলোকৰ কাম-কাজ এইবোৰ পামৰ জৰিয়তেই সম্প্ৰসাৰিত কৰিবলৈ লৈছে। পামত ন্যস্ত থকা গোটবোৰে ওচৰৰ বস্ত্ৰ উদ্যোগে সৃষ্টি কৰা পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি চলে। কাৰণ তেনে পৰিৱেশৰ পৰাই বিপণন, জনশক্তি আদি লাভ কৰাত সুবিধা হয়। কিন্তু ব্ৰেণ্ডিক্সৰ ক্ষেত্ৰত আৰ্হি সুকীয়া। পামৰ ভিতৰতেই এটা অনুকূল পৰিৱেশ গঢ়ি তুলিছে। বিশেষ উদ্দেশ্য সাধন ব্যৱস্থাই সামাজিক কল্যাণৰ দিশত যথেষ্টভাৱে বিনিয়োগ কৰিছে। তেনে কল্যাণমূলক কাম হ'ল— দক্ষতাৰ বিকাশ, দক্ষ জনশক্তিৰ এটা ভেটি গঢ়ি তুলিবৰ কাৰণে পৰিবহণ ব্যৱস্থাৰ দিহা কৰা ইত্যাদি। এই উদ্যান এটা বন্দৰৰ ওচৰত আছে আৰু সেয়ে ৰপ্তানিৰ বিষয়ে ব্যৱস্থা গ্ৰহণত সহায়ক হৈছে।

বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সংহত বস্ত্ৰ পাম আঁচনিৰ পৰা পোৱা শিক্ষাক বস্ত্ৰ প্ৰস্তুত কৰাৰ সা-সুবিধা ব্যাপকভাৱে সৃষ্টি কৰাৰ প্ৰয়োজন আছে। তেতিয়াহে দেশখনত এই বিষয়ত আৰু আগুৱাই যাব পাৰিব। বস্ত্ৰ উদ্যোগে জনশক্তি উন্মেষ সাধনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ই গ্ৰামাঞ্চলত লাখ লাখ যুৱক আৰু মহিলাক চাকৰি যোগান ধৰিব পাৰে। তদুপৰি নিশ্চয়কৈ আমাৰ দেশখনৰ কিছুমান সুবিধা আছে— যিবোৰৰদ্বাৰাই খণ্ডটোত ঘৰুৱা আৰু বিদেশৰ বিনিয়োগক আকৰ্ষণ কৰিবলৈ অনুকূল পৰিৱেশ সৃষ্টি কৰা আৱশ্যক। তাৰ বাবে খণ্ডটোক উপযুক্তভাৱে গঢ় দিয়া দৰকাৰ আৰু তেনে গঢ়-গঠনক লক্ষ্য কৰিয়েই ব্যক্তিগত বিনিয়োগ অধিকভাৱে উপলব্ধ হ'ব আৰু সুনিয়াৰি কাৰ্য সাধনৰদ্বাৰা বিনিয়োগকাৰীসকলেও ভাল মূল্য ঘূৰাই পাব। গতিকে ভাৰতে সমন্বিতভাৱে অধিক সা-সুবিধাৰ থলী গঢ়ি তুলিব লাগিব— যিবোৰ গোলকীয় স্তৰত প্ৰতিযোগিতামূলক হ'ব পাৰে। তাৰ বাবে বিস্তৃত আকাৰত কিছুমান বিষয়ক সমৰ্থৱান কৰি তুলিব লাগিব আৰু সেইবোৰ হ'ল, যেনে— সূতা কটা, ৰং দিয়া, সংসাধন, কাটিং, লেবেলিং, চিলাই আৰু পেকেজ কৰা। এনে ব্যৱস্থাই এখন ঠাইতে সমগ্ৰ মূল্য মান অক্ষুণ্ণ ৰখাৰ নিশ্চয়তা কৰিব।

এই প্ৰসংগত এইটো ক'ব পাৰি যে বস্ত্ৰ আৰু সাজ-পোছাক খণ্ডত বিকাশশীল নিৰ্মাণ মণ্ডলে খণ্ডটোত বিনিয়োগক উৎসাহ প্ৰদান তথা তাৰ গতি অটুট ৰখাৰ ক্ষেত্ৰত যথেষ্ট বৈশিষ্ট্য বহন কৰিছে। বিশেষকৈ অঞ্চলবিশেষৰ গুৰুত্বলৈ চাই বিনিয়োগৰ আঁচনি গ্ৰহণ কৰিব পাৰে— যাতে ঘৰুৱা তথা ৰপ্তানিমুখী সাজ-পোছাক উৎপাদনৰ বাবে প্ৰস্তুতকৰণৰ সা-সুবিধাসমূহ ভালদৰে গঢ়ি তুলিব পৰা যায়। এই ক্ষেত্ৰত বস্ত্ৰ সম্পৰ্কিত খণ্ডবোৰকো সমন্বিত কৰা দৰকাৰ। প্ৰায় ১,৫০০-২,৫০০ একৰ এলেকাত স্ব-আধাৰিত বিনিয়োগৰূপে বিকাশ কৰা প্ৰয়োজন আৰু সেইবোৰত অনেক সা-সুবিধা থাকিব লাগিব। তেনে কেইটামান সুবিধাৰ বিষয় হ'ল— উৎপাদন গোট, ৰাজহুৱা ব্যৱহাৰৰ ব্যৱস্থা, লজিষ্টিক তথা পৰিৱেশ সুৰক্ষা সাধন ব্যৱস্থা, স্বাস্থ্য সম্পৰ্কীয় আন্তঃগাঁথনিসহ আৱাসিক এলেকা।

ৰাজ্য চৰকাৰে বস্ত্ৰ আৰু সাজ-পোছাক খণ্ডৰ বিকাশ সাধন কৰিব। তাৰ বাবে এটা বিশেষ জিলা বা খণ্ডক বস্তু প্ৰস্তুতকৰণ অঞ্চলৰূপে নিৰ্দ্ধাৰণ কৰিব আৰু সেই নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত অঞ্চলটোক এনেভাৱে বাছি উলিয়াব যাতে ঠাইখনত উপযুক্তভাৱে আন্তঃগাঁথনি গঢ়ি তুলিব পাৰে আৰু সমুদ্ৰ তথা বিমান বন্দৰৰ সংযোগ সাধনৰো সুবিধা থাকে। ৰাজ্য চৰকাৰে আন্তঃগাঁথনিৰ ক্ষেত্ৰত মনোযোগ দিয়াৰ উপৰি বিত্তীয় ক্ষেত্ৰত উৎসাহ প্ৰদান, প্ৰতিষ্ঠানমূলক সংযোগ ব্যৱস্থা, জনশক্তিৰ বিকাশ তথা নীতি অনুযায়ী ক্ষমতাৰ গঢ়-গঠনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। লগতে বিনিয়োগক আকৰ্ষণ কৰাৰ প্ৰতি এটা পৰিৱেশ সৃষ্টি কৰাৰ কামত লাগিব পাৰে। দক্ষতা বিকাশৰ ক্ষেত্ৰত থকা প্ৰভেদখিনি পূৰণ কৰিবলৈ আৰু দক্ষ জনশক্তি লাভ কৰিবলৈও সাজ-পোছাক কেন্দ্ৰ অঞ্চলটোৰ প্ৰয়োজনীয়তালৈ চাইহে প্ৰস্তাৱ কৰা বাঞ্ছনীয়। ৰাজ্য চৰকাৰে বস্ত্ৰ বিষয়ক অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ বিষয়ে প্ৰস্তাৱ কৰিব পাৰে। এই পাঠ্যক্ৰম আই টি আই আৰু অন্যান্য প্ৰতিষ্ঠানৰ জৰিয়তে প্ৰচলনৰ দিহা কৰিব পাৰে।























প্ৰস্তাৱিত তেনে অঞ্চলক কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনৰে আৰু অধিক শক্তিশালী কৰা যাব পাৰে। এই ক্ষেত্ৰত বৰ্তমানে যিবোৰ আঁচনি আছে, তাৰ জৰিয়তে আন্তঃগাঁথনিৰ বিকাশ সাধন কৰিব পৰা যাব। এনে আন্তঃগাঁথনিয়ে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ তথা ঘৰুৱা বিনিয়োগকো আকৰ্ষণ কৰিব পাৰে। লগতে ভাৰত চৰকাৰে হাতত লোৱা 'মেইক্ ইন ইণ্ডিয়া' প্ৰয়াসকো অধিক গতিশীল কৰিব পাৰে। গতিকে এইটো কোৱা সমীচীন হ'ব যে এনেবোৰ ব্যৱস্থাৰ দ্বাৰা ভাৰতক নিশ্চয়কৈ বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত এটা আগশাৰীৰ ভূমিকা গ্ৰহণ কৰা দেশৰূপে স্থিত কৰাত সহায় কৰিব। ❐

# ৰেচম বস্ত্ৰ উদ্যোগ ঃ প্ৰত্যাহ্বান আৰু আগলৈ যোৱাৰ পথ

**বি এছ অংগাৰি, কে কে ছেট্ৰী আৰু এইছ নাগেশ প্ৰভু***

ৰেচম— যাক কোৱা হয় ‘বস্ত্ৰৰ ৰাণী’— কেৱল সময়ৰ কঠোৰ বাস্তৱতাৰ মাজতো নিজৰ অস্তিত্ব অটুট ৰখা নাই, তাৰ উপৰি সমগ্ৰ বিশ্বই ইয়াক অতি লাগতিয়াল মসৃণ সূতা ৰূপে গণ্য কৰে আৰু সেয়ে ইয়াক তেনেদৰে পাবও বিচাৰে। তাৰ কাৰণ হ’ল ইয়াৰ কোমলতা, পাতল, ৰঙেৰে ৰূপান্তৰ কৰিবলৈও সহজ, দীৰ্ঘ দিন টিকে আৰু সৌন্দৰ্যৰ গুণেৰে ভৰপূৰ। ই সমতাপ গুণৰ অধিকাৰী। ই চিন্‌থেটিক আৰু অ-চিনথেটিক আঁহৰ প্ৰভাৱৰ দপ্‌দপনিকো সহ্য কৰি নিজৰ অনন্য স্থিতি অক্ষুণ্ণ ৰাখে। স্বাভাৱিক ৰেচমক বাণিজ্যিকভাৱে পাঁচ ধৰণে উপস্থাপন কৰা হয়। সেয়া হ’ল— মালবেৰী (অৰ্থাৎ নুনী পাট), ট্ৰপিকেল তাছাৰ, ওক্ আছাৰ, এৰী পাট আৰু মুগা। ইয়াৰ ভিতৰত মালবেৰী ৰেচম এবিধ পোকৰ দ্বাৰা (অৰ্থাৎ পলু, ইংৰাজীত কোৱা হয় Bombyx mori) নুনী গছৰ পাত খুৱাই উৎপাদন কৰা হয়। এই পলুক ঘৰতেই ৰাখি তেনে কাৰ্য সাধন কৰা হয়। নুনী পাটৰ বাহিৰে অন্য পলুৰদ্বাৰা প্ৰস্তুত কৰা ৰেচমক সম্প্ৰতি এটা নতুন পৰিচয় প্ৰদান কৰা হৈছে, আৰু সেইবোৰক সমূহীয়াভাৱে ‘বন্য ৰেচম’ ৰূপে জনা যায়।

**স্বাভাৱিক ৰেচমৰ বাণিজ্যিকীকৰণৰ পাঁচবিধ আঁহৰ সবিশেষ**

| | নুনীপাট | ট্ৰপিকেল তাছাৰ | ওক তাছাৰ | এৰী | মুগা |
|---|---|---|---|---|---|
| পখিলাজাতীয় |  |  |  |  |  |
| ডিম্ব |  |  |  |  |  |
| পেষিত উদ্ভিদ |  |  |  |  |  |
| বীৰ্য |  |  |  |  |  |
| লেটা |  |  |  |  |  |
| ৰেচমী সূতা পোছাক |  |  |  |  |  |

ৰেচম বুলিলে বিশেষ ধৰণৰ কীট, পোক আদি ব্যাপক আকাৰত পোহাকে বুজায়। আৰু সেইবোৰ ডাঙৰ-দীঘল কৰি ৰেচমৰ আঁহ, সূতা আদি উৎপাদন কৰিবলৈ লোৱা হয় (অৰ্থাৎ তেনে কীটৰ লেটাৰ পৰা উপলব্ধ কৰি)। এই ৰেচম শিল্প হ’ল বস্ত্ৰ খণ্ডৰ এটা অন্যতম অতি শ্ৰমিক উন্মেষ সাধন কৰা উপখণ্ড। ইয়াত পাম তথা অ-পাম উভয় কাৰ্যই সমাপন কৰা হয়। তাৰ কেইটামান তলত দিয়া ধৰণৰ—

* পলুৰ খাদ্যৰ বাবে গছ-গছনিৰ খেতি
* লেটা উৎপাদনৰ অৰ্থে তেনে পলু বোৰক ডাঙৰ-দীঘল কৰি তোলা
* লেটাৰ পৰা আঁহবোৰ উলিওৱাৰ ব্যৱস্থা
* লেটা উপলব্ধৰ পৰৱৰ্তী প্ৰক্ৰিয়া, যেনে— পকোৱা, ৰঙীণ কৰা, বোৱা (বয়ন), সাঁচ বহুৱা (প্ৰিণ্টিং) আৰু অন্তিম ৰূপ দিয়া।

ৰেচম বস্ত্ৰ উদ্যোগৰ কাম-কাজ ৰাষ্ট্ৰসংঘৰ বৃহৎ পাঁচটা নিৰন্তৰ বিকাশ লক্ষ্যৰ সৈতে সামঞ্জস্য আছে। ৰাষ্ট্ৰ-সংঘই ১৭টা লক্ষ্য থিৰ কৰিছিল। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য হ’ল— দৰিদ্ৰতা মোচন, মহিলা সবলীকৰণ, নিৰন্তৰ অৰ্থনৈতিক বিকাশ, পূৰ্ণ আৰু উৎপাদন-মূলক নিয়োগ তথা বনাঞ্চলৰ পুনৰুজ্জীৱিতকৰণ আৰু প্ৰকৃতিৰ সেউজীয়া দলিচাৰে অৱনমিত হোৱা ভূ-খণ্ডৰ প্ৰাক্ অৱস্থা ঘূৰাই অনা। এই উদ্যোগৰ আন কেইটামান বৈশিষ্ট্যপূৰ্ণ দিশ হ’ল—

* অধিক শ্ৰমিক শক্তি অংশ গ্ৰহণৰ হাৰ আৰু লগতে বিপুল সংখ্যাত

*বি এছ অংগাৰি বেংগালুৰুৰ ছেণ্ট্ৰেল ছিল্ক বোৰ্ডৰ ভূতপূৰ্ব সঞ্চালক, কে কে ছেট্ৰী একেই প্ৰতিষ্ঠানৰ যুটীয়া সচিব (কাৰিকৰী) আৰু এইচ নাগেশ প্ৰভু সদস্য সচিব।

নিয়োগ সঞ্চাৰ কৰাৰ ক্ষমতা (প্ৰতি কিলোগ্ৰাম উৎপাদিত ৰেচমৰ বাবদ ১১.০৩ লোকৰ কৰ্ম দিন)।

* মহিলা (৬০ শতাংশ) আৰু পৰিয়ালৰ সদস্যৰ জড়িতকৰণ— যাৰদ্বাৰাই পৰিয়াললৈ অধিক উপাৰ্জনৰ পথ প্ৰশস্ত হয়।
* উপাৰ্জনৰ ৬০ শতাংশ কৃষকলৈ যায় অৰ্থাৎ প্ৰাথমিক পৰ্যায়ৰ উৎপাদনৰ কামত জড়িত থকা সকললৈ।
* ধনী উপভোক্তাসকলৰপৰা দুখীয়া-সকললৈ (কৃষক, মহুৰা বনাওতা আৰু কাপোৰ বওতাসকললৈ)।
* জৈৱ-অনুকূল কাম-কাজে জৈৱ বৈচিত্ৰ্য তথা প্ৰাকৃতিক বন্য খাদ্য বৃক্ষৰ বনাঞ্চল এলেকাক সংৰক্ষণ কৰাত সহায় কৰে।
* ৰেচমৰ বাইপ্ৰডাক্টছ, যেনে— ছেৰিইন, পাপে আদিয়ে অতিৰিক্ত উপাৰ্জন উদ্ৰেক কৰিবৰ বাবে সৰ্বাধিক সুবিধা আগবঢ়ায়।

**স্থিতি**


ভাৰতীয় ৰেচম উদ্যোগ ভাৰতীয় বস্ত্ৰ উদ্যোগৰ এটা অনবদ্য অঙ্গ। চীনৰ পিছতে ই হ'ল বিশ্বৰ বৃহত্তম উদ্যোগ— যি (অৰ্থাৎ ভাৰতে) বিশ্বৰ উৎপাদনত প্ৰায় ১৪ শতাংশ বৰঙণি যোগায়।

ভাৰতীয় ৰেচম উদ্যোগৰ শক্তি—

* চীনৰ পিছতে বিশ্বৰ ভিতৰত দ্বিতীয় সৰ্বাধিক ৰেচম উৎপাদন-কাৰী দেশ।
* বিশ্বৰ ভিতৰত ৰেচমৰ সৰ্বাধিক উপভোক্তা দেশ।
* বিশ্বৰ ভিতৰত ভাৰতেই একমাত্ৰ দেশ য'ত বাণিজ্যিক ভিত্তিত আটাইকেইবিধ অৰ্থাৎ ৫ বিধ ৰেচম উৎপাদন কৰে।
* বিখ্যাত সোণালী পাট মুগা উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত একচেটিয়া অধিকাৰ প্ৰতিপন্ন কৰি আছে।
* প্ৰতাপী দাক্ষিণাত্যৰ কৃষি জলবায়ু অৱস্থা গোটেই বছৰটোতে ৰেচম বস্ত্ৰৰ কামৰ বাবে উপযুক্ত।
* ৰেচম শিল্প বিস্তাৰিত কৰাৰ বাবে পৰ্যাপ্ত কৃষি উপযোগী মাটি আছে।
* অধিক অহৰ্তাপূৰ্ণ আৰু অভিজ্ঞ বৈজ্ঞানিক তথা কাৰিকৰীবিদ সহ বিশ্ব শ্ৰেণীৰ গৱেষণা সংগঠন বিকাশ কৰিছে।
* যথেষ্ট দক্ষ লোকৰ অধিকাৰী।

দেশখনৰ কেঁচা ৰেচম উৎপাদনৰ পৰিমাণ ২০১১-১২ বৰ্ষৰ (একাদশ পৰিকল্পনাৰ অন্তত) ২৩,০৬০ মেট্ৰিক টনৰ পৰা ২০১৫-১৬ বৰ্ষত ২৮,৪৭২ মেট্ৰিক টনলৈ বৃদ্ধি পায়। চক্ৰবৃদ্ধি হাৰত ইয়াৰ বাৰ্ষিক বৃদ্ধি হ'ল ৫.৪ শতাংশ। বাই ভল্টাইন ৰেচম উৎপাদনৰ বাৰ্ষিক চক্ৰবৃদ্ধি হাৰ হ'ল ২৮ শতাংশ। একেদৰে সেই কালছোৱাত বন্য ৰেচম উৎপাদনৰ বাৰ্ষিক বৃদ্ধি হাৰ হ'ল ১৩.৮ শতাংশ। কেঁচা ৰেচমৰ আমদানি ক্ৰমান্বয়ে হ্ৰাস পায়। ২০১১-১২ বৰ্ষৰ কালছোৱাত ইয়াৰ পৰিমাণ আছিল ৫,৬৮৫ মেট্ৰিক টন। কিন্তু ২০১৫-১৬ বৰ্ষত এই আমদানিৰ পৰিমাণ অৱনমিত হৈ ৩,৫২৯ মেট্ৰিক টনত স্থিত হয়। তাৰ কাৰণ হ'ল আমদানি সামগ্ৰীৰ সলনি ব্যৱহাৰ কৰিব পৰা বাইভল্টাইন কেঁচা ৰেচমৰ উৎপাদন।

**বিশ্বৰ কেঁচা ৰেচম উৎপাদন (২০১৫)**




**কেঁচা ৰেচমৰ আমদানি**

এইটো বেচ মন কৰিবলগীয়া বিষয় যে যোৱা পাঁচ বছৰ কালত বাইভল্টাইন কেঁচা ৰেচমৰ উৎপাদন দেশত বৃদ্ধি পায—যাৰ ফলত বাহিৰৰ পৰা আমদানি কৰি অনা তেনে কেঁচা ৰেচমৰ পৰিমাণ হ্ৰাস পায়। এই হ্ৰাসৰ পৰিমাণ বৈশিষ্ট্যপূৰ্ণ বুলি ক'ব লাগিব। কাৰণ ২০১১-১২ বৰ্ষত আমদানি পৰিমাণ আছিল ৫৬৮৩ মেট্ৰিক টন আৰু ২০১৫-১৬ বৰ্ষত ই হয়গৈ ৩৫২৯ মেট্ৰিক টন। আমদানি বিকল্প বাইভল্টাইন ৰেচমৰ উৎপাদনৰে ভাৰতক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ লক্ষ্য কৰা হৈছে। ২০১৯-২০ চনৰ ভিতৰত একেবাৰে আমদানি নকৰিবলৈ প্ৰয়াস জাৰি থাকিব (উৎস ঃ ডি জি চি আই এছ, কলকাতা)।

**ৰপ্তানি**

যদিও ভাৰত বিশ্বৰ ভিতৰত দ্বিতীয় বৃহত্তম ৰেচম উৎপাদক দেশ, তথাপি গোলকীয় ৰেচম বাণিজ্যিত ভাৰতীয় ৰেচম ৰপ্তানিৰ বজাৰৰ অংশ ভাগ যথেষ্ট

**২ নং তালিকা ঃ**

| কোটি টকা হিচাপত ৰপ্তানি মূল্য | | | | | |
|---|---|---|---|---|---|
| | একাদশ পৰিকল্পনা (২০১১-১২) | ২০১২-১৩ | ২০১৩-১৪ | ২০১৪-১৫ | ২০১৫-১৬ |
| স্বাভাৱিক চিল্কয়াণ | ১৯.৬৮ | ২১.৯৬ | ৩৬.২৫ | ২৫.৪০ | ৩০.৩২ |
| ৰেচম সূতা | ১৪৯৭.৯৭ | ১৪১০.৩১ | ১৪৫৫.৬৩ | ১৪৬৫.৪৪ | ১২৮০.৬০ |
| তৈয়াৰী পোছাক | ৭৬৫.৮৩ | ৭৮৭.১৫ | ৮৭৪.০০ | ১২১৪.০১ | ১০৭৮.৩৯ |
| ৰেছমৰ কাৰ্পেট | ২০.০৮ | ২১.১৪ | ১৫.৭১ | ১৫.৯৭ | ১৬.৮৮ |
| ৰেছমৰ অৱশিষ্ট | ৪৯.৭৭ | ৬২.৯৭ | ৯৯.৩০ | ১০৯.১২ | ৮৯.৮০ |
| মুঠ | ২৩৫৩.৩৩ | ২৩০৩.৫৩ | ২৪৮০.৮৯ | ২৮২৯.৯৪ | ২৪৯৫.৯৯ |

**(উৎস ঃ** FTSI & MSFTI, DGCIS)

নহয় (১০ শতাংশ)। তাৰ কাৰণ হ'ল ৰেচম সামগ্ৰীৰ বাবে ভাৰতৰ এখন ডাঙৰ ঘৰুৱা বজাৰ আছে। উৎপাদন হোৱা প্ৰায় ৮৫ শতাংশ ৰেচম সামগ্ৰী ঘৰুৱা বজাৰতেই বিক্ৰী হয়। তেনে হ'লেও অৱশ্যে ভাৰতে ১৫ শতাংশলৈকে সকলো ধৰণৰ ৰেচম সামগ্ৰী ৰপ্তানি কৰে। তেনে সামগ্ৰী হ'ল—পকোৱা সূতা, মসৃণ সূতা, তৈয়াৰী পোছাক, ৰেছমৰ কাৰ্পেট আদি। এই সামগ্ৰীবোৰ পৰম্পৰাগত বৃহৎ বজাৰবোৰলৈ ৰপ্তানি কৰিবলৈ লোৱা হৈছে। তাৰ ভিতৰত উল্লেখ্য হ'ল আমেৰিকা আৰু ইউৰোপীয় দেশসমূহ তথা এছীয় অঞ্চলৰ সৰু সৰু বজাৰবোৰ। পিছে কেইবছৰমানৰপৰা ৰেচম সামগ্ৰী ৰপ্তানিৰ উপাৰ্জন পৰিমাণ গোলকীয় স্তৰত মুদ্ৰা সংকোচন হোৱা হেতু হ্ৰাস পায় আৰু পাশ্চাত্য দেশবোৰত ৰেচম সামগ্ৰীৰ চাহিদাও কমি আহে। ২০১৫-১৬ বৰ্ষৰ কালছোৱাত ৰপ্তানি উপাৰ্জনৰ পৰিমাণ আছিল ২,৪৯৫ কোটি টকা। একাদশ পৰিকল্পনা কালছোৱাৰ তথা দ্বাদশ পৰিকল্পনাৰ প্ৰথম চাৰি বছৰৰ ৰেচম সামগ্ৰীৰ ৰপ্তানি মূল্য তলৰ তালিকাখনত দিয়া হ'ল—

**গুণ, উৎপাদনশীলতা আৰু নিয়োগ উদ্ৰেকৰ ক্ষেত্ৰত গৱেষণা আৰু বিকাশৰ প্ৰভাৱ**

কেন্দ্ৰীয় ৰেচম বোৰ্ড আৰু অনান্য ৰাজ্যই হাতত লোৱা গৱেষণা আৰু বিকাশ কাৰ্যৰ ফলত ৰেচম উৎপাদনৰ গুণগত দিশ, পৰিমাত্ৰা আৰু উৎপাদনশীলতাত যথেষ্ট উন্নতি সাধনৰ পথ প্ৰশস্ত কৰিছে। প্ৰতি হেক্টৰ নুনী পাটৰ উৎপাদন ক্ষমতা বৃদ্ধি পাইছে। ১৯৯৭ চনত ইয়াৰ পৰিমাণ আছিল প্ৰায় ৪৬ কিলোগ্ৰাম, কিন্তু ২০১৫-১৬ বৰ্ষৰ কালছোৱাত এই পৰিমাণ হয়গৈ ১০১ কিলোগ্ৰাম। তেনেদৰে অপচয়ৰ পৰিমাণে সেই কালছোৱাত ৮.৯ ৰ পৰা ৭.৪ লৈ হ্ৰাস পায়। এই বৈশিষ্ট্যপূৰ্ণ সফলতা পাটপলুৰে খোৱা উন্নত বৃক্ষৰ (নুনী গছ) বিকাশ আৰু তাক

**৩ নং তালিকা ঃ**

| সবিশেষ | চীন | ভাৰত |
|---|---|---|
| জলবায়ু অৱস্থা | তাপ অনুকূল | বিযুবীয়/উপবিযুবীয়। তাপ অনুকূল |
| উৎপাদন পদ্ধতি | সংগঠিত বৃহৎ লেটা উৎপাদন খণ্ড | অসংগঠিত ক্ষুদ্ৰ আকাৰ |
| অৰ্থনীতি | চৰকাৰী নিয়ন্ত্ৰণ | বজাৰ পৰিচালিত |
| নুনী ক্ষেত্ৰ, হেক্টৰ | ৮.২২ লাখ | ২.১০ |
| পোহা প্ৰজাতি | সকলোবোৰ বাইভল্টাইন | ৭৮ শতাংশ দুভচীয়া<br>২২ শতাংশ বাইভল্টাইন |
| বাইভল্টাইন চিল্ক গ্ৰেড | ৬ ক পৰ্যন্ত | ৩ ক পৰ্যন্ত |
| ব্যৱহাৰৰ ধাৰা | ৮০ শতাংশ ৰপ্তানি<br>২০ শতাংশ ঘৰুৱা | ৮৫ শতাংশ ঘৰুৱা<br>১৫ শতাংশ ৰপ্তানি আৰু<br>১১ শতাংশ আমদানি |
| ৰপ্তানি উপাৰ্জন (নিযুত মাৰ্কিন ডলাৰ) ২০১৫-১৬ | ৩০৬৮.৯৫ | ৩৮৯.৫৩ |

উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ বাবে সম্ভৱ হৈছে বুলি ক'ব পাৰি। তেনেদৰে অধিক উৎপাদক্ষম পলুৰ সঁচ, গুণমান বিশিষ্ট পাটপলুৰ বীজৰ উৎপাদন তথা যোগান, প্ৰগতিশীল পলু পোষণৰ উপায় অৱলম্বন আৰু লেটা হোৱাৰ পৰৱৰ্তী প্ৰক্ৰিয়াত লোৱা উন্নত ব্যৱস্থা এই সফলতাৰ কাৰণ।

ভাৰতৰ ৰেচম উদ্যোগৰ সৈতে প্ৰায় ১.২ নিযুত লোক জড়িত আৰু ৮.২৮ নিযুত লোকৰ নিয়োগ ক্ষমতা থকা এই উদ্যোগে বস্ত্ৰ খণ্ডৰ ২০ শতাংশতকৈ অধিক অংশ অধিকাৰ কৰিছে তথা বিকাশ আৰু তাৰ গতি অটুট ৰাখিছে। তীব্ৰভাৱে ঔদ্যোগীকৰণ তথা কৃষি উপযোগী মাটিত বৰ্দ্ধিত হেঁচা পৰা সত্ত্বেও ৰেচম শিল্পৰ অগ্ৰগতি বেচ দৰ্শনীয়।

**গোলকীয় দৃশ্যপটত ভাৰতীয় ৰেচমৰ প্ৰতিযোগিতামূলক স্থিতি**


শেহতীয়াকৈ পাৰ হৈ যোৱা অতীতৰ ৰেচম শিল্পৰ গোলকীয় দৃশ্যপট অসাধাৰণাদ্‌ভাৱে পৰিৱৰ্তন হৈছে। এফালে ভাৰতৰ তুলনামূলক সুবিধা আৰু আনফালে বহু দেশতেই ৰেচম উৎপাদনৰ মাত্ৰা কমি গৈছে। এনেদৰে কমাৰ কাৰণ হ'ল ঔদ্যোগীকৰণে লাভ কৰা গতি—যি উপজ সামগ্ৰীৰ দাম বৃদ্ধি আৰু অন্য ঔদ্যোগিক তথা সেৱা খণ্ডলৈ কৃষি শ্ৰমিকৰ গমনৰ পথ মুকলি কৰিছে। অবিভক্ত ৰাছিয়া, দক্ষিণ কোৰিয়া, ব্ৰাজিল আৰু থাইলেণ্ডৰ দৰে দেশবোৰে ৰেচম উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ কঠিনতাৰ সন্মুখীন হয়। তাৰ কাৰণ আন্তৰ্জাতিক ক্ষেত্ৰত উদ্ভৱ হোৱা ৰেচমৰ প্ৰতিযোগিতামূলক মূল্য।

তুলনামূলক হিচাপে আন যি কোনো ৰেচম উৎপাদন কৰা দেশতকৈ ভাৰতৰ সুবিধা বহু আছে। আন্তৰ্জাতিক ৰেচম উৎপাদনৰ গতিধাৰাই এইটো ইঙ্গিত দিয়ে যে ৰেচমৰ বিকাশৰ বাবে ভাৰতত অনেক সুবিধা আছে। জাপানত ইয়াৰ উৎপাদন সম্পূৰ্ণ ৰূপে অৱনতি ঘটে আৰু প্ৰতাপী চীনেও উৎপাদনৰ ধাৰা অব্যাহত ৰাখিবৰ কাৰণে নিজৰ উৎপাদনৰ আধাৰ অ-পৰম্পৰাগত অঞ্চল পৰ্যৱসিত কৰিবৰ বাবে প্ৰয়াস কৰিছে। ইপিনে চীনতকৈ ভাৰতৰ অধিক কৃষি উপযোগী মাটি আছে আৰু তুলনামূলকভাৱে অনুকূল জলবায়ুৰ (ৰেচম উৎপাদন কৰা দক্ষিণৰ ৰাজ্যসমূহত) সুবিধা আছে। ইয়েই গোটেই বছৰটোতে লেটা উৎপাদনৰ বাবে সুচলতা প্ৰদান কৰে। এইবোৰ দিশলৈ চাই দেশখনে নিজৰ উৎপাদন অধিক কৰিবলৈ সম্ভাৱনা আছে। ৰপ্তানি বৃদ্ধিৰ কাৰণেও সম্ভাৱনা আছে। ৰপ্তানি বৃদ্ধিৰ কাৰণেও সম্ভাৱনা যথেষ্ট আৰু গোলকীয় বজাৰত নিজাববীয়াকৈ ব্ৰেণ্ডৰ পৰিচয় দাঙি ধৰিবলৈও পথ যথেষ্ট উজ্জ্বল।

৩ নং তালিকাত চীন আৰু ভাৰতৰ বিষয়ে তুলনামূলক তথ্য দাঙি ধৰা হৈছে। আমাৰ দেশতকৈ চীনত নুনী গছৰ খেতিৰ এলেকা প্ৰায় ৪ গুণ অধিক আৰু সেয়ে বিপুল উৎপাদনত ইন্ধন যোগায়।

**অন্তৰ্দৃষ্টি**

ৰেচম খণ্ডৰ বিকাশ সাধনৰ দায়িত্ব লোৱা কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ পৰিকল্পনা আছে দেশখনক ৰেচমৰ ক্ষেত্ৰত আমদানি মুক্ত কৰাৰ। ইয়াৰ বাবে ২০২০ চনৰ ভিতৰত প্ৰায় ৮৫০০ মেট্ৰিক টন বাইভল্টাইন কেঁচা ৰেচম উৎপাদন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। ভাৰতক ৰেচমৰ ক্ষেত্ৰত বিশ্ব বজাৰত নেতৃত্ব গ্ৰহণ কৰোঁতা ৰূপে উপস্থাপন কৰাৰ ইয়াৰ এটা অন্তৰ্দৃষ্টি আছে। লগতে সেই প্ৰক্ৰিয়াত সামগ্ৰিকভাৱে ৰেচম উৎপাদন ২০৩০ চনৰ ভিতৰত ৬০,০০০ মেট্ৰিক টন কৰাৰ কথা ভাবিছে আৰু বাইভল্টাইন কেঁচা ৰেচম ২০,০০০ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰো চিন্তা কৰিছে। হ্ৰস্ব ম্যাদী আৰু দীৰ্ঘ ম্যাদী উৎপাদনৰ লক্ষ্য তলত দিয়া গ্ৰাফত উপস্থাপন কৰা হৈছে।




**প্ৰত্যাহ্বান আৰু আগলৈ যোৱাৰ পথ**

**পৰম্পৰাগত ৰেচম উৎপাদন অঞ্চলত নগৰীকৰণ**

পৰম্পৰাগতভাৱে চলি অহা ৰেচম উৎপাদন অঞ্চলবোৰত খৰতকীয়াকৈ অৰ্থনৈতিক বিকাশ সাধন হোৱা ক্ৰমে ঔদ্যোগীকৰণ আৰু নগৰীকৰণ প্ৰক্ৰিয়াত যথেষ্টভাৱে গতি লাভ কৰিছে। ফলত

মাটিৰ মূল্য আৰু শ্ৰমিকৰ মজুৰি বৃদ্ধি হোৱা হেতুকে ৰেচম শিল্পৰ কাম-কাজ সম্প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত বাধা আহি পৰে।

সেয়ে উৎপাদনৰ আধাৰ বা থলি অ-পৰম্পৰাগত অঞ্চলবোৰলৈ—য'ত প্ৰচুৰ পৰিমাণে মাটি আৰু শ্ৰমিক পোৱা যায়—পৰিব্যাপ্ত কৰিলে নিশ্চয়কৈ কেঁচা ৰেচমৰ উৎপাদন বৃদ্ধি হোৱাত উৎসাহিত কৰিব। আৰু তেনে থলীৰ ৰাজ্য হ'ল মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ ইত্যাদি। এনেবোৰ ঠাইত ৰেচমৰ বিকাশ সাধনৰ ক্ষেত্ৰত প্ৰাকৃতিক অৱস্থা আৰু সামাজিক আধাৰো লাভ কৰিব।

## কেঁচা ৰেচম উৎপাদন বৃদ্ধিৰ প্ৰয়াস

বাইভল্টাইন সঁচৰ ৰেচমে উপযুক্ত মানৰ কেঁচা ৰেচম উৎপাদন কৰিব পাৰে। বিদ্যুচালিত তাঁতশালৰ বাবে আৱশ্যক হোৱা মজবুত সূতাৰ গুণখিনি এনে বিধ ৰেচমৰ আছে। পিছে এনে ৰেচম (বাইভল্টাইন কেঁচা ৰেচম) প্ৰচুৰ পৰিমাণে উৎপাদন কৰিবলৈ আমি সমৰ্থৱান হোৱা নাই—আনকি নিজৰ ঘৰুৱা চাহিদাও পূৰণ কৰিব পৰা নাই। আমি বিদ্যুৎচালিত তাঁতশালৰ (পাৱাৰ লুম) প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ আমদানিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। বাইভল্টাইন ৰেচম বতৰ উপযোগী আৰু জনপ্ৰিয় কৰি তোলাটো আমাৰ দেশত এটা ডাঙৰ প্ৰত্যাহ্বানৰ বিষয়।

বাইভল্টাইন ৰেচম কেৱল প্ৰযুক্তি উন্মেষকেই নহয় তদুপৰি ই পুঁজিৰো উন্মেষ সাধন কৰে। সেয়ে এই প্ৰত্যাহ্বানমূলক অৱস্থাত গুণগত বাইভল্টাইন বীজ উৎপাদনৰ কাৰণে আমি অধিক বিনিয়োগ কৰা আৱশ্যক, কৃষক পৰ্যায়ৰ আন্তঃগাঁথনি শক্তিশালী তথা আগশাৰীৰ লেটাৰ কাৰণে পৰৱৰ্তী স্তৰৰ সা-সুবিধা সৃষ্টি কৰা প্ৰয়োজন। সময়ত উপযুক্ত বুলি প্ৰমাণিত বিষুৱীয় বাইভল্টাইন ৰেচমৰ প্ৰযুক্তি আমাৰ আছে, কিন্তু ইয়াক সম্ভাব্য ক্ষেত্ৰবোৰত বিপুল আকাৰত সম্প্ৰসাৰিত কৰা আৱশ্যক। এইবিধ ৰেচম তিনিটা স্তম্ভৰ ওপৰত নিৰ্ভৰ কৰে। সেয়া হ'ল— “মাপক কাঠি, গতিবেগ আৰু দক্ষতা”। যেতিয়া আমাৰ কৃষক, সূতা প্ৰস্তুত কৰোঁতা আৰু বয়ন শিল্পীসকলৰ কাৰ্য দক্ষতা বিকাশ সাধি ২০,০০০ মেট্ৰিক টন বাইভল্টাইন ৰেচম উৎপাদনৰ কথা চিন্তা কৰিছো, তেনে ক্ষেত্ৰত তাক খৰতকীয়াকৈ ৰূপায়িত কৰিব লাগিব—যাতে ভাৰতক ৰেচমৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথম স্থানত অৱতীৰ্ণ হোৱাৰ গৌৰৱৰ অধিকাৰী হ'ব পাৰো।

## বাণিজ্যিক বীজৰ উৎপাদন আৰু যোগান

পাট পলুৰ বীজ হ'ল গুণবিশিষ্ট কেঁচা ৰেচম উৎপাদনৰ কাৰণে মূল উপজ উৎস। দেশত বাইভল্টাইন ৰেচমৰ উৎপাদন বৃদ্ধি কৰিবলৈ লক্ষ্য কৰা হৈছে আৰু তাৰ লগতে বাণিজ্যিক বাইভল্টাইন বীজৰ আৱশ্যকতাও সেই অনুযায়ী বৃদ্ধি পাব।

তাৰ কাৰণে ব্যাপক আকাৰত বাণিজ্যিক বাইভল্টাইন বীজ উৎপাদনৰ অৰ্থে ব্যক্তিগত পাট মুগাৰ সঁচ বা বীজ উৎপাদকসকলক নিজৰ আওতালৈ আনিব লাগিব। এই বিধ পাট পলুৰ বীজ উৎপাদনৰ বাবে আন্তঃগাঁথনি সৃষ্টি কৰিবৰ কাৰণে বিপুল পৰিমাণৰ বিনিয়োগৰ প্ৰয়োজন হয়। আৰু তেনে আন্তঃগাঁথনিবোৰ হ'ল, যেনে— শীতল পণ্যাগাৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ জলবায়ুসহিষ্ণু অৱস্থা নিৰ্দ্ধাৰণ কৰিবৰ বাবে আধুনিক যন্ত্ৰপাতি— যাতে পলুৰ বীজ ক্ৰয় কৰি ভাল অৱস্থাত ৰাখিব পৰা যায়। যি সকল বেচৰকাৰী অথবা ব্যক্তিগত বীজ উৎপাদকে তেওঁলোকৰ উৎপাদন পৰম্পৰাগত মাল্টিবাইভল্টাইনৰপৰা বাইভল্টাইন বীজ উৎপাদন কৰিবলৈ ইচ্ছুক তেনে উৎপাদকসকলক পৰ্যাপ্ত বিত্তীয় সমৰ্থন আৰু কাৰিকৰী সা-সুবিধা নিশ্চয়ে দিব লাগিব। প্ৰকৃততে পাটপলু বীজ উৎপাদনৰ ক্ষেত্ৰত 'শূন্য ত্ৰুটী শূন্য কু প্ৰভাৱ' দৃষ্টিভংগী গ্ৰহণে আমাৰ দেশখনক এটা নতুন উচ্চতাৰ পৰিধিলৈ লৈ যাব।

## অৱনমিত জলস্তৰ

ভাৰতৰ ৰেচম শিল্পৰ কাম-কাজ নিৰ্বাচিত অঞ্চলসমূহতহে সাধন কৰা হয় আৰু তাৰ বাবে ঘাইকৈ নিৰ্ভৰ কৰে বৰষুণৰ ওপৰত। সেয়ে জলসিঞ্চনৰ বাবে জলসম্পদৰ বিষয়টো এটা বৃহৎ উদ্বেগৰ কাৰণ হৈ পৰিছে আৰু অৱনমিত হোৱা জলপৃষ্ঠ হ'ল উদ্যোগৰ বাবে এটা ডাঙৰ ভাবুকি।

এই সমস্যাটো সমাধান কৰিবৰ বাবে বৰষুণৰ পানী যতনাই ৰখা আৰু জল সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হৈছে। তাৰ বাবে ভূগৰ্ভস্থ জল সম্পদ প্ৰয়োজনতকৈ অধিক ব্যৱহাৰ কৰা কাৰ্য ৰোধ কৰিবৰ বাবে সহজে সাধনযোগ্য জলসিঞ্চন পদ্ধতিক বাধ্যতামূলক কৰা হৈছে। সহজ আৰু গ্ৰহণযোগ্যভাৱে কৃষকসকলৰ মাজত প্ৰযুক্তি সমন্ধে ভাব বিনিময় আৰু "Per Drop, More Crop" অৰ্থাৎ প্ৰতি টোপাল পানীৰে একাধিক শস্য উৎপাদন কৰা দৃষ্টিভংগী অৱলম্বন কৰিব লাগিব—যাতে জলৰাশি সৰ্বাধিক ব্যৱহাৰ কৰি ৰেচম শিল্পক আগুৱাই নিব পাৰি।

## ৰূপান্তৰ সাধনৰ কাম

গুণমান পলুৰ লেটাৰ মূল্য বহুত। তাকেই বাণিজ্যিক দিশলৈ চাই ভালদৰে উৎপাদন কৰা প্ৰয়োজন আৰু উন্নত

যান্ত্রিক ব্যৱস্থাৰে সেই লেটাবোৰৰপৰা সূতা উলিয়াই মহুৰাৰে সজ্জিত কৰা দৰকাৰ আৰু তাৰ বাবে আধুনিক প্রযুক্তি প্রয়োগ কৰা বাঞ্ছনীয়। তেতিয়াহে দেশখনত আন্তৰ্জাতিকভাৱে প্রতিযোগিতামুখী কেঁচা পাট বা ৰেচম উৎপাদনৰ নিশ্চয়তা কৰিব পৰা যাব।

উপযুক্ত মানৰ ৰেচম সূতাৰ মহুৰা প্রস্তুত কৰিবৰ কাৰণে মহুৰা বনোৱা যন্ত্র আৰু প্রযুক্তিৰ উন্নতি সাধন কৰা আৱশ্যক। অৱশ্যে কেন্দ্রীয় ৰেচম বোৰ্ডে ইতিমধ্যে নুনী পলুৰ লেটাৰপৰা সূতা উলিয়াই মহুৰাত সজাবৰ বাবে স্বয়ংক্রিয় মহুৰা যন্ত্র (ARM) বিকাশ কৰি উলিয়াইছে। এনে কাৰ্যই “মেইক্ ইন ইণ্ডিয়া” অভিযানক উৎসাহিত কৰিছে। তেনে যন্ত্রৰ ব্যৱহাৰক নিশ্চয়েই জনপ্রিয় কৰি তুলিব লাগিব। লগতে ‘বন্য ৰেচমৰ’ কাৰণে সূতা কটা পদ্ধতিৰো উন্নতি সাধন হোৱা প্রয়োজন।

## উৎপত্তি আধাৰৰ উন্নতি তথা অধিক উৎপাদনক্ষম সঁচৰ বিকাশ

ৰেচম বীজৰ ক্ষেত্রত উৎপত্তি আধাৰ সীমাবদ্ধ। সেয়ে ভাৰতক ইয়াৰ বিকাশ সাধনৰ বাবে আন্তৰ্জাতিক সহযোগৰ প্রয়োজন। বীজবোৰ অধিক উৎপাদনক্ষম আৰু বিষুৱীয় অৱস্থাত বতৰ সঘনে সলনি হৈ থাকে কাৰণে তেনেবোৰ বীজ ৰোগ সহিষ্ণুতাৰে ভালদৰে বৰ্তি থাকিলেহে কামত আহে। সেয়ে ইয়াৰ বাবে উন্নত সঁচৰ বিনিময় কৰা প্রয়োজন। কেন্দ্রীয় ৰেচম বোৰ্ডে ইতিমধ্যে এনে সহযোগাত্মক প্রকল্প কেইবাখনো দেশৰ সৈতে আৰম্ভ কৰিছে। সেই সংগঠন আৰু দেশকেইখন হ’ল—এন আই এ এছ, ছুকাবা, জাপান, বুলগেৰিয়া, উজবেকিস্তান, ৰোমানিয়া আৰু চীন।

## গোলকীয় ব্রেণ্ডৰ স্বীকৃতি

যদিও ভাৰত বিশ্বৰ ভিতৰত দ্বিতীয় বৃহৎ ৰেচম উৎপাদনকাৰী দেশ তথাপি ই আন্তৰ্জাতিক ৰেচম বাণিজ্যৰ ক্ষেত্রত শীৰ্ষ স্থানৰ শাৰীত উপনীত হ’বলৈ বাকী আছে। উৎপাদক দেশ ৰূপে ব্রেণ্ড ইমেইজৰ (অৰ্থাৎ বাণিজ্যৰ দিশৰ ভাবমূৰ্তি) গোলকীয় স্বীকৃতি নোপোৱাৰ বাবেই তেনে অৱস্থাত থাকিব লগা হৈছে। ইপিনে চীন আৰু থাইলেণ্ড তেনে সন্মানৰ অধিকাৰী। সেয়ে আন্তৰ্জাতিক বজাৰত ভাৰতীয় ৰেচমৰ এক ভাবমূৰ্তি গঢ়ি তুলিবলৈ নিজস্ব ৰূপত ৰেচমৰ স্বকীয় বৈশিষ্ট্য প্রস্ফুটিত কৰি তোলা অভিযানৰদ্বাৰা সমাধান কৰিব পৰা যাব পাৰে।

এই অভিযানত এনেবোৰ বিষয় অন্তৰ্ভুক্ত কৰিব লাগিব যি সহজতে দৃষ্টি আকৰ্ষণ কৰিব পাৰে। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি পেছাদাৰীমূলক ভাৱে ভাৰতত আন্তৰ্জাতিক ৰেচমৰ প্রদৰ্শনীৰ দিহা কৰা, ভাৰতীয় ৰপ্তানি-কাৰীসকলৰ অন্তৰ্জাতিক প্রদৰ্শনীত অংশ গ্রহণ, নতুন ফেশ্বনৰ উন্মেষ সাধন কৰিব পৰাকৈ ভাৰতীয় সাজ-পোছাক-বস্ত্র আদিৰ অনন্য সৃষ্টি, সংবাদ মাধ্যমৰ জৰিয়তে তেনে অভিযানৰ প্রচাৰ আৰু প্রসাৰৰ ব্যৱস্থা ইত্যাদি।

## বন্য ৰেচমৰ কাৰণে গুৰুত্ব

ভাৰতৰ বন্য ৰেচম উৎপাদনৰ পৰিমাণসমূহ কেঁচা ৰেচমৰ ২৫ শতাংশতকৈ কম। তাৰ ঘাই কাৰণ হ’ল যিবোৰ বৃক্ষৰপৰা বন্য ৰেচম প্রস্তুত কৰা হয়, তেনে বৃক্ষ থকা এলেকা সীমিত। এই গছবোৰ তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈও বহু সময় লাগে আৰু পাটপলু বীজ উৎপাদনৰ ক্ষেত্রত চাহিদা তথা যোগদানৰ মাজত যথেষ্ট প্রভেদ থাকে। পলুৰে সাজি উলিওৱা লেটাৰ চোকোৰাবোৰৰপৰা যাতে অধিক সম্পদ পাব পাৰি আৰু তাৰ গুণগত দিশ উন্নত হয় তাক নিশ্চিত কৰিবৰ কাৰণে পোষিত গছ-গছনিবোৰ স্বাভাৱিকভাৱে সংৰক্ষিত কৰা আৱশ্যক। বনাঞ্চল, ৰাজহ আদায় দিয়া মাটি আৰু বেচৰকাৰী ভূমি ক্ষেত্রতো এনে বৃক্ষ বিস্তাৰিতভাৱে ৰোপণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সেই গছবোৰ পুলিৰ পৰা ডাঙৰ হোৱালৈকে যিমান সময় লয় তাৰ প্রতিও ধ্যান দিয়া দৰকাৰ— যাতে, কম সময়ৰ ভিতৰতে গছ-পাতবোৰ সজাল ধৰি উঠে আৰু পলুৰ ভক্ষণৰ প্রধান উপাদান হয়। তেনে কাৰ্যৰ বাবে অধিক উৎপাদক্ষম শিপা চিহ্নিত কৰি ৰোপণ কৰা প্রয়োজন-যাৰ দ্বাৰাই অধিক ওখ নহৈ জোপাহাৰ আকাৰ ধাৰণ কৰি সৰ্বাধিক পাতেৰে তেনে বৃক্ষ ভৰি থাকিব পাৰে। অনুকূল পৰিৱেশত তেনেবোৰ ব্যৱস্থা গ্রহণ আৰু তাৰ স’তে জড়িত অন্য বিষয়বোৰৰ প্রতি সতৰ্কতা অৱলম্বন কৰিলে বন্য ৰেচম উৎপাদনৰ অৱস্থা উন্নীত হোৱাত সহায়ক হ’ব। তদুপৰি তেনে পাটপলুৰ বীজ উৎপাদন পদ্ধতি শক্তিশালী কৰা তথা নুনী গছৰদ্বাৰা পোষিত পলুৰপৰা উপলব্ধ ৰেচমৰ সমানেই বন্য ৰেচমৰ ক্ষেত্রতো বীজৰ সন্দৰ্ভত গৱেষণাৰ ব্যৱস্থা হাতত লোৱা উচিত। তেতিয়াহে তেনে ৰেচম সময় মতে যোগান ধৰাত যিবোৰ সমস্যা আছে সমাধান কৰিব পৰা যাব।

## ৰেচম শিল্পক নিগমলৈ পৰিণত কৰা

ভাৰতৰ ৰেচম ক্ষুদ্র আৰু মজলীয়া কৃষক তথা মহুৰা আৰু সৰু সৰু নেচা বনাওতাসকলৰ মাজতেই স্থিতি অটুট ৰাখিছে। কিন্তু চীনত তেনে নহয়। তাত সৰু সৰু উৎপাদক থাকিলেও ৰূপান্তৰ

সাধনৰ ক্ষেত্ৰত বৃহৎ প্ৰতিষ্ঠানবোৰে ভূমিকা গ্ৰহণ কৰে।

আমিও বৃহৎ আকাৰত যান্ত্ৰিকীকৰণ তথা গাঁথনিগত সমৰ্থন ব্যৱস্থাৰে কৃষি কাৰ্য সমাপন কৰিব পাৰো। ক্ষুদ্ৰ আৰু মজলীয়া কৃষকক সহায় সমৰ্থন কৰাৰ লগতে ব্যাপক আকাৰত ৰূপান্তৰ সাধন কৰোঁতাসকলকো উৎসাহিত কৰিব পাৰো আৰু এনে উৎসাহ প্ৰদান কাৰ্য এনে দিশলৈ গতি কৰিব যে এক নিৰ্ভৰযোগ্য বাণিজ্য উদ্যোগ ৰূপে ৰেচম শিল্প নিগমলৈ পৰ্য্যৱসিত হ'ব।

**জনগাঁথনিৰ লাভাংশ আৰু নতুন আশা**

বিশ্বৰ ভিতৰত ভাৰতেই হ'ল একমাত্ৰ দেশ য'ত নিকট ভৱিষ্যতে ৬০ শতাংশতকৈ অধিক তৰুণ প্ৰজন্মৰ ( <৩৫ বছৰ বয়সৰ) লোক থাকিব। এয়া হ'ব আলোচ্য উদ্যোগৰ কাৰণে এটা সংযোজিত সুবিধা। মহিলাৰ ভূমিকাও উদ্যোগত লেখত ল'বলগা হ'ব আৰু ফলস্বৰূপে তেওঁলোকক সবলীকৰণ কৰাৰ প্ৰয়াসে গতি লাভ কৰিব আৰু ইয়াৰ দ্বাৰাই "সব কে সাথ সব কা বিকাশ"ৰ সূচনা হ'ব।

**ঋণৰ সোঁত**

প্ৰয়োজন হোৱা কৃষক, সূতা প্ৰস্তুত কৰা আৰু নেচা বনাওতা তথা কাপোৰ বওতাসকললৈ (বোৱনী) পৰ্যাপ্ত প্ৰতিষ্ঠানমূলক ঋণ প্ৰদানে ৰেচমৰ গুণগত দিশ আৰু উৎপাদনশীলতাৰ উন্নতি সাধনত সহায় কৰিব। তাৰ ফলস্বৰূপে মুঠ উপাৰ্জনৰ পৰিমাণ বৃদ্ধি পাব।

ৰেচমক কৃষি আৰু সংশ্লিষ্ট কাম-কাজ তথা প্ৰস্তুত খণ্ডৰ অধীনত অন্তৰ্ভুক্তিকৰণে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত থকা শ্ৰেণীকৰণকেই সূচায় আৰু সেই অনুযায়ী গুৰুত্বপূৰ্ণ খণ্ডৰ ঋণ দানৰ বাবে উপযুক্ত। বেংকাৰৰ সচেতনতা কাৰ্যসূচীৰ জৰিয়তে চি এছ বি-এ সমূহীয়া ভিত্তিক সংগঠনক সমৰ্থন জনাবলৈ কৰা প্ৰয়াসে প্ৰতিষ্ঠানমূলক ঋণ প্ৰাপ্ত কৰিবৰ কাৰণে ঋণৰ সোঁত কিছু বৃদ্ধি হোৱাত সহায় কৰিছে। ভৱিষ্যতে আৰু যি প্ৰয়াস কৰা হ'ব তাত অ-কৃষি খণ্ডলৈ অধিক পৰিমাণৰ ঋণ প্ৰদানৰ বাবে বেংক প্ৰতিষ্ঠানসমূহৰ মনোযোগ আকৰ্ষণ কৰিবলৈ দৃষ্টি গোচৰ কৰা হ'ব। ৰেচম খণ্ডৰ বিত্তীয় আৱশ্যকতাৰ বিষয়ে ভালদৰে বুজি উঠিবলৈ নাবাৰ্ডৰ সহযোগত সজাগতা কাৰ্যসূচী আৰম্ভ কৰা হ'ব। ইয়াৰ বাহিৰেও নাবাৰ্ড আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহত ৰেচম শিল্পৰ কাৰণে ঋণ নিশ্চিতি পুঁজি দিহা কৰিবৰ অৰ্থে নীতি স্তৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ঋণৰ সোঁত বৃদ্ধি কৰাৰ উপৰি কাৰ্যসূচী ৰূপায়ণৰ অন্তত সেই ঋণৰ ধনৰাশি পুনৰ আদায় দিবৰ বাবে ত্ৰিপাক্ষিক বিপণন চুক্তি পুনৰীক্ষণ তথা পৰ্যালোচনা কৰি হিতাধিকাৰী, বিকাশ সংস্থা আৰু বেংক বিত্তীয় প্ৰতিষ্ঠান-সমূহৰ মাজত এক যোগসূত্ৰ স্থাপন কৰি সমুচিত ব্যৱস্থা গ্ৰহণৰ কথাও ভবা হৈছে আৰু পুনৰুদ্ধাৰ প্ৰক্ৰিয়াৰ অন্তত তেনে পুঁজি পুনৰ আগবঢ়োৱাৰ চিন্তা চুক্তিৰ অন্যতম বিষয় হ'ব—যাতে বস্ত্ৰ খণ্ডৰ সামগ্ৰিক বিকাশ সাধন হয়।

**ৰেচম শিল্পৰ বিকাশৰ অৰ্থে তথ্য প্ৰযুক্তি আৰু দূৰ সঞ্চাৰ ব্যৱস্থাৰ প্ৰয়োগ**

নিৰ্বাচিত ৰাজ্যসমূহত ৰেচমৰ বিকাশৰ অৰ্থে যিবোৰ এলেকা আছে আৰু যিবোৰ সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ সেইবোৰক ইছৰোৰ দূৰ সঞ্চাৰ উপগ্ৰহৰ প্ৰতিছবিৰ জৰিয়তে পৰিব্যাপ্ত কৰা হয় আৰু মানচিত্ৰও লোৱা হয়। অপৰাম্পৰাগত নতুন এলেকাবোৰতো সঙ্ঘবদ্ধভাৱে ৰূপায়ণ কৰা আঁচনি সম্পৰ্কেও বুজ লোৱা হয়। এই অনুশীলনক সমগ্ৰ দেশৰ নুনী গছ আৰু অ-নুনী গছ-সক্ৰান্তীয় উভয় খণ্ডতে নীতি ব্যৱস্থা ৰূপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ কৰা হয়। তথ্য প্ৰযুক্তি প্ৰয়োগ কৰাৰ বিষয়েও চিন্তা কৰা আৱশ্যক। কৃষক, বয়ন শিল্পী আদিক সঠিক তথ্য প্ৰদান কৰিবৰ কাৰণে এনে প্ৰযুক্তিৰ আহিলা ন্যস্ত কৰাৰ আৱশ্যক আছে—যাতে তাৰদ্বাৰাই ৰেচম শিল্পৰ কামত জড়িত থকাসকলক সঠিক কাৰ্যৰ নিৰ্ণয় সাধনত সমৰ্থবান হ'ব পাৰে। তেনে আহিলাৰ ভিতৰত উল্লেখযোগ্য হ'ল—App.net, kiosk ইত্যাদি। দ্বাদশ পৰিকল্পনা কালত নৰ্থ ইষ্টাৰ্ণ স্পেছ এপ্লিকেশ্বন ছেণ্টাৰৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে বিকাশ কৰা পোটেল স্কিল দেশখনৰ ভিতৰত ৰেচম শিল্পক উৎসাহ-উদগনি জনোৱাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব। ৰিম'ট ছে'নছিং আৰু G'S আহিলা প্ৰয়োগ কৰি ৰেচম শিল্পৰ বিস্তাৰিত কৰণৰ বাবে সম্ভাৱনাপূৰ্ণ অঞ্চলবোৰক চিহ্নিত কৰিব।

**ৰেচম শিল্পত যান্ত্ৰিকতা**

নুনী গছৰ খেতি, পাটপলু পোহা, বীজ উৎপাদন, পলুৰ লেটাবোৰ কোনো ৰোগেৰে সংক্ৰমিত নোহোৱাকৈ যতনাই ৰাখিবৰ কাৰণে যান্ত্ৰিক ব্যৱস্থাৰ জৰিয়তে ৰেচম শিল্পক আধুনিকীকৰণ কৰিবৰ অৰ্থে প্ৰয়াস কৰা হৈছে আৰু তেনে প্ৰয়াসৰদ্বাৰা কেৱল উৎপাদন ক্ষমতাতেই সংযোজন ঘটা নাই, তাৰ উপৰি ই সময় ৰাহি কৰে, শ্ৰমিকৰ

পৰিশ্ৰমো কমায় আৰু জা-জঞ্জালবোৰ হ্ৰাস কৰে। বৃহৎ আকাৰৰ পামৰ বাবে এয়া এটা বৰ স্বৰূপ হ'ব।

**লাভজনক মূল্যৰ ব্যৱস্থা**

ৰেচমৰ খেতি কৰা আৰু সূতা প্ৰস্তুত কামত ন্যস্ত থকা সকলৰ বাবে লেটা আৰু কেঁচা ৰেচমৰ ক্ষেত্ৰত স্থিৰ তথা লাভজনক মূল্য নিশ্চিত কৰা উচিত যাতে তেওঁলোকে অধিক বিনিয়োগ আৰু ন্যায্য মূল্যত উৎপাদন কৰিবলৈ উৎসাহিত হ'ব পাৰে।

বিপণন সা-সুবিধা আৰু কৰ্ম অৱস্থাৰ উন্নতি সাধন কৰিবলৈ তলত উল্লেখ কৰা ব্যৱস্থালানিৰ বিষয়ে পৰামৰ্শ আগবঢ়োৱা হ'ল ঃ

* একত্ৰ ৰাষ্ট্ৰীয় লেটাৰ বজাৰকৰণ চৰকাৰী বজাৰসমূহত ই-নিলামৰ প্ৰচলন।
* মূল্য স্থিৰকৰণ পুঁজিৰ সৃষ্টি
* লেটা বেংক স্থাপন
* সূতাৰ বেংক স্থাপন

**ৰেচমৰ বাবে জলবায়ুৰ সহিষ্ণু পৰিৱেশ**

জলবায়ু সহিষ্ণু ৰেচমৰ প্ৰযুক্তি উদ্ভাৱন কৰা দৰকাৰ—যিটোৱে পামৰ উৎপাদনশীলতা আৰু উৎপাদন বৃদ্ধি কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে জলবায়ু পৰিৱৰ্তনৰ যুগত ৰেচম শিল্পক অটুটভাৱে ৰাখিবৰ কাৰণে প্ৰাকৃতিক আৰু মানৱ সৃষ্ট সম্পদৰাজিৰ নিৰন্তৰ ব্যৱস্থাপনা কৰাটো হ'ল অতি গুৰুত্বপূৰ্ণ বিষয় আৰু সমগ্ৰ প্ৰক্ৰিয়াৰ এটা অনবদ্য অঙ্গ স্বৰূপ। ইয়াৰ অধীনত চিহ্নিত কৰা গুৰুত্ব আৰোপ কৰিব লগা ক্ষেত্ৰ হ'ল কঠিনজাত বাইভল্টাইন সঁচৰ বিকাশ তথা পলু পোহা বৃক্ষৰ ৰোপণ —যিবোৰে অধিক তাপ অৱস্থাতো বৰ্তি থাকিব পাৰে।

**উপ-উৎপাদনজাত সামগ্ৰী ব্যৱহাৰ**

অতিৰিক্ত উপাৰ্জন উদ্ৰেক কৰিবৰ কাৰণে ৰেচম শিল্পৰ ক্ষেত্ৰখনত সৰ্বাধিক সুবিধা আছে। তাৰ কিছুমান উপ-উৎপাদনজাত সামগ্ৰী ভালদৰে ব্যৱহাৰ কৰিলে তেনে সুফল পোৱা যায়। তেনে কিছুমান হ'ল, যেনে—পাট পলুৰ পাপে, ছেৰিচিন, ৰেচমৰ পেলনীয়া সামগ্ৰী ইত্যাদি।

**অন্য উদ্দেশ্যৰ বাবে ৰেচম**

সূতা প্ৰস্তুতকৰণৰ বাবে আঁহৰ ব্যৱহাৰৰ উপৰি ৰেচমৰ অন্য উপজ উপাদানসমূহক ব্যৱহাৰ কৰাৰ অনেক পথ আছে। সেইবোৰক যদি ভালদৰে চাই-চিতি উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা যায়, তেনেহ'লে ৰেচমৰ উৎপাদনত সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাত সহায়ক হ'ব পাৰে। শেহতীয়াভাৱে বায়'মেডিকেল বিজ্ঞানৰ অগ্ৰগতি সাধন ক্ৰমে ৰেচমক বৰ্দ্ধিতভাৱে জৈৱিক পদাৰ্থ ৰূপে ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। স্পঞ্জ, ফিল্ম, জেল, স্কেফল্ড, নেনো' পদাৰ্থ আৰু নেনো' ফিবৰীল হ'ল কেইটামান উদাহৰণ। এই উচ্চ মূল্যৰ সামগ্ৰীবোৰে নিশ্চয়ে ৰেচম উদ্যোগলৈ অতিৰিক্ত লাভ আনি দিব পাৰে।

**সামৰণি**

ৰেচম শিল্পৰ উৎপাদনজাত সামগ্ৰীৰ বাবে গোলকীয় আৰু ঘৰুৱা স্তৰত যিবোৰ বজাৰ গঢ়ি উঠিছে তাৰ সম্ভাৱনাই সেই উদ্যোগৰ কাৰণে আশাৰ বতৰা কঢ়িয়াই আনিছে। ইয়াৰ সৈতে জড়িত থকা কিছুমান অনন্য বৈশিষ্ট্যই তাত হাত উজান দিছে। তেনে বৈশিষ্ট্যৰাজিৰ কিছুমান উল্লেখযোগ্য বিষয় হ'ল— এটা নিৰ্দিষ্ট স্তৰৰ নিয়োগ প্ৰদান, গ্ৰাম্য আৰু অৰ্দ্ধ-চহৰীয়া এলেকাবোৰত উপাৰ্জন উদ্ৰেক-কৰণৰ সুবিধা, কৰ্ম উপাৰ্জিত আৰু সামাজিকভাৱে অসুবিধাগ্ৰস্ততাত ভোগা গোটসমূহৰ বাবে অধিক অংশগ্ৰহণ, বিকাশ সাধনৰ ক্ষেত্ৰত মহিলাৰ বৃহৎ ভূমিকা আৰু ৰপ্তানি অৰ্জনৰ দিশত বৰঙণি যোগাবৰ কাৰণে বিপুল সম্ভাৱনা আছে। এই সকলোবোৰ বিষয় ৰেচম উদ্যোগক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত আকৰ্ষণীয় উপায় স্বৰূপ ৰূপে পৰিগণিত হৈ উঠিছে। মাত্ৰ তাৰ কাৰণে আৱশ্যক সুচিন্তিত বিনিয়োগ আৰু দূৰদৃষ্টি সম্পন্ন বিকাশ পৰিকল্পনা। ❐


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

□ অহা মাহৰ পৰা 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। □ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। □ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। □ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। □ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# ভাৰতীয় বস্ত্ৰ শিল্পৰ ক্ৰমবৰ্দ্ধমান বিকাশ

**কবিতা গুপ্ত***

ভাৰতৰ বস্ত্ৰ উদ্যোগ পৃথিৱীৰ অতি কম সংখ্যক উদ্যোগৰ ভিতৰত অন্যতম—যাৰ প্ৰকৃততেই এটাসুসমন্বিত আধাৰ আছে; আৰু সেই আধাৰ কেঁচা সামগ্ৰীৰপৰা আৰম্ভ কৰি সূক্ষ্ম উৎপাদন-জাত সামগ্ৰীৰে সমৃদ্ধ; আঁহৰপৰা আৰম্ভ কৰি খুচুৰা বয়-বস্তুৰে পৰিপুষ্ট। আনকথাত ক'বলৈ গ'লে ইয়াৰ পৰিপুষ্টি "পামৰপৰা আৰম্ভ কৰি ফেশ্বনলৈকে" সাধিত হয়। প্ৰস্তুতকৰণৰ মজবুত অৱস্থিতিৰ ওপৰত খোজ ৰাখি ভাৰতীয় বস্ত্ৰ উদ্যোগে ৰপ্তানিৰ দিশতো উন্নতি সাধন কৰিবলৈ লয়। এই খণ্ডটো কৃষিৰ পিছতে দ্বিতীয় বৃহত্তম নিয়োগ প্ৰদানকাৰী খণ্ড। ৪৫ নিযুততকৈ অধিক লোকৰ বাবে ই পোনপটীয়াভাৱে নিয়োগ উদ্ৰেক কৰে আৰু ৬০ নিযুতকৈ অধিক লোকৰ কাৰণে পৰোক্ষভাৱে নিয়োগ সুবিধা আগবঢ়ায়। দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈও প্ৰায় ৪ শতাংশ বৰঙণি যোগায় আৰু ভাৰতৰ বিকাশ গতিত যথেষ্টভাৱে প্ৰভাৱ পেলায়। বস্ত্ৰ উৎপাদনৰ চহকী পৰম্পৰাই হ'ল এই উদ্যোগৰ অন্তৰ্নিহিত শক্তিৰ সমল যাৰ দ্বাৰাই আঁহ আৰু সূতাৰ বহুমুখী মজুবত আধাৰ গঢ় লৈ উঠে। বস্ত্ৰ উদ্যোগৰ আন বৈশিষ্ট্য হ'ল—উৎপাদন ক্ষমতাৰ বিস্তৃত ক্ষেত্ৰ কম পৰিমাণৰ আমদানিৰ প্ৰভাৱ, অনেক দক্ষ কৰ্মী, কাৰিকৰী আৰু পৰিচালনাৰ দায়িত্ব ল'ব পৰা লোক, শিথিল উৎপাদন পদ্ধতি, বিস্তাৰিত ঘৰুৱা বজাৰ তথা গতিশীল আৰু স্পন্দিত শিল্পোদ্যোগ ইত্যাদি।

সি যি কি নহওক, এই মজবুত অৱস্থিতিৰ পূৰ্ণ সুযোগ ল'বলৈ সক্ষম হোৱা নাই। কিছু ক্ষেত্ৰত হীনদেড়ি ঘটিছে। কিছুমান অঞ্চলত উদ্যোগে অসুবিধাত পৰে— যাৰ কাৰণে ইয়াৰ উৎপাদনশীলতা, গুণগত দিশ তথা মূল্যৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক ভাবক অটুট ৰাখিব পৰা নাই। ইয়াৰ কাৰণবোৰৰ ভিতৰত আছে কিছুমান কাৰিকৰী বিষয়ৰ অচল স্থিতি, গাঁথনিগত ত্ৰুটী, শ্ৰমদানৰ শোচনীয় ফল, বিত্তীয় নীতিত অমিলতা, কৰ আৰু উপ-কৰৰ ওপৰা-উপৰি প্ৰয়োগ, মূলধনৰ লগ্নীৰ পৰিমাণ বৃদ্ধি, তুলনামূলকভাৱে সীমিত অৱস্থাৰ শ্ৰমিক আৰু ঔদ্যোগিক আইন, প্ৰতিশ্ৰুতিসম্পন্ন বিপণন ব্যৱস্থাৰ অভাৱ, পৰিবহণৰ সন্দৰ্ভত শোচনীয় আন্তঃগাঁথনি, অধিক মূল্যৰ বিদ্যুৎ উপকৰ ইত্যাদি।


কাৰিকৰী বিষয়ৰ অচল স্থিতিৰ সমস্যাক আধুনিকীকৰণৰদ্বাৰা সমাধান কৰিব পৰা যায় আৰু এই আধুনিকীকৰণ প্ৰক্ৰিয়া হ'ল নিৰন্তৰ গতিৰ। ই উৎপাদন বৃদ্ধি কৰে, গুণগত দিশৰো উন্নতি সাধে, উৎপাদনৰ খৰচ কমায়, শ্ৰম একীভূত কৰে, তদাৰকতা আৰু উৎপাদনৰ প্ৰতি ইউনিটত বিদ্যুতৰ খৰচ হ্ৰাস কৰে ইত্যাদি। সাধাৰণ অভিজ্ঞতাৰ পৰাও ক'ব পৰা যায় যে যিবোৰ গোটে নিৰন্তৰ আৰু পদ্ধতিগতভাৱে আধুনিকীকৰণ প্ৰক্ৰিয়া অটুট ৰাখে তেনে গোটবোৰে দীৰ্ঘ কালৰ অন্তত বিকাশৰ সুফল লাভ কৰিবলৈ সমৰ্থৱান হয়। কিন্তু এৰা-ধৰাকৈ য'তে ত'তে আধুনিকীকৰণ কৰিবলৈ কৰা প্ৰয়াসে স্থায়ী ফল দিব নোৱাৰে। সেয়ে দীৰ্ঘকালীন কৌশলৰ বিষয় ৰূপে উদ্যোগে নিৰন্তৰ গতিত কাৰিকৰী দিশসমূহৰ উন্নতি সাধন কৰিবৰ অৰ্থে যথেষ্ট পৰিমাণৰ সম্পদ সুকীয়াকৈ ৰখাৰ আৱশ্যক হয়।

এই বিষয়টো বিবেচনা কৰি ভাৰত চৰকাৰে প্ৰযুক্তি মান উন্নীতকৰণ পুঁজি আঁচনি ১৯৯৯ চনত প্ৰচলন কৰে। এই ক্ষেত্ৰত বিভিন্ন ধৰণে অধ্যয়ন কৰা হয় আৰু এতিয়া এইটো পৰিলক্ষিত হৈছে যে এই প্ৰযুক্তি মান উন্নীতকৰণ আঁচনিখনে বস্ত্ৰ খণ্ডক উৎসাহ আৰু আধুনিকীকৰণ কৰাৰ ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণভাৱে বৰঙণি যোগাইছে। ইয়াৰ সুবিধা ঘাইকৈ সূতা কটা খণ্ডটোৱে লয় আৰু তাৰ পিছতেই মিশ্ৰিত অংশৰে গা কৰি উঠা খণ্ডটোৱে সেই সুযোগ এৰি নিদিয়ে। আন বিভাগবোৰ, যেনে— বয়ন, প্ৰস্তুতকৰণ আৰু সাজ-পোছাক প্ৰস্তুতকাৰী গোটবোৰ আঁচনিখনৰপৰা লাভ আদায় কৰিবলৈ পাছ পৰি আছে। ফলস্বৰূপে এই শাখাবোৰে বস্ত্ৰৰ মূল্য আৰোপ ব্যৱস্থাৰ ক্ষেত্ৰত সবলভাৱে সম্পৰ্ক ৰক্ষা কৰিব পৰা নাই। তদুপৰি এনে গতিধাৰাৰ ফলত বস্ত্ৰখণ্ডৰ মূল্য মান স্থিতিত বিকাশৰ দিশৰ পিনৰপৰা কিছু ভাৰসাম্যহীনতাই গা কৰি উঠিছে।

***কবিতা গুপ্ত ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ আয়ুক্ত**

সি যি কি নহওক, এই প্ৰযুক্তি মান উন্নীতকৰণ পুঁজি আঁচনিয়ে (চমুকৈ TUFS) যোৱা ১৬ বছৰ কালছোৱাত অন্ততঃপক্ষে কিছু পৰিমাণৰ বিনিয়োগ কৰিবলৈ সমৰ্থ হয়। আৰু সেই বিনিয়োগৰ ধনৰাশিৰ পৰিমাণ হ'ল ২৭১৫ বিলিয়ন টকা। তলৰ গ্ৰাফত তাক দেখা গৈছে।

**টি ইউ এফ এছ-ৰ অধীনত বছৰ অনুযায়ী বিনিয়োগ**




**উৎস ঃ** বস্ত্ৰ আয়ুক্ত কাৰ্যালয়


এক স্তৰৰ বিকাশৰ গতিৰপৰা আন এক স্তৰৰ গতিলৈ ধাৱমান কৰাৰ ক্ষেত্ৰত এতিয়া আৰু অধিক সূচলতা প্ৰদান কৰা হৈছে। তাৰ বাবে সংশোধিত প্ৰযুক্তি বিজ্ঞান উন্নীতকৰণ পুঁজি (ATUFS) দ্বাৰা সুবিধাজনক কৰি দিয়া আধুনিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সাধন কৰা হৈছে। এই সংশোধিত আঁচনিখন ২০১৬ চনৰ ১৩ জানুৱাৰীৰপৰা বলবৎ কৰা হয়। আনপিনে চৰকাৰৰ গৱেষণআ আৰু বিকাশ আঁচনিৰ জৰিয়তে সেই প্ৰক্ৰিয়াৰ কামো সাধন কৰা হৈছে। এই পিছৰ আঁচনিখনত চৰকাৰে মূল গৱেষণাৰ বাবে পূৰ্ণ সমৰ্থন জনায়। প্ৰয়োগাত্মক গৱেষণাৰ ক্ষেত্ৰত ৭০ শতাংশ সমৰ্থন আৰু উদ্যোগৰদ্বাৰা হাতত লোৱা গৱেষণাৰ ক্ষেত্ৰত ৬০ শতাংশ সমৰ্থনৰ ব্যৱস্থা আছে। উদ্যোগৰ সতে ব্যৱহাৰিক তথা চুক্তি, গৱেষণাৰ বাবে চুক্তি কৰা বস্ত্ৰ গৱেষণা সংস্থাকে ধৰি বিশ্ববিদ্যালয় তথা গৱেষণা প্ৰতিষ্ঠানলৈ সমৰ্থন জনোৱা হয়।

প্ৰযুক্তিৰ মান উন্নীতকৰণ পুঁজি আঁচনিৰ ক্ষেত্ৰত সম্পূৰ্ণ কৰা শেহতীয়া অধ্যয়নৰপৰা জনা গৈছে যে আঁচনিখন আৰম্ভ হোৱা দিনৰপৰা ২০১৫ বৰ্ষৰ ৩১ মাৰ্চলৈকে ভাৰতীয় বস্ত্ৰ উদ্যোগত কৰা সৰ্বমুঠ বিনিয়োগৰ ভিতৰত প্ৰায় ৭৯ শতাংশই বৰঙণি যোগায়।

বস্ত্ৰ উদ্যোগত নিয়োগ তথা আধুনিকীকৰণ প্ৰক্ৰিয়া আৰু অধিক ত্বৰান্বিত কৰিবলৈ কেন্দ্ৰীয় কেবিনেটে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অধ্যক্ষতাত ৬০০০ কোটি টকাৰ এটা বিশেষ পেকেজত অনুমোদন জনায়। বস্ত্ৰ আৰু সাজ-পোছাক খণ্ডৰ এই পেকেজক কোৱা হয় 'নিয়োগ উদ্ৰেক আৰু ৰপ্তানিৰ উৎকৰ্ষৰ বাবে বিশেষ আঁচনি'খনত কেইটামান ব্যৱস্থা গ্ৰহণৰ বিষয় অন্তৰ্ভুক্ত কৰা হয় আৰু তেনে ব্যৱস্থা শ্ৰমিক অনুকূল তথা নিয়োগ উদ্ৰেককৰণক উৎসাহিত কৰিব, অৰ্থনীতিৰ পৰিসৰ বৃদ্ধি কৰিব আৰু ৰপ্তানিকো উৎসাহ প্ৰদান কৰিব। এই পদক্ষেপ সমূহে ৰপ্তানিৰ ক্ষেত্ৰত ৩০ বিলিয়ন মাৰ্কিন ডলাৰৰ ক্ৰমবৰ্দ্ধমান বৃদ্ধিৰ পথ প্ৰশস্ত কৰিব আৰু অহা তিনিবছৰ কালত ৭৪,০০০ কোটি টকাৰ বিনিয়োগৰ সূচনা কৰিব।

সম্পদৰাজিৰে উৎপাদন পুষ্ট স্থিতিৰপৰা ফল ভিত্তিক নতুন ক্ষেত্ৰলৈ পৰ্যৱসিত হ'বৰ কাৰণে উল্লিখিত আঁচনিয়ে নতুন ক্ষেত্ৰ উন্মোচন কৰে। তাৰ বাবে সংশোধিত টি ইউ এফ এছ-ৰ অধীনত সাজ-পোছাক খণ্ডৰ কাৰণে গোটবোৰলৈ ১৫ শতাংশৰপৰা ২৫

**বস্ত্ৰখণ্ড আৰু বিভিন্ন টি ইউ এফ এছ-ৰ কালত টি ইউ এফ এছ-ৰ অধীনত কৰা বিনিয়োগ**




**উৎস ঃ** আৰ টি ইউ এফ এছ আৰু আৰ আৰ টি ইউ এফ এছ ২০১৪-১৫-ৰ প্ৰভাৱ সন্দৰ্ভত ৰাজিৰ অধ্যয়ন প্ৰতিবেদন।

শতাংশলৈ ৰাজসাহায্য বৃদ্ধি কৰা হয় আৰু ইয়াৰ ফলত উৎপাদন তথা নিয়োগ উদ্রেককৰণৰ ক্ষেত্ৰত এক আশাপ্রদজনক ছবি প্রতিফলিত কৰিব পাৰে।

'কাৰিকৰী বস্ত্র'ক উৎসাহ প্রদান কৰিবৰ বাবে বৰ্তমান ভাৰতৰ সুন্দৰ সুযোগ আছে আৰু এই সুযোগ বস্ত্ৰৰ বাবে এটা স্বৰ্ণীল পথ বুলি ক'ব পাৰি। সম্প্রতি এই 'কাৰিকৰী বস্ত্র' আমাৰ দেশত চালুকীয়া অৱস্থাত আছে। মাত্র ২২০০টা গোট এই খণ্ডত আছে। কিন্তু ভাৰতে ইয়াৰ বাবে এটা বৃহৎ বজাৰ মুকলি কৰাৰ সুবিধা আছে। কিয়নো বাট-পথ শক্তিশালী কৰাৰ ক্ষেত্ৰত জিয়'টেক্সটাইলৰ ব্যৱহাৰ আৰু দেশখনৰ পাৰিৱেশিক দিশৰ যিবোৰ চনকা অঞ্চল আছে তাৰ আওগৰিয়া অথবা হেলনীয়া ক্ষেত্রসমূহ স্থিৰভাৱে ৰখোৱাৰ ক্ষমতা এই প্রযুক্তিৰ আছে। উত্তৰ পূৰ্বাঞ্চল তথা দেশখনৰ অন্যান্য পাহাৰীয়া অঞ্চলো এনে স্থিতিৰপৰা বাদ পৰি নেযায়। জলাধাৰ লাইনিং, নির্দিষ্ট ভূমি ক্ষেত্রলৈ স্থিৰতা অনা প্রযুক্তি আৰু বয়-বস্তুৰে স্তূপীকৃত কৰা ক্ষেত্ৰলৈ পৰিৱেশমূলক সুৰক্ষা প্রদান কৰা আদিকে ধৰি সকলো আন্তঃগাঁথনিমূলক প্রকল্পৰ সন্দৰ্ভত জিয়'টেক্সটাইলৰ এখন বজাৰ আছে।

তেনেদৰে "এগ্রোটেক্সটাইল"ৰ ব্যৱস্থাৰে প্রতি ক্ষেত্ৰৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰিব পাৰে আৰু জলৰ আৱশ্যকতা হ্রাস কৰাৰ ক্ষেত্রতো সহায় কৰিব পাৰে আৰু লগতে ই শস্যৰ গুণগত দিশৰ উন্নতি সাধন কৰিব পাৰে। আন এটা ক্ষেত্র হ'ল 'চিকিৎসা বস্ত্র'। ইয়াৰ এখন বৃহৎ বজাৰ আছে—বিশেষকৈ দেশখনত 'মেডিকেল সেৱা', অৰ্থাৎ চিকিৎসা সেৱা পদ্ধতিৰ দিনক দিনে উন্নতি সাধন হৈছে। উন্নতি সাধন হৈছে। সেই একেদৰে প্রতিৰক্ষা খণ্ড, নির্মাণ খণ্ড আৰু ঔদ্যোগিক খণ্ডৰো সুৰক্ষাকাৰী বস্ত্ৰৰ বাবে এনে সেৱাৰ বহুত প্রয়োজন আছে। বৰ্তমানে দেশত যিমান 'কাৰিকৰী বস্ত্র'ৰ প্রয়োজন হয় সেই সকলোবোৰ বহিঃদেশৰপৰা আমদানি কৰি অনা হয়। এইবোৰ বিষয়লৈ চাই চৰকাৰে যুটীয়া উদ্যোগ আৰু দেশীয়ভাৱে পুঁজিৰ ব্যৱস্থা কৰা গোট স্থাপন কৰাৰ ক্ষেত্ৰত বিনিয়োগক আকর্ষণ কৰিবলৈ প্ৰয়াস কৰিছে—যাতে ভাৰতীয় বজাৰৰ আৱশ্যকতা পূৰণ কৰিবৰ অৰ্থে 'কাৰিকৰী বস্ত্র' প্রস্তুত কৰিব পাৰি।

দৰাচলতে ক'বলৈ গ'লে 'কাৰিকৰী বস্ত্র'ক উৎসাহ প্রদান কৰিবৰ বাবে বস্ত্র মন্ত্রণালয়ে এটা অভিযান কাৰ্যসূচীৰ জৰিয়তে সঙ্গবদ্ধভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰয়াস কৰে। সেই কাৰ্যসূচীক কোৱা হয় কাৰিকৰী বস্ত্ৰৰ প্রযুক্তি অভিযান। ইয়াৰ দুই ধৰণৰ ক্ষুদ্র অভিযান আছে। সেয়া হ'ল ক্ষুদ্র অভিযান I আৰু ক্ষুদ্র অভিযান II। এই দুই ক্ষুদ্র অভিযানৰ আৰ্হিতেই কিছুমান অঞ্চলত আঠটা "শ্রেষ্ঠ উৎকৰ্ষতা কেন্দ্র" স্থাপন কিম্বা মান উন্নীত কৰা হৈছে। সেই অঞ্চলবোৰ হ'ল— এগ্র'টেক্, মেডিটেক্, প্ৰ'টেক্, জিঅ'টেক্, ইন্দুটেক্, স্প'ৰটেক্ তথা নন্ অ'ভেন আৰু কম্প'জিটছ্। এইবোৰক এটা স্থানৰ বিপণী ধৰণৰ ক্ষেত্র ৰূপে নিজ নিজ বিভাগৰ সা-সুবিধা যোগান ধৰিবৰ কাৰণে প্রতিষ্ঠা কৰা হয় আৰু তেনে সা-সুবিধা আগবঢ়োৱাৰ কামৰ ভিতৰত উল্লেখযোগ্য হ'ল— পৰীক্ষা-নিৰীক্ষা, প্ৰশিক্ষণ, তথ্য কেন্দ্ৰ ইত্যাদি। বিনিয়োগকাৰীসকলক নিজ নিজ শাখাৰ আৱশ্যকীয় কাম-কাজ আৰু প্রয়োজনীয়তা পূৰণ কৰাই হ'ল ইয়াৰ উদ্দেশ্য।

এই পাৰদর্শিতা কেন্দ্রবোৰত নতুন উদ্যোগীসকলক তেওঁলোকৰ উৎপাদন সামগ্রীবোৰ পুনঃ পুনঃ প্রচাৰেৰে আকর্ষণ আৰু পৰিৱেশন আৰ্হিত পৰীক্ষা আৰু বাণিজ্যিকীকৰণৰ সুবিধা আগবঢ়াবৰ কাৰণে স্থাপন কৰা হয়। তদুপৰি ভাৰতৰ ভিতৰত তথা বাহিৰতো 'কাৰিকৰী বস্ত্র'ৰ বাবে বজাৰৰ দিহা কৰিবলৈ ভাৰত চৰকাৰে 'বজাৰ বিকাশ সহায়-সমৰ্থন'ৰ ব্যৱস্থা কৰে—যাতে প্ৰতিষ্ঠানসমূহে আন্তৰ্জাতিক প্রদর্শনীত অংশ গ্ৰহণ কৰিব পাৰে আৰু ভাৰতীয় বজাৰত ক্রেতা-বিক্রেতা বৈঠকৰ দিহা কৰিব পাৰে।

উল্লিখিত ব্যৱস্থাৱলীৰ উপৰি TMTT টি এম টি টি-ৰ অধীনত জিঅ'টেক্সটাইলৰ উৎসাহিত তথা কামত খটুৱাবৰ কাৰণে ভাৰত চৰকাৰে ৫ বছৰ কালৰ বাবে প্রায় ৪২৭ কোটি টকা নির্দ্ধাৰণ কৰে আৰু তেনে কামৰ ভিতৰত কিছুমান হ'ল—বৰ্তমানে থকা আৰু নতুন পথ প্রকল্প, হেলনীয়া ক্ষেত্ৰৰ স্থিৰকৰণ, জলাধাৰৰ লাইনিং কাৰ্য। এই জিঅ'টেক্সটাইল পদ্ধতিক ব্যৱহাৰ কৰিবৰ কাৰণে ভালেমান প্রকল্পত বৰ্দ্ধিত পৰিমাণৰ পুঁজিৰ আৱশ্যক হয় আৰু সেই ক্ষেত্ৰত কেইখনমান ৰাজ্যৰ প্রয়োজনীয়তাৰ কথা উল্লেখ কৰিব পাৰি। ৰাজ্যকেইখন হ'ল—মণিপুৰ, মিজোৰাম, ত্রিপুৰা, ছিক্কিম আৰু অসম। এইবোৰ অঞ্চলত আন্তঃগাঁথনি উন্নত, ভূমি স্খলনৰোধ তথা অন্য দুৰ্যোগৰ প্ৰতি সমুচিত ব্যৱস্থা গ্ৰহণৰ বাবে এই প্রযুক্তিৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিশ্বাস বৃদ্ধি পাইছে। সেই একেদৰে ৬০কোটি টকাৰ পুঁজি আবণ্টনৰে 'এগ্রোটেক্সটাইল'ৰ ব্যৱহাৰো কিছুমান কেন্দ্ৰ আৰু কৃষি পামত বেচ কামত আহিছে। তেনে ৫৩টা ডেমনষ্ট্রেচন কেন্দ্র আৰু এগ্রোটেক্সটাইলৰ কিট কৃষকলৈ যোগান ধৰা পামসমূহৰ কথা উল্লেখ কৰিব পাৰি —বিশেষকৈ উত্তৰ পূৰ্বাঞ্চল আৰু আন কেইখনমান ৰাজ্যৰ পামসমূহৰ সন্দৰ্ভত।

কৌশলাত্মক পদক্ষেপ গ্ৰহণ কৰা কাৰ্য ৰূপে বস্ত্ৰ খণ্ডত উমৈহতীয়া সা-সুবিধাৰ দিহা কৰিবৰ বাবে ভাৰত চৰকাৰে আঁচনি প্ৰস্তুত কৰে আৰু মেগা ক্লাষ্টৰ ডিভেলপ-মেণ্ট স্কীমৰ জৰিয়তে সেইবোৰত যোগসূত্ৰ স্থাপন কৰাৰ কথা চিন্তা কৰে। সংসাধন গোট তথা ফেশ্বন আৰু সাজ-পোছাক ডিজাইন কৰা গোটসমূহ কিম্বা তেনে ধৰণৰ আন প্ৰতিষ্ঠানক যন্ত্ৰচালিত তাত শালৰ পৰিসৰৰ ভিতৰলৈ মূল্য আৰোপিত বস্ত্ৰ খণ্ডৰ এটা সমন্বিত পৰিৱেশ গঢ়ি তোলাৰ প্ৰতি আঁচনিখনে মনোনিৱেশ কৰে।

উল্লিখিত কাৰ্যসমূহৰ উপৰি বস্ত্ৰ খণ্ডক আধুনিকীকৰণ আৰু মান ইয়াৰ উন্নত কৰিবৰ বাবে বস্ত্ৰ মন্ত্ৰালয়ে আন বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত ৭৪,৫০০ সাধাৰণ তাঁতশালৰ (সাধাৰণ যন্ত্ৰচালিত তাঁতশাল) মান উন্নত কৰিবৰ কাৰণে ৪৯ কোটি টকাৰ সাহায্য, ৪৪টা দলীয় কৰ্মচালি প্ৰতিষ্ঠা কৰিবৰ বাবে ৫৬.৫০ কোটি টকাৰ ৰাজসাহায্য, শক্তিচালিত ক্লাষ্টৰত সেৱা প্ৰদানৰ অৰ্থে সুবিধা কেন্দ্ৰৰ (CFC)ৰ জৰিয়তে উমৈহতীয়াভাৱে সা-সুবিধা যোগান ধৰিবৰ কাৰণে প্ৰতিটো সমূহীয়া গোটৰ বাবে ২ কোটি টকাৰ সাহায্য উল্লেখযোগ্য। অন্য ব্যৱস্থাৰাজিৰ ভিতৰত আছে বিশেষ উদ্দেশ্যৰ উপায় গ্ৰহণৰ জৰিয়তে ২৯টা সূতা বেংক স্থাপন কৰিবলৈ ১০.১৭ কোটি টকাৰ সাহায্য, সংহত বস্ত্ৰ উদ্যান আঁচনিৰ অধীনত ৭২ খন বস্ত্ৰ উদ্যানলৈ পুঁজিৰ যোগান হ'ল উল্লিখিত ব্যৱস্থা গ্ৰহণৰ গুৰুত্বপূৰ্ণ বিষয়। তেনেদৰে সামাজিক কল্যাণ আঁচনিৰ জৰিয়তে খণ্ডটোক সমৰ্থন প্ৰদানৰ আন কেইখনমান আঁচনিও আছে। সেয়া হ'ল বস্ত্ৰ কৰ্মীসকলৰ পুনৰসংস্থাপন পুঁজি আঁচনি, সমূহীয়া বীমা আঁচনি, প্ৰধান মন্ত্ৰী ৰোজগাৰ প্ৰোৎসাহন যোজনা ইত্যাদি।

তাৰ বাহিৰেও প্ৰায় ৫০০০ বয়ন শিল্পীক অন্যান্য ক্ষেত্ৰত থকা গোটবোৰ ভ্ৰমণ কৰিবৰ বাবে বিত্তীয় সমৰ্থন যোগোৱা হয়— যিবোৰ গোটত বিকাশ সাধন হৈছে আৰু তাৰ উন্নতমানৰ প্ৰযুক্তিৰ সৈতে পৰিচিত হোৱা তথা কেনেদৰে উৎপাদন-জাত সামগ্ৰীসমূহ ভিন্নমুখী কৰিব পৰা যায় তথা তেওঁলোকৰ উৎপাদন আৰু উপাৰ্জনৰ স্তৰ বৃদ্ধি কৰিবৰ বাবেও আধুনিক বিপণন কৌশলসমূহ কিদৰে অৱলম্বন কৰিব পাৰি সেই বিষয়েও জানিবলৈ সুবিধা দিয়া হয়।

যন্ত্ৰচালিত তাঁতশালসমূহ আধুনিকী-কৰণৰ ক্ষেত্ৰত চৰকাৰে পদ্ধতিগতভাৱে সুবিধা প্ৰদান কৰিছে। তাৰ বাবে ২০০৪ বৰ্ষৰপৰা ২০ শতাংশ হাৰত ঋণ সংযোজিত মূলধনী সাহায্য আগবঢ়ায় আৰু পৰৱৰ্তী কালত ইয়াক ৩০ শতাংশ প্ৰান্তৱৰ্তী ধন ৰাজসাহায্য (MMS) বৃদ্ধি কৰা হয়। ২০১৩ চনৰ পৰা এই বৃদ্ধি নতুন মাকোবিহীন শাল স্থাপন কৰিবৰ কাৰণে আগবঢ়োৱা হয়। মুঠ ৫৬৩ কোটি টকা মুকলি কৰি দিয়া হয় আৰু প্ৰায় ৪৭০০ গোটে এই সুবিধা গ্ৰহণ কৰে। লগতে বিকেন্দ্ৰীকৃত খণ্ডত আধুনিক মাকোবিহীন শাল স্থাপন কৰা হয়।

পিছে বস্ত্ৰ খণ্ড পৰিৱেশমূলক বিষয়ৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। উমৈহতীয়াভাৱে দূষিত জলৰাশি শুদ্ধিকৰণ সংযন্ত্ৰ খৰতকীয়াকৈ স্থাপন কৰাৰ প্ৰত্যাহ্বান সমস্যা সমাধান কৰাৰো সন্মুখীন হয়। আদালতৰ নিৰ্দেশ মৰ্মেই এনে কৰিবলগা হয়। বস্ত্ৰ প্ৰস্তুত কৰোঁতাসকল যাতে অন্য দেশত বেপাৰ-বাণিজ্য কৰিবলৈ কাৰিকৰী বাধাৰ সন্মুখীন হ'ব লগা নহয়, তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লগা হয়। সেই একেদৰে ভাৰতে আঁহৰ আধাৰ কঁপাহ তথা মানৱে প্ৰস্তুত কৰা আঁহ উভয়ৰ ক্ষেত্ৰতে শক্তিশালী কৰাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়। তদুপৰি আন্তৰ্জাতিক বজাৰসমূহত প্ৰৱেশ কৰিবলৈ চৰকাৰ আগ্ৰহী আৰু তাৰ বাবে ভাৰতীয় বস্ত্ৰৰ কাৰণে বৃহৎ বজাৰ থকা দেশবোৰৰ সৈতে বৈদেশিক বাণিজ্য চুক্তি সমাপন কৰিবলৈ ইচ্ছুক।

সম্প্ৰতি ভাৰতীয় বস্ত্ৰই গোলকীয় বজাৰ দখল কৰাৰ সুন্দৰ সুযোগে দেখা দিছে, কিয়নো ইমান দিনে প্ৰাধান্য বিস্তাৰ কৰি থকা চীনে সেই ঠাই খালী কৰিবলৈ আৰম্ভ কৰিছে। ভাৰতে এই সুযোগক নিশ্চয়েই কামত লগাব লাগে যদিও বস্ত্ৰ উৎপাদনৰ আধাৰ আফ্ৰিকীয় দেশবোৰৰ পিনে গতি কৰাৰ এটা ধাৰাই গা কৰি উঠিবলৈ লৈছে। তেনে হোৱাৰ কাৰণ হৈছে সেই দেশবোৰত সুলভ মূল্যত শ্ৰমিক, কম দামত বিদ্যুৎ শক্তি লাভ কৰাৰ সুবিধা আছে। লগতে আছে আন কিছুমান উপভোগ কৰা অতিৰিক্ত লাভৰ ব্যৱস্থা। তাৰ কাৰণ হ'ল পাশ্চাত্যৰ বৃহৎ দেশবোৰৰ সৈতে থকা বৈদেশিক বাণিজ্য চুক্তি।

গতিকে এয়া এক গুৰুত্বপূৰ্ণ সময়— যি সময়ত ভাৰতীয় বস্ত্ৰ উদ্যোগৰ বিকাশ সাধন প্ৰক্ৰিয়া বৃদ্ধি কৰাৰ ক্ষেত্ৰত কৌশলাত্মক পদক্ষেপ গ্ৰহণ কৰাৰ জৰুৰীভাৱে প্ৰয়োজন হৈ পৰিছে। অন্যথা ভাৰতীয় বজাৰৰ বৃহৎ উপভোক্তা ঘাটীত অন্য বিকশিত অৰ্থনীতিৰ সামগ্ৰীয়ে প্ৰভাৱ বিস্তাৰ কৰিব আৰু তেনে অৰ্থনীতিৰ দেশবোৰ হ'ল— বাংলাদেশ, ভিয়েটনাম, কম্বোডিয়া, শ্ৰীলংকা, ইণ্ডোনেছিয়া, মালয়ছিয়া ইত্যাদি।

তেনেবোৰ প্ৰত্যাহ্বান আছেই, কিন্তু তথাপি ভাৰত বস্ত্ৰৰ ক্ষেত্ৰত বিকাশৰ গতিৰ পিনে ধাৰমান হ'বলৈ বেচ সচেষ্ট আৰু তাৰ বাবে আছে এটা স্পন্দিত উদ্যোগাত্মক আধাৰ আৰু প্ৰাক্-ক্ৰিয়াশীল চৰকাৰৰ সমৰ্থন। এই সমৰ্থনে ঔদ্যোগিক খণ্ডক নিজৰ পূৰ্ণ ক্ষমতা-ৰাজিৰে বিকাশ সাধনৰ ক্ষেত্ৰত গুৰুত্ব-পূৰ্ণ ভূমিকা পালন কৰিব। ❐

# খাদীৰ মহত্ত্ব ঃ স্বাধীনতা সংগ্ৰামৰ আঁত ধৰি

**এ অন্নোমালাই***

"খাদী ভাবধাৰাৰ অৰ্থ হ'ল পৃথিৱীত জীয়াই থকা প্ৰত্যেক জীৱৰ স'তে সুহৃদ ভাব পোষণ কৰা। তাৰ ব্যতিৰেকে তেনে অস্তিত্ব অটুট ৰাখিব পৰা নাযায় আৰু সেয়ে আমাৰ আটাইকে অনিষ্ট সাধন কৰাৰ সম্ভাৱনা থকা ভাব-চিন্তাক সম্পূৰ্ণৰূপে জলাঞ্জলি দিয়াটোকে ই বুজায়। সেই ভাবধাৰা আমাৰ দেশখনৰ লাখ লাখ লোকৰ মাজত যদি আমি প্ৰতিষ্ঠিত কৰিব পাৰোঁ, তেনেহ'লে আমাৰ ভাৰতভূমি কিহত উপনীত নহ'বগৈ!"— এই বক্তব্য হ'ল গান্ধীজীৰ। প্ৰত্যেককে তেওঁ খাদী ভাবধাৰা আৰু মানৱৰ ঐক্যবদ্ধ শক্তিৰে উদ্বুদ্ধ হোৱাটো বিচাৰিছিল। খাদী শৰীৰ ঢকা এটুকুৰা কাপোৰ নহয়, বৰং ই হ'ল নিজকে উজ্জীৱিত কৰি তাক অনুসৰণ কৰা এটা দৰ্শন।

১৯১৭ চনৰ কথা। চম্পাৰণ সত্যাগ্ৰহ চলি থাকোঁতে গান্ধীজীয়ে বিহাৰৰ কৃষকসকলৰ দুৰৱস্থাৰ কথা জানিবলৈ পায়। তেওঁ ভিলৰাৱা গাঁৱৰ এগৰাকী মহিলাক লগ পায়। সেই মহিলাগৰাকীৰ লগত আলাপ কৰোঁতে তেওঁ উপলব্ধি কৰে যে মহিলাগৰাকীয়ে তেওঁ পিন্ধা শাৰীখন সলনি কৰিব নোৱাৰে। তাৰ কাৰণ হ'ল তেওঁৰ আন এখন শাৰী নাই যে ইচ্ছা কৰিলেই সলাই ল'ব পাৰে। কাৰখানাত তৈয়াৰ কৰা যি বস্ত্ৰ তাৰ মহিলাসকলে পায় সেয়া একে ৰঙৰ বস্ত্ৰ— নীলা ৰঙৰ। এইটোৱে হ'ল চম্পাৰণ বাসিন্দাসকলে সত্যাগ্ৰহ কৰা মূল বিষয় আৰু সেই বস্ত্ৰও বহুত দামী। কৃষকসকল তেনে দামী বস্ত্ৰ কিনিবলৈ অপাৰগ।

অতীতৰ এটা সময়ত কপাহ খেতি কৰা শীৰ্ষ স্থানৰ ভিতৰত আমিও আছিলো অন্যতম। কিন্তু আমাৰ কৃষকসকল সেই কপাহৰ পৰা তৈয়াৰী সামগ্ৰী পোৱাৰ পৰা বঞ্চিত হৈছিল। সেইবোৰ কপাহ কেঁচা সামগ্ৰীৰূপে ইংলেণ্ডলৈ গৈছিল আৰু পুনৰ ভাৰতলৈ ঘূৰি আহিছিল এক মসৃণ সামগ্ৰী ৰূপে। মানছেষ্টাৰ আৰু লাংকাছায়াৰত এই কপাহৰ পৰা সুন্দৰ বস্ত্ৰ তৈয়াৰ কৰিছিল।

আমাৰ এই গৌৰৱময় অতীত ক'লৈ গ'ল? গান্ধীজীও এনে এখন ঠাইৰ ব্যক্তি আছিল— য'ত সূতা কটা আৰু কাপোৰ বোৱা সংস্কৃতিয়ে বিৰাজ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় উপ-মহাদেশৰ বজাৰ নিয়ন্ত্ৰণ কৰাৰ পিছত দৃশ্যপট সোনকালে পৰিৱৰ্তন হয়। নিজৰ প্ৰয়োজনীয়তা পূৰণ কৰিব বাবে ইংৰাজ শাসনকৰ্তা-জ্জসকলে ভাৰতৰ গঞা ৰাইজৰ বস্ত্ৰ সংস্কৃতি ধ্বংস কৰে।

**অতীতৰ গৌৰৱময় বস্ত্ৰ জ্ঞান**

ভাৰতৰ নীল বৰণীয়া (indigo-dyed) বস্ত্ৰ 'ইকাট' ফাৰাও কবৰত পোৱা গৈছিল। গুলপীয়া ৰঙৰ বস্ত্ৰ মহেঞ্জোদাৰোৰ এটা স্থানত মাটিৰ তলৰ পৰা যঁতৰসহ উলিওৱা হৈছিল। গ্ৰীক আৰু ৰোমানৰ ভ্ৰমণকাৰীসকলৰ বিৱৰণতো ভাৰতীয় উপ-মহাদেশখনৰ সুন্দৰ সূতাৰ বিষয়ে বৰ্ণনা কৰা পোৱা যায়ৰ। অজন্তা আৰু ইলোৰাৰ চিত্ৰাংকনবোৰত বস্ত্ৰ সামগ্ৰীৰ বিভিন্ন ডিজাইন আৰু ষ্টাইল সম্পৰ্কে পৰিচয় পোৱা যায়। ভাৰতৰ প্ৰতিখন ঠাইতেই কাপোৰৰ ডিজাইনৰ নিজস্ব ষ্টাইল আছিল; আৰু সেই ডিজাইনবোৰে বোৱা, ৰং দিয়া, ছাপ দিয়া আদি বিষয়বোৰকো দাঙি ধৰে। বস্ত্ৰৰ গুণগত দিশো অঞ্চল অনুযায়ী ভিন্ন ধৰণৰ হয়। মুঠৰ ওপৰত ক'বলৈ গ'লে বস্ত্ৰ প্ৰযুক্তিৰ কলাৰ ক্ষেত্ৰত আমি বহু আগত আছো।

ভাৰতৰ বস্ত্ৰ এটা গৌৰৱৰ বিষয়। বহু দেশৰ ৰাজকীয় বেশভূষাত আমাৰ বস্ত্ৰই অলংকৃত কৰিছিল। কিন্তু আনপিনে এনে দেশো আছিল যি ভাৰতৰ পৰা কাপোৰ আমদানি কৰা নিষিদ্ধ কৰিছিল। সেয়া হয়তো ঈৰ্ষা বা অন্য কোনো কাৰণৰ বিষয় আছিল। সি যি কি নহওক, বিদেশত সমাদৰ লাভ কৰা কাপোৰবোৰ আছিল হাতে কটা আৰু হাতে বোৱা— অতীতৰ খাদী।

উদ্যোগ বিপ্লৱে তাৰ হাতোৰা বহু দূৰলৈকে প্ৰসাৰিত কৰিছিল— যাৰ ফলত ইংলেণ্ডৰ বিদ্যুৎচালিত তাঁতে ভাৰতীয় বস্ত্ৰক মষিমূৰ কৰিছিল। ব্ৰিটিছৰ ঔপনিৱেশিক নীতিৰ লগত সংগতি ৰাখি নতুনকৈ প্ৰণয়ন কৰা আইনবোৰে এটা নতুন বাণিজ্য অভ্যাস গঢ়ি তুলিবলৈ পথ মুকলি কৰিছিল। ভাৰতত উৎপাদন কৰা

*এ অন্নোমালাই দিল্লীৰ ৰাজঘাটৰ নেশ্বনেল গান্ধী মিউজিয়ামৰ সঞ্চালক

আটাইবোৰ কপাহ অতি কম মূল্যতেই ইংলেণ্ডলৈ ৰপ্তানি কৰিব লগা হৈছিল। ব্রিটেইনৰ কাপোৰ কলবোৰত সেই কপাহৰ পৰাই তৈয়াৰী বস্ত্র ভাৰতৰ বজাৰবোৰত ভৰি পৰিছিল। ফলস্বৰূপে স্থানীয় লোকসকলে কোনো বিকল্প উপায় বিচাৰি নাপাই সেইবোৰ বস্ত্র সামগ্রীকেই গ্রহণ কৰিবৰলৈ বাধ্য হৈছিল।

লাখ লাখ সূতা কটা কামত ব্যস্ত থকা ভাৰতীয় লোক আৰু বয়ন শিল্পীসকলে কৰিব লগা কাম একো নাথাকেগৈ আৰু আক্ষৰিক অর্থত ক'বলৈ গ'লে তেওঁলোকক ৰাস্তালৈ উলিয়াই পঠোৱা হৈছিল। হাতেৰে কটা সূতা আৰু হাতেৰে বৈ উলিওৱা কাপোৰৰ ক্ষেত্রত ভাৰতৰ যি গৌৰৱ আছিল তাক জোৰ-জবৰদস্তিকৈ মৰি যাবলৈ দিয়া হৈছিল। তাৰ লগে লগে পৰাম্পৰাগতভাৱে চলি অহা বস্ত্র সম্পৰ্কীয় মূল্যৱান জ্ঞানৰ বিশাল ভাণ্ডাৰো নিশ্চিহ্ন হৈ পৰিছিল।

**খাদী আন্দোলন**

এইখিনিতেই গান্ধীজীৰ উক্তি স্মৰ্তব্যৰ বিষয়। তেওঁ কৈছিল ঃ "১৯০৮ চনত লণ্ডনলৈ মই যাওঁতে যঁতৰ আৱিষ্কাৰ কৰিছিলোঁ। দক্ষিণ আফ্রিকাৰ এটা প্রতিনিধি দলৰ নেতৃত্ব দান কৰি মই তালৈ গৈছিলোঁ আৰু তেতিয়াই মই বহু আগ্রহী ভাৰতীয়ৰ সংস্পৰ্শলৈ আহিছিলোঁ। সেই ভাৰতীয় লোকৰ ভিতৰত ছাত্র তথা অন্য ব্যক্তিও আছিল। ভাৰতৰ অৱস্থা সম্পৰ্কে আমাৰ বহু দীঘলীয়া আলাপ-আলোচনা হৈছিল আৰু মোৰ চকুত এনে এখন ছবি ভাঁহি উঠিছিল যে সূতা কটা যঁতৰৰ বাহিৰে স্বৰাজৰ কোনো অর্থ নাই। তৎক্ষণাতেই মই উপলব্ধি কৰিলোঁ যে প্রত্যেকেই সূতা কাটিব লাগে। কিন্তু তেতিয়া মই তাঁত আৰু যঁতৰৰ মাজত থকা প্রভেদৰ বিষয়ে জনা নাছিলোঁ। 'হিন্দ স্বৰাজ'ত তাঁত শব্দটোক যঁতৰৰ অর্থ কৰিবলৈ ব্যৱহাৰ কৰিছিল।" (CWMG, Vol. 37, page-288)

গোখ্‌লেৰ পৰামৰ্শ অনুযায়ী গান্ধীয়ে ভাৰতীয় লোকসকলৰ অৱস্থা সম্পৰ্কে জানিবৰ কাৰণে ভাৰত ভ্রমণ কৰিছিল। ভাৰতলৈ আহি তেওঁ স্ব-চক্ষুৰে গাঁওবোৰৰ শোচনীয়া অৱস্থা দেখা পাইছিল। কৃষকসকল প্রায় ছমাহৰ বাবে নিবনুৱা হৈ বহি আছিল। চম্পাৰণৰ ঘটনাটোৱেও তেওঁৰ অনুভৱক অধিক জাগৃত কৰিলে আৰু তেওঁ কৃষকসকলৰ বাবে এটা পৰিপূৰক কাম উলিয়াব খুজিলে— যাৰদ্বাৰাই তেওঁলোকৰ সময়বোৰ সৎ ব্যৱহাৰ কৰিব পাৰিব আৰু লাভজনক নিয়োগৰ বাবে শক্তিখিনিও কামত লগাব পাৰিব। সূতা কটা আৰু বোৱাৰ বিষয় তেওঁৰ মনলৈ আহিল। আশ্রমত তেওঁ তাঁত বোৱাৰ কাম প্রচলন কৰিলে। তাৰ বাবে আহমদাবাদৰ কাপোৰ কাৰখানাৰ মালিকসকলে সহায়-সমৰ্থন আগবঢ়ালে। কিছুদিন যোৱাৰ পিছত তেওঁ এইটো উপলব্ধি কৰিলে যে যি প্রক্রিয়া আৰম্ভ কৰা হৈছে, সেইটোৱে পুনৰ ভাৰতীয় উদ্যোগসমূহকে সমৰ্থন প্রদান কৰা হয়। ই কৃষকসকলক পোনপটীয়াকৈ উপকৃত নকৰে। তাৰ পাছত গান্ধীজীয়ে ব্রচত অনুষ্ঠিত হোৱা দ্বিতীয় গুজৰাট শিক্ষা সন্মিলনত উদ্যমী মহিলা গঙ্গাবেহেন মজুমদাৰক লগ পায়। তেওঁকেই সূতা কটাৰ পৰম্পৰাগত পথ তথা ইয়াৰ যন্ত্র উলিয়াবৰ কাৰণে কামৰ দায়িত্ব দিয়ে।

এয়াই আছিল ভাৰতৰ পৰিস্থিতি!

এই সন্দৰ্ভত গান্ধীজীৰ বক্তব্য এনেধৰণৰ— "অৱশেষত গঙ্গাবেহেনে সেই সন্ধানত গুজৰাটত ইফালে-সিফালে ঘূৰি ফুৰিল আৰু বৰোদা ৰাজ্যৰ বিজাপুৰত যেনিবা তেওঁ সূতা কটা যঁতৰ পালেগৈ। তাত বেচ বুজন সংখ্যক লোকে তেওঁলোকৰ ঘৰত সূতা কটা যঁতৰ ৰাখে; কিন্তু দীর্ঘ দিন ধৰি সেইবোৰক কামত নহা সামগ্রীৰূপে জ্ঞান কৰে। গঙ্গাবেহেনক পাই তেওঁলোকে কথা-বতৰা পতাৰ পিছত সূতা কাটিবলৈ তেওঁলোকৰ ইচ্ছুকতা প্রকাশ কৰে যদিহে কোনোবাই তেওঁলোকক নিয়মীয়াকৈ শ্লিভাৰ যোগান ধৰাৰ আশ্বাস দিয়ে আৰু তেওঁলোকে কাটি উলিওৱা সূতা ক্রয় কৰিবলৈ মান্তি হয়। গঙ্গাবেহেনে এই সুখকৰ বাতৰিটো মোক জনায়।"

অচল হৈ পৰা এই হাতে কটা আৰু হাতে বোৱা পদ্ধতিৰ পুনৰ অনুক্রম ৰক্ষা কৰিবৰ বাবে গান্ধীজীয়ে কেইগৰাকীমান বন্ধু-বান্ধৱীৰ জৰিয়তে ব্যৱস্থা গ্রহণ কৰিবলৈ লয়। সেই বন্ধু-বান্ধৱীসকলৰ ভিতৰত দুগৰাকীমান হ'ল, যেনে— গঙ্গাবেহেন, মগনলাল গান্ধী আৰু আশ্রমৰ অন্যান বন্ধুসকল। আশ্রমবাসীৰ মাজতেই খাদীৰ বিষয়ে প্রথমে পৰীক্ষা কৰি চোৱা হয় আৰু তাৰ পিছত গান্ধীজীয়ে ইয়াক এক ৰাষ্ট্রজোৰা আন্দোলন কৰি তুলিবলৈ সিদ্ধান্ত লয়।

গান্ধীজীয়ে হাতে কটা, হাতে বোৱা কাপোৰক এটা নতুন ব্রেণ্ড নামেৰে প্রচলন কৰে। সেই নামটো হ'ল 'খাদী'। তেওঁ 'খাদী'ক এটা দাৰ্শনিক আধাৰো প্রদান কৰে আৰু ইয়াক কংগ্রেছৰ কাৰণে এটা নতুন কাৰ্যসূচী কৰি তোলে।

**স্বদেশী ভাবধাৰা**

'ইয়ং ইণ্ডিয়া'ত (১৯২৬ চনৰ ১৭ জুনৰ সংখ্যা) তেওঁ এইবুলি লিখিছিল ঃ "খদ্দৰ হ'ল স্বদেশীৰ সঠিক বস্ত্র আৰু মধ্যমণি স্বৰূপ। ইয়াৰ অবিহনে স্বদেশী হোৱাটো হ'ল ঠিক জীৱনবিহীন শৰীৰটোৰ দৰে, কেৱল কবৰ বা শ্মশান পোৱাৰ উপযুক্ত। একমাত্র স্বদেশী বস্ত্র হ'ল খদ্দৰ। যদি স্বদেশীক ভাষাৰে আৰু

এই দেশখনৰ সহস্ৰজনলৈ চাই উপস্থাপন কৰিব লাগে, তেনেহ'লে স্বদেশীত খদ্দৰেই হ'ল উপযুক্ত সমল— ঠিক আমি উশাহ-নিশাহ লোৱা বায়ুৰ দৰে। স্বদেশীৰ বিচাৰ এটা সামগ্ৰী ব্যৱহাৰৰ সাৰ্বজনীনতাত নাই— যিটো সামগ্ৰী স্বদেশী নামেৰে পৰিচিত, বৰং এনে সামগ্ৰী উৎপাদন বা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত অংশগ্ৰহণৰ সাৰ্বজনীতাতহে আছে। গতিকে কলত প্ৰস্তুত কৰা (কাপোৰৰ কল) কাপোৰ এটা সীমিত অৰ্থতহে স্বদেশীৰূপে বিবেচনা কৰা হয়। কিয়নো ইয়াৰ প্ৰস্তুতকৰণ কাৰ্যত ভাৰতৰ হাজাৰ হাজাৰ লোকৰ ভিতৰত মাত্ৰ কিছুসংখ্যকেহে ভাগ ল'ব পাৰে, কিন্তু খদ্দৰ তৈয়াৰীৰ ক্ষেত্ৰত লাখ লাখজনে অংশগ্ৰৰহণ কৰিব পাৰে।"

স্বদেশী আন্দোলনক পুনৰ জগাই তুলিবৰ কাৰণে গান্ধীজীয়েই ক্ষেত্ৰৰ ভেটি গঢ়ি তোলে আৰু দেশবাসীক বিদেশৰ বস্ত্ৰ বৰ্জন কৰিবলৈ দঢ়াই দঢ়াই কয়। স্বদেশী আন্দোলনৰ জৰিয়তে তেওঁ জাতীয়তাবাদ ভাবৰ বহ্নিশিখা জ্বলায় আৰু খাদীক জাতীয়তাবাদৰ প্ৰতীক কৰি তোলে। খাদী আন্দোলনৰ জৰিয়তে ঔপনিৱেশিক শোষণৰ আধাৰশিলাতেই আঘাত হানিবলৈ তেওঁ অহিংস অস্ত্ৰ তুলি লয়।

গ্ৰাম্য অৰ্থনীতিক বিকেন্দ্ৰীকৃত আৰ্হিত পুনৰ সজাই-পৰাই তুলিবৰ অৰ্থে খাদীক তেওঁ কাৰ্যসূচীৰ অংশৰূপে প্ৰস্তাৱ কৰে আৰু ইয়েই হৈ পৰে স্বাধীনতা আন্দোলনৰ এক অঙ্গ স্বৰূপ। খাদী আন্দোলনক জনপ্ৰিয় কৰি তুলিবৰ কাৰণে সমগ্ৰ দেশখনেই তেওঁ ভ্ৰমণ কৰে।

প্ৰাৰম্ভিক স্তৰত এটা ডাঙৰ বাধা আছিল খাদীৰ ৰঙক লৈ; আৰু সেই ৰংটো হ'ল বগা। তেওঁলোকে মহিলাসকলৰ বাবে ৰঙীণ শাৰী তৈয়াৰ কৰিব নোৱাৰিছিল। আনকি ৰঙীণ পাৰি নথকা বগা শাৰীক বিধৱাৰ সাজ বুলি গণ্য কৰা হৈছিল আৰু সেয়ে কোনো পৰিয়ালৰ মহিলাই তেনে শাৰীক গ্ৰহণ নকৰিছিল। সেই দেখি গান্ধীজীয়ে বগা ৰঙৰ সন্দৰ্ভত থকা ভাবধাৰাক নতুন ধৰণে উপস্থাপন কৰিছিল আৰু সেয়া আছিল পৱিত্ৰতা আৰু সৰলতা। তেওঁ তেওঁৰ পত্নী কস্তুৰবাক বগা শাৰী পিন্ধিবলৈ কৈছিল আৰু আশ্ৰমৰ আন মহিলাকো এটা দৃষ্টান্ত দাঙি ধৰিবৰ কাৰণে বগা শাৰীয়েই ব্যৱহাৰ কৰিবলৈ কৈছিল— যাতে অন্য মহিলায়ো তাকেই অনুসৰণ কৰে।

**খাদী অৰ্থনীতি**

খাদী আন্দোলনে গাঁওবাসীসকলৰ সবলীকৰণৰ পথ মুকলি কৰে— বিশেষকৈ মহিলাসকলৰ। ভাৰতৰ স্বাধীনতা আন্দোলনত বৃহৎসংখ্যক মহিলাই অংশগ্ৰহণ কৰা এটা অন্যতম ডাঙৰ কাৰণ আছিল খাদী আন্দোলন।

গান্ধীজীয়ে কৈছিল ঃ "গাঁৱত বাস কৰা সহস্ৰ লোকৰ ক্ষেত্ৰত খাদী হ'ল একমাত্ৰ অৰ্থনৈতিক দিশৰ আধাৰ— যেতিয়ালৈকে কাম-কাজৰ ভাল পদ্ধতি বিৰাজমান হৈ থাকে আৰু যোল বছৰৰ ওপৰৰ পুৰুষেই হওক বা মহিলাই হওক, প্ৰতিজন সমৰ্থবান লোকৰ বাবে উপযুক্ত মজুৰিৰ ব্যৱস্থা থাকে— তেহেলৈ সেয়া পথাৰ, কুটীৰ কিম্বা কাৰখানাই হওক অথবা যথেষ্টসংখ্যক চহৰ গঢ়ি নুঠালৈকে তেনে সুবিধা বিৰাজমান হৈ থাকক। গাঁওবোৰত চহৰৰ দৰে সা-সুবিধা গঢ় লৈ উঠিলে লোকসকলে আৰামেৰে দিন কটাব পাৰিব। মানৱ জীৱনে বিচাৰে সেইটোকেই আৰু তেওঁলোকে সেইবোৰ পোৱাৰ অধিকাৰীও। মই কেৱল সেই বিষয়ৰ ধাৰণা সম্পৰ্কেহে ক'বলৈ লৈছোঁ যে খাদীয়ে আমি ভাবিব পৰা সময়লৈকে সেই ক্ষেত্ৰখন ধৰি ৰাখক।"

বিকেন্দ্ৰীকৃত উৎপাদন পদ্ধতিয়ে নিশ্চয়কৈ উপাৰ্জনৰ সম বিতৰণৰ পথ মুকলি কৰিব। ৰাজাজীৰ ভাষাত ক'বলৈ গ'লে, "সম্পদ উৎপাদন কৰাৰ পিছত আপুনি তাক সমানভাৱে বিতৰণ কৰিব নোৱাৰে। লোকসকলে তাক মানি লোৱাত (অৰ্থাৎ সম বিতৰণ) আপুনি সফল হ'ব নোৱাৰে। কিন্তু আপুনি সেইটো কৰিব পাৰে সম্পদ উৎপাদনৰ আগতেই সম বিতৰণ কৰা কাৰ্যৰ প্ৰতি আশ্বাস লাভ কৰি আৰু সেয়া হ'ল খাদী।"

"সৌৰ জগতত সূৰ্যৰ যেনে ভূমিকা, ঠিক সেইদৰে গাঁৱৰ সৌৰ পদ্ধতিৰ ক্ষেত্ৰতো খাদী হ'ল এটা সূৰ্য স্বৰূপ। ইয়াৰ গ্ৰহবোৰ হ'ল বিভিন্ন উদ্যোগ— যি তাপ আৰু তাৰপৰা উপলব্ধ শক্তিৰে খাদীক সমৰ্থন কৰিব পাৰে। ইয়াৰ অবিহনে অন্য উদ্যোগে বিকাশ লাভ কৰিব নোৱাৰে। কিন্তু যোৱাবাৰ ভ্ৰমণ কৰোঁতে মই এইটো আবিষ্কাৰ কৰিছিলোঁ যে অন্য উদ্যোগবোৰ পুনৰ সজীৱ হৈ নুঠিলে খাদীয়ে অধিক অগ্ৰগতি সাধন কৰিব নোৱাৰে। গাঁওবোৰৰ ক্ষেত্ৰত লোকসকলে তেওঁলোকৰ আজৰি সময়বোৰ লাভজনকভাৱে খটাবলৈ হ'লে গ্ৰাম্য জীৱনৰ সকলোবোৰ দিশকেই স্পৰ্শ কৰিব লাগিব।" (হৰিজন, ১৬-১১-১৯৩৪)

কংগ্ৰেছৰ ভিতৰত ছাপ উৎপত্তি হোৱাৰ বিষয়টো গান্ধীজীয়ে উপলব্ধি কৰিছিল; আৰু সেই বাবে তেওঁ খাদীৰ কামত কংগ্ৰেছৰ সাংগঠনিক সমৰ্থনৰ-পৰা সুকীয়া কৰিবলৈ সিদ্ধান্ত লৈছিল। তেওঁ ১৯২৫ চনত নিখিল ভাৰত বোৱনী সংস্থা (All India Spinners' Association) প্ৰতিষ্ঠা কৰিছিল আৰু এই সংগঠনৰ তদাৰকতাতেই খাদী ভাৰতৰ চুক-কোণ গৈ পায়গৈ, নতুন

নতুন সমৰ্থকক আকৰ্ষণ কৰে আৰু সমগ্ৰ দেশতেই ইয়াৰ ভেটি বিস্তাৰিত কৰে।

**স্বাধীনতা আন্দোলনৰ প্ৰতীক**

'চৰখা' স্বাধীনতা আন্দোলনৰ প্ৰতীক হয় আৰু "খাদী" হৈ পৰে ৰাষ্ট্ৰীয়তাবাদৰ এটা পৰিচয়। সেই কালছোৱাত ভাৰতে ঔপনিৱেশিক শক্তিৰপৰা জনতাৰ শক্তিলৈ ৰূপান্তৰ ঘটা দেখিবলৈ পাইছিল। সাধাৰণ ৰাইজে এই দেশখনতেই এসময়ত আৰক্ষীৰ লোকক ভয় কৰিছিল, কিন্তু গান্ধীজীৰ অহিংস কৌশল অৱলম্বন আৰু প্ৰচলন ক্ৰমে আৰক্ষীয়ে 'খাদী' লোকক ভয় কৰা হ'ল। এটা অৰ্থনৈতিক দৃষ্টিকোণৰ কাম এটা শক্তিশালী ৰাজনৈতিক অস্ত্ৰ হৈ পৰে।

লিছা ত্ৰিৱেদীয়ে তেওঁৰ গ্ৰন্থ "Clothing Gandhi's Nation"ত এইবুলি মন্তব্য কৰিছিল— "খাদীয়ে উপনিৱেশ বিষয়ৰ সজাটো (bodies) ৰাষ্ট্ৰীয় বিষয়লৈ ৰূপান্তৰিত কৰে। সেই ৰাষ্ট্ৰীয় বিষয়টো হ'ল নাগৰিক 'সজা'। পোছাকৰ এটা নতুন ষ্টাইল উদ্ভাৱন কৰি স্বদেশী সমৰ্থকসকলে এটা সহজ পথৰ যোগান ধৰে যাৰ জৰিয়তে সম্ভ্ৰান্ত লোকসকলে এটা বহল পৰিসৰৰ ৰাষ্ট্ৰীয় সম্প্ৰদায় ৰূপে নিজকে চিনাকি দিব পাৰে। নতুন ধৰণৰ পোছাক অৱলম্বন কৰি বিৰোধবাদৰ উপনিৱেশ তথা পৰাম্পৰাগত পদ্ধতি উভয়কে প্ৰত্যাহ্বান জনায়। তথাকথিত 'সচৰাচৰভাৱে খাদী পৰিধান কৰাসকলে' সাৰ্বজনীন শ্ৰম তথা আত্ম-নিৰ্ভৰশীল মতবাদক ৰাজনৈতিক সম্প্ৰদায়ৰ আধাৰ ৰূপে গ্ৰহণ কৰে। .... তেনেই সহজভাৱে ঔপনিৱেশিক শাসনৰ কৱলত থকা ভাৰতৰ খাদীৰে অনুপ্ৰাণিত হোৱা লোকসকলে দেশখনৰেই অন্য সকলকো পৰস্পৰে সদস্য কিম্বা একেই সম্প্ৰদায়ৰূপে চাবলৈ লয়। আনকি যদিও খাদয়ে প্ৰত্যেককে 'ভাৰতীয়' ৰূপে সম্পূৰ্ণভাৱে ৰূপান্তৰ সাধন কৰিব নোৱাৰিলে তথাপি ই নিশ্চয়কৈ বিৰোধবাদৰ উপনিৱেশ তথা পৰম্পৰাগত পদ্ধতিক প্ৰত্যাখান কৰাত সুবিধা আগবঢ়ায়।"

"খাদীৰ অভিযান কেৱল চহৰৰ লোকক ভিন ভিন ফেশ্বনৰ খাদী যোগান ধৰাই নহয়, যিবোৰে কাপোৰ কলত বস্ত্ৰ প্ৰস্তুত কৰোঁতাসকলৰ সৈতে ফেৰ মাৰিব আৰু ঠিক আনবোৰ উদ্যোগৰ দৰে তাঁত শিল্পত জড়িত থকাসকলক নিয়োগৰ যোগান ধৰিব, সেই অভিযানৰ উদ্দেশ্য হ'ল কৃষিৰ প্ৰতি খাদীকো এটা পৰিপূৰক উদ্যোগ কৰি গঢ়ি তোলা। এই অভিযান এতিয়াও অসম্পূৰ্ণ হৈ আছে।

এই অভিযানক পূৰ্ণ কৰিবৰ উদ্দেশ্যে খাদী নিজৰ ভৰিত থিয় হ'ব পাৰিব লাগিব আৰু ইয়াৰ ব্যৱহাৰ গাঁওবোৰত প্ৰসাৰিত হ'ব লাগিব। গাঁওবাসীয়ে ঠিক যেনেদৰে নিজৰ ৰুটি বা ভাত বনাই লয়, তেনেদৰে তেওঁলোকে নিজৰ ব্যৱহাৰৰ কাৰণে নিজৰ খাদী বস্ত্ৰ তৈয়াৰ কৰি ল'ব লাগিব। তাত যদি কিবা ৰাহি হয় সেইবোৰ তেওঁলোকে বিক্ৰী কৰিব পাৰে।" (হৰিজন, ৬-৭-১৯৩৫)

**আমাৰ আগত থকা প্ৰত্যাহ্বান**

এতিয়া খাদীৰ কাৰণে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল ইয়াক জনগণৰ বাবে কেনেকৈ অধিক বহনক্ষম কৰি তুলিব পৰা যায় আৰু কেইটামান বিষয়ৰ মূল দৰ্শনৰ সৈতে মোকাবিলা নকৰাকৈ ইয়াক কেনেদৰে অধিক আকৰ্ষণীয় কৰিব পৰা যায়। বিষয়কেইটা হ'ল শ্ৰমৰ মৰ্যাদা, বিকেন্দ্ৰীকৰণ, অহিংসা আৰু সৰলতা। ইয়াৰ মৌলিক দৰ্শনক যথাযথ অৱস্থাত ৰাখি সেই কাম কৰিব লাগিব। 'স্বাধীনতা সংগ্ৰাম' বা "স্বদেশী আন্দোলন"ৰ দৰে শক্তিশালী প্ৰভাৱৰ অনুপস্থিতিত এতিয়া খাদীয়ে নিজৰ দাৰ্শনিক আধাৰৰ ওপৰত নিজ বলেৰে থিয় হ'ব লাগিব।

সন্দেহ নাই, কপাহ পৰিৱেশ অনুকূল, আমাৰ বতৰৰ অৱস্থাৰ ক্ষেত্ৰত উপযুক্ত, গাৰ ছাল আৰু শৰীৰৰ কাৰণেও ভাল তথা ই হ'ল এটা প্ৰাকৃতিক উৎপাদন সামগ্ৰী। কাৰখানাত তৈয়াৰীকে ধৰি সকলো কপাহ উৎপাদনজাত সামগ্ৰীৰ প্ৰতি প্ৰযোজ্য। কিন্তু ইয়াৰ বিকাশ উৎপাদন, বিতৰণ আৰু ব্যৱহাৰ কৰাৰ ওপৰতহে নিৰ্ভৰশীল। খাদীৰ ক্ষেত্ৰত উৎপাদন নিজাববীয়াকৈ পৰিৱেশ অনুকূল হয়। উৎপাদকক ৰজিতা খুৱাকৈ উপযুক্ত প্ৰযুক্তিৰে ইয়াৰ কাৰ্য সাধন কৰা হয়। বিকেন্দ্ৰীকৃত উৎপাদনেও জনগণলৈ বিতৰণৰ ক্ষেত্ৰত সহায় কৰিব আৰু তাৰ জৰিয়তে ৰাইজৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰাৰ পথ মুকলি কৰিব।

যদি আমি এটা নিৰন্তৰ পৰিৱেশ অনুকূল বিকাশ বিচাৰোঁ তেনেহ'লে খাদী আমাৰ সকলো বিকাশমূলক কাম-কাজৰ এটা আধাৰ হ'ব লাগিব। খাদী আন্দোলন জনতাৰ আন্দোলন হ'ব লাগিব আৰু আমি খাদীক আমাৰ জাতীয় পোছাক কৰি তুলিব লাগিব। জনতাৰ মানসিক দৃষ্টিভঙ্গী প্ৰায় ইয়াৰ প্ৰতি জাগ্ৰত হৈছেই, মাত্ৰ আমাৰ কৰণীয় কাম হ'ব লাগিব আমাৰ নিজৰেই কাপোৰ-কানিৰ আৱশ্যকতা পূৰণ কৰিবৰ বাবে খাদীক ব্যৱহাৰ কৰিবলৈ এটা অনুকূল পৰিৱেশ গঢ়ি তোলা। কাৰণ আমি খাদী ব্যৱহাৰ কৰি মানৱ জাতিৰ অন্যতম প্ৰাচীন কলা-শৈলীক জীয়াই ৰাখিছোঁ। ❐

# খাদীৰ জন্ম

**মহাত্মা গান্ধী**

১৯৬৮ চনত ‘হিন্দ স্বৰাজ’ত মই তাঁতশাল বা যতৰক ভাৰতৰ ক্রমবর্ধমান দৰিদ্রতানাশক মকৰধ্বজ বুলি বর্ণনা কৰিছিলো যদিও তেতিয়ালৈ মই এই দুবিধ সঁজুলি পূৰ্বে দেখা মনত নপৰে। গ্ৰন্থখনত মই লিখিছিলোঁ যে কঠোৰ দৰিদ্ৰতাৰ হাতসাৰিবলৈ ভাৰতক যি সহায় কৰিব, সেয়া স্বৰাজ প্ৰতিষ্ঠাৰ বাবেও সহায়ক হ’ব। আনকি ১৯১৫ চনত দক্ষিণ আফ্রিকাৰ পৰা ভাৰতলৈ ওভতাৰ সময়তো মই প্ৰকৃততে যঁতৰ দেখা নাছিলোঁ। সবৰমতীত সত্যাগ্ৰহ আশ্ৰম স্থাপন কৰাৰ পাছত আমি কেইখনমান তাঁতশাল থাপিছিলোঁ। ইয়াৰ লগে লগে এটা অসুবিধাৰ সন্মুখীন হ’লোঁ। আমাৰ আটায়ে উদাৰবাদী বৃত্তি বা ব্যৱসায়ৰ সৈতে জড়িত, এজনো হস্তশিল্পী নহয়। তাঁতশালত কাম কৰাৰ আগতে আমি তাঁত বোৱা শিকাটো জৰুৰী আৰু তাৰ বাবে প্ৰয়োজন এগৰাকী দক্ষ তাঁতী। অৱশেষত এগৰাকী তাঁতী পালানপুৰৰ পৰা অনা হ’ল যদিও তেওঁ আমাক খুটি-নাটি মাৰি নিশিকালে। কিন্তু মগনলাল গান্ধীও ... ভকত নাছিল। কাৰিকৰী কৌশলেৰে দক্ষ মগনলালে আন বহুতে শিকাৰ আগতেই তাঁত ব’বলৈ ভালকৈ শিকি পেলাইছিল।

আমি লক্ষ্যস্থিৰ কৰিছিলোঁ যে সম্পূৰ্ণ নিজৰ হাতেৰে প্ৰস্তুত কৰা কাপোৰেতেই আমি আমাৰ বস্ত্ৰ প্ৰস্তুত কৰিব। আমি সেইবাবে কলত প্ৰস্তুত কাপোৰ বৰ্জন কৰিছিলোঁ। আশ্ৰমবাসী সকলোৰে ভাৰতীয় সূতাৰে হাতে বোৱা কাপোৰহে পিন্ধাৰ সংকল্প গ্ৰহণ কৰিলোঁ। এই কাৰ্যই আমাক বহু অভিজ্ঞতা প্ৰদান কৰিলো। ই আমাক তাঁতীসকলৰ জীৱন ধাৰণ পদ্ধতি সম্পৰ্কে শিকালে। তেওঁলোকৰ উৎপাদনৰ পৰিহাৰ, তেওঁলোকে সূতাত যোগান কৰাৰ ক্ষেত্ৰত অন্তৰায়, তেওঁলোক প্ৰৱঞ্চকৰ চিকাৰ হোৱা ঘটনা আৰু তেওঁলোকে সদায় ভুগি অহা ঋণ গ্ৰস্ততা আদিৰ বিষয়ে আমি বাৰুকৈয়ে অৱগত হ’লোঁ। আমি তৎক্ষণিকভাৱে আমাৰ চাহিদা পূৰাবলৈ সকলো কাপোৰ নিজে প্ৰস্তুত কৰিব পৰাকৈ সাজু হৈছিলোঁ। গতিকে তাঁতীসকলৰ পৰা কাপোৰৰ যোগান লাভ কৰাৰ বাহিৰে আন একো বিকল্প নাছিল। কিন্তু ভাৰতীয় সূতাকল বা তাঁতীসকলৰ পৰা সকলো ৰেডিমেইড’ বস্ত্ৰ লাভ কৰাটো সম্ভৱ নহয়। তাঁতীসকলে অধিকাংশ কাপোৰেই বিদেশী সূতাৰে প্ৰস্তুত কৰিছিল। আশ্ৰমবাসীৰ যৎপৰোনাস্তি চেষ্টাৰ পাছত তাঁতীসকলে কেৱল ভাৰতীয় সূতাৰে কাপোৰ ব’বলৈ মাতি লৈ যদিও চৰ্ত ৰাখিলে যে সকলো বস্ত্ৰ আশ্ৰমৰ তৰফৰ পৰা কিনি লোৱা হ’ব। এনেদৰে আমি ভাৰতীয় সূতা কলৰ স্বেচ্ছাসেৱী প্ৰচাৰকৰ দৰে হৈ পৰিলোঁ। তাৰ পাছত সূতাকল্পসমূহৰ ব্যৱস্থাপনা আৰু প্ৰতিবন্ধকতা সন্দৰ্ভত নিত্যনতুন কথা জানিবলৈ ধৰিলোঁ। এয়া স্পষ্ট যে আমি নিজেই নিজৰ সকলোখিনি সূতা বা কাপোৰ প্ৰস্তুত নকৰালৈ সূতাকলৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লাগিব। এনেদৰে ভাৰতীয় সূতাকলৰ প্ৰচাৰকৰ কাম কৰি থাকিলে দেশৰ সেৱা নহ’ব।

সময় বাগৰাৰ লগে লগে ধৈৰ্য কমি আহিল। আশ্ৰমৰ প্ৰত্যেকজন দৰ্শকৰ পৰা তাঁতশাল সম্বন্ধীয় তথ্য আহৰণ কৰিবলৈ ধৰিলে। উল্লেখযোগ্য যে তাঁতীসকলৰ অধিকাংশই আছিল মহিলা। মই অনবৰত তাঁতীৰ সন্ধানত থাকিলোঁ। ১৯১৭ চনত ব্ৰ’চ শৈক্ষিক সন্মিলনত সভাপতিত্ব কৰিবলৈ মোক গুজৰাটী বন্ধুবৰ্গই আমন্ত্ৰণ জনালে। তাতেই মই গংগাবেন মজুমদাৰ নামৰ মহিলাগৰাকীক লগ পালোঁ। তেওঁ স্বামীহীনা যদিও বৰ উদ্যমী আছিল। তেওঁৰ শৈক্ষিক অৰ্হতাও বিশেষ নাছিল। কিন্তু তেওঁ সাহস আৰু সহজাত জ্ঞানেৰে শিক্ষিত মহিলাকো কামত চেৰ পেলাইছিল। গোৰৰা সন্মিলনত মই তেওঁৰ বিষয়ে ভালকৈ জনাৰ সুযোগ পালোঁ। মই যঁতৰৰ সন্ধানত থকা বুলি জানিব পাৰি তেওঁ মোক আশ্বাস্ত কৰিলে যে অচিৰেই এই অধ্যায়ৰ অৱসান হ’ব। ❐

(মহাত্মা গান্ধীৰ আত্মজীৱনী 'The Story of My Experipents with Truth'ৰ পৰা সংগৃহীত।)

# বস্ত্ৰ ৰপ্তানি ঃ সাম্প্ৰতিক দৃশ্যপট আৰু আগলৈ যোৱা পথ

**বিজয়া কাট্রি***

**পাতনি ঃ**

বস্ত্ৰ উদ্যোগ হ'ল ভাৰতৰ এক অন্যতম পুৰণি উদ্যোগ। ই দেশখনৰ অৰ্থনৈতিক জীৱনত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। খণ্ডটোৱে উপাৰ্জন আৰু নিয়োগৰ ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণ বৰঙণি যোগাইছে আৰু ই হ'ল অৰ্থনীতিৰ এটা অন্যতম আধাৰ স্বৰূপ। বিশ্বৰ বৃহত্তম উদ্যোগৰ ভিতৰত ইয়ো এটা। ইয়াৰ বিপুল মাত্ৰাৰ কেঁচা সামগ্ৰী আৰু বস্ত্ৰ প্ৰস্তুতকৰণৰ এটা আধাৰ আছে। প্ৰায় ২৭ শতাংশ যি বৈদেশিক মুদ্ৰা অৰ্জন কৰা হয় সেয়া বস্ত্ৰ আৰু সাজ-পোছাক ৰপ্তানিৰ বাবদতেই উপলব্ধ হয়। ভাৰত হ'ল বিশ্বৰ ভিতৰত বস্ত্ৰ আৰু সাজ-পোছাক উৎপাদন কৰা দ্বিতীয় বৃহত্তম দেশ। মহুৰা তৈয়াৰ কৰাৰ ক্ষমতাও বেচ লেখত ল'বলগীয়া। বিশ্বত ইয়াৰ বৰঙণি হ'ল প্ৰায় ২৪ শতাংশ। তেনেদৰে ৰটৰ (Rotor) নিৰ্মাণ ক্ষমতাও কম নহয়। বিশ্বলৈ যোগোৱা ইয়াৰ বৰঙণিৰ হাৰ হ'ল ৮ শতাংশ।

ভাৰতত কিছুমান কেঁচা সামগ্ৰী প্ৰচুৰ পৰিমাণে পোৱা যায়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— কপাহ, ওল, ৰেচম আৰু মৰাপাট। ইয়াৰ উৎপাদন আৰু প্ৰস্তুত কাৰ্যত জড়িত থকা কৰ্মীসকলৰো দক্ষতা যথেষ্ট আছে আৰু সেয়ে এই সকলোবোৰ মিলি দেশখনক এটা উৎস-প্ৰধান কেন্দ্ৰস্থলত পৰিণত কৰিছে। প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ উদ্ৰেককৰণৰ ক্ষেত্ৰতো বস্ত্ৰ উদ্যোগৰ ভূমিকা মন কৰিবলগীয়া আৰু বৈদেশিক মুদ্ৰা অৰ্জনৰ দিশতো ই পিছ পৰি থকা নাই। সেয়ে ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ বস্ত্ৰ উদ্যোগৰ বৃহৎ বৰঙণি আছে বুলি বিনাদ্বিধাই ক'ব পাৰি। লেখৰ হিচাপত ঔদ্যোগিক উৎপাদনলৈ খণ্ডটোৰ বৰঙণি হ'ল ১৪ শতাংশ, মুঠ ঘৰুৱা উৎপাদনলৈ (জি ডি পি) ৪ শতাংশ আৰু দেশখনৰ বৈদেশিক মুদ্ৰাৰ অনঃস্ৰোতৰ (inflow) ক্ষেত্ৰত বৰঙণিৰ পৰিমাণ হ'ল ২৭ শতাংশ। পুনৰ নিয়োগৰ সন্দৰ্ভত ক'বলৈ গ'লে ভাৰতীয় বস্ত্ৰ উদ্যোগে ৪৫ নিযুততকৈ অধিক লোকক পোনপটীয়াভাৱে নিয়োগৰ যোগান ধৰিছে আৰু ৬০ নিযুত লোকক পৰোক্ষভাৱে নিয়োগৰ সুবিধা আগবঢ়াইছে আৰু ই হ'ল কৃষিৰ পিছতে দ্বিতীয় বৃহত্তম নিয়োগ প্ৰদান কৰোঁতা উদ্যোগ। গতিকে এই উদ্যোগৰ অগ্ৰগতি আৰু সৰ্বদিশৰ বিকাশ ভাৰতীয় অৰ্থনীতিৰ উন্নীতকৰণৰ ক্ষেত্ৰত পোনপটীয়া প্ৰভাৱ আছে।

বস্ত্ৰ আৰু সাজ-পোছাক উদ্যোগৰ নিৰন্তৰক গতি অটুট ৰখাৰ তিনিটা দিশ আছে। সেই কেইটা হ'ল— সামাজিক, পৰিৱেশমূলক আৰু অৰ্থনৈতিক। গোলকীয়কৰণৰ ইতিবাচক প্ৰভাৱ ভাৰতৰ বস্ত্ৰ ৰপ্তানিৰ ওপৰত পৰিছে। বস্ত্ৰৰ উৎপাদন আৰু ৰপ্তানি কৰা দেশবোৰে সূতা কটা আৰু বয়ন সা-সৰঞ্জামৰ ক্ষেত্ৰত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিছে। আনকি ঘৰুৱা আৰু আন্তৰ্জাতিক বজাৰত বিকাশশীল দেশবোৰৰ মূল্য নিৰূপণৰ তুলনামূলক সুবিধা থাকিলেও গোলকীয় স্তৰত উৎকৃষ্ট সামগ্ৰীৰ প্ৰতি আগ্ৰহী ক্ৰেতাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবৰ অৰ্থে সেই দেশবোৰে গাঁথনিগত পৰিৱৰ্তন আনিবলৈ এতিয়াও তেনে কাৰ্যসূচী ৰূপায়ণ কৰি আছে।


ভাৰতীয় বস্ত্ৰ উদ্যোগৰ ভিন্নতা বিশেষকৈ লক্ষণীয়। এহাতে হাতে কটা আৰু হাতে বোৱা বস্ত্ৰ খণ্ড আছে আৰু আনহাতে মূলধনী উন্মেষ সাধনৰ প্ৰতি সচেষ্ট থকা সূক্ষ্ম আৰু উন্নত বস্ত্ৰ তৈয়াৰী কাৰখানা খণ্ড আছে। বিকেন্দ্ৰীকৃত বিদ্যুৎচালিত তাঁতশাল আৰু গুঠন কাৰ্যত জড়িত থকা খণ্ড বস্ত্ৰ উদ্যোগৰ এক অনবদ্য অঙ্গ আৰু তেনেদৰে ই বৃহৎ ভূমিকাও পালন কৰে। কৃষি (কপাহৰ দৰে কেঁচা সামগ্ৰী দিশৰ পিনৰ পৰা) আৰু কাপোৰ বোৱা-কটা সন্দৰ্ভত দেশখনৰ যি প্ৰাচীন সংস্কৃতি আৰু পৰম্পৰা আছে সেই সকলোবোৰ মিলি ভাৰতৰ বস্ত্ৰ খণ্ডক অন্য দেশৰ উদ্যোগৰ তুলনাত এটা অনন্য ৰূপত প্ৰতিষ্ঠিত কৰিছে। বিভিন্ন বজাৰৰ উপযোগী হোৱাকৈ নানা তৰহৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষমতা ভাৰতীয় বস্ত্ৰ উদ্যোগৰ আছে— তেহেলৈ সেয়া দেশৰ ভিতৰতেই কওক অথবা বিশ্বৰ অন্যান্য ঠাইৰ কথাকেই কওক।

*বিজয়া কাট্রি নতুন দিল্লীৰ ইণ্ডিয়ান ইনষ্টিটিউট অব ফ'ৰেইন ট্ৰেডৰ অধ্যাপিকা আৰু (এম ডি পি-ৰ) অধ্যক্ষা

আকাৰৰ দিশৰ পিনৰ পৰা ভাৰতীয় বস্ত্ৰ উদ্যোগে সোনকালেই ৫০০ বিলিয়ন মাৰ্কিন ডলাৰ লাভ কৰাৰ ক্ষমতা আছে। এই বৃদ্ধি ঘৰুৱা বিক্ৰীৰে সাধন কৰাকেই বুজায়। সেই বিক্ৰীৰ পৰিমাণ বৰ্তমানৰ ৬৮ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ৩১৫ নিযুত মাৰ্কিন ডলাৰলৈ বৃদ্ধি হ'ব। তেনেদৰে ৰপ্তানিৰ পৰিমাণ এতিয়াৰ প্ৰায় ৪১ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ১৮৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য আছে। ইপিনে বিনিয়োগৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰত বস্ত্ৰ খণ্ডই অনেক পৰিমাণৰ ধনৰাশি লগ্নী কৰা দেখা যায়। এই ক্ষেত্ৰত উদ্যোগে (ৰং আৰু ছপা কাৰ্যকে ধৰি) বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰে— যাৰ ফলত ২০০০ চনৰ এপ্ৰিলৰ পৰা ২০১৫ চনৰ ছেপ্টেম্বৰলৈকে ১.৭৭ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ লগ্নীক আকৰ্ষিত কৰিবলৈ সমৰ্থ হয়।

**ভাৰতীয় বস্ত্ৰ উদ্যোগৰ বজাৰৰ আকাৰ আৰু বিকাশ**

ভাৰতীয় বস্ত্ৰ শিল্পত অতি পৰিৱৰ্তনৰ বিষয়টো হ'ল উন্নত সূতাৰ আগমন আৰু তাৰ সমাদৰ। মানৰ তৈয়াৰী এই সূতাৰ (Man-made fibres - MMF) উৎকৃষ্ট গুণৰ বাবেই বিদেশত সমাদৰ লাভ কৰিছে। দেশখনে এই MMF বস্ত্ৰক বিশ্বৰ প্ৰায় সকলোবোৰ দেশতেই সফলতাৰে উপস্থাপন কৰিবলৈ সমৰ্থ হয়। উৎপাদনৰ দিশত ইয়াৰ বৃদ্ধিৰ পৰিমাণ ১০ শতাংশ আৰু filament yarn উৎপাদনৰৰ পৰিমাণ ৬ শতাংশ। এয়া ২০১৪ বৰ্ষৰ ফেব্ৰুৱাৰীৰ অভিলেখ। তেনেদৰে MMFৰ উৎপাদন ২০১৩ বৰ্ষৰ এপ্ৰিলৰপৰা ২০১৪ বৰ্ষৰ ফেব্ৰুৱাৰীলৈকে প্ৰায় ৪ শতাংশ বৃদ্ধি পায়।




**বস্ত্ৰ ৰপ্তানি**

গোলকীয় বস্ত্ৰৰ ক্ষেত্ৰত ভাৰতৰ অংশ পৰিমাণ ২০১৩ বৰ্ষত তাৰ আগৰ বছৰৰ তুলনাত ১৭.৫ শতাংশ বৃদ্ধি পায়। বৰ্তমানে ভাৰতে ৪০.২ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ বস্ত্ৰ বিশ্বৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰে। এই বৃদ্ধি লেখত ল'ব লগা, কিয়নো গোলকীয় বস্ত্ৰৰ বৃদ্ধি হাৰ হ'ল মাত্ৰ ৪.৭ শতাংশ। তাৰ তুলনাত ভাৰতৰ বৃদ্ধি হাৰ হ'ল ২৩ শতাংশ। চীন আৰু বাংলাদেশকো ই পাছ পেলায়। চীনৰ বৃদ্ধি হাৰ হ'ল ১১.৪ শতাংশ আৰু বাংলাদেশৰ ১৫.৪ শতাংশ।

গোলকীয় বস্ত্ৰ ৰপ্তানিৰ মুঠ পৰিমাণ হ'ল ৭৭২ বিলিয়ন মাৰ্কিন ডলাৰ আৰু ইয়াত ভাৰতৰ অংশ ভাগ হ'ল ৫.২ শতাংশ— যিটোৱে প্ৰাধান্যতা বিস্তাৰ কৰাকেই সূচায়। ভাৰতৰ এই বৃদ্ধিৰ অংশ ঘাইকৈ সাজ-পোছাক আৰু কাপোৰ-কানি তৈয়াৰী কৰা খণ্ডই দাবী কৰিব পাৰে; কিয়নো ই অকলেই প্ৰায় ৪৩ শতাংশ অংশ ভাগৰ অধিকাৰী। সাজ-পোছাক ৰপ্তানিৰ ক্ষেত্ৰতো উন্নতি সাধন হয়। ২০১২ চনত এই খণ্ডটোৰ স্থান আছিল অষ্টম, কিন্তু ২০১৩ চনত ই অধিকাৰ কৰে ষষ্ঠ স্থান। মূল্যৰ লেখত ২০১২ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ১২.৯ বিলিয়ন মাৰ্কিন ডলাৰ, কিন্তু তাৰ বিপৰীতে ২০১৩ বৰ্ষত এই পৰিমাণ হয়গৈ ১৫.৭ বিলিয়ন মাৰ্কিন ডলাৰ। ভিয়েটনামৰ বাহিৰে শীৰ্ষ স্থানীয় পাঁচখন গোলকীয় বস্ত্ৰ যোগান ধৰোঁতা দেশৰ ভিতৰত ভাৰতৰ সাজ-পোছাক ৰপ্তানিৰ বৃদ্ধি হাৰ ২০১৩ বৰ্ষত আছিল সৰ্বাধিক— ২১.৮ শতাংশ। গোলকীয় ৰেডীমেড পোছাক ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতে ৰপ্তানি কৰা অংশ ভাগ হ'ল ৩.৭ শতাংশ।

তলৰ ১ আৰু ২নং তালিকাৰ পৰা দেখা যায় যে বিশ্বৰ ভিতৰত ৫ খন শীৰ্ষস্থানীয় ৰপ্তানিকাৰী দেশ হ'ল— চীন, ভাৰত, বাংলাদেশ, জাৰ্মানী আৰু ইটালী তথা ৫ খন শীৰ্ষস্থানীয় আমদানিকাৰী দেশ হ'ল— আমেৰিকা, জাৰ্মানী, জাপান, ব্ৰিটেইন আৰু ফ্ৰান্স। শীৰ্ষস্থানীয় ৫ খন ৰপ্তানিকাৰী দেশৰ ভিতৰত ভাৰতৰ স্থিতি জল-জল পট-পট, কিন্তু শীৰ্ষস্থানীয় আমদানিকাৰী দেশৰ তালিকাত ইয়াক দেখা নাযায়।

★ সামগ্ৰিক বস্ত্ৰ আৰু নিৰ্দিষ্ট ধৰণৰ কাপোৰ-কানিৰ ক্ষেত্ৰত বিশ্বৰ ৰপ্তানি বাণিজ্য এবছৰ কালৰ ভিতৰত (-) ২.২৫ শতাংশ হ্ৰাস পায়। ২০১৫ বৰ্ষৰ জানুৱাৰী-মাৰ্চত ইয়াৰ পৰিমাণ আছিল ১৭৫.৯৭ বিলিয়ন মাৰ্কিন ডলাৰ; কিন্তু ২০১৬ বৰ্ষৰ একেই কালছোৱাত (জানুৱাৰী-মাৰ্চ) হয়গৈ ১৭২.০১ বিলিয়ন মাৰ্কিন ডলাৰ।

তালিকা নং-১ ঃ **বস্ত্ৰ আৰু পোছাক ৰপ্তানিৰ ক্ষেত্ৰত বিশ্ব বাণিজ্য**

| বিশ্বৰ বস্ত্ৰ আৰু পোছাক ৰপ্তানি বৰ্ষ ঃ জানুৱাৰী - মাৰ্চ | | | | | |
|---|---|---|---|---|---|
| শ্ৰেণী | ৰিপোৰ্টিং দেশ | নিযুত মাৰ্কিন ডলাৰ হিচাপত | | | শতাংশ পৰিৱৰ্তন ২০১৬/২০১৫ |
| | | ২০১৪ | ২০১৫ | ২০১৬ | |
| | বিশ্ব | ১৮৬২৭১ | ১৭৫৯৭৬ | ১৭২০১৯ | - ২.২৫ |
| ১ | চীন | ৫৬৪৩৮ | ৫৭৯৪৪ | ৫৪৮৯৩ | - ৫.৩০ |
| ২ | ভাৰত | ১০৯৪৪ | ৯৯৪২ | ৯৪৮২ | - ৪.৬২ |
| ৩ | বাংলাদেশ | ৮১২৬ | ৮২৪৪ | ৮৮৯৬ | ৭.৯১ |
| ৪ | জাৰ্মানী | ৯৫০৮ | ৭৯৫২ | ৭৯৬৯ | ০.২২ |
| ৫ | ইটালী | ৯৭৯৫ | ৮০০২ | ৭৮৯৯ | - ১.২৯ |
| ৬ | ভিয়েটনাম | ৫৯২৮ | ৬৫৯০ | ৬৯২৩ | ৫.০৪ |
| ৭ | তুৰ্কী | ৭৩২২ | ৬২০৭ | ৬৪৯৩ | ৪.৬১ |
| ৮ | আমেৰিকা | ৭১০৭ | ৬৬৩৫ | ৫৮৪৫ | - ১১.৯০ |
| ৯ | হংকং | ৬৬০৯ | ৬০১৫ | ৫২০২ | - ১৩.৫২ |
| ১০ | স্পেইন | ৪২১৯ | ৩৭১৮ | ৩৯৫৩ | ৬.৩৩ |

শীৰ্ষ ১০ খন দেশে প্ৰায় ৬০ শতাংশ বাণিজ্য অধিকাৰ কৰে

**উৎস ঃ** জি টি আই এছ, জেনেভা

★ শীৰ্ষ দহখন দেশৰ ভিতৰত ২০১৬ বৰ্ষৰ জানুৱাৰী-মাৰ্চৰ কালছোৱাত বাংলাদেশৰ সৰ্বাধিক বৃদ্ধি হাৰ হ'ল ৭.৯১ শতাংশ। তাৰ পিছতেই স্পেইন— বৃদ্ধি হাৰ ৬.৩৩ শতাংশ।

★ ৰপ্তানিৰ ক্ষেত্ৰত উল্লিখিত বৰ্ষত ভাৰতৰ ৰপ্তানি হাৰ (-) ৪.৬২ শতাংশলৈ হ্ৰাস পায়। ২০১৫ বৰ্ষৰ জানুৱাৰী-মাৰ্চত ইয়াৰ পৰিমাণ আছিল ৯.৯৪ বিলিয়ন মাৰ্কিন ডলাৰ, কিন্তু ২০১৬ বৰ্ষৰ জানুৱাৰী-মাৰ্চৰ কালছোৱাত হয়গৈ ৯.৪৮ বিলিয়ন মাৰ্কিন ডলাৰ।

★ বৃহৎ ৰপ্তানিকাৰী দেশ হিচাপে চীনৰ ৰপ্তানি পৰিমাণ আছিল ৫৪.৮৭ বিলিয়ন মাৰ্কিন ডলাৰ। কিন্তু ইয়াৰ অৱনমিত হাৰ হ'ল (-) ৫.৩০ শতাংশ। তাৰ পিছতেই ইটালীৰ অৱনমিত হাৰ হ'ল (-) ১.২৯ শতাংশ।

৩নং তালিকাত ভাৰতে যোৱা ৩ বছৰ কালত বিশ্বলৈ ৰপ্তানি কৰা বস্ত্ৰ আৰু পৰিধান সামগ্ৰীৰ তথ্য দেখুওৱা হৈছে। মুঠ বস্ত্ৰ ৰপ্তানিৰ ক্ষেত্ৰত সামান্য হ্ৰাস পাইছে। ইয়াৰ কাৰণ হ'ল গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰত দেখা দিয়া লেহেমীয়া গতি। কিন্তু ভাৰতৰ ৰপ্তানি পৰিমাণ কেইখনমান দেশৰ ক্ষেত্ৰত বৃদ্ধি পাইছে। সেয়া হ'ল— আমেৰিকা, ইউ এ ই, পাকিস্তান, স্পেইন, শ্ৰীলংকা, কানাডা ইত্যাদি।

ৰপ্তানি হ্ৰাস পায় এইকেইখন দেশৰ— ভিয়েটনাম, বেলজিয়াম, ইজিপ্ট, নেদাৰলেণ্ড, তুৰ্কী, চীন ইত্যাদি।

বস্ত্ৰৰ ক্ষেত্ৰত ২১৪-১৫ বৰ্ষৰ কালছোৱাত যি ব্যয় কৰা হৈছিল তাৰ পৰা পোৱা বিকাশৰ হাৰ যথেষ্ট আছিল। কিন্তু ১২ খন দেশৰ কাৰণে এনে ব্যৱস্থা গ্ৰহণ কৰা বিকাশৰ হাৰ

তালিকা নং-২ ঃ **বিশ্ব বস্ত্ৰৰ আমদানি**

| বিশ্বৰ বস্ত্ৰ, কাপোৰ আদিৰ আমদানিৰ বৰ্ষ ঃ জানুৱাৰী - মাৰ্চ | | | | | |
|---|---|---|---|---|---|
| শ্ৰেণী | সূচান প্ৰদান দেশ | নিযুত মাৰ্কিন ডলাৰ হিচাপত | | | শতাংশ পৰিৱৰ্তন ২০১৬/২০১৫ |
| | | ২০১৪ | ২০১৫ | ২০১৬ | |
| | বিশ্ব | ১৬৭৭৫৭ | ১৫৮৫৪২ | ১৫৪২৪৫ | - ২.৭১ |
| ১ | আমেৰিকা | ২৫৭৪০ | ২৬৯১০ | ২৬৩৭৪ | - ২.৩৬ |
| ২ | জাৰ্মানী | ১৪০১৭ | ১২৪৭৭ | ১২৪১৭ | - ০.৪৮ |
| ৩ | জাপান | ৯৩৭২ | ৮৭৪০ | ৪৬৫৩ | - ১.০০ |
| ৪ | ব্ৰিটেইন | ৮৫৯৯ | ৮৫৯৮ | ৮৩২৮ | - ৩.১৩ |
| ৫ | ফ্ৰান্স | ৮২০০ | ৭৩২২ | ৭১৩২ | - ২.৫৯ |
| ৬ | চীন | ৮৮১১ | ৭৮৪২ | ৬৫৮৮ | - ১৫.৯৯ |
| ৭ | ইটালী | ৭২৫৮ | ৮৩৯৮ | ৬১৮৮ | - ৩.২০ |
| ৮ | স্পেইন | ৫৫০৭ | ৫০১০ | ৫৪৭৭ | ৯.৩০ |
| ৯ | ভিয়েটনাম | ৫১৫৭ | ৫৮৩৭ | ৪৯৮৯ | - ১৪.৫৩ |
| ১০ | নেদাৰলেণ্ডছ | ৫৩৭৩ | ৫০৩০ | ৪৯৪০ | - ১.৭৯ |

শীৰ্ষ ১০ খন দেশে প্ৰায় ৬০ শতাংশ বাণিজ্য অধিকাৰ কৰে

**উৎস ঃ** জি টি আই এছ, জেনেভা

তালিকা নং-৩ ঃ **বিশ্বলৈ ভাৰতৰ বস্ত্ৰ আৰু পৰিধান সামগ্ৰী ৰপ্তানি**

| শ্ৰেণী | অংশীদাৰ দেশ | বৰ্ষ/মূল্য/শতাংশ অংশ | | | শতাংশ পৰিৱৰ্তন |
|---|---|---|---|---|---|
| | | ২০১৩-১৪ | ২০১৪-১৫ | ২০১৫-১৬ | ২০১৬/২০১৫ |
| | বিশ্ব | ৩৭৫১৭.১১ (১০০.০০) | ৩৭৬৬১.৪৭ (১০০.০০) | ৩৬৭৬২ (১০০.০০) | - ২.৩৯ |
| ১ | আমেৰিকা | ৬৭১২.৫০ (১৭.৮৯) | ৭১৫৫.৩৮ (১৯.০০) | ৭৫২৩.৮৮ (২০.৪৭) | ৫.১৫ |
| ২ | সংযুক্ত আৰব এমিৰেটছ | ২৬৭৯.৯৩ (৭.১৪) | ৩৭৭৩.৮ (১০.০২) | ৪৪৬৬.৬৬ (১২.১৫) | ১৮.০৬ |
| ৩ | ব্ৰিটেইন | ২৩৭১.৪০ (৬.০৫) | ২৪৮৬.৭৬ (৬.৫০) | ২৩৯৯.১১ (৬.৫৩) | - ৩.৪১ |
| ৪ | বাংলাদেশ | ১৯২৮.২০ (৫.১৪) | ১৯৭৩.৭৭ (৫.২৪) | ২০৮৮.৪৬ (৫.০৮) | ৫.৮১ |
| ৫ | চীন | ৪০৭৫.২৯ (১০.৮৬) | ২৫৯৩.৩৪ (৬.৮৯) | ১৯৭০.৬০ (৫.৩৬) | - ২৪.০২ |
| ৬ | জাৰ্মানী | ১৮২২.৯১ (৪.৮৬) | ১৮২৭.৭৪ (৪.৮৫) | ১৬৮২.৮৭ (৪.৫৮) | - ৭.৯৩ |
| ৭ | ফ্ৰান্স | ৯৭৪.৩২ (২.৬০) | ১১০২.৫০ (২.৯৩) | ১০২৮.৫২ (২.৮০) | - ৬.৭১ |
| ৮ | পাকিস্তান | ৬০৯.১৬ (১.৭০) | ৩৮৭.৫৫ (১.০৩) | ৯৯০.১৭ (২.৬৯) | ১৫৫.৪৯ |
| ৯ | স্পেইন | ৮২৮.০৬ (২.২১) | ৯০৭.০৯ (২.৪১) | ৯৬৩.০৬ (২.৬২) | ৬.১৭ |
| ১০ | ইটালী | ৮৭২.২১ (২.৩২) | ৮৬১.৭৬ (২.২৯) | ৭৭৬.৮২ (২.১১) | - ৯.৮৬ |
| ১১ | তুৰ্কী | ৪৬৮.৪২ (২.৩১) | ৭৩৭.৪৮ (১.৯৬) | ৬১৯.১৬ (১.৬৮) | - ১৬.০৪ |
| ১২ | শ্ৰীলংকা | ৫৭৪.৩৫ (১.৫৩) | ৫৭১.০৬ (১.৫২) | ৫৯৪.৮৪ (১.৬২) | ৪.১৬ |
| ১৩ | নেদাৰলেণ্ড | ৬৪৭.৩৩ (১.৭৩) | ৬৪৩.৭৩ (১.৭১) | ৫৬৯.৮৩ (১.৫৫) | - ১১.৪৮ |
| ১৪ | কানাডা | ৪৪৯.৬৪ (১.৩০) | ৪৪০.১৪ (১.১৭) | ৪৮০.৬৫ (১.৩১) | ৯.২১ |
| ১৫ | চৌদী আৰবিয়া | ৪৬৭.৯৩ (১.২৫) | ৪৪৬.০৯ (১.১৮) | ৪৪০.১৪ (১.২০) | - ১.৩৪ |
| ১৬ | বেলজিয়াম | ৫৫০.৬৯ (১.৪৭) | ৫০০.৩৩ (১.৩৩) | ৩৯৫.৭৩ (১.০৮) | - ২০.৯১ |
| ১৭ | অষ্ট্ৰেলিয়া | ৩১৯.৫৬ (০.৮৫) | ৩৬৪.৯৫ (০.৯৭) | ৩৮৪.৫৫ (১.০৫) | ৫.৩৭ |
| ১৮ | জাপান | ৪২৫.২৯ (১.১৩) | ৪০৭.৫২ (১.০৮) | ৩৭৩.১২ (১.০১) | - ৪.৪৪ |
| ১৯ | ইজিপ্ত | ৪০২.৬১ (১.০৭) | ৪৩৩.০০ (১.১৫) | ৩৬২.৮৬ (০.৯৯) | - ১৬.০০ |
| ২০ | ভিয়েটনাম | ৪৩৫.৬৫ (১.১৬) | ৫৪০.৯২ (১.৪৪) | ৩৬২.১৩ (০.৯৯) | - ৩৩.০৫ |

**উৎস ঃ** জি টি এ/বাণিজ্য মন্ত্ৰণালয়। (বন্ধনীৰ মাজত দিয়া মূল্যই শতাংশ অংশ বুজাইছে।)

২০১৫-১৬ বৰ্ষৰ কালছোৱাত অৱনমিত হয়। কিন্তু ৮ খন দেশৰ কাৰণে এনে বিকাশ হাৰ বৃদ্ধি পায়। এই বিকাশৰ বৃদ্ধি হাৰ পাকিস্তানৰ ক্ষেত্ৰত সৰ্বাধিক আছিল আৰু তাৰ পিছতেই সংযুক্ত আৰব এমিৰেট্ছৰ কথা ক'ব পাৰি। ৰপ্তানিৰ কাৰণে গ্ৰহণ কৰা এনে পদক্ষেপৰ কাৰণ হ'ব পাৰে ভাৰতীয় বস্ত্ৰৰ আন কিছুমান দেশত পৰোক্ষভাৱে প্ৰৱেশ কৰাটো। কিন্তু ইয়াৰ কাৰণসমূহ উদ্‌ঘাটন কৰা আৱশ্যক।

★ ভাৰত ২০১৬ চনৰ জানুৱাৰীৰ পৰা এপ্ৰিল মাহৰ কালছোৱাত আমেৰিকালৈ যোগান ধৰা তৃতীয় বৃহত্তম দেশ হৈ আছে। এই কালছোৱাত বৃদ্ধি হাৰ হ'ল ০.২ শতাংশ। ইয়াৰ আগস্থান অধিকাৰীৰ দুখন দেশ যথাক্ৰমে হ'ল চীন আৰু ভিয়েটনাম।

★ ইউৰোপীয় সংঘৰ দেশবোৰলৈ বস্ত্ৰ আৰু পৰিধান সামগ্ৰী ৰপ্তানি কৰা সামগ্ৰিক বিকাশ হাৰ হ'ল ১.৪৯ শতাংশ। ২০১৫ চনৰ জানুৱাৰী-এপ্ৰিল কালছোৱাত ৪০.১৬ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ২০১৬ চনৰ জানুৱাৰী-এপ্ৰিল কালছোৱাত ৪০.৭৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পায়।

★ আগশাৰীৰ যোগান ধৰোঁতা চীনৰ আমদানি পৰিমাণ ২০১৬ বৰ্ষৰ জানুৱাৰী-এপ্ৰিল মাহত (-)৭.৪৭ শতাংশ হ্ৰাস পায়, বাংলাদেশৰ বৃদ্ধি হাৰ সেই কালছোৱাত ৮.৯ শতাংশ

তালিকা নং-৬ ঃ **বস্ত্র সামগ্ৰীৰ ৰপ্তানি** (নিযুত মাৰ্কিন ডলাৰ হিচাপত)

| | **এপ্ৰিল-মাৰ্চ, ২০১৩** | | **এপ্ৰিল-মাৰ্চ, ২০১৪** | | | **এপ্ৰিল-মাৰ্চ, ২০১৫** | | |
|---|---|---|---|---|---|---|---|---|
| | **মূল্য** | **%ভাগ** | **মূল্য** | **%বৃদ্ধি** | **%ভাগ** | **মূল্য** | | **%ভাগ** |
| মুঠ | ৩,০০,৪০০.৫৭ | | ৩,১৪,৪০৫.২৯ | ৪.৭% | | ৩,১০,৩৩৮.৪৭ | -১.৩% | ১১.৯৭ |
| বস্ত্ৰ আৰু সংশ্লিষ্ট সামগ্ৰী | ৩২,৮৮৫.৪৫ | ১০.৯৫ | ৩৬,৯৬৭.৫৬ | ১২.৪% | ১১.৭৬ | ৩৭,১৪০.৭৪ | ০.৫% | ১১.৯৭ |
| মানৰ তৈয়াৰী এছ টি এপল ফাইবাৰ | ৫১৬.২৪ | ১.৫৭ | ৫৯৭.৭৯ | ১৫.৫% | ১.৬২ | ৫৩১.৩৯ | -২৭% | ১.০০ |
| কপাহৰ সূতা | ৩৫২.২৯ | ১০.৭৪ | ৪,০৫০.২৫ | ২৮.৮% | ১২.৩১ | ১০১৭.৪১ | ৭% | ১৪.৮৫ |
| কপাহৰ সূতা, সুকীয়াভাৱে তৈয়াৰী সূতা | ৪,৭১০.৫২ | ১৪.৩৩ | ৫১১৮.৪৭ | ৮.৭% | ১৩.৮৫ | ৫৩১০.৪২ | ২.৮% | ১৪.৮৫ |
| অন্যান্য সূতা, সৰু সূতা, মানৰ তৈয়াৰী সামগ্ৰী | ৩৮০.৪৮ | ১.১৬ | ৪২২.০০ | ১০.৯% | ১.১৪ | ৩০৯.৫ | -৫.৩% | ১.০০ |
| কেঁচা ৰেচম | ০.৫২ | ০.০০ | ০.৮০ | -৯২.৫% | ০.০ | ০.১১ | ১৭৫% | ০.০০ |
| স্বাভাৱিক চিল্ক য়াৰ্ণ, তৈয়াৰী সূতা | ১৫৫.৩৫ | ০.৪৭ | ১৪২.৮৩ | ৮.০% | ০.৩৯ | ১২৪.০৭ | ১২% | ০.৩৪ |
| মানৰ তৈয়াৰী ডাঙৰ সূতা আৰু প্ৰস্তুত সূতা | ৪,৫৩৬.০০ | ১৩.৩৯ | ৫১৬১.৪৭ | ১৪.৩% | ১৪.০০ | ৫২৭৫.২০ | ১.৮% | ১৪.২০ |
| কেঁচা ওল | ০.১৯ | ০.০০ | ০.৩ | ৫.৩% | ০.০০ | ০.০০ | ৪৮.৭% | ০.০০ |
| ওলৰ য়াৰ্ণ, সূতা আৰু মেডআপ্ | ১৩২.৮৬ | ০.৪০ | ১২৭.০৭ | -৪.৪% | ০.০০ | ২০১.৮৩ | ৫৮.০% | ০.৫৪ |
| সংশ্লিষ্ট উপাদানকে ধৰি আৰ এম জি কপাহ | ৮৪৪৩.৮৯ | ৩.০৮ | ৯১০৬.৩০ | ৭.৮% | ৩১.০১ | ৯২৬.০১ | ১% | ২৪.০০ |
| আৰ এম জি ৰেচম | ২৩৬.৭ | ০.১৩ | ২৩৬.৫০ | -০১% | ০.৬৪ | ৩৮০.১৭ | ২৩% | ০.০২ |
| আৰ এম জি মানৰ তৈয়াৰী সূতা | ২৫৩১.৩০ | ৭.০৭ | ৩১৪৪.৮৩ | ৩৪% | ৮.৫২ | ৩৯৭.১০ | ০.৩০% | ০.৭৬ |
| আৰ এম জি ওল | ২৯৩.৩৮ | ০.৮৯ | ৩০৭.৪৭ | ৪% | ০.৮৩ | ৭৭.৭৫ | ০.১% | ০.৮৩ |
| অন্য বস্ত্ৰ সামগ্ৰীৰ আৰ এম জি | ১৪৫১.০৫ | ৪.৪৩ | ২১০০.০০ | ৫০.৭% | ৫.০০ | ২০৪১.০০ | ৩০.২% | ৭.৮০ |
| কইৰ এণ্ড কইৰ মেনুফেক্‌চাৰছ | ১৯৬.৩৯ | ০.০০ | ২২৯.০০ | ১৭.০০% | ০.০০ | ২৮.১ | ৩১.১% | ০.৭৭ |
| হস্ততাঁত উৎপাদন সামগ্ৰী | ৫১৫.৩১ | ১.৫৭ | ১৭৩.০০ | -২৭.০% | ১.০০ | ৩৯০.৫০ | ৪১.৯% | ১.০০ |
| ৰেচমৰ অৱশিষ্ট | ১১.৫৮ | ০.০০ | ১৬.২৫ | ৪০.৩% | ০.০০ | ১৭ | ৮৮% | ০.০০ |
| কেঁচা মৰাপাট | ১৭.৫৪ | ০.০০ | ১৬.৮১ | ৭.২% | ০.০৫ | ১৯.৪১ | ১.৫% | ০.০০ |
| মৰাপাটৰ ৰছী | ৪০.৫৪ | ০.১২ | ২৩.৪৬ | -৪২.১% | ০.০০ | ২.০৪ | ৩.৩ | ০.০০ |
| মৰাপাটৰ হেছিয়ান | ১৬১.০৫ | ০.৪৯ | ১৪১.০ | -১২.০% | ০.৩৮ | .৩৬ | ৪১১.১% | ০.১৪ |
| মৰাপাটৰ ফ্ল’ৰ কভাৰিং | ৫৩.২৩ | ০.১০ | ৬৩.০০ | ১৯.০% | ০.১৭ | ৩৬.৩ | ৩৫.৭% | ০.৩৩ |
| মৰাপাটৰ অন্যান্য প্ৰস্তুত সামগ্ৰী | ১৩৫.৪২ | ০.৪১ | ১৫২.৮৩ | ১২% | ০.৪১ | ১১২.৫৫ | ৩৪.৪% | ০.৫০ |
| হাতে তৈয়াৰী কাৰ্পেট (মাত্ৰ ৰেচমৰ) | ১০৮৯.৫৫ | ৩.৩১ | ১১৯৩.৭৩ | ৭% | ৩.১৮ | ১৪৩০.১৭ | ১৫% | ৩.০০ |
| চিল্কৰ কাৰ্পেট | ৩.৯২ | ০.০০ | ২.৫৭ | ৩৪.৪% | ০.০০ | ৩.০৩ | ১% | ০.০০ |
| কেঁচা ৰেচম আৰু অৱশিষ্ট | ৩৭৪৭.৭৩ | ১১.৪০ | ১৬৭২.৫৩ | -২.০০% | ০.০০ | ১৩০০ | -৪৭.০০% | ০.১২ |

**উৎস ঃ** উদ্যোগ আৰু বাণিজ্য মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদন

আৰু তুৰ্কীৰ হাৰ হ’ল ৭.৬৫ শতাংশ।

★ কম্বোডিয়াই উল্লিখিত কালছোৱাত সৰ্বাধিক বৃদ্ধি হাৰ লাভ কৰে (২৩.১২ শতাংশ)। তাৰ পিছত ভিয়েটনাম আৰু মৰক্কোৰ যথাক্ৰমে এই হাৰ হ’ল ১০.৪৯ শতাংশ আৰু ১১.৯৪ শতাংশ। পাকিস্তানৰ এই বৃদ্ধি হাৰ একেই কালছোৱাত হ’ল ৬.৬৬ শতাংশ।

★ ভাৰতৰ (৪ৰ্থ বৃহৎ যোগান ধৰোঁতা দেশ) মজলীয়া বৃদ্ধি হাৰ হ’ল ০.৩৪

তালিকা নং-৭ ঃ **বস্ত্ৰ সামগ্ৰীৰ আমদানি** (নিযুত মাৰ্কিন ডলাৰ মূল্যত)

| | **এপ্ৰিল-মাৰ্চ, ২০১৩** | | **এপ্ৰিল-মাৰ্চ, ২০১৪** | | | **এপ্ৰিল-মাৰ্চ, ২০১৫** | | |
|---|---|---|---|---|---|---|---|---|
| | মূল্য | %ভাগ | মূল্য | %বৃদ্ধি | %ভাগ | মূল্য | %বৃদ্ধি | %ভাগ |
| মুঠ | ৪,৯০,৭৩৬.৬৪ | | ৪,৫০,১৯৯.৭৮ | | | ৪,৪৮,০৩৩.৪০ | | |
| বস্ত্ৰ আৰু তেনে ধৰণৰ উৎপাদন | ৪৯১৮.৬৫ | ১.০০ | ৪৮৩৫.৯৩ | ৪.৭% | ১.০৭ | ৫৫১২.৪৪ | ১৪.০% | ১.২৩ |
| মানৱ তৈয়াৰ আঁহ | ২৮২.২৩ | ৫.৭৪ | ৩২৮.২৯ | ৪.১% | ১.১২ | ৪১.৩৩ | -২৩.৯% | ৭.৩৮ |
| কপাহৰ সূতা | ৫২.১৪ | ১.০৬ | ৫৪.২৮ | ৪.১% | ৬.৭৯ | ৪০৬.৭৮ | ২৩.৯% | ০.৭৫ |
| কপাহৰ সূতা আৰু মানৱ তৈয়াৰী আদি | ৫১৬.৪৪ | ১০.৫০ | ৫০৯.৪২ | ৫.৪% | ১.১২ | ৪১.৩৩ | -২৩% | ৯.১৮ |
| অন্য ৰছী, সূতা তথা তৈয়াৰী সামগ্ৰী | ৫৮০.১৫ | ১২.০০ | ৬১৪.১৭ | -১.৪% | ১০.৫৮ | ৫০৬.১ | -০.৭% | ১১.৩৮ |
| কেঁচা ৰেচম | ২৭.২১ | ৪.৬২ | ১৪৮.৫১ | ৪.১% | ১২.৭০ | ৭৩৭.৩৩ | ২৬.১% | ২.৮৮ |
| স্বাভাৱিক ৰেচম সূতা আদি | ৮০.৩৩ | ১.৬৩ | ৬৫.৬৭ | -৩৪.৬% | ৩.০৭ | ১৫৮.৯৩ | ৭.০% | ০.৯৪ |
| মানৱ তৈয়াৰী ৰছী, সূতা আদি | ১৬২.৫ | ৩৩.৮০ | ১৬৫৯.৬০ | -১৮.২% | ১.৩০ | ০.৭২ | ২১.২% | ৩৪.২১ |
| কেঁচা ওল | ৭৮০.০০ | ৬.৭৩ | ৩২৫.২২ | -০২% | ৩৪.৩২ | ১৮৮৫.৭১ | ১১.০০% | ৬.৩৩ |
| ওলৰ ৰছী, আঁহ আদি | ৫০.০০ | ১.১৩ | ৫২.১১ | -১.৭% | ৬.৭৩ | ৩৪৮.৭৩ | ৭.২% | ১.১৭ |
| আৰ এম জি কপাহ এছেচৰিকে ধৰি | ১৯১.৩৭ | ৩.৪৮ | ২১৭.৫২ | -৬.৩% | ১.০৮ | ৬৪.৪৬ | ২৩.৭% | ৪.২৯ |
| আৰ এম জি ৰেচম | ৪.০৫ | ০.০৮ | ৫.১৭ | ২৭.০% | ৪.৫০ | ২৩৬.৪৯ | ৮.৭% | ০.১১ |
| আৰ এম জি মানৱ তৈয়াৰী আঁহ | ০০.০০ | ১.৩৫ | ১০২.৮১ | ২৭.৭% | ০.১১ | ৬.১৩ | ১৮.৬% | ২.৫৯ |
| আৰ এম জি ওল | ১৩.৭১ | ০.২৮ | ১৫.১৯ | ৫৪.৪% | ২.১৩ | ১৪২.৫১ | ২৮.৬% | ০.২৯ |
| আৰ এম জি অন্য বস্ত্ৰ সামগ্ৰী | ৭১.৯ | ১.৪৬ | ৯৩.০৩ | ১০.৩% | ০.৩১ | ১৬.০৮ | ৫.৭% | ২.২৩ |
| কইৰ তথা কইৰ প্ৰস্তুত সামগ্ৰী | ১৭.৩৪ | ০.৫ | ৯.৬১ | ২৯.৪% | ১.৯২ | ১২৩.৭২ | ৩১.৯% | ০.১০ |
| হস্ততাঁত সামগ্ৰী | ১৩.৭৫ | ০.২৮ | ১৮.৮০ | ২৭.৭% | ২.১৩ | ২৩৬.৪৯ | -৪২.২% | ০.১০ |
| ৰেচমৰ পেলনীয়া সামগ্ৰীৰ তৈয়াৰী | ৩.১৯ | ০.০৬ | ৪.৭৭ | -৬২.৫% | ১.৯২ | ৬.১৩ | -৪১.১% | ০.০৮ |
| কেঁচা মৰাপাট | ৪৯.৪৮ | ১.৩৯ | ২৫.৭১ | -০২.৫% | ০.১০ | ১০.২ | ৮.৮% | ০.৪২ |
| মৰাপাটৰ ৰছী | ৪৫.০৯ | ০.৯৩ | ৪৭.২৪ | ৩.৬% | ০.৯৮ | ২১.১৮ | ৫.৭% | ০.৯১ |
| মৰাপাটৰ হেছিয়ান | ১৬.০০ | ০.৩৩ | ১৩.৪৩ | -১৬.৫% | ০.২৮ | ২৯ | ১১৫.৯% | ০.৫৩ |
| মৰাপাটৰ ফ্ল'ৰত পাৰি দিয়া আৱৰণ | ০.৮৭ | ০.০২ | ১.২৯ | ৪৮.৩% | ০.০৩ | ০.৯১ | -২৯.৫% | ০.০২ |
| অন্যান্য মৰাপাট প্ৰস্তুত সামগ্ৰী | ১১৬.০০ | ২.১৮ | ০৮.০৬ | -৪১.৮% | ১.৪১ | ৮১.১৪ | ১৯.২% | ১.৪৭ |
| হাতে তৈয়াৰী চিল্কৰ কাৰ্পেট | ৩৩.০০ | ১.১২ | ৬১.৩৩ | ১১.৪% | ১.২৭ | ৭৪.৪২ | ২১.৩% | ১.৩৫ |
| চিল্কৰ কাৰ্পেট | ০.৫২ | ০.০১ | ০.১ | -৮০.৮% | ০.০০ | ০.০৭ | ৩০.০% | ০.০০ |
| ৰাহি থকা সামগ্ৰীকে ধৰি কেঁচা কপাহ | ৪৫৫.৭৫ | ৯.২৭ | ৩৯৪.৪৭ | -১৩.৪% | ৮.১৬ | ৫০৮.৮ | ২৯.০% | ৯.২৩ |

**উৎস ঃ** বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়ৰ বাৰ্ষিক প্ৰতিবেদন

শতাংশ (২০১৬ চনৰ জানুৱাৰী-এপ্ৰিল মাহৰ কালছোৱাত)।

৬নং তালিকাত শ্ৰেণীবিশেষে বস্ত্ৰ সামগ্ৰীৰ ৰপ্তানিৰ ছবিখন ওলাই পৰিছে। সমূহ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ বস্ত্ৰ ৰপ্তানিৰ শতাংশ হাৰৰ অংশ ভাগ বৃদ্ধি পাইছে। উল্লেখ কৰা সংখ্যাৰ পৰা সামগ্ৰীকেইবিধৰ অংশভাগ জানিব পৰা যায়। সেইবোৰ সামগ্ৰী হ'ল— কপাহৰ ডাঙৰ সূতা, সৰু সূতা ইত্যাদি; মানুহে তৈয়াৰ কৰা সূতা— ডাঙৰ আৰু সৰু বিধ; বিভিন্ন উপাদানকে ধৰি আৰ এম

তালিকা নং- ৮ ঃ **২০১৫-১৬ বৰ্ষৰ নিৰ্বাচিত বস্ত্ৰ সামগ্ৰীৰ শীৰ্ষ পাঁচ ৰপ্তানি লক্ষ্য স্থান**

| (৫০) ৰেচম | (৫১) ওল, মিহি অথবা খহটা জন্তুৰ চুলি, ঘোঁৰাৰ চুলি ৰছী আৰু পকোৰা সূতা | (৫২) কপাহ | (৫২) কিছু শাক-পাচলিৰ তৈয়াৰী সূতা, কাগজৰ তৈয়াৰী ৰছী আৰু পকোৰা সূতা | (৫৪) মানুহে তৈয়াৰ কৰা ফিলামেণ্ট | (৫৫) মানুহে তৈয়াৰ কৰা ষ্টেপল ফাইবাৰ | (৫৬) ৱেদিং, ফেল্ট এণ্ড ননওভেন, স্পেচিয়েল য়াৰ্ণ, Twine Cordage, ৰছী আৰু কেবল তথা তাৰেই অন্য সামগ্ৰী |
|---|---|---|---|---|---|---|
| আমেৰিকা | ব্ৰিটেইন | চীন | চীন | ইউ এ ই | বাংলাদেশ | ইৰাণ |
| ব্ৰিটেইন | ইটালী | বাংলাদেশ | আমেৰিকা | তুৰ্কী | তুৰ্কী | ইউ এ ই |
| চীন | জাপান | পাকিস্তান | নেদাৰলেণ্ডছ | ব্ৰাজিল | ইউ এ ই | আমেৰিকা |
| সংযুক্ত আৰব এমিৰেটছ | কোৰিয়া | ভিয়েটনাম | কোৰিয়া গণৰাজ্য | আমেৰিকা | আমেৰিকা | ব্ৰিটেইন |
| জাৰ্মানী | আমেৰিকা | শ্ৰীলংকা | ব্ৰিটেইন | বাংলাদেশ | ইৰাণ | তুৰ্কী |

**উৎস ঃ** বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়ৰ ৰপ্তানি-আমদানি ডাটা বেংক

জি কপাহ, আৰ এম জি মানৰ প্ৰস্তুত আঁহ, অন্য বস্ত্ৰ সামগ্ৰীৰ আৰ এম জি ইত্যাদি। এইবোৰৰো শতাংশ হাৰৰ অংশভাগ বৃদ্ধি পাইছে।

৭নং তালিকাত বস্ত্ৰ সামগ্ৰীৰ আমদানি দেখুওৱা হৈছে। ভাৰতৰ মুঠ আমদানিৰ বস্ত্ৰৰ শতাংশ হাৰৰ অংশভাগ বেচ বৈশিষ্ট্যপূৰ্ণ। অন্য সামগ্ৰীৰ তুলনাত কেৰলৰ পূৰ্ণভাৱে তৈয়াৰ কৰা সামগ্ৰীহে সৰহীয়াকৈ আমদানি কৰা হয়।

৮নং তালিকাত ভাৰতৰ নিৰ্বাচিত বিভিন্ন শ্ৰেণীৰ বস্ত্ৰৰ কাৰণে শীৰ্ষ পাঁচখন ৰপ্তানি লক্ষ্য স্থানক দেখুওৱা হৈছে। আমেৰিকা, ব্ৰিটেইন, বাংলাদেশ আৰু চীনৰ ক্ষেত্ৰত সামগ্ৰী লাভ কৰা সন্দৰ্ভত তেনে কোনো ধৰণৰ ভিন্নতা নাই। কিন্তু ইৰাণ এই পাঁচ আমদানিকাৰীৰ তালিকাত শীৰ্ষ স্থানত থকা যেন লাগে। মানৱ নিৰ্মিত ষ্টেপল ফাইবাৰছৰ (৫৫ বিধ) কাৰণে ই নিজ স্থিতি বাহাল ৰাখিছে। ইপিনে তুৰ্কী অন্য সামগ্ৰীৰ (৫৬ বিধ) আমদানিকাৰী দেশৰূপে শীৰ্ষ স্থান অধিকাৰ কৰা যেন লাগে। তেনে সামগ্ৰীৰ ভিতৰত উল্লেখযোগ্য হ'ল— ৱাডিং, ফেল্ট এণ্ড নন-অভ'ন, স্পেছিয়েল য়াৰ্ণছ, টুৱাইন, কৰ্ডেজ, ৰছী আৰু কেবল তথা তেনে জাতীয় সামগ্ৰী। এই শ্ৰেণীৰ সামগ্ৰীৰ ক্ষেত্ৰত কম অথবা কোনো মূল্য সংযোজন কৰাৰ আৱশ্যক নকৰে, আৰু সেয়ে সেইবোৰৰ ৰপ্তানি বৃদ্ধি কৰিবৰ কাৰণে বিশেষ প্ৰচেষ্টাৰ প্ৰয়োজন নকৰে। তাৰ পৰিৱৰ্তে মূল্য সংযোজিত উৎপাদনৰ দিশতহে প্ৰচেষ্টা দৃঢ় কৰা উচিত। ইয়াৰ সবিশেষ ৯ আৰু ১০নং তালিকাত দিয়া হৈছে।

৯ আৰু ১০ নম্বৰ তালিকাত ভাৰতৰ কিছুমান ৰপ্তানি সামগ্ৰীৰ সবিশেষ দিয়া হৈছে। তেনে সামগ্ৰীবোৰ হ'ল—এপাৰল এণ্ড ক্লথিং এছেছ'ৰিজ নিটেড অৰ ক্ৰচ্ছটিচ্ছ অন্য তৈয়াৰী বস্ত্ৰ সামগ্ৰী, গাত লোৱা কাপোৰ আৰু পৰিধান কৰা বস্ত্ৰ সামগ্ৰী তথা ৰগ (গৰম বস্ত্ৰ)। তালিকাত প্ৰতিখন দেশৰ শতাংশ অংশভাগক আলোকপাত কৰা হৈছে আৰু ২০০৫ চনৰপৰা ২০১৫ চনলৈকে এই নিৰ্দিষ্ট সামগ্ৰীসমূহৰ বৃদ্ধি হাৰো দিয়া হৈছে। তালিকাত দেখিবলৈ পোৱাৰ দৰে ৬১ আৰু ৬২ শ্ৰেণীৰ ক্ষেত্ৰত শতাংশ হাৰৰ অংশভাগ অন্য সকলোবোৰ দেশৰ তুলনাত সংযুক্ত আৰব এমিৰেট্‌ছে

তালিকা নং-৯ ঃ **যোৱা ১০ বছৰৰ নিৰ্বাচিত বস্ত্ৰ সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত বৰ্দ্ধিত শতাংশ হাৰৰ অংশভাগৰ দেশসমূহ**

| বৰ্ষ | (৬১) সাজ-পোছাক আৰু বস্ত্ৰ সামগ্ৰীৰ প্ৰয়োজনীয় বস্তু-বাহানি, গুঠা কিম্বা জালি কটা | | | বিনা গুঠা পোছাক আৰু বস্ত্ৰ সামগ্ৰীৰ বস্তু-বাহানি | | (৬৩) অন্য তৈয়াৰী বস্ত্ৰ সামগ্ৰী, চেটছ, পৰিধান বস্ত্ৰ আৰু ৰাগ আদি | | | |
|---|---|---|---|---|---|---|---|---|---|
| | ইউ এ ই | ব্ৰিটেইন | চৌদী আৰবীয়া | ইউ এ ই | স্পেইন | আমেৰিকা | ইউ এ ই | অষ্ট্ৰেলিয়া | কানাডা |
| ২০০৫-০৬ | ৫.০৩ | ১০.৩২ | ১.৭৫ | ৫.২৮ | ৪.৪৪ | ৪২.৫৭ | ২.২৫ | ১.৮৫ | ২.৩১ |
| ২০০৬-০৭ | ৫.০০ | ৯.৫৮ | ১.৩৮ | ৬.৪৭ | ৩.৫৯ | ৪৮.১৭ | ২.২০ | ১.৮৭ | ২.৫২ |
| ২০০৭-০৮ | ৫.০৬ | ১১.৩৭ | ১.৩৬ | ৭.৯৮ | ৩.৯৪ | ৪২.৫৬ | ২.২৫ | ১.৭১ | ২.৫৫ |
| ২০০৮-০৯ | ৭.২৭ | ১২.০৯ | ১.৭০ | ৯.৮৯ | ৫.৫৭ | ৪০.৩২ | ২.৭৫ | ২.১৫ | ২.১৮ |
| ২০০৯-১০ | ৮.২৫ | ১১.৯৪ | ১.৫৮ | ৯.৬৩ | ৫.৮৪ | ৪৪.৬৫ | ২.৯৩ | ২.৩২ | ১.৯৬ |
| ২০১০-১১ | ১০.৮৯ | ৯.৫৬ | ২.৮৪ | ৮.৪৩ | ৫.৬৭ | ৪৫.২৯ | ২.৮২ | ২.৩৫ | ১.৮০ |
| ২০১১-১২ | ১০.৮৪ | ১৩.১৯ | ২.০৩ | ৯.১১ | ৪.৯০ | ৪৪.৭৯ | ৩.১৭ | ২.৫২ | ৩.০৯ |
| ২০১২-১৩ | ১১.৫৭ | ১২.৩৩ | ২.১৮ | ১০.৭০ | ৫.০৫ | ৪৮.৫০ | ৩.২৪ | ২.৮৫ | ২.২৪ |
| ২০১৩-১৪ | ১১.৮৬ | ১২.০২ | ১.৮৪ | ১১.৩৬ | ৪.৮২ | ৪৬.৩৭ | ২.৯৮ | ২.৪২ | ২.৫০ |
| ২০১৪-১৫ | ১৪.৯৩ | ১১.৮০ | ১.৬৬ | ১৬.৪০ | ৪.৭৫ | ৪৭.৬৬ | ৩.২৩ | ২.৫৩ | ২.৩৯ |
| ২০১৫-১৬ | ২১.৬৭ | ১১.৭০ | ১.৮৭ | ১৮.৯০ | ৫.৩০ | ৪৯.৯৩ | ৩.৬৬ | ২.৩৯ | ২.৩৭ |

**উৎস ঃ** বাণিজ্য আৰু বস্ত্ৰ মন্ত্ৰণালয়ৰ ৰপ্তানি-আমদানি ডাটা বেংক

জখলাৰ ওপৰত উঠিছে। এই দিশবোৰলৈ চাই ভাৰত চৰকাৰ তথা বাণিজ্য আৰু উদ্যোগ বিভাগে দেশখনৰ ভূমিকা উন্নত কৰিবলৈ বিশেষ প্ৰয়াস কৰা প্ৰয়োজন— যাতে এই বছা বছা দেশবোৰত ৰপ্তানিৰ ক্ষেত্ৰত থকা ভাৰতৰ বাধা বা কঠিনতা দূৰ কৰিব পাৰি।

১০নং তালিকাত এইটো স্পষ্ট যে মূল্য সংযোজন জড়িত নিৰ্বাচিত তিনি শ্ৰেণীৰ সামগ্ৰীৰ ভাৰতৰ ৰপ্তানি চাৰিখন দেশলৈ লক্ষ্য কৰা হয়। সেই দেশকেইখন হ'ল— আমেৰিকা, সংযুক্ত আৰব এমিৰেটছ, ব্ৰিটেইন আৰু জাৰ্মানী।

**চৰকাৰ আৰু বস্ত্ৰ উদ্যোগৰ শেহতীয়া প্ৰয়াস**

বিগত কেইটামান বছৰত সাজ-পোছাক তৈয়াৰী কাম চীনৰ দৰে দেশবোৰলৈ স্থানান্তৰিত হৈছিল। সামগ্ৰীৰ দৰ-দামৰ ক্ষেত্ৰত তাত সুবিধা আছিল। কিন্তু চীনৰ এই সুবিধা অধিক কাল টিকি নাথাকে। শ্ৰমিকৰ মজুৰি বৃদ্ধি হোৱাৰ কাৰণেই কিছুদূৰ সেই সুবিধা ম্লান পৰি যায়। অৰ্থনীতিৰ মাপ-কাঠীৰ দিশত ভাৰতৰ কিছু সুবিধা আছে আৰু সেই বাবে চৰকাৰে এই খণ্ডটোক উৎসাহিত কৰিবলৈ কিছুমান পদক্ষেপ হাতত লৈছে।

বস্ত্ৰ আৰু সাজ-পোছাক খণ্ডৰ বাবে চৰকাৰে ৬,০০০ কোটি টকাৰ এটা বিশেষ পেকেজ মঞ্জুৰ কৰে। ইয়াৰ উদ্দেশ্য হ'ল ৩ বছৰত এক কোটি নতুন চাকৰি সৃষ্টি কৰা, ১১ বিলিয়ন ডলাৰৰ নতুন বিনিয়োগক আকৰ্ষণ কৰা আৰু ৰপ্তানিৰ শিতানত ৩০ বিলিয়ন ডলাৰ উদ্ৰেক কৰা। অনুমোদন জনোৱা ব্যৱস্থাৱলীৰ ভিতৰত কেইটামান বিষয় উল্লেখনীয়। সেয়া হ'ল পৰিধান সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্তভাৱে কামক উৎসাহিত কৰাৰ আঁচনি, উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ শ্ৰমিক আইন তথা কৰৰ ক্ষেত্ৰত শিথিলতা আৰু সাজ-পোছাক প্ৰস্তুতকৰণ শিতানত চাকৰি সৃষ্টি কৰিবৰ অৰ্থে উৎপাদনমূলক উদগনি।

ভাৰতে অহা তিনি বছৰ কালৰ ভিতৰত সাজ-পোছাক ৰপ্তানিৰ ক্ষেত্ৰত ভিয়েটনাম আৰু বাংলাদেশক অতিক্ৰম কৰাৰ আশা আছে যদিহে উল্লিখিত পেকেজ উপযুক্তভাৱে ৰূপায়ণ কৰা হয়। শ্ৰমিক আইনৰ ক্ষেত্ৰত শিথিল কৰা ব্যৱস্থাসমূহৰ ভিতৰত আছে কৰ্মীসকলৰ

তালিকা নং-১০ ঃ **শীৰ্ষ ৫ ৰপ্তানি লক্ষ্যস্থানলৈ ভাৰত নিৰ্বাচিত বস্ত্ৰ সামগ্ৰীৰ ৰপ্তানি**

| সামগ্ৰী | দেশ | ২০০৫-০৬ | ২০০৬-০৭ | ২০০৭-০৮ | ২০০৮-০৯ | ২০০৯-১০ | ২০১০-১১ | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ | ২০১৪-১৫ | ২০১৫-১৬ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| (৬১) পোছাক আৰু অন্য বস্ত্ৰ সামগ্ৰী, এছেচৰিজ, গুঠা কিম্বা কোৰ্চেট কৰা | আমেৰিকা | ৯২৫.৪৩ | ১১২৩.১৬ | ১২০৯.৭৭ | ১২১৬.১২ | ১১৬৪.৩৭ | ১৩৭৮.১৫ | ১৩৮২.৮২ | ১৩২৭.১২ | ১৪৯৬.৯৭ | ১৬২০.১৫ | ১৬৭৫.০২ |
| | ইউ এ | ১৬০.৩৬ | ১৮১ | ২৫৯.০১ | ৩৬৭.০৪ | ৩৭৮.৫৬ | ৫৩৯.৫ | ৬২৩.৩৩ | ৬৪২.৬৪ | ৭৮৯.৮৫ | ১৩৪২.৭০ | ১৬৬১.২২ |
| | ব্ৰিটেইন | ৩২৯.২৯ | ৩৪৬.৫৮ | ৪৮৫.৮৭ | ৬১০.২৩ | ৫৪৮.২ | ৪৭৩.৩৭ | ৫৮৮.৫৪ | ৬৮৪.৫৬ | ৭৯৯.৯৬ | ৯০১৩.৩০ | ৮৮৬.৬০ |
| | জাৰ্মানী | ৩৬৯.৬৪ | ৩৪২.৫৮ | ৪৯০.৫৩ | ৬৮৮.৮৮ | ৫৮৪ | ৪৮৯.৫ | ৫২৮.৯৪. | ৪৮৯.৪৩ | ৬২৪.৩৩ | ৬৪৫.৬৯ | ৫৯৫.৮১ |
| | ফ্ৰান্স | ২৫৬.৪ | ৩০৪.১১ | ৩৯৫.৯৯ | ৪০৫.০৩ | ৩২৫.২৮ | ৩০০.৯৭ | ২৩৪.৫৭ | ২৯৫.৫৯ | ৩৭৯.৯৭ | ৪৭৭.৬৭ | ৪৪৩.৯৯ |
| (৬২) পোছাক আৰু অন্য বস্ত্ৰ সামগ্ৰী, এছেচৰিজ, গুঠা আৰু কোৰ্চেট কৰা নহয় | আমেৰিকা | ১৯২৮.৩১ | ১৭৭৩.০৬ | ১৬২৩.৪২ | ৪৯৮.৩৭ | ১৪৯৫.২৬ | ১৫৭৭.৭৫ | ১৮০৫.২৮ | ১৭৬৮.০২ | ১৯২৬.৯৪ | ১৯৯৪.৭১ | ২১৮৬.৯৩ |
| | ইউ.এ | ৩৮৬.৯৭ | ৩৪২.৬ | ৪৩২.৩১ | ৫৮৩.৫১ | ৫৮৯.৮৭ | ৫৬২.৫ | ৭২৫.০৪ | ৭৯২.৬৪ | ৯৪৭.৯৪ | ১৫০৭.৫৬ | ১৭৬২.৫৩ |
| | ব্ৰিটেইন | ৬১৫.৪৯ | ৬০১.৬৯ | ৭০৮.৪৬ | ৬৮২.০৪ | ৭৩২.৭৭ | ৮৪৪.৫৫ | ৯১১.১২ | ৮১৩.০৮ | ৮৫৯.৩৩ | ৯৫৫.৮৮ | ৯০৫.৭২ |
| | জাৰ্মানী | ৩০৯.০২ | ৩০৫.৮৪ | ৩৭০.৩৫ | ৪২৯.৩ | ৪৭৩.২৩ | ৫৯৩.৮৫ | ৬৩২.২৫ | ৫০১.৩৮ | ৫৬৫.৪৯ | ৫৭৪.৯৬ | ৫১৭.২২ |
| | স্পেইন | ২৪১.২৬ | ১৯০.২৫ | ২১৩.৮ | ৩২৯.০০ | ৩৫৭.৩৯ | ৩৭৮.৩৫ | ৩৮৯.৭৫ | ৩৭৪.২ | ৪০১.৯৩ | ৪৩৬.৬১ | ৫১২.৪৭ |
| (৬৩) অন্য তৈয়াৰী বস্ত্ৰ সামগ্ৰী, চেটছ পৰিধান কাপোৰ, অন্য পৰিধান সামগ্ৰী, ৰাগ | আমেৰিকা | ১০১৩.৪১ | ৯৯২ | ১০১২.৬৩ | ৯৫৬.১১ | ১১০০.১১ | ১৪০৪.৩৬ | ১৭৭০.১৩ | ১৯৫৮.৫২ | ১০৯৩.৩৫ | ২২১৩.৭৫ | ২২৮৯.৮৮ |
| | ব্ৰিটেইন | ১৭৫.৮৩ | ১৭৯.৯৩ | ১৮৩.০১ | ১৮৩.৭২ | ১৭১.৯৬ | ২১০.৮৯ | ২৬১.৪৯ | ২৬৮.৬২ | ২৭৮.২ | ২৯৫.৯৭ | ২৭৭.৭৬ |
| | জাৰ্মানী | ১৭৩.৩৪ | ১৬৮.৭৭ | ১৯০.১৬ | ২০৭.৩৮ | ১৭৭.৮৫ | ২৩২.৩৬ | ২৯৮.৪৯ | ২৩৮.০১ | ২৭৭.৪৬ | ২৮৯.৮৩ | ২৪৭.৮৭ |
| | ইউ এ | ৫৩.৬৭ | ৫০.৫৯ | ৫৩.৪৭ | ৬৫.২২ | ৭২.২৮ | ৮৭.৪১ | ১২৫.২৯ | ১৩০.৬৭ | ১৩২.৯৫ | ১৪৯.৮২ | ১৬৮.০৫ |
| | অষ্ট্ৰেলিয়া | ৪৪.০৮ | ৪৩.০১ | ৪০.৭২ | ৫০.৯১ | ৫৭.১৫ | ৭২.৯ | ৯৯.৬২ | ১১৪.৯৯ | ১০৮.০৭ | ১১৭.৭১ | ১১৮.৭৫ |

**উৎস ঃ** উদ্যোগ আৰু বাণিজ্য মন্ত্ৰণালয়ৰ ৰপ্তানি-আমদানি ডাটা বেংক

বাবে নিৰ্দিষ্ট সময়তকৈ অধিক কাল (Overtime hours) বৃদ্ধি কৰা বিষয়টো। সেই বৃদ্ধি কৰা সময়খিনি প্ৰতি সপ্তাহত আঠ ঘণ্টাতকৈ অধিক হ'ব নালাগিব। এয়া আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ বিধি অনুসৰি পালন কৰা কৰ্তব্য। তদুপৰি সাজ-পোছাক খণ্ডৰ নিৰ্দিষ্ট কালৰ গতি-প্ৰকৃতিলৈ চাই নিৰ্দিষ্ট ম্যাদ কালৰ বাবে নিয়োগ প্ৰদান ব্যৱস্থা প্ৰচলন কৰিবলৈ ভবা হৈছে। এটা নিৰ্দিষ্ট ম্যাদ কালৰ বাবে কাম কৰা লোকক কৰ্ম সময়, বেতন, বানচ আৰু অন্যান্য সা-সুবিধা পোৱা স্থায়ী কৰ্মীৰ দৰেই বিবেচনা কৰা হ'ব। এই পেকেজ ব্যৱস্থাই ওপজ স্থিতিৰপৰা ফলভিত্তিক উদগনি লাভ কৰাত নতুন পথৰ সূচনা কৰিছে। খণ্ডটোৰ কাৰণে সংশোধিত টি ইউ এফ এছ-ৰ অধীনত ১৫ শতাংশৰপৰা ২০ শতাংশ ৰাজ-সাহায্য বৃদ্ধিৰদ্বাৰাই সেইটো সম্ভৱ কৰি তুলিছে। ইয়াৰ ফলত নিয়োগ উদ্ৰেককৰণৰ ক্ষেত্ৰত যথেষ্ট উৎসাহ-উদগনি জগাব।

আঁচনিখনৰ এক অনন্য বৈশিষ্ট্য হ'ল আশানুৰূপভাৱে চাকৰি সৃষ্টি কৰাৰ পিছতহে তেনে ৰাজসাহায্যৰ ধনৰাশি বিতৰণ কৰা হ'ব। সৰহভাগ নতুন চাকৰি মহিলাসকলে পোৱাৰ সম্ভাৱনা আছে; কিয়নো পোছাক উদ্যোগে প্ৰায় ৭০ শতাংশ মহিলা কৰ্মী বাহিনীকেই নিয়োগ কৰে। এনেদৰে এই পেকেজে মহিলা সবলীকৰণৰ জৰিয়তে সামাজিক ৰূপান্তৰ সাধন কৰাত সহায় কৰিব।

বস্ত্ৰ খণ্ডৰ বাবে ভাৰত চৰকাৰে অনেক ৰপ্তানি উৎসাহ প্ৰদান নীতি হাতত লৈছে। ১০০ শতাংশ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগকো স্বয়ংক্ৰিয় পথেৰে আহিবলৈ দিছে।

এই উদ্যোগ আৰু অধিক আগবাঢ়ি যাবৰ কাৰণে চৰকাৰে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। তাক তলত উল্লেখ কৰা হ'ল।

★ ১০ বছৰ কালৰ ভিতৰত বস্ত্ৰৰ ৰপ্তানি দুগুণ কৰাৰ লক্ষ্য স্থিৰ কৰি কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰণালয়ে আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ সৈতে দ্বিপাক্ষিক চুক্তি কৰিবলৈ পৰিকল্পনা কৰিছে। লগতে মূল্য সংযোজন ব্যৱস্থাক উৎসাহিত কৰিবৰ অৰ্থে নতুন বস্ত্ৰ নীতি তৈয়াৰ কৰাৰ কামত ন্যস্ত হৈছে। পুনৰৱৰ্দ্ধিত বস্ত্ৰ মান উন্নীতকৰণ পুঁজি আঁচনি চূড়ান্ত কৰাৰ কামো চলি আছে।

★ বস্ত্ৰ মন্ত্ৰণালয়ে কাৰিকৰী বস্ত্ৰ বিষয়ক প্ৰযুক্তি অভিযান কাৰ্যসূচী প্ৰচলন কৰে। ইয়াৰ বাবে পুঁজিৰ মুঠ আবণ্টনৰাশিৰ পৰিমাণ হ'ল ২০০ কোটি টকা (২৯.৬ নিযুত মাৰ্কিন ডলাৰ)। অভিযান কাৰ্যসূচীৰ উদ্দেশ্য হ'ল ভাৰতৰ ৮ খন পাৰদৰ্শিতা-মূলক এলেকাত বিশ্ব শ্ৰেণীৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ সুবিধাৱলীৰ বিকাশ সাধন

কৰিবৰ কাৰণে কাৰিকৰী বিষয়ক বস্ত্ৰ উৎপাদনৰ কাম-কাজত সহায় কৰা। তাৰ বাবে যি প্ৰটোটাইপ সৰঞ্জাম, ব্যৱস্থা আদি আছে তাক দেশতেই বিকাশ কৰিবলৈ উদগনি জনোৱা, ঘৰুৱা আৰু ৰপ্তানি বজাৰৰ বাবে সমৰ্থন প্ৰদান কৰা তথা ঠিকাভিত্তিক গৱেষণা কাম-কাজক উৎসাহিত কৰা উল্লেখযোগ্য।

★ মেচিন সামগ্ৰী আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত ৰাজসাহায্য —

● সংশোধিত পুনঃগঠিত প্ৰযুক্তি উন্নীতকৰণ পুঁজি আঁচনিয়ে (আৰ আৰ টি ইউ এফ এছ) "টেক্‌নিকেল টেক্সটাইল"ৰ বাবে প্ৰয়োজন হোৱা বৃহৎ যন্ত্ৰপাতি প্ৰস্তুত কৰা কামক সামৰি লয়। তাৰ বাবে ৫ শতাংশ ইণ্টাৰয়েণ্ট ৰিমবাৰ্ছমেণ্ট তথা ১০ শতাংশ মূলধনী ৰাজসাহায্যৰ ব্যৱস্থা আছে। তদুপৰি আৰ আৰ টি ইউ এফ এছ-ৰ অধীনত নিৰ্দিষ্ট টেকনিকেল টেক্সটাইল মেচিন সামগ্ৰীৰ বাবে ৫ শতাংশ সূত আদায় কৰাৰ পিছত পুনৰ কাম সম্পূৰ্ণ হ'লে ফিৰাই দিয়াৰ (অৰ্থাৎ reimbursement) ব্যৱস্থা আছে।

● সংহত বস্ত্ৰ উদ্যান বিষয়ক আঁচনিৰ অধীনত উদ্যানত আন্তঃগাঁথনি সৃষ্টি কৰিবৰ বাবে ভাৰত চৰকাৰে সাহায্য আগবঢ়ায়। ৪০ শতাংশলৈকে এনে সাহায্য আগবঢ়োৱাৰ ধনৰাশিৰ সীমা হ'ল ৪০ কোটি টকা (৬ নিযুত মাৰ্কিন ডলাৰ)। এই আঁচনিখনৰ অধীনত টেক্‌নিকেল টেক্সটাইল গোটবোৰেও ইয়াৰ লাভ পাব পাৰে।

● টেকনিকেল টেক্সটাইল উৎপাদন কৰিবৰ বাবে আৱশ্যক হোৱা বৃহৎ যন্ত্ৰপাতিবোৰৰ কাৰণে ৫ শতাংশ ৰেহাই হাৰত সীমা শুল্ক পায়।

● নিৰ্দিষ্ট টেকনিকেল টেক্সটাইল উৎপাদনজাত সামগ্ৰীক ফকাছ প্ৰডাক্ট স্কীমৰ অধীনত সামৰি লোৱা হয়। এই আঁচনিখনৰ অধীনত উৎপাদন কৰা সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰতো ২ শতাংশ "ফ্ৰেইট অন বৰ্ড" (এফ অ' বি)ৰ ৰপ্তানি মূল্যৰ সমান "ডিউটি ক্ৰেডিট স্ক্ৰীপ" পোৱাৰ অধিকাৰী হয়।

**উত্তৰ পূৰ্বাঞ্চলৰ বস্ত্ৰ খণ্ডক উৎসাহিত-কৰণত কেন্দ্ৰৰ সহায়-সমৰ্থন**

উত্তৰ পূৰ্বাঞ্চলৰ বস্ত্ৰ ৰপ্তানি কৰা কাৰ্যক উৎসাহ প্ৰদান, চাকৰি বৃদ্ধি তথা কৰ্মীসকলে আন ঠাইলৈ প্ৰব্ৰজন কৰা ৰোধ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১,০৩৮ কোটি টকাৰ (মাৰ্কিন ডলাৰৰ হিচাপত ১.৫৬ নিযুত) আঁচনি হাতত লয়। সেই মৰ্মে যোজনাৰ বিকাশ সাধন কৰা হ'ব আৰু ৰূপায়ণ স্তৰত অঞ্চলভিত্তিক শিথিল ব্যৱস্থা প্ৰদান কৰি খণ্ডটোক আধুনিকীকৰণৰ ব্যৱস্থা হ'ব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰণালয়ে উত্তৰ-পূব অঞ্চল বস্ত্ৰ উৎকৰ্ষ আঁচনিৰ (এন ই আৰ টি পি এছ) অধীনত প্ৰকল্পলৈ পুঁজি আগবঢ়াব। এই বস্ত্ৰ উৎসাহিতকৰণ আঁচনিৰ অধীনত বস্ত্ৰ মন্ত্ৰণালয়ে প্ৰত্যেকলৈ ১৮ কোটি টকাকৈ যোগান ধৰে— যাতে পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ প্ৰত্যেকতে একোটাকৈ ৰেডীমেড সাজ-পোছাক প্ৰস্তুতকৰণ গোট অথবা সাজ-পোছাক নিৰ্মাণ কেন্দ্ৰ স্থাপন কৰিব পাৰে আৰু সেইবোৰৰ উৎপাদন কাম আৰম্ভ হোৱাৰ পিছত গোটবোৰ চলাবলৈ মন্ত্ৰণালয়ে বিত্তীয় সাহায্যও আগবঢ়োৱাৰ ব্যৱস্থা আছে।

**বিনিয়োগ**

উদ্যোগ গঢ়ি তুলিবৰ কাৰণে এটা গুৰুত্বপূৰ্ণ কাৰক শক্তি হ'ল বিনিয়োগ— বিশেষকৈ প্ৰযুক্তিক উৎসাহিত কৰা অথবা নতুন উৎপাদনৰ সমাৱেশ ঘটোৱাৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োজন আছে। চৰকাৰী তথ্য মতে যোৱা পাঁচ বছৰ কালত বস্ত্ৰ খণ্ডত বৃহৎ পৰিমাণৰ বিনিয়োগ সাধন কৰা হয়। এই উদ্যোগে (ৰং আৰু মুদ্ৰণকে ধৰি) ২০০০ চনৰ এপ্ৰিলৰপৰা ২০১৫ চনৰ ছেপ্টেম্বৰৰ কালছোৱাৰ ভিতৰত ১.৭৭ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক আমাৰ দেশত লগ্নী কৰিবলৈ সমৰ্থৱান হয়। তদুপৰি চৰকাৰে বস্ত্ৰ খণ্ডত ১০০ শতাংশ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক স্বয়ংক্ৰিয় পথৰে লগ্নী কৰিবলৈ অনুমতি প্ৰদান কৰে।

**পছমিনা সামগ্ৰীৰ বাবে ই-পোৰ্টেল**

বিখ্যাত পছমিনাৰ উৎপাদনজাত সামগ্ৰী বিক্ৰী কৰিবৰ কাৰণে এটা ই-কমাৰ্চ পোৰ্টেল আৰম্ভ কৰা হয়। এই হাতে তৈয়াৰী সূতাবোৰ গোলকীয় স্তৰত বিক্ৰী কৰা কাৰ্যক উৎসাহিত কৰাই হ'ল এই পোৰ্টেলৰ উদ্দেশ্য। কাশ্মীৰৰ ডিভিজনেল কমিছনাৰে এই ই-কমাৰ্চ পোৰ্টেল প্ৰচলন কৰে। পোৰ্টেলটোৰ ক'ড হ'ল— www.phamb.co.in।

**সৌৰ শক্তি চৰখাৰ বাবে খাদী খণ্ডৰ ব্যৱস্থা**

পৰিৱৰ্তিত সময়ৰ সৈতে ৰজিতা খুৱাকৈ খাদী খণ্ডই পৰম্পৰাগত হস্তচালিত সূতা কটা যঁতৰৰ ঠাইত সৌৰ শক্তি চালিত চৰখা কামত লগায়। এই প্ৰচেষ্টাৰে খাদী আৰু গ্ৰাম উদ্যোগ আয়োগে সূতা কটাৰ জঞ্জালময় কাম-কাজৰ প্ৰক্ৰিয়া হ্ৰাস কৰিবলৈ আশা কৰিছে আৰু লগতে তাৰ ঠাইত উৎপাদন বৃদ্ধি কৰাৰ প্ৰতি বেচ সচেষ্ট হৈছে। শিপিনীসকলৰ সামান্য উপাৰ্জনৰ দিশটোলৈ চাই যিমান অধিক পৰিশ্ৰম কৰিব লগা হয় তাৰ ঠাইত এনে সৌৰ চালিত চৰখাই তেওঁলোকৰ বোজা বহুত পাতল কৰিব আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তিক কামত লগাবলৈও তেওঁলোকক সুবিধা প্ৰদান কৰিব। সৌৰ চালিত চকা অৰ্থাৎ যঁতৰে আঠ ঘণ্টাত ৭৫-৯০ নেচা সূতাৰ তৈয়াৰ কৰিব পাৰে। ইপিনে হাতে চলোৱা যঁতৰদ্বাৰা মাত্ৰ ২৫-৩০ নেচা সূতাহে তৈয়াৰ হয়। এই নতুন আৰ্হিৰ চৰখা প্ৰচলনেৰে খাদী আৰু গ্ৰাম উদ্যোগ

আয়োগে সূতাৰ (নেচা) উৎপাদন দুগুণ আৰু তাৰ গুণগত মান উন্নত কৰাৰ ওপৰত আলোকপাত কৰিছে।

**প্ৰত্যাহ্বান আৰু আগৰ পথ**

**বাংলাদেশত ভাৰতীয় সাজ-পোছাক কোম্পানীৰ ভেটি স্থাপন**

বাংলাদেশত সহজভাৱে বেপাৰ-বাণিজ্য কৰাৰ থলী আছে, আৰু সেয়ে ৰপ্তানিকাৰসকলে তাতেই কাৰবাৰ কৰিবলৈ লয়। খৰ গতিৰে আমদানি-ৰপ্তানি কৰা সম্ভৱ হয়। নতুন ষ্টাইলৰ সন্দৰ্ভত বিকাশ সাধন কৰি সূতা আদিৰ খৰতকীয়া আমদানি কৰা প্ৰয়োজন হয় আৰু তেনে ব্যৱস্থাই চাহিদা বৃদ্ধি কৰে। যি ক্ষেত্ৰত ভাৰতৰ সাজ-পোছাকৰ ৰপ্তানি বছৰি ১৭ বিলিয়ন ডলাৰতেই আবদ্ধ হৈ থাকে, তেনে ক্ষেত্ৰত বাংলাদেশৰ সাজ-পোছাক ৰপ্তানিয়ে দুগুণ বৃদ্ধি লাভ কৰা দেখিবলৈ পায়। পিছে CGST আৰু SGSTৰ হাৰ বস্ত্ৰ খণ্ডৰ RNRতকৈ অধিক হোৱাৰ সম্ভাৱনা থকাৰ হেতু বস্ত্ৰৰ মূল্য বৃদ্ধি পাব। ইয়াৰ ফলত বস্ত্ৰ সামগ্ৰীৰ চাহিদাত বেয়াকৈ প্ৰভাৱ পেলাব।

**নিম্নতম মজুৰি বৃদ্ধি**

সাজ-পোছাক উদ্যোগৰ ক্ষেত্ৰত নিম্নতম মজুৰি চলিত বৰ্ষত (২০১৬) প্ৰায়ভাগ এছিয়াৰ দেশৰ বৃদ্ধিৰ গতি অব্যাহত আছে। এটা উদ্যোগৰ সূত্ৰ মতে এছিয়াৰ সাজ-পোছাক উৎপাদক-সকলে চলিত বৰ্ষত ৫ শতাংশতকৈ অধিক ন্যূনতম মজুৰি বৃদ্ধি হোৱাৰ সন্মুখীন হ'ব পাৰে। এছিয়াৰ আগশাৰীৰ সাজ-পোছাক উৎপাদক-সকলৰ ভিতৰত ভাৰত, মালয়ছিয়া, থাইলেণ্ড আৰু পাকিস্তানে নিম্নতম মজুৰি সৰ্বাধিক বৃদ্ধি দেখিবলৈ পাব (১৫ শতাংশতকৈ অধিক) পাৰে। ইপিনে বাংলাদেশ আৰু ফিলিপাইনত নিম্নতম মজুৰি যোৱা বছৰৰ পৰা প্ৰায় অপৰিৱৰ্তিত হৈ থাকিব পাৰে।

**বস্ত্ৰ উদ্যোগত সামগ্ৰী আৰু সেৱা কৰৰ প্ৰভাৱ**

ভাৰতীয় বস্ত্ৰ উদ্যোগৰ কাৰণে জি এছ টি-ৰ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদন মতে ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ে সকলোবোৰ দিশ পৰীক্ষা কৰি দেখা পায় যে চাহিদাৰ ক্ষেত্ৰত বস্ত্ৰ খণ্ডত সামগ্ৰিকভাৱে মূল্য বৃদ্ধিৰ যি প্ৰভাৱ পৰিব তাক ইতিবাচক উপাৰ্জনৰ প্ৰভাৱৰদ্বাৰা নোহোৱা কৰিব— যদিহে বস্ত্ৰ শাখাৰ সকতলোতে জি এছ টি হাৰ প্ৰযোজ্য হয়। কিন্তু তিনিটা বস্ত্ৰ শাখাৰ ক্ষেত্ৰত থাকিব লগা চাহিদাত (demand) বেয়াকৈ প্ৰভাৱ পৰিব। সেই শাখাকেইটা হ'ল— খাদী আৰু হস্ততাঁত, কপাহী বস্ত্ৰ আৰু কাৰ্পেট অৰ্থাৎ দলিচা। ই বস্ত্ৰ খণ্ডৰ ভিতৰতেই সলনি কৰা প্ৰভাৱৰ দিশ মুকলি কৰিব— যাৰদ্বাৰাই মানুহে তৈয়াৰ কৰা আঁহভিত্তিক বস্ত্ৰ অধিক ব্যৱহাৰ কৰাক উৎসাহিত কৰিব আৰু সংমিশ্ৰণ কৰাৰ প্ৰতিহে আকৰ্ষিত হ'ব— যিহেতু চিনথেটিক আঁহ তুলনামূলকভাৱে অধিক ব্যৱহাৰ কৰা হয়।

প্ৰথমটোৰ বাহিৰে আন সকলোবোৰ প্ৰভাৱৰেই উদ্যোগৰ ওপৰত এটা ইতিবাচক প্ৰভাৱ পৰিব। প্ৰথমটো প্ৰভাৱ অৰ্থাৎ 'জি এছ টি'ৰ অধীনত কৰ হাৰ বৃদ্ধিৰ জৰিয়তে কৰ ৰাজহ বঢ়োৱাৰ বিষয়টোৱে কু-প্ৰভাৱ পেলাব; কাৰণ তাৰদ্বাৰাই মূল্য বৃদ্ধি হোৱাৰ পথ মুকলি কৰিব।

'জি এছ টি'ৰ অধীনত ৰপ্তানি সম্পূৰ্ণ আৰু স্বয়ংক্ৰিয়ভাৱে শূন্য হাৰৰ হ'ব। সামগ্ৰী আৰু সেৱা কৰে ৰপ্তানি কৰিব লগা উৎপাদনজাত সামগ্ৰীৰ বাবে ব্যৱহাৰ কৰা ওপজ সামগ্ৰীৰ ক্ষেত্ৰত সকলো ঘৰুৱা কৰক সামৰি ল'ব। ই শুল্কৰ ক্ষেত্ৰত তৈয়াৰ কৰা আঁচনিৰ পৰিসৰ যথেষ্টভাৱে হ্ৰাস কৰিব, কিয়নো ঘৰুৱা ক্ষেত্ৰত পৰোক্ষভাৱে কৰ আদায় দিয়াৰ সম্পৰ্কত সকলোবোৰ ওপজ সামগ্ৰীৰ কৰ দিয়া হয়। তেনেবোৰ হ'ল— কেন্দ্ৰীয় আবকাৰী কৰ, সেৱা কৰ, ৰাজ্যৰ বিক্ৰী কৰ, আন্তঃৰাজ্যিক বিক্ৰী কৰ তথা প্ৰৱেশ কৰত ৰেহাই সুবিধা পাব। এই শুল্ক আঁচনিৰ যি ধনৰাশি মোকলাই দিয়া হয় সেই ধনৰাশিক খণ্ডটোক সমৰ্থন প্ৰদান কৰিবৰ বাবে কামত লগাব পাৰিব।

**ভাৰতীয় বস্ত্ৰ উদ্যোগত 'ব্ৰেক্সিট'ৰ প্ৰভাৱ**

ব্ৰিটেইনৰ বাণিজ্য আৰু বিনিয়োগৰ তথ্য অনুসাৰে আমেৰিকা আৰু ফ্ৰান্সৰ পিছতে ভাৰত হ'ল ব্ৰিটেইনত বাহিৰৰ ৰাষ্ট্ৰই বিনিয়োগ কৰা তৃতীয় বৃহত্তম দেশ। যোৱা বছৰ ভাৰত আৰু ব্ৰিটেইনৰ মাজত কৰা মুঠ বাণিজ্যৰ পৰিমাণ আছিল ১৬.৫৫ বিলিয়ন পাউণ্ড। ইউৰোপৰ বাকী অংশত প্ৰৱেশ কৰিবৰ কাৰণে ভাৰতে ব্ৰিটেইনক এই দুৱাৰমুখ ৰূপে চাইছিল। তাত কাৰখানা স্থাপন কৰি নিজৰ উৎপাদনজাত সামগ্ৰী ইউৰোপৰ বাকী দেশবোৰত বিক্ৰী কৰিবলৈ সমৰ্থৱান হোৱাৰ কথাও ভাবিছিল। কিন্তু 'ব্ৰেক্সিট'ৰ সিদ্ধান্তই ইয়াৰ পৰিৱৰ্তন ঘটাব নেকি সেইটো এটা ডাঙৰ প্ৰশ্ন।

বস্ত্ৰ উদ্যোগ সদায়েই ভাৰতৰ মূল উদ্যোগসমূহৰ ভিতৰত অন্যতম ৰূপে পৰিগণিত হৈ আহিছে। কৃষিৰ পিছতে ই বৃহৎ নিয়োগ উদ্ৰেকৰ সুবিধা প্ৰদান কৰে। ভাৰতৰ পৰম্পৰাগত ৰপ্তানি বজাৰ— যেনে আমেৰিকা আৰু ইউৰোপীয় সংঘৰ দেশবোৰলৈ ৬০ শতাংশৰো অধিক ভাৰতৰ বস্ত্ৰ আৰু সাজ-পোছাক ৰপ্তানি কৰা হয়। লেখৰ হিচাপত ইউৰোপীয় সংঘৰ দেশবোৰলৈ ১০ বিলিয়ন পাউণ্ড মূল্যৰ বস্ত্ৰ আৰু সাজ-পোছাক ৰপ্তানি কৰা হয় আৰু তাৰ ভিতৰৰেই প্ৰায় ২৩ শতাংশ ব্ৰিটেইনলৈ যায়। লেখৰ হিচাপত এইবোৰৰ মূল্য হ'ল ২.৫ বিলিয়ন পাউণ্ড।

এনে নিকট বাণিজ্য সম্পৰ্ক থকা হেতু দেশখনে 'ব্ৰেক্সিট' পদ্ধতিক

ব্ৰিটেইনৰ সৈতে নিকট বাণিজ্য অংশীদাৰ কৰি তোলাৰ ক্ষেত্ৰত এটা সুযোগ ৰূপে গণ্য কৰে। বাণিজ্য তথা উদ্যোগ আৰু চৰকাৰে এই লাভৰ ফল পাবলৈ ভাল সম্বন্ধ আৰু সহযোগ স্থাপন কৰা আৱশ্যক।

**বস্ত্ৰজাত সামগ্ৰী আৰু উৎপাদন**

'টেকনিকেল টেক্সটাইল' হ'ল ভাৰতত বিনিয়োগৰ কাৰণে এক প্ৰস্ফুটিত এলেকা। ইয়াক সাধাৰণতে অৰ্থাৎ টেকনিকেল টেক্সটাইলক বস্ত্ৰজাত সামগ্ৰী আৰু উৎপাদন ৰূপেই অৰ্থ কৰা হয়। এই উৎপাদনজাত সামগ্ৰীক কাৰিকৰীভাৱে কাৰ্য সম্পাদন কৰিবলৈ ব্যৱহাৰ কৰা হয়। সেয়ে ই হ'ল বস্ত্ৰ উদ্যোগৰ এটা গুৰুত্বপূৰ্ণ অঙ্গ। ইয়াৰ যি শক্তি আৰু সম্ভাৱনা আছে তাক ভাৰতত এতিয়াও ভালদৰে উপলব্ধ কৰা হোৱা নাই। উপাৰ্জনৰ উপায় বৃদ্ধি হোৱা লগে লগে টেকনিকেল টেক্সটাইলৰ ব্যৱহাৰো বৃদ্ধি পাব বুলি আশা কৰিব পাৰি।

বস্ত্ৰ উদ্যোগৰ কাৰিকৰী দিশটো বিভিন্ন ক্ষেত্ৰৰ বিষয়সমূহৰ সৈতে জড়িত। প্ৰয়োগাত্মক কাম-কাজত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই কাৰিকৰী দিশৰ বিভিন্ন সামগ্ৰীৰ উৎপাদন দেশত ধীৰে ধীৰে কিন্তু স্থিৰভাৱে বৃদ্ধি পাইছে। সম্ভাৱনাপূৰ্ণ উদ্যোগী আৰু উপভোক্তা-সকলৰ মাজত বস্ত্ৰ শিল্পৰ কাৰিকৰী বিষয়ৰ সন্দৰ্ভত সজাগতা বৰ কম আৰু সেয়ে এণ্ট্ৰিপ্ৰেনিওৰ অৰ্থাৎ উদ্যোগী-সকলে এনেবোৰ বিষয়ৰ সবিশেষ জনা দৰকাৰ যেনে— বজাৰৰ আকাৰ, কাৰিকৰী দিশৰ ঘৰুৱা আৰু গোলকীয় দৃশ্যপট, চৰকাৰী আঁচনিৰ সবিশেষ, কাম কৰি থকা বস্ত্ৰ সামগ্ৰী প্ৰস্তুতকাৰীসকলৰ তালিকা, আমদানি আৰু ৰপ্তানিকাৰক, বস্ত্ৰ সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত আৱশ্যক হোৱা যন্ত্ৰপাতি তৈয়াৰ কৰোঁতাসকলৰ তালিকা ইত্যাদি।

বস্ত্ৰ উদ্যোগৰ কাৰিকৰী বিভাগটো হ'ল উচ্চ প্ৰযুক্তিৰ উদিত খণ্ড। ই ক্ৰমান্বয়ে দেশখনত ধীৰে ধীৰে স্থিতি লাভ কৰিছে। আনকি ই বহল পৰিসৰত উৎপাদনজাত সামগ্ৰীক সামৰি লৈছে। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য হ'ল— প্ৰ'টেক্, এগ্ৰ'টেক্, জিয়'টেক্, মেডিটেক্, স্প'ৰটেক্ ইত্যাদি। এই খণ্ডটোক উৎসাহিত কৰিবৰ কাৰণে শাখা বিশেষৰ এক সুনিৰ্দিষ্ট দৃষ্টিভঙ্গী অৱলম্বন কৰিবৰ অৰ্থে অনুমোদন জনোৱা হয়। উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে এটা কৌশল বিকাশ কৰি ৰূপায়িত কৰা আৱশ্যক; আৰু ইয়াক চাহিদাৰ ভিত্তিত বাছি ল'ব পাৰে। এই সকলোবোৰ বিষয়ৰ ক্ষেত্ৰত এই উদ্দেশ্যৰ প্ৰতি ধ্যান দিব লাগিব যে যাতে কাৰিকৰী দিশৰ বস্ত্ৰজাত সামগ্ৰী আমদানি কৰা ভাৰতে পৰিহাৰ কৰিব পাৰে আৰু এটা বৈশিষ্ট্যপূৰ্ণ প্ৰস্তুতকৰণৰ প্ৰাণকেন্দ্ৰ তথা ঘাই ৰপ্তানিকাৰীক দেশৰূপে উপনীত হ'বলৈ প্ৰয়াস কৰে।

**আগত থকা পথ**

ভাৰতীয় বস্ত্ৰ আৰু পোছাক খণ্ডৰ কাৰণে লক্ষ্য, কৌশল আৰু কৰ্ম পৰিকল্পনাৰ সন্দৰ্ভত বস্ত্ৰ মন্ত্ৰণালয়ে যুগুতাই উলিওৱা প্ৰতিবেদন অনুযায়ী বস্ত্ৰ মন্ত্ৰণালয়ৰ এক পাথেয় ৰূপে তলত উল্লেখ কৰা বিষয়বোৰ বিবেচনা কৰিব পাৰে।

ৰপ্তানিৰ ক্ষেত্ৰত ২০ শতাংশ চি এ জি আৰ স্থিতিত অৱতীৰ্ণ হোৱা হেতুকে ভাৰতে ২০২৪-২৫ বৰ্ষ কালৰ ভিতৰত প্ৰায় ৩০০ বিলিয়ন মাৰ্কিন ডলাৰৰ বস্ত্ৰ আৰু সাজ-পোছাক ৰপ্তানি কৰিব পাৰিব। তেনেদৰে ১৫ শতাংশৰ স্থিতিত সেই একেই কালছোৱাৰ ভিতৰত ১৮৫ বিলিয়ন মাৰ্কিন ডলাৰৰ বস্ত্ৰ আৰু সাজ-পোছাক ৰপ্তানি কৰিব পাৰিব। ৰপ্তানিৰ ক্ষেত্ৰত নিৰ্দিষ্ট লক্ষ্যৰ বিকাশলৈ চাই তেতিয়ালৈকে ভাৰততে বৰ্তমানৰ ৫ শতাংশ স্তৰৰপৰা ১৫-২০ শতাংশ গোলকীয় বস্ত্ৰ আৰু সাজ-পোছাক বাণিজ্যৰ বজাৰ অংশভাগৰ অধিকাৰী হোৱা উচিত। এই কালছোৱাৰ ভিতৰতে ভাৰতে এক গাঁথনিগত ৰূপান্তৰ সাধন কৰিবলৈ প্ৰয়াস কৰা উচিত—যাৰ দ্বাৰাই ই সূক্ষ্ম উৎপাদনজাত সামগ্ৰীৰ লেখত ল'বলগা ৰপ্তানিকাৰী হ'ব পাৰে। সেয়ে হ'লে আঁহ আৰু সূতাৰ ৰপ্তানিত বিকাশ হাৰ অৱনমিত হ'বলৈ আৰম্ভ কৰিব লাগে আৰু সাজ-পোছাক, ঘৰুৱা আচবাব, কাৰিকৰী দিশৰ বস্ত্ৰজাত সামগ্ৰী আৰু অন্যান্য সূক্ষ্ম উৎপাদন সামগ্ৰীৰ বিকাশ হাৰ ক্ষিপ্ৰভাৱে বাঢ়িব লাগে। তেতিয়া ই নিয়োগ সঞ্চাৰ বৃদ্ধি কৰিব আৰু দেশখনৰ ভিতৰতে এক মূল্যবোধৰ স্থিতি জাগ্ৰত হ'ব তথা প্ৰধান মন্ত্ৰীৰ 'মেক ইন ইণ্ডিয়া'ৰ ভিজনেও পূৰ্ণতা লাভ কৰিব। এই প্ৰক্ৰিয়াৰ মাজেৰেই প্ৰায় ১৮০ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ২০০ বিলিয়ন মাৰ্কিন ডলাৰৰ বিনিয়োগ বিভিন্ন আঁচনি ৰূপায়িতকৰণত ঠাই পাব আৰু প্ৰায় ১৫ নিযুত অতিৰিক্ত চাকৰিৰ সৃষ্টি হ'ব।

ভাৰতে উন্নত ৰপ্তানি বজাৰ সূচলতা সম্পৰ্কে ধ্যান দিয়া আৱশ্যক আৰু তাৰ কাৰণে যিবোৰ ৰাষ্ট্ৰই এই ক্ষেত্ৰত বিকাশ লাভ কৰিছে তাৰ প্ৰতি সচেষ্ট হোৱা দৰকাৰ। সেই বিকশিত অঞ্চলৰ দেশবোৰ হ'ল আফ্ৰিকা, দক্ষিণ এছিয়া, চি আই এছ আৰু লেটিন আমেৰিকা। দেশখনে "ওভোটা শুল্ক"ৰ বিষয়টো সমাধান কৰা প্ৰয়োজন হ'ব। ইয়াৰ অৰ্থ হ'ল আঁহৰ ওপৰত অধিক শুল্ক আৰু সাজ-পোছাকৰ ওপৰত কম শুল্ক স্থিতিক সমাধান কৰা। তদুপৰি "ইণ্ডিয়া-মাৰ্ক'চ'ৰ এফ টি এ" চুক্তিৰ অধীনত সাজ-পোছাক আৰু বস্ত্ৰ সামগ্ৰী তেনেবোৰ বজাৰত অন্তৰ্ভুক্ত কৰিবলৈ তৎপৰ, ৰাছিয়া আমদানি শুল্ক সংঘৰ সৈতে এফ টি এ ব্যৱস্থা খৰতকীয়া কৰা, সকলো কম বিকশিত দেশবোৰৰ কাৰণে ভাৰতত তৈয়াৰী সূতা ব্যৱহাৰ

কৰিবলৈ বাধ্যতামূলক কৰা— যদিহে সেইবোৰ দেশে শুল্ক মুক্ত সাজ-পোছাক ভাৰতলৈ ৰপ্তানি কৰিব খোজে তথা আমেৰিকাক সেই দেশৰেই জি এছ টি কাৰ্যসূচীত পৰিধান বস্ত্ৰ সামগ্ৰী অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ কৰা প্ৰয়োজন।

বহু বছৰৰপৰা ভাৰতৰ বস্ত্ৰ উদ্যোগ চৰকাৰী নীতিৰপৰা বিপুলভাৱে উপকৃত হৈছে আৰু ৰপ্তানি ক্ষেত্ৰখনৰ এটা বৈশিষ্ট্যপূৰ্ণ অঙ্গ হৈ আছে। পিছে বৰ্দ্ধিত সংখ্যক বাণিজ্য চুক্তিৰ লগে লগে— বিশেষকৈ অধিকভাৱে মুক্ত (mega free) বাণিজ্য চুক্তিসমূহৰ কাৰণে বস্ত্ৰ সামগ্ৰী আমদানি কৰা দেশবোৰক অধিকভাৱে পছন্দ কৰিব পাৰে। সি যি কি নহওক, ভাৰতীয় অৰ্থনীতিৰ বাবে খণ্ডটোৰ গুৰুত্বৰ প্ৰতি ধ্যান দি চৰকাৰ আৰু উদ্যোগৰ কাৰণে এইটো উচিত হ'ব যে বাণিজ্য নীতিত আজিৰ প্ৰয়োজনীয় বিষয়বোৰ প্ৰতিফলন ঘটাটো নিশ্চিত কৰা— যাৰ দ্বাৰাই উদ্যোগটো অধিক প্ৰতিযোগিতা-মুখী গোলকীয় পৰিৱেশত শক্তিশালী-ভাৱে স্থান দখল কৰিব পাৰে। ভাৰতীয় বস্ত্ৰ আৰু পৰিধান উদ্যোগৰ বিপুল সম্ভাৱনা আছে। চৰকাৰে বান্ধি দিয়া কিছুমান মূল্যক সঠিকভাৱে নিজৰ ফালৰ পৰা মিশ্ৰণ কৰি আৰু এটা নিজস্ব স্থিতিত উপনীত হৈ ই বিশ্বৰ বজাৰত এখন গুৰুত্বপূৰ্ণ আসন অধিকাৰ কৰিব পাৰে।

দেশখনৰ উৎপাদনজাত বস্ত্ৰ সামগ্ৰীৰ ৰপ্তানি স্থিৰভাৱে বিকাশ লাভ কৰিছে তাত সন্দেহ নাই, কিন্তু সেইবোৰ মাত্ৰ কেইখনমান বজাৰতহে সীমাবদ্ধ হৈ আছে। ইউৰোপীয় সংঘ আৰু আমেৰিকাৰ বৃহৎ ৰপ্তানিৰ লক্ষ্য হৈ আছে। ইয়াৰ সৈতে ভাৰতীয় ৰপ্তানি বজাৰৰ অংশভাগ হ'ল ৫০ শতাংশ।

গোলকীয় বজাৰত তাতোকৈ অধিক অংশ অধিকাৰ কৰাৰ যি পৰিকল্পনা কৰা হৈছে তাক লাভ কৰিব পৰা যাব যদিহে ভাৰতৰ ৰপ্তানিকাৰক-সকলে পৰম্পৰাগতভাৱে চলি অহা সামগ্ৰীৰ বিষয়টো চেৰাই গৈ আৰু আগলৈ চাব পাৰে আৰু বজাৰৰ কথাও ভাবিব পাৰে তেনেহ'লে সফলতা সোনকালেই পাবলৈ আৰম্ভ কৰিব।

এটা বৈশিষ্ট্যপূৰ্ণ অংশ লাভ কৰিবৰ বাবে নিৰ্দিষ্ট ধৰণৰ কৌশল দেশবিশেষৰ ক্ষেত্ৰত উদ্ভাৱন কৰা আৱশ্যক হ'ব। ব্যক্তিগতভাৱে অৱলম্বন কৰিব লগা দেশসমূহ হ'ল, যেনে— জাপান, চীন, ব্ৰাজিল, ৰাছিয়া ইত্যাদি। প্ৰতিখন বৃহৎ বজাৰৰ বাবে উৎপাদন সামগ্ৰীত উৎকৃষ্ট ফল লাভ কৰিবলৈ যি মিশ্ৰণ ঘটোৱা হ'ব সেয়া হ'ব লাগিব নিপুণ কলাশৈলীৰে ৰূপ দিয়া এটা সৃষ্টি। ভাৰতীয় উদ্যোগৰ সৈতে বস্ত্ৰ মন্ত্ৰণালয়ে লগ লাগি এই কাৰ্য সাধন কৰিবৰ বাবে কাম কৰাৰ আৱশ্যক হ'ব। নিৰ্দিষ্ট দেশ এখনৰ বজাৰৰ অধ্যয়ন কৰিবলৈ লোৱা প্ৰতিষ্ঠানক ইয়াৰ বাবে মন্ত্ৰণালয়ে বিত্ত প্ৰদান কৰা আৱশ্যক হ'ব। তেনে অধ্যয়নেই নিৰ্দিষ্ট দেশখনৰ বিপণন কৌশলক কামত লগোৱাৰ এটা আধাৰ হ'ব।

ভাৰতীয় বস্ত্ৰ উদ্যোগৰ ভৱিষ্যৎ উজ্জ্বল দেখা গৈছে। অধিক ঘৰুৱা প্ৰয়োজনীয়তা তথা ৰপ্তানিৰ চাহিদা বৃদ্ধি উভয়ৰদ্বাৰা সমস্ত প্ৰক্ৰিয়াক উজ্জীৱিত কৰি তুলিছে। গ্ৰাহক আৰু উপাৰ্জনৰ পথ বিস্তাৰিত হোৱাৰ লগে লগে পাইকাৰী খণ্ডই যোৱা দশকটোত খৰতকীয়া বিকাশৰ অভিজ্ঞতা লাভ কৰে। তাতে আকৌ বহুত আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ প্ৰৱেশে ইতিবাচক দিশ উন্মোচন কৰিছে। তেনে প্ৰতিষ্ঠানসমূহৰ ভিতৰত দুটামান হ'ল— Marks & Spencer আৰু Guess and Next। সংগঠিত পোছাক শাখাই অহা ১০ বছৰ কালৰ ভিতৰত ১৩ শতাংশতকৈ অধিক বাৰ্ষিক বিকাশ হাৰ (চক্ৰবৃদ্ধি হাৰত) বৃদ্ধি পাব বুলি আশা কৰিব পাৰি।

সূক্ষ্ম আৰু নিপুণভাৱে তৈয়াৰ কৰা বহুত সামগ্ৰী আছে আৰু সেই সামগ্ৰীবোৰৰ বিশ্বত বহু বিলিয়ন ডলাৰৰ বাণিজ্য আছে। তাৰ কেইটামান শ্ৰেণীৰ পৰিধান সামগ্ৰী হ'ল— ছ্যুট, মহিলাৰ পাশ্চাত্য পৰিধান বস্ত্ৰ, শৰীৰৰ অন্তৰ্দেশীয় পৰিধান আৱৰণ, সন্তৰণ পোছাক, বাহিৰত পিন্ধা পোছাক ইত্যাদি। কিন্তু এই ক্ষেত্ৰত ভাৰতৰ অংশ তেনেই সামান্য। জাপান, ৰাছিয়া, চীন, ব্ৰাজিল, দক্ষিণ কোৰিয়া আদি দেশত বহু বৃহৎ বজাৰ আছে; কিন্তু এইবোৰতো ভাৰতৰ বাণিজ্য অংশভাগৰ সংখ্যা অতি কম। সেয়ে ভাৰতৰ অংশ পৰিমাণ বৃদ্ধি কৰিবৰ কাৰণে এইটো অনুমোদন জনোৱা হয় যে দেশবিশেষৰ নিৰ্দিষ্ট ৰপ্তানি কৌশলৰ বিকাশ সাধন কৰা উচিত আৰু তাক উপযুক্তভাৱে ৰূপায়ণ কৰা প্ৰয়োজন। প্ৰাৰম্ভিক অৱস্থাত ৪-৫ খন বৃহৎ বজাৰ চিহ্নিত কৰিব লাগে— যিবোৰত ভাৰতীয় ৰপ্তানিৰ অংশভাগ বৃদ্ধি কৰিব পাৰি। প্ৰতিখন বজাৰৰ বাবে সংশ্লিষ্ট দেশখনৰেই পেছাদাৰী এজেন্সীক নিৰ্দিষ্ট পৰিমাণৰ বিত্তৰ বিনিময়ত উপযুক্ত কৌশল প্ৰয়োগ সম্বন্ধে পৰামৰ্শ দিবৰ কাৰণে দায়িত্ব দিব লাগে। এনে ব্যৱস্থা অধিক খৰচী যেন লাগিলেও তাৰ বিকল্প নাই। সেয়ে প্ৰতিখন বজাৰৰ বাবে জনোৱা অনুমোদনাৱলীক ৰূপায়িত কৰিবৰ বাবে বস্ত্ৰ মন্ত্ৰণালয়ে উদ্যোগৰ সহযোগত সম্পূৰ্ণভাৱে সমৰ্থন প্ৰদান কৰা উচিত। বৃহৎ বজাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰা আটাইবোৰকে ২০২০ চনৰ ভিতৰত সামৰি ল'বৰ কাৰণে এনে প্ৰয়াস একান্তভাৱে কৰা আৱশ্যক আৰু তাত গতিময়তা প্ৰদান কৰি বিস্তাৰিত কৰাও প্ৰয়োজন। ❒

# ভাৰতীয় মৰাপাট খণ্ডলৈ উৎসাহ প্ৰদান

**সুব্ৰত গুপ্ত***

মৰাপাট হ'ল কপাহৰ পিছতে স্থান পোৱা ভাৰতত উৎপাদিত দ্বিতীয়বিধ অতিশয় প্ৰয়োজনীয় প্ৰাকৃতিক আঁহজাতীয় সামগ্ৰী। আৰ্থ-সামাজিক আৰু পৰিৱেশ উভয় দিশৰপৰা মৰাপাটৰ ভালেমান উপযোগিতা আছে। ই হ'ল প্ৰাকৃতিকভাৱে লয় পোৱাৰ সামৰ্থ্য বহন কৰা এবিধ আঁহ আৰু ইয়াক বহুধৰণৰ কাম-কাজত প্ৰদূষণ সৃষ্টি কৰা প্লাষ্টিকৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। কৃষিৰ দিশৰ পৰাও ইয়াৰ উৎপাদন বিশেষভাৱে লাভজনক। বিশেষকৈ অধিক পৰিমাণে বৰষুণ হোৱা চাপৰ ঠাইসমূহত— য'ত আন খেতি কৰাটো সহজসাধ্য নহয়— কৃষকসকলে মৰাপাটৰ খেতিক উপাৰ্জনৰ নিৰ্ভৰযোগ্য উপায় হিচাপে গ্ৰহণ কৰিব পাৰে। মৰাপাটৰ খেতিৰ সৈতে দেশৰ প্ৰায় ৪০ লাখ কৃষক জড়িত হৈ থকা বুলি ঠাৱৰ কৰা হৈছে। আনহাতে ইয়াৰ সমান্তৰালভাৱে এইবিধ কৃষিজাত সামগ্ৰীৰ উৎপাদন প্ৰক্ৰিয়া আৰু মৰাপাটৰপৰা আন সামগ্ৰীৰ উৎপাদনৰ সৈতেও আন প্ৰায় ৩.৫ লাখ লোক জড়িত হৈ আছে। সেই দিশৰ পৰা চাবলৈ হ'লে দেশৰ পূব আৰু উত্তৰ-পূব দিশৰ ৰাজ্যসমূহৰ কৃষি আৰু উদ্যোগ উভয় খণ্ডকে সামৰি সামগ্ৰিকভাৱে অৰ্থনৈতিক দিশত মৰাপাটে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিগত দুশ বছৰ ধৰি মৰাপাটে ইয়াৰ শক্তিশালী আঁহৰ বাবে এবিধ অতিশয় উপযোগী প্ৰাকৃতিক সম্পদ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰি আহিছে আৰু সেইবিধ গুণৰ বাবেই ইয়াক বিভিন্ন ধৰণৰ বন্ধা সামগ্ৰী, ৰছী আদিৰ উৎপাদনৰ বাবে এবিধ নিৰ্ভৰযোগ্য কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈ আহিছে। কপাহৰ তুলনাত মৰাপাটৰ আঁহ খহটা হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াক কাপোৰ ববৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হোৱা নাছিল; ইয়াৰ ব্যৱহাৰ ঘাইকৈ বন্ধা-কুন্ধাৰ কামতেই সীমাবদ্ধ হৈ আছিল। মৰাপাটৰ তুলনাত কম খৰচত উৎপাদন কৰিব পৰা কৃত্ৰিম উপায়েৰে উৎপাদিত বিভিন্ন আঁহৰ উদ্ভাৱনৰ ফলত আৰু এনেবোৰ সামগ্ৰী নিৰ্দিষ্ট চাহিদা অনুসাৰে উৎপাদন কৰিব পৰা সুবিধাৰ বাবে এটা সময়ত ৰছীজাতীয় কামত ব্যৱহাৰৰ ক্ষেত্ৰত মৰাপাটে ক্ৰমান্বয়ে ইয়াৰ জনপ্ৰিয়তা হেৰুওৱাৰ উপক্ৰম হৈছিল। পিছে শেহতীয়াকৈ পৰিৱেশ সম্পৰ্কীয় সজাগতা বৃদ্ধি পোৱাৰ ফলস্বৰূপে অন্যান্য প্ৰাকৃতিক আঁহবোৰৰ লগতে মৰাপাটৰ গুৰুত্বও ক্ৰমাৎ বৃদ্ধি পাবলৈ লৈছে।

অতি কম খৰচত উৎপাদন কৰিব পৰা প্লাষ্টিকৰ সামগ্ৰী বন্ধা কামত ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলত মৰাপাটে পৰ্যায়ক্ৰমে বজাৰ হেৰুৱাবলৈ লৈছিল আৰু চিমেণ্ট, সাৰ আদিৰ দৰে সামগ্ৰীৰ উৎপাদনকাৰীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী বজাৰলৈ উলিয়াই দিয়াৰ বাবে মৰাপাট ব্যৱহাৰ কৰিবলৈ প্ৰায় এৰি দিলে। এনে প্ৰেক্ষাপটত মৰাপাটৰ কল আৰু মৰাপাট খেতিয়কসকলৰ অস্তিত্ব সুৰক্ষিত কৰিব পৰাকৈ এইবিধ সামগ্ৰীৰদ্বাৰা প্ৰস্তুত কৰিব পৰা আন সামগ্ৰীৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি এবিধ অতিশয় প্ৰয়োজনীয় মৰাপাটৰ সামগ্ৰী— মৰাপাটৰ থৈলাৰ চাহিদাৰ সৃষ্টি কৰিব পৰাকৈ এখন আইন প্ৰণয়নৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

### মৰাপাটৰ বন্ধা সামগ্ৰী প্ৰস্তুতকৰণ আইন— উপকাৰী নে অনিষ্টকাৰী ?

মৰাপাটৰপৰা বন্ধা সামগ্ৰী প্ৰস্তুত-কৰণ (পণ্য সামগ্ৰী বন্ধাৰ বাবে বাধ্যতামূলকভাৱে ব্যৱহাৰ) আইন, ১৯৮৭ খনৰ বিষয়ে ১৯৮৭ চনৰ ১১ মেত জাননী জাৰি কৰা হৈছিল। এই আঁচনিখনে বিগত তিনিটা দশকত ভাৰতৰ মৰাপাট উদ্যোগলৈ ব্যাপক হাৰত সহায়-সমৰ্থন আগবঢ়াই আহিছে।

আনহাতে বৃহৎ পৰিমাণৰ মৰাপাট উৎপাদন কৰা আন এখন দেশ হিচাপে পৰিচিত বাংলাদেশত সৌ সিদিনালৈ এনেধৰণৰ কোনো সুৰক্ষামূলক আইন প্ৰণয়ন হোৱা নাছিল। সেইখন দেশত বাধ্যতামূলক মৰাপাটৰ বন্ধা সামগ্ৰী আইন, ২০১০ নামৰ আইনখন প্ৰৱৰ্তন কৰা হৈছিল ২০১০ চনৰ ১২ অক্টোবৰত। পিছে সেয়া হ'লেও ২০১২ চনৰ ছেপ্টেম্বৰ মাহতহে ৰূপায়ণ কৰা

***সুব্ৰত গুপ্ত সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ অধীনত মৰাপাট আয়ুক্ত হিচাপে কৰ্মৰত**

এই আইনখন ২০১৪ চনৰ শেষ ভাগ পৰ্যন্ত প্ৰকৃত ৰূপত কাৰ্যকৰী হোৱা নাছিল বুলিহে প্ৰকাশ পাইছে। ভাৰতবৰ্ষৰ নিচিনাকৈ বাংলাদেশ চৰকাৰে পণ্য সামগ্ৰী বন্ধা-কুন্ধা কৰা কামৰ বাবে মৰাপাটৰ থৈলা প্ৰত্যক্ষভাৱে ক্ৰয় কৰাৰ ব্যৱস্থা নলয়; বৰঞ্চ তেওঁলোকে পৰোক্ষ সহায়হে আগবঢ়ায়— বন্ধাৰ বাবে প্ৰয়োজন অনুভৱ কৰা ব্যৱহাৰ কৰোঁতাসকলক মৰাপাটৰ সামগ্ৰী ব্যৱহাৰৰ সুবিধা দিয়াৰ জৰিয়তে। এই কথাই ইয়াকে সূচায় যে বাংলাদেশত মৰাপাট খণ্ডৰ প্ৰতি সুৰক্ষা আগবঢ়াবলগীয়া আইনৰ কাৰ্যকাৰিতা ব্যক্তিগত খণ্ডৰ বাণিজ্যিক বন্ধা সামগ্ৰী হিচাপে মৰাপাটৰ ব্যৱহাৰক উৎসাহিত কৰাৰ বাবে চৰকাৰী পক্ষৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল হ'ব।

ভাৰতবৰ্ষত সম্প্ৰতি খাদ্য শস্য আৰু চেনি ভৰোৱাৰ বাবে মৰাপাটৰ থৈলা ব্যৱহাৰ কৰা হয়। এনেধৰণে খাদ্য শস্য ভৰাবৰ বাবে প্ৰয়োজন হোৱা বৃহৎ সংখ্যক বস্তা বা থৈলা চৰকাৰে পোনপটীয়াকৈ মৰাপাট কলৰ পৰা ক্ৰয় কৰে। ইয়াত সংলগ্ন ১নং তালিকাৰ পৰা মৰাপাটৰ বন্ধা সামগ্ৰী প্ৰস্তুতকৰণ (জে পি এম) আইনৰ জৰিয়তে খাদ্য শস্য ভৰোৱাৰ বাবে বাধ্যতামূলকভাৱে ব্যৱহাৰ কৰা মৰাপাটৰ বস্তা আৰু মৰাপাটৰ পৰা উৎপাদিত মুঠ সামগ্ৰীৰ মাজৰ অনুপাত আৰু ইয়াৰ লগতে এনে বাধ্যতামূলক বন্ধা কামত ব্যৱহৃত কেঁচা মৰাপাট আৰু মুঠ উৎপাদিত কেঁচা মৰাপাটৰ পৰিমাণৰ মাজৰ অনুপাত দুয়োবিধৰ ক্ষেত্ৰতে বিগত দশকটোত (২০০৬-০৭ চনৰপৰা ২০১৫-১৬ চনলৈ) আগবঢ়োৱা সুৰক্ষাৰ মাত্ৰাটো অনুধাৱন কৰিব পৰা যায়।

যদিও খাদ্য শস্য আৰু চেনি ভৰোৱাৰ বাবে ১০০ শতাংশ বাধ্যতামূলক বন্ধা ব্যৱস্থাৰ চাহিদা অব্যাহত অৱস্থাত আছে, তথাপিতো এই কথাও সঁচা যে ৰক্ষণ ব্যৱস্থাৰ জৰিয়তে আহৰণ কৰা এনে সামগ্ৰীৰ পৰিমাণ প্ৰকৃত অৰ্থত কেৱল বিগত দশকটোতহে বৃদ্ধি পাইছে। চৰকাৰৰদ্বাৰা ২০০৬-০৭ বৰ্ষত ৪ লাখ মেট্ৰিক টন বি-টুইল ক্ৰয় কৰাৰ বিপৰীতে ২০১৫-১৬ বৰ্ষত ক্ৰয় কৰা বি-টুইল বস্তাৰ পৰিমাণ হ'ল প্ৰায় ৮১.৩ লাখ মেট্ৰিক টন— অৰ্থাৎ এটা দশকত এই বৃদ্ধিৰ হাৰ হ'ল ১০৭ শতাংশতকৈও অধিক। আনহাতে এই একেছোৱা সময়তে কেঁচা মৰাপাটৰ উৎপাদনৰ পৰিমাণ ১৮ লাখ মেট্ৰিক টনৰ পৰা প্ৰায় ১৪.৪ লাখ মেট্ৰিক টনলৈ হ্ৰাস পাইছে। ইয়াৰ বিপৰীতে এই সময়ছোৱাত কেঁচা মৰাপাটৰ কাৰ্যকৰী সদ্ব্যৱহাৰৰ জৰিয়তে চৰকাৰে আগবঢ়োৱা সুৰক্ষাৰ হাৰ ২২.৩ শতাংশৰপৰা ৫৭.৬ শতাংশলৈ বৃদ্ধি পায়। মৰাপাট উদ্যোগৰদ্বাৰা উৎপাদিত সকলো মৰাপাটৰ সামগ্ৰীৰ ক্ষেত্ৰত চৰকাৰে সম্পন্ন কৰা বি-টুইল ক্ৰয়ৰ হাৰো ইতিমধ্যে এই সময়ছোৱাত ২৯.৫ শতাংশৰপৰা ৬৮.১ শতাংশলৈ বৃদ্ধি পাইছে। কাৰ্যকৰী সংৰক্ষণ অথবা সুৰক্ষা প্ৰদানৰ ব্যৱস্থা বিগত বছৰবোৰত

**১নং তালিকা**

| বৰ্ষ | কেঁচা মৰাপাটৰ মুঠ উৎপাদন ('০০০ মেট্ৰিক টন) | মৰাপাটৰ সামগ্ৰীৰ মুঠ উৎপাদন ('০০০ মেট্ৰিক টন) | চৰকাৰী হিচাপ মতে মুঠ চাহিদা (বি-টুইল) ('০০০ মেট্ৰিক টন) | বি-টুইল আৰু উৎপাদিত মুঠ মৰাপাটৰ পৰিমাণৰ মাজৰ পাৰ্থক্যৰ শতকৰা হাৰ | বি-টুইলৰ মৰাপাটৰ পৰিমাণ আৰু উৎপাদিত মুঠ মৰাপাটৰ পৰিমাণৰ মাজৰ পাৰ্থক্য শতকৰা হাৰ |
|---|---|---|---|---|---|
| ২০০৬-০৭ | ১৮০০.০ | ১৩৫৬.৩ | ৪০০.৭ | ২৯.৫% | ২২.৩% |
| ২০০৭-০৮ | ১৭৮২.০ | ১৭৭৬.০ | ৫৫৭.৯ | ৩১.৪% | ৩১.৩% |
| ২০০৮-০৯ | ১৪৭৬.০ | ১৬৩৩.৭ | ৫৭২.২ | ৩৫.০% | ৩৮.৮% |
| ২০০৯-১০ | ১৬২০.০ | ১৩২৩.৩ | ৫৩০.৭ | ৪০.১% | ৩২.৮% |
| ২০১০-১১ | ১৮০০.০ | ১৫৬৫.৭ | ৬৮৮.৬ | ৪৪.০% | ৩৮.৩% |
| ২০১১-১২ | ১৮৪৫.০ | ১৫৮২.৪ | ৮৬৪.২ | ৫৪.৬% | ৪৬.৮% |
| ২০১২-১৩ | ১৬৭৪.০ | ১৫৯১.৫ | ৮৮৪.১ | ৫৫.৬% | ৫২.৮% |
| ২০১৩-১৪ | ১৭৮২.০ | ১৫২৭.৭ | ৭৭৮.১ | ৫০.৯% | ৪৩.৭% |
| ২০১৪-১৫ | ১২৯৬.০ | ১২৬৭.১ | ৭২৭.৫ | ৫৭.৪% | ৫৬.১% |
| ২০১৫-১৬ | ১৪৪০.০ | ১২১৭.২ | ৮২৯.০ | ৬৮.১% | ৫৭.৬% |

***টোকা ঃ** ইয়াত বি-টুইল বোলোতে চৰকাৰে পোনপটীয়াকৈ ক্ৰয় কৰা মৰাপাটৰ থৈলাক বুজোৱা হৈছে।


কেনেদৰে ক্ৰমান্বয়ে বৃদ্ধি পাইছে, সেয়া ইয়াত সংলগ্ন লেখ চিত্ৰ (২নং তালিকা)ত বুজোৱা হৈছে।

সুৰক্ষা ব্যৱস্থা আগবঢ়োৱা সময়ছোৱাত এই কথা আশা কৰা হৈছিল যে ভাৰতীয় মৰাপাট উদ্যোগ অধিক বৈচিত্ৰ্যপূৰ্ণ হৈ উঠাৰ লগে লগে নতুন নতুন সামগ্ৰী উৎপাদন সম্ভৱ হৈ উঠিব আৰু নতুন বজাৰো গঢ় লৈ উঠিব। পিছে ইয়াৰ পৰিৱৰ্তে প্ৰকৃতাৰ্থত দেখিবলৈ পোৱা গ'ল যে উদ্যোগটো নিজে বৰ্তি থকাৰ স্বাৰ্থত ক্ৰমান্বয়ে জে পি এম আইনৰ ওপৰতহে অধিক পৰিমাণে নিৰ্ভৰশীল হৈ পৰিছে। কেৱল সেয়াই নহয়, ঘৰুৱা আৰু ৰপ্তানি উভয় ক্ষেত্ৰতেই ব্যক্তিগত খণ্ডৰ বজাৰত নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ সামৰ্থ্যও উদ্যোগবিধে হেৰুৱাই পেলাইছে। বৰ্তমান এনে এটা অৱস্থাহে হৈছেগৈ যে মৰাপাট উদ্যোগে নিজকে জীয়াই ৰাখিবলৈ অতি সংকটজনকভাৱে মাত্ৰ এবিধ উৎপাদিত সামগ্ৰী— খাদ্য শস্য ভৰোৱাৰ বাবে ব্যৱহৃত বি-টুইল থৈলাৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হৈছে, তাৰো ক্ৰেতা হ'ল একমাত্ৰ চৰকাৰ। ভাৰতীয় মৰাপাট উদ্যোগত প্ৰতিযোগিতামূলক মনোভাবৰ এটা কাৰণ হিচাপে দেশখনত বৰ্তি থকা সুৰক্ষা অথবা সংৰক্ষণৰ ব্যৱস্থাকো অভিহিত কৰিব পাৰি, যিটো ব্যৱস্থা বাংলাদেশত নাই। আনহাতে এই কথাও স্পষ্টকৈ বুজিব পাৰি যে জে পি এম আইনে আগবঢ়োৱা সুবিধাৰ বাবেই ভাৰতীয় মৰাপাট উদ্যোগৰ পৰ্যাপ্ত বহুমুখী বিকাশ সম্ভৱ হৈ উঠা নাই। নতুন নতুন সামগ্ৰীৰ উৎপাদন তথা বিকাশ আৰু ন ন বজাৰ গঢ় লৈ উঠাৰ বিষয়টোও অতিশয় লেহেমীয়া হৈ পৰিছে।


বাংলাদেশত মৰাপাট উদ্যোগক বজাৰৰ শক্তিসমূহৰ সন্মুখীন হ'বলৈ এৰি দিয়া হৈছিল। সেই দেশখনৰ মৰাপাট উদ্যোগে বিগত সময়ছোৱাত ভাৰতৰ তুলনাত কেঁচা মৰাপাটৰ উৎপাদন আৰু ৰপ্তানি উভয় দিশতে অধিক সুফল দেখুৱাবলৈ সমৰ্থ হৈছে। ইয়াত সংলগ্ন ৩নং তালিকাৰ জৰিয়তে ২০০৮-০৯ চনৰ পৰা ক্ৰম অনুসাৰে ভাৰত আৰু বাংলাদেশৰ কেঁচা মৰাপাটৰ উৎপাদনৰ পৰিমাণ আৰু উভয় দেশৰ পৰা ৰপ্তানি কৰা মৰাপাটৰ সামগ্ৰীৰ মূল্যৰ তুলনা আগবঢ়োৱা হৈছে (সংশ্লিষ্ট বছৰটোৰ গড় বিনিময় হাৰৰ ওপৰত ভিত্তি কৰি ভাৰতীয় টকাৰ মূল্যৰ আধাৰত সামগ্ৰীৰ মূল্যমান নিৰ্ধাৰণ কৰা হৈছে)। এই তুলনামূলক অধ্যয়নৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে এহাতে যেনেকৈ ভাৰতীয় মৰাপাট খণ্ডলৈ সুৰক্ষা তথা সংৰক্ষণ ব্যৱস্থাৰ সুবিধা আগবঢ়োৱা সত্বেও কেঁচা মৰাপাটৰ উৎপাদন ক্ৰমান্বয়ে হ্ৰাস পাই গৈছে, ঠিক তাৰ বিপৰীতে বাংলাদেশত এই পৰিমাণ বছৰে বছৰে বাঢ়ি গৈছে। আনহাতে ৰপ্তানিৰ ক্ষেত্ৰতো বাংলাদেশে ভাৰতৰ তুলনাত একেৰাহে সুফল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। গড় হিচাপত প্ৰতিবছৰে ৰপ্তানি কৰা সামগ্ৰীৰ মূল্য ভাৰতৰ ১৭৩০.৮ কোটি টকাৰ বিপৰীতে বাংলাদেশৰ ক্ষেত্ৰত এই পৰিমাণ হৈছে বছৰি ৮৮৭৮.৭ কোটি টকা।

তাৎপৰ্যপূৰ্ণভাৱে ভাৰতীয় মৰাপাট কলসমূহে এফালে যেনেদৰে বিদেশৰ বজাৰত কোনো ধৰণৰ উল্লেখনীয় অগ্ৰগতি প্ৰদৰ্শন কৰিবৰলৈ সমৰ্থ হোৱা নাই, তাৰ বিপৰীতে আকৌ ঘৰুৱা বজাৰখনো বাংলাদেশৰ পৰা আমদানি হোৱা সস্তীয়া সামগ্ৰীৰ বাবে ক্ৰমান্বয়ে হেৰুৱাবলগীয়া হোৱাটো পৰিলক্ষিত হৈছে। প্ৰধান প্ৰতিদ্বন্দ্বী শক্তিটোৰ সৈতে ভাৰতীয় মৰাপাট উদ্যোগৰ প্ৰতিদ্বন্দ্বিতাৰ মানো ক্ৰমান্বয়ে নিম্নগামী হোৱাহে দেখিবলৈ পোৱা গৈছে। ইয়াৰ দুটা প্ৰধান কাৰণ হিচাপে বাংলাদেশ চৰকাৰে গ্ৰহণ কৰি অহা নীতি তথা উৎপাদন মূল্যৰ ক্ষেত্ৰত দেশখনৰ উৎপাদনকাৰীসকলে লাভ কৰি অহা সুবিধাজনক পৰিস্থিতিৰ লগতে ভাৰতীয় উৎপাদনকাৰী পক্ষই গ্ৰহণ কৰি অহা সোপাচিলা ভূমিকাৰ প্ৰতি আঙুলিয়াব পাৰি। প্ৰাপ্ত তথ্য অনুসৰি জানিব পৰা মতে বাংলাদেশৰ মৰাপাট কলসমূহে উৎপাদনী মূল্যৰ দিশৰপৰা ভাৰতীয় মৰাপাট কলৰ তুলনাত ১৫ শতাংশৰ পৰা ২০ শতাংশ অধিক সুবিধা ভোগ কৰি আছে। কিয়নো বাংলাদেশত শ্ৰমিকৰ মজুৰিৰ পৰিমাণ ভাৰতৰ তুলনাত কমেও ৩০ শতাংশ কম হোৱাৰ লগতে বিদ্যুতৰ ব্যয়ৰ পৰিমাণো প্ৰায় ৩৫ শতাংশ কম। এনে তুলনামূলক সুবিধাৰ ওপৰঞ্চিভাৱে মৰাপাটৰ সামগ্ৰীৰ ক্ষেত্ৰত বলৱৎ হৈ থকা ১০ শতাংশ ৰপ্তানি ৰাজসাহায্য (সূতাৰ ক্ষেত্ৰত ৭.৫ শতাংশ)ৰ ফলত বিদেশৰ বজাৰত বাংলাদেশৰপৰা ৰপ্তানি হোৱা সামগ্ৰীয়ে ভাৰতীয় সামগ্ৰীক মূল্যৰ দিশত ওফৰাবলৈ সমৰ্থ হৈছে। ইপিনে আনকি ভাৰতৰ ক্ষেত্ৰতো বাংলাদেশৰ-পৰা আমদানি কৰা মৰাপাটৰ সামগ্ৰী সমূলি সীমা শুল্কবিহীন হোৱাৰ ফলত ভাৰতৰ বজাৰৰপৰাও পৰ্যায়ক্ৰমে ভাৰতীয় সামগ্ৰীবোৰক আঁতৰাই বাংলাদেশৰ সামগ্ৰীয়ে স্থান অধিকাৰ কৰিবলৈ লোৱা দেখা গৈছে। মৰাপাটৰ থৈলাৰ অন্যতম পাইকাৰী গ্ৰাহক পশু খাদ্য উৎপাদনকাৰী আৰু হাঁহ-কুকুৰা পালকৰ উদ্যোগসমূহেও ক্ৰমান্বয়ে বাহিৰৰপৰা অহা সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিবলৈ লৈছে। কেৱল সেয়াই নহয়, বিগত কেইটামান মাহৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ কেইবাটাও

**মৰাপাটৰ সামগ্ৰী উৎপাদনৰ মুঠ পৰিমাণৰ শতকৰা হাৰ অনুসৰি সংৰক্ষণ ব্যৱস্থা**




**উৎপাদিত কেঁচা মৰাপাটৰ পৰিমাণৰ বিপৰীতে সংৰক্ষণৰ শতকৰা হাৰ**




লেখিয়া খহটা সামগ্ৰী প্ৰস্তুত কৰাৰ কামত ব্যৱহাৰ হয়। সেয়েহে এই ক্ষেত্ৰত প্ৰদৰ্শিত হৈ অহা যুক্তিটো হ'ল ভাৰতে যিহেতু খহটা আঁহ প্ৰস্তুত কৰে আৰু মৰাপাট কলসমূহেও থৈলা প্ৰস্তুত কৰাৰ কামতেই সীমাবদ্ধ হৈ ৰ'বলগীয়া হয়, সেয়েহে চৰকাৰখনো থৈলাৰ বজাৰখনৰ বাবে সুবিধা আগবঢ়োৱাৰ প্ৰতি দায়বদ্ধ হৈ থাকিবলগীয়া হয়। পিছে এই দৰ্শনটো সম্পূৰ্ণৰূপে শুদ্ধ নহয়। উচ্চ মানবিশিষ্ট আঁহৰ চাহিদা অথবা এনে আঁহ উৎপাদনৰ ফলত অধিক উপাৰ্জনৰ নিশ্চয়তা নাথাকিলে খেতিয়কসকলে এনে সামগ্ৰী উৎপাদনৰ বাবে আগ্ৰহবোধ কৰিবই বা কিয়! সামগ্ৰিকভাৱে পাইকাৰী গ্ৰাহকসকলে যিহেতু সাধাৰণ অথবা তাতকৈও নিম্ন মানৰ আঁহহে কিনিবলৈ বিচাৰে, সেয়েহে কৃষকসকলেও উন্নত মানৰ আঁহ উৎপাদন কৰাৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত কষ্ট কৰিবলৈ আৰু যতন ল'বলৈ আগ্ৰহবোধ নকৰে।

পকোৱা জৰী উৎপাদনৰ কল বন্ধ হৈ পৰিছে। উদ্বেগজনকভাৱে তাৰো কাৰণ হ'ল বাংলাদেশৰপৰা আমদানি হোৱা কম মূল্যৰ সামগ্ৰী।

**আঁহ আৰু কাপোৰৰ মান উন্নীতকৰণ**

ভাৰতীয় মৰাপাট উদ্যোগৰ উন্নতিৰ পথত অন্তৰায় সৃষ্টি কৰি অহা এটা অন্যতম শক্তিশালী কাৰক হ'ল ভাৰতত উৎপাদিত মৰাপাটৰ আঁহৰ মান মূলতঃ সাধাৰণ অথবা সাধাৰণতকৈও নিম্ন পৰ্যায়ৰ (টি ডি-৫ৰ পৰা টি ডি-৮লৈ)। মুঠ উৎপাদনৰ দুই-তৃতীয়াংশতকৈও অধিক পৰিমাণৰ আঁহেই এনে পৰ্যায়ৰ। এনে ধৰণৰ আঁহ সাধাৰণতে খহটা প্ৰকৃতিৰ সূতা তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়, যিবোৰ সূতা বি-টুইল বস্তাৰ

৩নং তালিকা ঃ **ভাৰত আৰু বাংলাদেশৰ মৰাপাটৰ উৎপাদন আৰু ৰপ্তানিকৃত মৰাপাটজাত সামগ্ৰীৰ পৰিমাণৰ তুলনামূলক অধ্যয়ন**

| উৎপাদিত কেঁচা মৰাপাটৰ পৰিমাণ ('০০০ বে'ল হিচাপত) | | | ৰপ্তানি কৰা সামগ্ৰী মুঠ মূল্য (ভাৰতীয় মুদ্ৰা অনুসৰি কোটি টকাৰ হিচাপত) | |
|---|---|---|---|---|
| বৰ্ষ | ভাৰত | বাংলাদেশ | ভাৰত | বাংলাদেশ |
| ২০০৮-০৯ | ৮,২০০ | ৫,১৭২ | ১২১৬.১৬ | ৫৬০৪.৫৮ |
| ২০০৯-১০ | ৯,০০০ | ৫,৯৪৫ | ৮৫৯.৪৬ | পোৱা নাযায় |
| ২০১০-১১ | ১০,০০০ | ৭,৮০৩ | ১৮৫৪.১৫ | ৯০৯৪.৬০ |
| ২০১১-১২ | ১০,২৫০ | ৭,৪০৫ | ২০৯৪.৯৬ | ৮১৯৪.১৪ |
| ২০১২-১৩ | ৯,৩০০ | ৭,৫৭২ | ১৯৯১.৮০ | ৯৬৫৭.৮৭ |
| ২০১৩-১৪ | ৯,০০০ | ৮,০০০ | ২১২১.৯৫ | ৮৯১৭.২৭ |
| ২০১৪-১৫ | ৭,২০০ | পোৱা নাযায় | ১৮১৩.৮১ | ৯৭২৯.৫৯ |
| ২০১৫-১৬ | ৬,৫০০ | পোৱা নাযায় | ১৮৮৯.৩৯ | ১০,৯৫৬.৫৫ |

কেঁচা মৰাপাটৰ উৎপাদন (ভাৰত) ঃ মৰাপাট উপদেষ্টা পৰিষদ
কেঁচা মৰাপাটৰ উৎপাদন (বাংলাদেশ ) ঃ এফ এ অ'
ৰপ্তানি (ভাৰত) ঃ ডি জি চি আই এণ্ড এছ, কলকাতা

মৰাপাটৰ সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ পৰিৱেশ সৃষ্টি কৰাৰ পথত দেখা দিয়া প্ৰত্যাহ্বান হ'ল উচ্চ মানবিশিষ্ট তথা আকৰ্ষণীয় সামগ্ৰী উৎপাদন কৰিব পৰাকৈ মৰাপাটৰ আঁহৰ ৰূপান্তৰ সাধন কৰি ইয়াক প্ৰস্তুত কৰা। সেইটো কৰিবলৈ হ'লে এহাতে যেনেকৈ উৎপাদিত আঁহৰ মান উন্নত কৰাৰ প্ৰয়োজন হ'ব, ঠিক একেদৰে অধিক মিহি তথা মানবিশিষ্ট সূতা উৎপাদন কৰিব পৰাকৈ উৎপাদন প্ৰক্ৰিয়াও উন্নত কৰিব লাগিব আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত বজাৰৰপৰা অধিক লাভ আহৰণ নিশ্চিত কৰিব পৰাকৈ ভিন ভিন সামগ্ৰী উৎপাদন কৰাৰ জোখাৰে সেই সূতাৰপৰা উচ্চ মানৰ কাপোৰো প্ৰস্তুত কৰিব পাৰিব লাগিব। মৰাপাট অৰ্থনীতিৰ এই পট পৰিৱৰ্তনৰ জৰিয়তে এফালে মৰাপাটৰ খেতিয়কসকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ বাবে অধিক মূল্য আদায় দিব পৰা হ'ব আৰু আনফালে শিল্পী-কাৰিকৰ আৰু মজদুৰসকলকো তেওঁলোকে প্ৰস্তুত কৰা আধুনিক মানবিশিষ্ট সামগ্ৰীৰ বাবে অধিক মূল্য অথবা মজুৰি দিয়াটো সম্ভৱ হৈ উঠিব।

উচ্চ মানবিশিষ্ট আঁহ উৎপাদন কৰিবলৈ হ'লে খেতিয়কসকলক মানসম্পন্ন বীজৰ ব্যৱহাৰৰপৰা আৰম্ভ কৰি শৃংখলাবদ্ধ বীজ ৰোপণ, সময় মতে বন নিৰোৱা আদিৰ দৰে কৃষি-অৰ্থনৈতিক পন্থা অৱলম্বনৰ প্ৰতি উৎসাহ প্ৰদান কৰাটো প্ৰয়োজন। সম্প্ৰতি প্ৰচলিত হাতেৰে অ'ত এটা ত'ত এটাকৈ বীজ সিঁচা পদ্ধতিৰ জৰিয়তে গছ একোজোপাৰ বাঢ়ন স্বাস্থ্যসন্মত আৰু সমমানৰ হোৱাটো আশা কৰিব নোৱাৰি। আনহাতে সাৰ, কীটনাশক দ্ৰব্য আদিৰ যোগান সময় মতে পোৱাটোও অতি প্ৰয়োজনীয়।

আঁহ উৎপাদনৰ বাবে এটা অত্যন্ত গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল গছজোপাৰপৰা আঁহ আহৰণ কৰিব পৰাকৈ মৰাপাটৰ গছ এজোপাক সম্পূৰ্ণৰূপে গোৰোৱাৰ ব্যৱস্থা কৰা। ভাৰতৰ গ্ৰামাঞ্চলত থকা সীমিত পানীৰ উৎসৰপৰা ব্যৱহৃত পানীৰ চাহিদা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত মৰাপাট গোৱাবৰ বাবে উপযুক্ত পানীৰ নাটনিয়ে দেখা দিছে আৰু ইয়াৰ ফলত খেতিয়কসকল উপযুক্ত পদ্ধতিৰ সহায় অবিহনেই পথৰ কাষৰ খাল-নৰ্দমা আদিৰ পৰা আৰম্ভ কৰি লেতেৰা অথবা বোকাময় পানীত অপৰিষ্কাৰ পৰিৱেশত মৰাপাট গোৱাবলৈ বাধ্য হৈ পৰে। এনে পৰিস্থিতিৰ ফলত ভাৰতত উৎপাদন কৰা মৰাপাটৰ আঁহবোৰ তেনেই সাধাৰণ অথবা তাতোকৈ নিম্নমানৰ হোৱা দেখা যায়— যি মানৰ আঁহ উচ্চ মানৰ আধুনিক সামগ্ৰী উৎপাদনৰ বাবে উপযোগী নহয়।

'জুট-আইকেয়াৰ' (মৰাপাট ঃ উন্নত উৎপাদন আৰু আধুনিক গোৰোৱা পদ্ধতি) নামৰ প্ৰকল্পটো ২০১৫ চনত আৰম্ভ কৰা হয়। এই প্ৰকল্পৰ লক্ষ্য হ'ল কৃষকক ৰাজসাহায্যযুক্ত মূল্যত বীজৰ লগতে শৃংখলাবদ্ধ ৰোপণ আৰু বন নিৰোৱাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ সঁজুলিৰ যোগান ধৰাৰপৰা আৰম্ভ কৰি সীমিত পৰিমাণৰ পানীত মৰাপাট গোৱাব পৰা আধুনিক প্ৰযুক্তিৰ ব্যৱস্থাৰ সৈতে খেতিয়কসকলৰ পৰিচিত কৰাই দিয়াৰৈকে বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মানসম্পন্ন মৰাপাট উৎপাদনৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা সমস্যাসমূহৰ পৰা পৰিত্ৰাণৰ ব্যৱস্থা কৰা।

মৰাপাট গোৰোৱাৰ ক্ষেত্ৰত অৱলম্বন কৰা তিনিটা পন্থাই সুফল প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছে। ইয়াৰে এটা পদ্ধতিত ফিটাৰ লেখিয়াকৈ গছজোপাৰপৰা বিশেষ ধৰণে ছালখিনি এৰুৱাই পিছত একোটা কৃত্ৰিমভাৱে তৈয়াৰ কৰা টেংকিত সেইবোৰক গোৱাবলৈ দিয়া। এনে টেংকিত কিছুমান এন্‌জাইম্ মিহলি কৰি ব্যৱহাৰ কৰা হয়। ঔদ্যোগিক এন্‌জাইম্ উৎপাদনকাৰী বিশ্বৰ সৰ্ববৃহৎ সংস্থা ন'ভ'জাইমৰদ্বাৰা 'ইজিৰা' আৰু জে চি আই-ৰ সহযোগত এনে এনজাইমৰ সংমিশ্ৰণ প্ৰস্তুত কৰি উলিওৱা হৈছে আৰু এনে সংমিশ্ৰণে নিচেই কম পৰিমাণৰ পানী ব্যৱহাৰেৰে, তাকো মাত্ৰ এসপ্তাহ সময়ৰ ভিতৰতে গোৰোৱাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰে— যি ক্ষেত্ৰত মৰাপাট গোৱাবৰ বাবে সাধাৰণতে প্ৰয়োজন হোৱা সময়ৰ পৰিমাণ হ'ল ১৮ৰ পৰা ২২ দিন পৰ্যন্ত।

দ্বিতীয়টো পদ্ধতি সম্প্ৰতি 'জুট-আইকেয়াৰ'ৰ অধীনত আৰম্ভ কৰা পাইলট প্ৰকল্পত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰা হৈছে। এই পদ্ধতিৰ জৰিয়তে কিছুমান বেক্টেৰিয়াক একগোট কৰি কৃষকৰ বাবে সহজলভ্য পৰম্পৰাগত পানীৰ উৎসত সিহঁতক প্ৰাকৃতিক পৰিৱেশত কাম কৰিবৰ বাবে এৰি দিয়া হয় আৰু এই পদ্ধতিত এনে বেক্টেৰিয়াবোৰে মৰাপাটৰ গোটেই গছজোপাকেই দহৰ পৰা বাৰ দিনৰ ভিতৰত দ্ৰুতভাৱে গোৰোৱাত সহায় কৰে। 'ইজিৰা'ই সম্প্ৰতি পৰীক্ষামূলক-ভাৱে প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰা তৃতীয়টো পদ্ধতিতো কেতবোৰ সুকীয়া মাইক্ৰ'বক একগোট কৰি দ্বিতীয়টো পদ্ধতিৰ লেখিয়াকৈ প্ৰাকৃতিক পৰিৱেশত কাম কৰিবলৈ দিয়া হয়। দৰাচলতে এই দুটা পদ্ধতি অৱলম্বন কৰাটোৱেই খেতিয়কসকলৰ বাবে তুলনামূলকভাৱে সহজসাধ্য বিবেচিত হ'ব। কাৰণ উক্ত দুয়োটা পদ্ধতিৰেই মৰাপাট গোৱাবৰ বাবে তেওঁলোকে পৰম্পৰাগতভাৱে অৱলম্বন কৰি অহা পন্থাৰ সৈতে বহুখিনি সম্পৰ্ক

আছে। উল্লেখযোগ্য যে গোৰাবৰ বাবে প্ৰয়োজন হোৱা সময়ৰ পৰিমাণ বহুখিনি ৰাহি কৰাৰ লগতে এই দুটা পদ্ধতি অৱলম্বনৰ জৰিয়তে উৎপাদন কৰা মৰাপাটৰ আঁহৰ মানো পৰম্পৰাগত আঁহৰ তুলনাত কম পক্ষেও এটা বা ডেৰটা পৰ্যায় উন্নত হ'ব।

সামগ্ৰিকভাৱে উন্নত কৃষি-অৰ্থনৈতিক পন্থা অৱলম্বনৰ লগতে মৰাপাট গোৰোৱাৰ বাবেও আধুনিক পন্থা অৱলম্বনৰ ফলত উৎপাদনৰ হাৰ কম পক্ষেও ১৫ শতাংশ বৃদ্ধি পাব বুলি আশা কৰিব পাৰি আৰু এনে পৰিস্থিতিত উৎপাদিত সামগ্ৰীৰ মানো উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত খেতিয়কসকলৰ উপাৰ্জনৰ পৰিমাণ পূৰ্বৰ তুলনাত অন্ততঃ ২৫ শতাংশ বৃদ্ধি পাব বুলি ঠাৱৰ কৰা হৈছে।

এতিয়া কথাটো হ'ল মৰাপাটৰ আঁহৰ মান পূৰ্বৰ উৎপাদিত সাধাৰণ অথবা তাতোকৈ নিম্ন পৰ্যায়ৰ পৰা উচ্চ খাপলৈ উন্নীত হ'বলৈ লোৱাৰ লগে লগে তেনে উন্নত মানৰ আঁহ ব্যৱহাৰ কৰি পূৰ্বতকৈ মিহি সূতা আৰু তাৰ পৰা উন্নত মানৰ কাপোৰ উৎপাদন কৰাৰ বাবে অধিক উন্নত প্ৰযুক্তি তথা সঁজুলিৰ প্ৰয়োজন আহি পৰিব। বৰ্তমানৰ সংযুক্ত মৰাপাট কলসমূহত ব্যৱহাৰ হৈ থকা যন্ত্ৰ-পাতিবোৰত প্ৰচলিত প্ৰযুক্তিৰ অধিকাংশৰেই মান ইংৰাজ শাসনৰ যুগৰ। আনহাতে 'জুট টেক্‌ন'ল'জি মিছন'ৰ সহায়েৰে অলপতে শেহতীয়া যিবোৰ যন্ত্ৰ-পাতি অথবা সঁজুলিৰ এনে উদ্যোগত সংযোজন ঘটোৱা হৈছে, সেইবোৰত ব্যৱহৃত প্ৰযুক্তিও ১৯৮০ৰ দশকৰ।

ভাৰতত কপাহী আৰু কৃত্ৰিম সূতাৰে প্ৰস্তুত কৰা বস্ত্ৰৰ উদ্যোগৰ ক্ষেত্ৰত অৰ্থনৈতিকভাৱে সংস্কাৰ সাধন সম্ভৱ কৰি তোলা বস্ত্ৰ উদ্যোগ খণ্ডৰ শেহতীয়া উন্নয়নমূলক ব্যৱস্থাসমূহেও বৰ্তমানলৈ মৰাপাট খণ্ডক ঢুকি পোৱাগৈ নাই। আধুনিক যুগৰ সৈতে খাপ খোৱা উন্নত মানৰ মৰাপাটৰ সামগ্ৰী উৎপাদনৰ বাবে সবাতোকৈ প্ৰয়োজনীয় প্ৰাথমিক আহিলাবিধ হ'ল মৰাপাটৰ মিহি সূতা আৰু এইবিধ সামগ্ৰী উৎপাদন কৰিবলৈ হ'লে সংযুক্ত মৰাপাট কলসমূহৰ বাবে অত্যাধুনিক যন্ত্ৰপাতি তথা সা-সঁজুলিৰ লগতে পৰ্যাপ্ত পৰিমাণে উন্নত মানৰ মৰাপাটৰ আঁহ যোগান ধৰাটো সম্ভৱপৰ হৈ উঠিব লাগিব।

উৎপাদনৰ ক্ষেত্ৰত গ্ৰহণ কৰা এনে উন্নত তথা আধুনিক পন্থাৰ ফলত কেৱল উপভোক্তা আৰু ভটিয়নী উদ্যোগৰ বাবে প্ৰয়োজন হোৱা মানসম্পন্ন বস্ত্ৰ চাহিদা অনুসৰি যোগান ধৰিবলৈকেহে মৰাপাট উদ্যোগসমূহ সমৰ্থ হ'ব তেনে নহয়, বৰঞ্চ ইয়েই তেওঁলোকৰ শ্ৰমিকৰ উৎপাদনৰ দিশতো ইতিবাচক প্ৰভাৱ পেলাব।

**উৎপাদিত সামগ্ৰী আৰু সম্ভাৱনা ঃ যাৰ কোনো শেষ নাই**

বিগত কেইবাবছৰো ধৰি মৰাপাটৰ আঁহৰ পৰা উৎপাদিত সূতাৰ ব্যৱহাৰেৰে মিশ্ৰিত সূতাৰ বস্ত্ৰ সামগ্ৰীকে ধৰি অ-পৰম্পৰাগত আৰু আধুনিক যুগৰ চাহিদাৰ সৈতে খাপ খোৱা সামগ্ৰী বিভিন্ন পৰ্যায়ত উৎপাদিত হৈ আহিছে। এনে সামগ্ৰীৰ ভিতৰত আছে ভিন ভিন ধৰণৰ মৰাপাটৰ বজাৰ কৰা মোনা অথবা হেণ্ড-বেগ, অ'লৈ-ত'লৈ বস্তু কঢ়িয়াব পৰা কোমল মোনাৰপৰা আৰম্ভ কৰি চেণ্ডেল-জোতা, 'ফুলৰ থোপা'ৰ দৰে মৰাপাটৰ সজোৱা সামগ্ৰী, মৰাপাটৰ গহনা, বেৰত ওলমোৱা সামগ্ৰী ইত্যাদি। তদুপৰি বুটা বছা আৰু ফুলাম পৰ্দা, চকী-মেজ আদি আচবাবতো মৰাপাট ব্যৱহৃত হৈ আহিছে। আনহাতে হাতে বোৱা কাৰ্পেট আৰু ৰাগৰ লেখিয়া মৰাপাটৰ কাপোৰ বিশেষকৈ পশ্চিমীয়া আৰু মধ্য প্ৰাচ্যৰ দেশসমূহত মজিয়াত পৰা সামগ্ৰী হিচাপে অধিক জনপ্ৰিয়।

মৰাপাটৰ পেলনীয়া অংশৰপৰা উৎপাদিত হাতে সজা কাগজৰপৰা আৰম্ভ কৰি খোৱা-মেজ, শোৱা কোঠালি, বহা কোঠালি আদিত ব্যৱহৃত টেবুল-মেট, কুশ্বন ক'ভাৰ, তুলী, টি ভি ক'ভাৰ আদি আৰু কাৰ্যালয় আদিত ব্যৱহৃত কলম থোৱা ষ্টেণ্ড, ট্ৰে', ফাইল ক'ভাৰ, কেলেণ্ডাৰ আদিৰ দৰে সামগ্ৰী প্ৰস্তুত কৰাৰ বাবেও সম্প্ৰতি মৰাপাটৰ ব্যৱহাৰ বহুল পৰিমাণে বৃদ্ধি পোৱা দেখা গৈছে। কেৱল সেয়াই নহয়, পৰিৱেশক লৈ সজাগতা অনুভৱ কৰা লোকসকল —যিসকলে পৰিৱেশৰ সুৰক্ষাৰ স্বাৰ্থত অতিৰিক্ত ধন খৰচ কৰিবলৈকো কুণ্ঠাবোধ নকৰে— তেনে লোকৰ মাজত প্লাষ্টিক অথবা আন কৃত্ৰিমভাৱে উৎপাদিত সামগ্ৰীৰ বিকল্প হিচাপে ক্ৰমান্বয়ে মৰাপাটৰ সামগ্ৰীয়ে অগ্ৰাধিকাৰ লাভ কৰিবলৈ লৈছে। মৰাপাটৰপৰা প্ৰস্তুত কৰা ভিন ভিন ধৰণৰ মোনা, ঘৰত সজোৱা সামগ্ৰী, বিভিন্ন সা-সঁজুলি আদিৰ দৰে ক্ষুদ্ৰ পৰ্যায়ৰ মৰাপাট সামগ্ৰীৰ উৎপাদন গোটসমূহৰ জৰিয়তে মৰাপাটৰ খেতি বেছিকৈ হোৱা অঞ্চলসমূহত বসবাস কৰা লোকসকলে আত্ম-সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে। বিশেষকৈ বিভিন্ন আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকল এই ক্ষেত্ৰত বিশেষভাৱে উপকৃত হোৱা দেখা যায়।

সম্প্ৰতি হেৰড্‌ছ, ছাল্‌ভাট'ৰ ফেৰাগেম', মাৰ্ক্‌ছ এণ্ড স্পেন্‌চাৰ আৰু 'আইকিয়া'ৰ লেখিয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উচ্চমানৰ প্ৰতিষ্ঠানসমূহেও

মৰাপাটৰপৰা উৎপাদিত আৰু মৰাপাট সৈতে সংমিশ্ৰণ ঘটাই উৎপাদিত বস্ত্ৰৰ ব্যৱসায়ত মনোনিৱেশ কৰিছে। আনহাতে কম মূল্যৰ সামগ্ৰীৰ খণ্ডত ৱালমাৰ্ট আৰু কেৰেফ'ৰৰ দৰে সুপৰিচিত বাণিজ্যিক শৃংখল আৰু টেছ্‌কো, এছ্‌ডা, ৰেইট্ৰ'জ, ছেইন্‌ছবাৰিজ আদিৰ লেখিয়া ইংৰাজ বাণিজ্যিক প্ৰতিষ্ঠানসমূহে ব্যাপক হাৰত মৰাপাটৰ পৰা উৎপাদিত ভিন ভিন প্ৰকাৰৰ বজাৰ কৰা মোনাৰ ব্যৱসায় কৰি আছে।

এনে পৰিস্থিতিত সময়ৰ আহ্বান হ'ল, গ্ৰাহক তথা বজাৰৰ ক্ৰমাৎ পৰিৱৰ্তনশীল ৰুচিৰ সৈতে খাপ খুৱাই পশ্চিমীয়া বজাৰখনলৈ লক্ষ্য ৰাখি উচ্চ মানৰ আৰু ভিন্নতাপূৰ্ণ উৎপাদনৰ বাবে অধিৰকৰ পৰিমাণে উদ্ভাৱনীমূলক আৰু ন ন আৰ্হিৰ সামগ্ৰী প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰা। এনেধৰণৰ বজাৰত ইতিমধ্যে গ্লষ্টাৰ লাইফষ্টাইল, এণ্ডেডছ ক্লাব, আৰ্বৰ, বেলিফেব্‌ছ আদিৰ দৰে ভাৰতীয় ব্ৰেণ্ড একাংশই খোপনি পুতিবলৈ সমৰ্থ হৈছে।

সূতাৰে বৈ উলিওৱা মৰাপাটৰ বস্ত্ৰ সামগ্ৰীৰ বাহিৰেও মৰাপাটৰ খহটা আঁহৰ পৰা আন প্ৰকাৰে উৎপাদন কৰা কাপোৰৰ দৰে সামগ্ৰীয়েও কাৰিকৰী বস্ত্ৰৰ খণ্ডত বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ লৈছে। এনে ধৰণে উৎপাদিত মৰাপাটৰ কাপোৰ বিশেষকৈ বিদ্যুৎ প্ৰবাহ প্ৰতিৰোধ আৰু শীত-তাপ নিয়ন্ত্ৰণ কৰিবলগীয়া ঘৰুৱা সামগ্ৰীৰ লগতে অট'মবাইল সামগ্ৰীৰ ভিতৰ ভাগত ব্যৱহাৰ কৰিবলৈৰ লোৱা হৈছে। সূতাৰে বোৱা আৰু আন ধৰণে উৎপাদিত উভয় প্ৰকাৰৰ মৰাপাটৰ কাপোৰেৰে প্ৰস্তুত কৰা সংযুক্ত মানৰ সামগ্ৰীসমূহ সাধাৰণতে নিৰ্মাণ খণ্ডৰ সহযোগী গোট, স্বয়ংক্ৰিয়ভাৱে মিহিকৈ কটা সঁজুলি আৰু আচবাব-পত্ৰৰ উদ্যোগত তৈয়াৰ কৰা হয়।

মৰাপাটৰ খহটা আঁহবোৰ ব্যৱহাৰ কৰি অথবা আন খহটা সূতাৰ সৈতে সেইবোৰৰ সংমিশ্ৰণ ঘটাই বৈ উলিওৱা অথবা আন পদ্ধতিৰে উৎপাদন কৰা মৰাপাটৰ জৈৱিক বস্ত্ৰ পাব পৰা যায়। অভিযান্ত্ৰিক খণ্ডত প্ৰয়োজন হোৱা বিভিন্ন কাম-কাজত মানুহে প্ৰস্তুত কৰা (কৃত্ৰিম) জৈৱিক বস্ত্ৰৰ ঠাইত আন উদ্ভাৱনমূলক কাৰিকৰী বস্ত্ৰ ব্যৱহাৰ কৰিব পাৰি। এনে ধৰণৰ বিশেষভাৱে উৎপাদিত বস্ত্ৰ সামগ্ৰীক সুকীয়া ৰূপ দি ন ন সামগ্ৰী প্ৰস্তুত কৰি তেনে সামগ্ৰী ভূমিৰ সৈতে সম্পৰ্কিত বিভিন্ন সমস্যা সমাধানৰ উদ্দেশ্যে ব্যৱহাৰ কৰাৰ লগতে পথ নিৰ্মাণৰ কাম, নৈৰ পাৰৰ সুৰক্ষা, এঢলীয়া ভূমিভাগৰ সুৰক্ষা, আনকি ৰে'লপথ নিৰ্মাণৰ কামতো ব্যৱহাৰ কৰিব পৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ে মৰাপাটৰ পৰা উৎপাদিত জৈৱিক বস্ত্ৰৰ পৰিৱেশ অনুকূলতা তথা মাটিৰ লগত মিহলি হৈ যাব পৰা গুণৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্মাণ খণ্ডৰ অভিযান্ত্ৰিক কাম-কাজত এনে সামগ্ৰীৰ ব্যৱহাৰ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লৈছে।

সমগ্ৰ দেশতে ভিন ভিন জলবায়ু আৰু মাটিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি ২১০ বিধৰো অধিক সুকীয়া কাম-কাজত মৰাপাটৰ জৈৱিক বস্ত্ৰ ব্যৱহাৰ কৰা হৈ আহিছে। যি কামত ইয়াক ব্যৱহাৰ কৰা হয় সেই প্ৰয়োজন সম্পূৰ্ণ হোৱাৰ পাছত মৰাপাটৰ জৈৱিক বস্ত্ৰ মাটিৰ সৈতে সহজে মিহলি হৈ যায় বাবে অন্যান্য জৈৱিক বস্ত্ৰৰ তুলনাত ইয়াৰ গ্ৰহণযোগ্যতা অধিক। পৰিৱেশৰ সুৰক্ষাৰ প্ৰতি সমগ্ৰ বিশ্বজুৰি সজাগতা বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত নিৰ্মাণ খণ্ডৰ অভিযান্ত্ৰিক কাম-কাজৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন জৈৱ কাৰিকৰী সমস্যাৰ সমাধানৰ বাবে নীতি নিৰ্ধাৰণকাৰী আৰু অভিযন্তা সকলোৰে বাবে পৰিৱেশ অনুকূলতাৰ দিশৰ পৰা অতিশয় নিৰ্ভৰযোগ্য মৰাপাটৰ জৈৱিক বস্ত্ৰ স্বাভাৱিকতে সৰ্বাধিক পচন্দৰ সামগ্ৰী হৈ পৰিছে।

**মৰাপাটৰ বন্ধা সামগ্ৰী প্ৰস্তুতকৰণ (জে পি এম) আইনৰ আওতাৰ বাহিৰলৈ অৱলোকন**

মৰাপাটক লৈ সম্ভাৱনাৰ কোনো শেষ নাই। ন ন সৃষ্টিৰ পৰিসৰ বৃদ্ধি কৰিব পৰাকৈ প্ৰযুক্তিৰ যেনেদৰে কোনো অভাৱ নাই, তেনেদৰে উৎপাদিত সামগ্ৰীও উভৈনদী হৈ আছে। এই ক্ষেত্ৰত যিটোৰ অভাৱ দেখিবলৈ পোৱা যায় সেয়া হ'ল এনেবোৰ সামগ্ৰীৰ পৰা এই খণ্ডটোক অধিক উপাৰ্জনক্ষম কৰি তুলিব পৰাকৈ, বিশেষকৈ এনে উদ্দেশ্যৰে অধিক মূল্যৱান তথা আকৰ্ষণীয় সামগ্ৰী উৎপাদন কৰিব পৰাকৈ পৰিকল্পনা আৰু আঁচনি যুগুতোৱাৰ বাবে সামৰ্থ্যৱান উদ্যোগী আগৰণুৱা। বাংলাদেশক উদাহৰণ হিচাপে ল'লে এই কথা বুজিব পৰা যায় যে তেওঁলোকে মৰাপাট খণ্ডটোক নিজা-ববীয়াকৈ বিকাশ সাধন কৰাৰ বাবে এৰি দিছে। তেওঁলোকৰ এই এৰি দিয়া নীতিৰ ফলত কেঁচা মৰাপাট উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ ৰপ্তানি উভয় বিষয়তে সুফল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। বজাৰৰ ক্ষেত্ৰত দেখা দিয়া প্ৰতিযোগিতাই বাংলাদেশৰ মৰাপাট উদ্যোগক প্ৰতিযোগিতাশীল কৰি তুলিছে। তেনে একোটা উদ্যোগ এবাৰ নিজা প্ৰচেষ্টাৰে এটা পৰ্যায়ত উপনীত হোৱাৰ পৰৱৰ্তী পৰ্যায়ত বাংলাদেশ চৰকাৰে তেনে উদ্যোগলৈ নিৰ্দিষ্ট ধৰণৰ

**(৭১ পৃষ্ঠাত চাওক)**

# অসমৰ বস্ত্ৰশিল্প ঃ কৌশল ভিত্তিক শিক্ষণ ব্যৱস্থা

**ৰাণী মুদিয়াৰ ডেকা***

অসমৰ বস্ত্ৰ-শিল্প ৰাজ্যখনৰ ঐতিহ্য-মণ্ডিত ইতিহাসৰ এটা অবিচ্ছেদ্য অংগ, অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক চিনাকিৰ চানেকী। সৌ তাহানিৰ বৃন্দাৱনী বস্ত্ৰৰপৰা আৰম্ভ কৰি বড়ো, ৰাভা, হাজং, মিচিং, কাৰ্বি, ডিমাচাসকলৰ স্বকীয় কলা-কৌশলৰ সংমিশ্ৰণত প্ৰাণ পাই উঠা ভিন্ন প্ৰকাৰৰ হস্তৰ্তাঁত আৰু এৰী-মুগা-পাটৰ বস্ত্ৰ সম্ভাৰে আজিৰ বিশ্বায়নৰ দিনতো অসমক গৌৰৱান্বিত কৰি ৰাখিছে। বস্ত্ৰনগৰী খ্যাত শুৱালকুছিত আহোম ৰজাৰ দিনতেই মোমাই তামুলী বৰবৰুৱাই হস্ততাঁত শিল্প বিকশাই তুলিছিল। অৱশ্যে, ইয়াৰ পূৰ্বেই, অৰ্থাৎ, দশম-একাদশ শতিকাৰ ৰজা ধৰ্মপালৰ পৃষ্ঠপোষকতাত শুৱালকুছিত তাঁতী-সকলৰদ্বাৰা বোৱা-কটা শিল্পৰ আৰম্ভণি হৈছিল। এই শুৱালকুছিৰ শিপিনীয়ে তাঁতৰ পাটত মহাত্মা গান্ধীৰ মুখাৱয়ৱ অংকন কৰি বৈ উলিয়াইছিল আৰু ১৯৪৬ চনত গান্ধীয়ে হেনো স্বচক্ষে সেই ছবি প্ৰত্যক্ষ কৰি তবধ মানিছিল। এতিয়া সেই শুৱালকুছি প্ৰাচ্যৰ মানছেষ্টাৰ হিচাপে প্ৰখ্যাত। মুগা, পাট, এৰী, খাদী আৰু ভিন্ন সূতাৰ মেখেলা-চাদৰ, শাৰী আৰু অন্যান্য কাপোৰ এতিয়া শুৱালকুছিৰ পৰাই 'অন্‌লাইন' যোগেও বিক্ৰী কৰা হয়। অৱশ্যে শুৱালকুছিয়েই অসমৰ একমাত্ৰ ঠাই নহয়, য'ত পাট-মুগাকে আদি কৰি বিধে-বিধে বাছকবনীয়া বস্ত্ৰ উৎপাদন কৰি উলিওৱা হয়। উজনি অসমৰ ধেমাজি, ঢকুৱাখনা, মাজুলীকে ধৰি মধ্য অসমৰ নগাঁও, কাৰ্বি আংলং আৰু বিটিএডি এলেকাৰ বিভিন্ন ঠাইত জনগোষ্ঠীয়-পৰম্পৰাগত সাজ-পোছাক তথা আধুনিক আৰ্হি সমৃদ্ধ বস্ত্ৰ উৎপাদন কৰা হয়। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে অসমত এনে এখন জিলা নাই, গাঁও নাই,—য'ত শিপিনীসকলে কাপোৰ উৎপাদন নকৰে। ব্যৱসায়িকভাৱে নহ'লেও প্ৰায় প্ৰতিখন গাঁৱৰ মহিলাই নিজৰ পৰিয়ালৰ বাবে নিত্য প্ৰয়োজনৰ কাপোৰ নিজ ঘৰতে বৈ লয়। সেইবাবেই বোধহয় অসমত বোৱনীৰ সংখ্যা আৰু তাঁতশালৰ সংখ্যা দেশৰ ভিতৰতে সৰ্বাধিক। কেন্দ্ৰীয় চৰকাৰৰ হস্তশিল্প উন্নয়ন আয়ুক্তৰৰ তথ্য অনুসৰি ২০০৯-১০ চনত চলোৱা তৃতীয় হস্ততাঁত পিয়ল মতে ভাৰতত ৪৩ লাখতকৈ অধিক লোক বোৱা-কটা আৰু আনুষঙ্গিক কাৰ্যৰ সৈতে জড়িত। অসমত এই সংখ্যা হৈছে ১৬,৪৩,৪৫৩ উক্ত পিয়ল মতে অসমত সৰ্বমুঠ ১১,১১,৫৭৭খন তাঁতশাল আছে। অসম চৰকাৰে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰিও অসমত কৃষি খণ্ডৰ পিছতেই সৰ্বাধিক সংখ্যক লোক হস্ততাঁত আৰু হস্তশিল্পৰ সৈতে জড়িত হৈ জীৱিকা নিৰ্বাহ কৰি আছে। ৰাজ্য চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰদ্বাৰা প্ৰকাশিত ২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক জৰীপ অনুসৰি অসমত ১৪ লাখতকৈ অধিক শিপিনী থকাৰ উপৰি ১৬ লাখতকৈ অধিক লোক হস্ততাঁত আৰু আনুষঙ্গিক কাৰ্যৰ লগত জড়িত হৈ আছে। ২০১৩-১৪ চনৰ তথ্যমতে অসমৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ অধীনত বিভিন্ন জিলাত সৰ্বমুঠ ২০৯ টা হস্ততাঁত প্ৰদৰ্শন সংমণ্ডল আছে। এই সংমণ্ডলসমূহে ১৩,৫৭৬ খন গাঁৱত ১৩ লাখৰো অধিক শিপিনীক সামৰি লৈছে।

একেদৰে ৰেচম শিল্পৰ ক্ষেত্ৰতো ৰাজ্যখন দেশৰ ভিতৰতে অনন্য। অসমৰ মুগাই ইতিমধ্যেই জিঅ'গ্ৰেফিকেল আইডে'নটিফিকেশ্বন অভ্ গুডছ ১৯৯৯ ৰ অধীনত বিশ্ববজাৰত ভৌগোলিক স্বীকৃতি-স্বত্ব লাভ কৰিছে। বিশ্ব বজাৰত অসমৰ মুগা একছত্ৰী-সম্ৰাজ্ঞী সদৃশ, কিয়নো, সোণালী মুগাৰ ৯৭ শতাংশই অসমত উৎপাদিত হয়। পৰিতাপৰ বিষয় এয়ে যে অসমৰ মুগা শিল্পলৈ সম্প্ৰতি সংকট নামি আহিছে। অভিজ্ঞ ব্যক্তি তথা গৱেষকসকলে আৰু কিছু বছৰৰ পিছতেই অসমত মুগা সূতা উৎপাদন কৰিবলৈকে পোৱা নাযাব বুলি আশংকা প্ৰকাশ কৰিছে। প্ৰতিকূল জলবায়ু আৰু মুগা-পলুৰ খাদ্য চোমগছ থকা চোমনি সমূহৰ ক্ৰমবৰ্দ্ধমান বিলুপ্তিয়েই ৰাজ্যৰ মুগা শিল্পলৈ বিপদ মাতি আনিছে বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। চৰকাৰী তথ্য অনুসৰি অসমত সম্প্ৰতি ১১,৪১১ খন ৰেচম গাঁও আছে। প্ৰায় আঢ়ৈ লাখৰো অধিক লোক এই শিল্পৰ লগত জড়িত হৈ আছে। মন কৰিবলগীয়া যে ৰাজ্যখনৰ বৃহৎ

*ৰাণী মুদিয়াৰ ডেকা দিশপুৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা আৰু মুৰব্বী

সংখ্যক মহিলা এই ৰেচম শিল্পৰ সৈতে জড়িত। তথ্যমতে, ৰেচম শিল্পটোত জড়িত হৈ থকা লোকসকলৰ ৭০ ৰ পৰা ৮০ শতাংশই হৈছে মহিলা। গতিকে, এই শিল্পই অসমৰ মহিলাৰ অৰ্থনৈতিক সবলীকৰণৰ দিশত উল্লেখনীয় অৰিহণা আগবঢ়াইছে।

এই তথ্যসমূহলৈ লক্ষ্য কৰিলে এই কথা ন দি ক'ব পাৰি যে পৰম্পৰাগত এই বস্ত্ৰ শিল্পই অসমৰ কেৱল সংস্কৃতিকেই ধৰি ৰখা নাই, বৰঞ্চ ৰাজ্যখনৰ অৰ্থনীতিলৈও প্ৰভূত বৰঙণি আগবঢ়াইছে। দৈনন্দিন পৰিধানযোগ্য মেখেলা-চাদৰ-শাৰী, চুৰিয়া-চেলেং, গামোচা, দখনা আৰনাইকে ধৰি ভিন্ন প্ৰকাৰৰ বস্ত্ৰ উৎপাদন কৰি থলুৱা চাহিদা পূৰণ কৰাৰ উপৰি পাৰিবাৰিক আৰু সামাজিক উৎসৱ-পাৰ্বণ আদিত ব্যৱহাৰৰ বাবেও এই শিল্পসমূহে কাপোৰৰ যোগান ধৰি আহিছে। অসমৰ ৰেচম শিল্পই অসমত বসবাস কৰা ধনী-দুখীয়া প্ৰতিঘৰ পৰিয়ালৰ বিবাহ অনুষ্ঠানৰ পৰা আৰম্ভ কৰি অন্যান্য মাঙ্গলিক অনুষ্ঠান, পৰ্ব আদিৰ বাবে প্ৰয়োজনীয় বস্ত্ৰ সম্ভাৰৰ চাহিদা পূৰণ কৰি আহিছে। সম্প্ৰতি, এই শিল্পত প্ৰস্তুত কৰা সাজ-পোছাক অসমৰ বহিঃ ৰাজ্যৰ লগতে বিদেশলৈয়ো ৰপ্তানি কৰা হৈছে। কেৱল মহিলাই পিন্ধা শাৰী, মেখেলা-চাদৰ জাতীয় কাপোৰেই নহয়, এৰী-মুগা, খাদী কাপোৰেৰে প্ৰস্তুত বিভিন্ন সাজ-পোছাক, যিবোৰ পুৰুষে পৰিধান কৰে, শ্ব'ল, পৰ্দা, বেডক'ভাৰ, বেগ আদিও অসমৰ শিপিনী-শিল্পী সকলে প্ৰস্তুত কৰি উলিয়াই-ৰাজ্যৰ বাহিৰলৈ পঠিয়াবলৈ সক্ষম হৈছে। কিন্তু, এনে বজাৰ অতি সীমিত হৈ থকা বুলিব পাৰি। ব্যক্তিগত পৰ্যায়ত দুই এক উদ্যমী লোকৰ তৎপৰতাত ৰাজ্যখনৰ কোনো কোনো অনুষ্ঠান বা উদ্যোক্তা ব্যৱসায়ীয়ে এইক্ষেত্ৰত কিছু সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰৰ তৰফৰপৰাও শিপিনীসকলক সূতাৰ যোগান ধৰা, প্ৰদৰ্শনীৰ আয়োজন কৰি তেওঁলোকক যোগদান কৰাৰ সুবিধা কৰি দিয়া, সজাগতামূলক কৰ্মশালা আৰু প্ৰশিক্ষণ আদিৰ সুবিধা কৰি দিয়া, বজাৰত বিক্ৰী সাহায্য প্ৰদান কৰা, ইত্যাদি ব্যৱস্থা সমূহ ৰূপায়ণ কৰি থকা হৈছে। কিন্তু, উদ্যোগটোৰ পূৰ্ণ বিকাশৰ বাবে এই ব্যৱস্থাখিনি যথেষ্ট বুলি ক'ব নোৱাৰি। এই সীমিত ব্যৱস্থাসমূহে উদ্যোগটোক এটা সুনিশ্চিত ভৱিষ্যৎ দিব নোৱাৰিব।

খাদ্য আৰু আশ্ৰয়স্থলৰ দৰে বস্ত্ৰও হৈছে মানুহৰ ন্যূনতম প্ৰয়োজনৰ অন্যতম উপাদান। গতিকে, বস্ত্ৰৰ চাহিদা কোনো কালেই নোহোৱা হৈ নাযায়। অৱশ্যে, সময়ে সময়ে ফেশ্বনৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক, যাৰ বাবে সাজ-পোছাক গ্ৰাহকৰ ৰুচি অনুসৰি প্ৰস্তুত কৰিবলগীয়া হয়। আচলতে, আৰ্হি প্ৰস্তুত কৰোঁতাসকলৰ সহযোগত নতুনত্ব আনি গ্ৰাহকৰ মন যোগাব পৰাকৈ সাজ-পোছাক প্ৰস্তুত কৰি বজাৰ দখল কৰিব পৰাটোতহে বস্ত্ৰ শিল্পৰ ভৱিষ্যৎ নিৰ্ভৰশীল। অসমৰ বস্ত্ৰ শিল্পৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। গতিকে, এই শিল্পৰ বিকাশৰ অৰ্থে যথাসম্ভৱ সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সময় ইতিমধ্যেই সমাগত হৈছে। এনেধৰণৰ সম্ভাব্য ব্যৱস্থাবোৰৰ ভিতৰত এটা প্ৰধান হৈছে এই শিল্পৰ সৈতে সংলগ্ন হৈ থকা প্ৰয়োজনীয় কৌশল ভিত্তিক পাঠ্যক্ৰম প্ৰস্তুত কৰি আনুষ্ঠানিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা।

অন্যান্য শিল্পৰ দৰে বস্ত্ৰ শিল্পৰ বাবেও প্ৰয়োজনীয় কাৰিকৰী কলা-কৌশল, পৰিচালনা কৌশল, ব্যৱসায়িক কৌশল বিষয়ক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা আছে আৰু দেশে দেশে এনে পাঠ্যক্ৰম প্ৰচলিত হৈও আহিছে। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। গতিকে অসমতো বস্ত্ৰ শিল্প ভিত্তিক উচ্চ শিক্ষা অনুষ্ঠান আছে। ১৯২০ চনতেই স্থাপিত আসাম টেক্সটাইল ইনষ্টিটিউট হৈছে ইয়াৰ উৎকৃষ্ট উদাহৰণ। প্ৰথম অৱস্থাত ব্যক্তিগত প্ৰয়াসত প্ৰয়াত ৰায় বাহাদুৰ কনকলাল বৰুৱাৰদ্বাৰা স্থাপিত এই অনুষ্ঠানটি সম্প্ৰতি ৰাজ্যখনৰ অতি উল্লেখনীয় চৰকাৰী খণ্ডৰ অনুষ্ঠান। অসম চৰকাৰৰ ৰেচম আৰু বোৱা-কটা প্ৰতিষ্ঠানটোক এই অনুষ্ঠানৰ লগত চামিল কৰি দিয়া হৈছিল। সম্প্ৰতি এই প্ৰতিষ্ঠানটো হৈছে বস্ত্ৰ-প্ৰযুক্তি, পোছাক পৰিচ্ছদ প্ৰযুক্তি আৰু ফেশ্বন প্ৰযুক্তি — এই তিনিওটাৰে শিক্ষা প্ৰদান কৰা এটা অভিযান্ত্ৰিক প্ৰতিষ্ঠান, যিটো সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতেই অদ্বিতীয়। এই অনুষ্ঠানৰপৰা শিক্ষা সমাপ্ত কৰা যুৱক-যুৱতীসকলে চৰকাৰী বিভাগত নিয়োজিত হোৱাৰ উপৰি, দেশৰ উদ্যোগ খণ্ডৰ কেইবাটাও নামজ্বলা প্ৰতিষ্ঠান, যেনে, অৰবিন্দ মিলচ্ বৰ্দ্ধমান গ্ৰুপছ, ফেব্ৰিক প্লাছ, ভাৰত-বিজয় মিল, আলোক ইণ্ডাষ্ট্ৰিজ, ইত্যাদিবোৰত নিযুক্তি পাবলৈ সক্ষম হৈছে। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতেই বস্ত্ৰ শিল্পৰ কাৰিকৰী জ্ঞান প্ৰদানৰ ক্ষেত্ৰত নিসন্দেহে এই প্ৰতিষ্ঠানে অৱদান আগবঢ়াইছে। কিন্তু, ৰাজ্যখনৰ বা সমগ্ৰ উত্তৰ পূবৰ পৰম্পৰাগত বস্ত্ৰ সম্ভাৰৰ বিশালতালৈ লক্ষ্য কৰিলে এই একমাত্ৰ অনুষ্ঠানটোৰ অৱস্থিতিয়েই যথেষ্ট নহয়। অৱশ্যে, অসম চৰকাৰৰ হস্ত-তাঁত আৰু বস্ত্ৰ বিভাগে নিজাববীয়াকৈ কেতবোৰ বোৱা-কটা প্ৰশিক্ষণ কেন্দ্ৰ চলাই আছে। সেইবোৰ হৈছে বিভিন্ন ঠাইত চলি থকা ১০২টা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ, ৪টা হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠান, ৯৮টা বোৱনী সেৱা সম্প্ৰসাৰণ গোট আৰু ১টা মাথোন হস্ততাঁত গৱেষণা আৰু আৰ্হি কেন্দ্ৰ

ইত্যাদি। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ অধীনৰ হস্ততাঁত বিকাশ আয়ুক্তৰ অধীনতো দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত উত্তৰ পূৰ্বাঞ্চলৰ বস্ত্ৰ উদ্যোগক উদগনি দিবৰ বাবে শিপিনীসকলৰ কৌশল বিকাশ ব্যৱস্থা, পুঁজি গঠন, সুবিধা কেন্দ্ৰ স্থাপন ইত্যাদি ব্যৱস্থা সংযোজিত আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। এই ক্ষেত্ৰত ৰাজ্যচৰকাৰৰ সংশ্লিষ্ট বিভাগেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় হস্ততাঁত বিকাশ কাৰ্যসূচীৰ অধীনত ৰাজ্যখনৰ হস্ততাঁত সামগ্ৰিক বিকাশৰ বাবেও ক্লাষ্টৰ এপ্ৰ'চ্চ-ৰ অধীনত ব্যৱস্থা ৰূপায়ণ কৰিছে। অসমৰ শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ হস্ততাঁত বিকাশৰ অৰ্থে ক্লাষ্টৰ এপ্ৰ'চ্চ ৰ অধীনত কেন্দ্ৰই বিশেষ সাহায্য প্ৰদান কৰিছে।

বস্ত্ৰ-মন্ত্ৰণালয়ৰ অধীনৰ কেন্দ্ৰীয় ৰেচম বোৰ্ড ছিল্ক-মাৰ্ক আঁচনি ৰূপায়ণৰ-দ্বাৰাও ৰেচম শিল্পটিক উৎকৃষ্ট উৎপাদকৰ মান্যতা প্ৰদানৰ ব্যৱস্থা কৰিছে। উত্তৰ-পূৰ্বাঞ্চলত এই আঁচনিৰ অধীনত ১৭৭টা ৰেচম উৎপাদক ব্যৱসায়িক গোটক ছিল্ক মাৰ্ক মোহৰ ব্যৱহাৰৰ অনুমোদন জনোৱা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ অৰ্থে স্থাপন কৰা উত্তৰ-পূব পৰিষদেও বস্ত্ৰ শিল্পৰ বিকাশৰ বাবে সহায়ৰ হাত আগবঢ়াইছে। ১৯৮৭ চনত আৰম্ভ কৰা প্ৰকল্প শুৱালকুছি নামৰ আঁচনিখন ৰূপায়ণৰ বাবে কাৰিকৰী তথা পৰিচালনা দক্ষতা বিকাশৰ ক্ষেত্ৰত শিপিনীসকলক উত্তৰ-পূব পৰিষদে সুবিধা প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠানেও উক্ত আঁচনিখন সফলভাৱে ৰূপায়িত হোৱাত সহায় আগবঢ়াইছে। এই প্ৰতিষ্ঠানটোৱে অসমৰ প্ৰায় তিনি শতাধিক বোৱনীক কলকাতাস্থিত কাৰ্যালয়লৈ নি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। এই কলকাতা শাখা এন আই এফ টি আৰু উত্তৰ পূব পৰিষদৰ যুটীয়া সহযোগিতাৰে শুৱালকুছিত ২০১১ চনত শুৱালকুছি ইনষ্টিউট অভ্ ফেশ্বন টেকন'লজি স্থাপন কৰা হৈছে। এই প্ৰতিষ্ঠানত আৰ্হি বিকাশ ৰ পৰা আৰম্ভ কৰি ফেশ্বন সচিত্ৰ ফেব্ৰিক বিকাশ ৰং, গুণ নিৰ্ণয় আৰু ডাইইং কম্পিউটাৰ এপ্লিকেশ্বন ইন ডিজাইন ইত্যাদি বিভিন্ন হ্ৰস্বকালীন পাঠ্যক্ৰমত শিক্ষা প্ৰদান আৰু প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

নিসন্দেহে ওপৰত উল্লেখ কৰা ব্যৱস্থাসমূহে ৰাজ্যখনৰ বস্ত্ৰশিল্পৰ বিকাশত লেখত ল'বলগীয়া অৱদান আগবঢ়াইছে। কিন্তু, এইখিনি ব্যৱস্থাই যথেষ্ট বুলি ক'ব নোৱাৰি। ৰাজ্যখনৰ অৰ্থনীতিৰ বিকাশত অতুলনীয় অৱদান আগবঢ়াব পৰা সম্ভাৱনাপূৰ্ণ এই পৰম্পৰাগত বস্ত্ৰশিল্পক আধুনিক যুগৰ চাহিদা পূৰণ কৰিব পৰাকৈ সম্পূৰ্ণ বিকশিত ৰূপত তুলি ধৰি ৰাজ্যখনৰ মানৱ সম্পদক ইয়াৰ লগত সংযোজিত কৰাৰ উদ্দেশ্যেৰে বিশেষ পৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্ছনীয়। এই ব্যৱস্থা কেৱল চৰকাৰী প্ৰয়াসতেই সম্ভৱ নহ'ব, বৰঞ্চ ইয়াৰ বাবে অ-চৰকাৰী অনুষ্ঠান সমূহৰো সমান সহযোগিতাৰ প্ৰয়োজন হ'ব। ল'বলগীয়া এই পৰিকল্পিত ব্যৱস্থাসমূহৰ ভিতৰত অন্যতম হৈছে বস্ত্ৰ শিল্পৰ কৌশল ভিত্তিক পাঠ্যক্ৰম প্ৰস্তুত কৰি শিক্ষা আৰু প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা, যিটো ইতিমধ্যেই উল্লেখ কৰা হৈছে। দেখা যায় যে ভাৰতৰ কেতবোৰ ৰাজ্যই ইতিমধ্যে এনে ব্যৱস্থা হাতত লৈছে। তামিলনাডুৰ চালেম স্থিত বস্ত্ৰ প্ৰযুক্তিৰ ভাৰতীয় প্ৰতিষ্ঠানত পোন প্ৰথমবাৰৰ বাবে হস্ততাঁতৰ বি টিচ্ ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। তদুপৰি, তাঁত হস্ততাঁত উদ্যমিতাৰ হস্ত তাঁত শিল্পোদ্যোগৰ বাবেও চাৰ্টিফিকেট পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে। এনে পাঠ্যক্ৰমবোৰ ফেশ্বন আৰ্হি আৰু পৰ্যটন বিকাশৰ সৈতে সংযোজিত কৰা হৈছে। অসমতো এনে সংযোজিত পাঠ্যক্ৰম খোলাৰ প্ৰয়োজনীয়তা আছে।

অ-চৰকাৰী সংগঠনবোৰেও থলুৱা হস্ততাঁত ৰেচম শিল্পৰ ওপৰত কৌশল ভিত্তিক পাঠ্যক্ৰম আৰম্ভ কৰাৰ কথা ভাবিব পাৰে। দেশৰ বিভিন্ন ৰাজ্যত ইতিমধ্যেই এনে সংগঠনৰ উদ্যোগত বৃত্তিগত পাঠ্যক্ৰম চলাই থকা হৈছে। উদাহৰণ স্বৰূপে মধ্যপ্ৰদেশৰ মহেশ্বৰত অ'মেন ৱীভ্ নামৰ সংগঠনটোৱে দি হেণ্ডলুম স্কুল নামৰ এখন দক্ষতা বিকাশ পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠান খুলিছে। ইয়াত এবছৰীয়া পাঠ্যক্ৰমত হস্ত তাঁত-বিশেষ আৰ্হি আৰু উদ্যমিতা বিকাশৰ শিক্ষা দিয়া হয়। একেদৰে, আগ্ৰাৰ দয়ালবাগ শিক্ষা প্ৰতিষ্ঠানৰদ্বাৰা দূৰসংযোগী পাঠ্যক্ৰম প্ৰদানৰ ব্যৱস্থা কৰা হৈছে, য'ত হস্ততাঁত-বস্ত্ৰ শিল্প ভিত্তিক দক্ষতা বিকাশৰ একাধিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। অসমতো এই অনুষ্ঠানৰ আৰ্হিত পোছাক আৰ্হিকৰণ আৰু কাপোৰ চিলাইৰ এবছৰীয়া পাঠ্যক্ৰম খুলিব পৰা যায়। অসমৰ ঠায়ে ঠায়ে পৰম্পৰাগতভাৱে উৎপাদন কৰি অহা ভিন্ন জনগোষ্ঠীয় বস্ত্ৰসমূহৰ আৰ্হি আৰু উৎপাদনৰ প্ৰযুক্তি-সংলগ্ন পাঠ্যক্ৰম প্ৰস্তুত কৰি শিক্ষণৰ ব্যৱস্থা কৰিলে এহাতে শিল্পসমূহ আধুনিক প্ৰতিযোগিতাত ফেৰ মাৰিব পৰাকৈ উপযুক্ত হৈ উঠিব আৰু আনহাতে ৰাজ্যখনৰ থলুৱা যুৱক-যুৱতীৰ নিয়োগযোগ্যতা বৃদ্ধি পাব। এছীয় দেশসমূহৰ সৈতে পথ আৰু ৰেলযোগে নিকট ভৱিষ্যতে গঢ় লৈ উঠিবলগীয়া ব্যৱসায়িক সম্পৰ্কৰ প্ৰেক্ষাপটতো অসমৰ থলুৱা বস্ত্ৰ শিল্প সমূহৰ শিক্ষণ-প্ৰশিক্ষণৰ

এনে আনুষ্ঠানিক ৰূপান্তৰৰ প্ৰয়োজনীয়তা আছে।

ভাৰত চৰকাৰে দক্ষতা বা কৌশল বিকাশৰ অৰ্থে আনুষ্ঠানিক পাঠ্যক্ৰম প্ৰচলনৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। সেইমৰ্মে দেশৰ বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি অন্যান্য উচ্চ শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠান, সমাজ কল্যাণমূলক স্বেচ্ছাসেৱী সংগঠন আদিয়েও দেশৰ আৰ্থিক বিকাশ আৰু শিক্ষিত-অৰ্দ্ধ শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ নিয়োগ যোগ্যতা বৃদ্ধিৰ প্ৰত্যাশাৰে বিভিন্ন ক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশ ভিত্তিক পাঠ্যক্ৰম চলোৱাৰ যোজা কৰিছে। অসমতো এই অনুষ্ঠানবোৰে থলুৱা পৰম্পৰাগত বস্ত্ৰশিল্পৰ বাবে প্ৰয়োজনীয় দক্ষতা বিষয়ক পাঠ্যক্ৰম প্ৰস্তুত কৰি প্ৰচলন কৰাৰ সময় সমাগত। এনে কৰিলে অত্যাধুনিক বিদেশী বস্ত্ৰ শিল্প বা ব্ৰাণ্ডেড্ কাপোৰৰ সৈতে হোৱা প্ৰতিযোগিতাত থলুৱা শিল্পবোৰ তিষ্ঠি থকাৰ উপৰি প্ৰভাৱশালী হৈ উঠিব পাৰিব আৰু তেতিয়া ৰপ্তানি বৃদ্ধিতো সহায়ক হ'ব। আনহাতে, থলুৱা ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ শিক্ষাৰ পৰিৱৰ্তে বা সমান্তৰালকৈ থলুৱা সম্পদ সংৰক্ষণৰ দক্ষতা আহৰণেৰে নিজক সম্পদশালী কৰাৰ উপৰি স্বনিয়োজন বা অন্যান্য কৰ্মক্ষেত্ৰত নিয়োগৰ সুবিধা পাব। গতিকে, ই নিবনুৱাৰ সংখ্যা বৃদ্ধিত বাধা প্ৰদান কৰিব। বস্ত্ৰ শিল্পই পৰ্যটন উদ্যোগৰ পৰিপূৰক হিচাপেও কাম কৰিব পাৰিব। মূল বস্ত্ৰ শিল্পৰ লগত আনুষঙ্গিক শিল্পৰ বিকাশৰ সুবিধা হ'ব আৰু সামগ্ৰিকভাৱে ৰাজ্যৰ অৰ্থনীতি টনকিয়াল হোৱাত ই সহায়ক হ'ব। ❐

---

**(৬৭ পৃষ্ঠাৰ পৰা)**

সহায় আগবঢ়াই তাক উন্নীত কৰি তোলে। আনহাতে তেনে সহায় লাভৰ বাবে যোগ্য বিবেচিত হ'বলৈকো সংশ্লিষ্ট প্ৰতিটো মৰাপাট কলে বজাৰৰ প্ৰতিযোগিতাত ভাগ ল'বলগীয়া হয়।

ইয়াৰ বিপৰীতে ভাৰতত প্ৰচলিত পন্থা সম্পূৰ্ণ বিপৰীত ধৰণৰ। মৰাপাটৰ বন্ধা সামগ্ৰী প্ৰস্তুতকৰণ আইনৰ জৰিয়তে উদ্যোগবিধলৈ বুজন পৰিমাণৰ সহায় সমৰ্থন আগবঢ়াই অহা হৈছে। অৱশিষ্ট সা-সুবিধাখিনি আন সামগ্ৰীলৈ বৈ যায়। এনে পৰিস্থিতিৰ পৰিণতিস্বৰূপে যিটো হৈছে সেয়া হ'ল এই উদ্যোগবিধে বৰ্তি থাকিবলৈকে আইনখনৰ ওপৰত অধিক পৰিমাণে নিৰ্ভৰশীল হৈ ৰ'বলগীয়া হৈছে আৰু চৰকাৰৰদ্বাৰা নিয়ন্ত্ৰিত মূল্যৰ ব্যৱস্থাৰ ফলত প্ৰতিযোগিতামূলক মানসিকতা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। এনে প্ৰেক্ষাপটত এই খণ্ডটোত প্ৰতিযোগিতাৰ পৰিসৰ বৃদ্ধি কৰা আৰু তাৰ জৰিয়তে বিকাশৰ পথ সুচল কৰাটোক উদগনি যোগাবলৈ হ'লে জে পি এম আইনে আগবঢ়াই অহা সুৰক্ষাৰ বিষয়টো নতুনকৈ বিবেচনা কৰাৰ লগতে ইয়াক তেনে দৃষ্টিকোণৰ পৰা সংশোধন ঘটোৱাটো হ'ল সময়ৰ আহ্বান। মৰাপাট কলৰ কৰ্মী আৰু মৰাপাটৰ খেতিয়কসকলৰ উপাৰ্জনৰ পৰিমাণ বৃদ্ধি কৰাৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে মৰাপাটৰপৰা উৎপাদিত সামগ্ৰীক অধিক আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ কৰি তুলিব লাগিব, ন ন সামগ্ৰী উদ্ভাৱন কৰিব লাগিব। ভিন্নতা প্ৰতিফলিত কৰা উদ্ভাৱনমূলক সামগ্ৰীৰ উৎপাদন আৰু নতুন বজাৰ সৃষ্টিৰ জৰিয়তে সেই কাম সম্ভৱ হ'ব পাৰে। ভাৰতীয় মৰাপাট উদ্যোগে যেতিয়ালৈকে জে পি এম আইনে আগবঢ়োৱা সুবিধা আৰু সুৰক্ষাৰ পৰিসৰৰপৰা বাহিৰলৈ দৃষ্টি নিক্ষেপ নকৰে আৰু গোলকীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে উপযুক্ত কৰি তুলিবলৈ সমৰ্থ নহয়, তেতিয়ালৈকে সেই কাম সম্ভৱ হ'ব নোৱাৰে। অৱশ্যে উদ্যোগটোক ইয়াৰ ৰূপান্তৰৰ সময়-ছোৱাত সুৰক্ষা দিবৰ বাবেও জি পি এম আইনৰ প্ৰয়োজন হ'ব। আইনখনে আগবঢ়াই অহা সুৰক্ষাৰ ব্যৱস্থাসমূহৰ পৰিসৰ ক্ৰমান্বয়ে হ্ৰাস কৰি আনিলে আৰু ইয়াৰ সৈতে সংগতি ৰাখি উদ্যোগবিধৰ আধুনিকীকৰণ আৰু বৈচিত্ৰ্য বৃদ্ধি কৰাৰ দিশত সহায় আগবঢ়াব পাৰিলেহে হয়তো মৰাপাট খণ্ডক ই সন্মুখীন হোৱা বিস্মৃতিৰ গৰাহৰ পৰা ৰক্ষা কৰিব পৰা হ'ব। এনে এটা পৰিৱৰ্তন যিমানেই প্ৰয়োজনীয় হৈ নপৰক লাগিলে, যেতিয়ালৈ এই খণ্ডৰ সৈতে জড়িত প্ৰগতিশীল অংশীদাৰ-সকলে গোলকীয় বজাৰখনত নিজৰ দখল সাব্যস্ত কৰাৰ চেষ্টাত মনোনিৱেশ নকৰে আৰু ৰাষ্ট্ৰৰপৰা আগবঢ়োৱা সুকীয়া আৰ্হিৰ সমৰ্থনৰ পোষকতাৰে জনমত গঢ়াৰ চেষ্টা নকৰে, তেতিয়ালৈ সেই পৰিৱৰ্তন সহজে আহিব বুলি মনে নধৰে। ৰাষ্ট্ৰৰ দ্বাৰা আগবঢ়োৱা সমৰ্থনৰ সুকীয়া আৰ্হি বুলিবলৈ হ'লে ই নিশ্চয়কৈ আধুনিকীকৰণক উৎসাহিত কৰাৰ লগতে উৎপাদিত সামগ্ৰীৰ বৈচিত্ৰ্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ভাৰতীয় মৰাপাটৰ সামগ্ৰী নিৰ্মাতা-সকলক গোলকীয় প্ৰতিযোগিতাৰ বাবে সমৰ্থ কৰি তুলিব লাগিব। ❐

# আমাৰ হস্ত-তাঁত পৰম্পৰা ভাৰত আৰু বিশ্বৰ কাৰণে ফেশ্বনৰ কেন্দ্ৰবিন্দু কৰি তোলাৰ বাবে গঢ়াৰ প্ৰয়োজনীয়তা

**৭ আগষ্ট, ২০১৬, ৰাষ্ট্ৰীয় হস্ত-তাঁত দিৱস উপলক্ষে প্ৰধান মন্ত্ৰীৰ বাৰ্তা**

★ ৰাষ্ট্ৰীয় হস্ত-তাঁত দিৱসৰ দিনা আমি যেন হস্ত-তাঁত খণ্ডত প্ৰেৰণা দিবলৈ আমাৰ দৈনন্দিন জীৱনত অধিক হস্ত-তাঁত উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰাৰ বিষয়ত দৃঢ় হওঁ।

★ আমাৰ হস্ত-তাঁত খণ্ড বৈচিত্ৰ্যপূৰ্ণ, পৰিৱেশ অনুকূল আৰু অগণন শিপিনীৰ জীৱিকাৰ উৎস, যিসকলে আমাৰ সমৰ্থনত উদ্দীপিত হৈ উঠিব।

★ হস্ত-তাঁত খণ্ডৰ বহু মহিলা নিয়োজিত হোৱাৰে পৰা, হস্ত-তাঁত খণ্ডৰ বৰ্দ্ধন মহিলাসকলৰ সবলীকৰণৰ বাবে এটা গুৰুত্বপূৰ্ণ উপায় হিচাপে পৰিগণিত হৈছে।

**২০১৬ চনৰ ৩১ জানুৱাৰীৰ 'মন কী বাত'-ৰ পৰা উদ্ধৃত**

★ খাদী এতিয়া এটা প্ৰতীক হৈ উঠিছে। ইয়াৰ এটা সুকীয়া পৰিচয় আছে। বৰ্তমান খাদী যুৱ প্ৰজন্মৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিছে আৰু যিসকলে জৈৱিক উৎপাদনৰ প্ৰতি আসক্তি আছে আৰু স্বাস্থ্য সচেতন তেওঁলোকৰ কাৰণে ই নিখুঁত সমাধান হিচাপে পৰিগণিত হৈছে।

★ খাদীয়ে ফেশ্বনৰ জগতত নিজৰ বাবে সুকীয়া স্থান অধিকাৰ কৰিছে।

★ খাদীৰ লাখ লাখ লোকক জীৱিকাৰ উপায় প্ৰদান কৰাৰ সম্ভাৱনাৰে পূৰ্ণ।

★ বাপু সদায় প্ৰযুক্তি বিজ্ঞানৰ উন্নতিৰ সম্পৰ্কে দৃঢ় আৰু সচেতন আছিল আৰু ইয়াৰ বাবে সদায় আগৰণুৱা আছিল।

★ ৩০ জানুৱাৰী দিনা আমি আমাৰ বহু সন্মানিত বাপুক স্মৰণ কৰাৰ সময়ত সেয়েহে সাজ-পোছাকৰ মাজত যেন এসাজ খাদী বস্ত্ৰ ৰাখো আৰু ইয়াৰ সমৰ্থক হওঁ।

**২০১৫ চনৰ ৰাষ্ট্ৰীয় হস্ত-তাঁত দিৱসত প্ৰধান মন্ত্ৰীৰ আহ্বান**

★ হস্ত-তাঁত খণ্ডৰ সুপ্ত শক্তি আছে আৰু আমি ইয়াৰ বজাৰকৰণ কৰাৰ প্ৰয়োজন। হস্ত-তাঁতত প্ৰধানকৈ কপাহী, পাট, উল, মৰাপাট আদি প্ৰাকৃতিক আঁহ ব্যৱহাৰ কৰা হয়। সেয়েহে ই পৰিৱেশ অনুকূল। আমি আনকি শাক-পাচলিৰ ৰং আৰু আন জৈৱিক উপাদান ব্যৱহাৰ কৰি আৰু অধিক পৰিৱেশ অনুকূল কৰিব পাৰোঁ।

★ আমি আমাৰ হস্ত-তাঁত পৰম্পৰা ভাৰত আৰু বিশ্বৰ ফেশ্বন কেন্দ্ৰ কৰি তোৰ প্ৰয়োজন। গ্ৰাহকৰ প্ৰত্যয় জন্মাই তেওঁলোকৰ বিশ্বাস জিনিবৰ উদ্দেশ্যে ইণ্ডিয়া হেণ্ডলুম ব্ৰেণ্ড প্ৰৱৰ্তন কৰা হৈছে।

★ আমি অলপতে ডিজিটেল ইণ্ডিয়া প্ৰৱৰ্তন কৰিছো, যিটোৱে অতি সোনকালে ইণ্টাৰনেটৰ জৰিয়তে সকলো ভাৰতীয়ক সংযোগ কৰিব। যুৱ গ্ৰাহকসকলে বৰ্তমান ই-কমাৰ্ছ মঞ্চৰ জৰিয়তে ব্যাপকভাৱে সামগ্ৰী ক্ৰয় কৰে। সেই কাৰণে, হস্ত-তাঁত সামগ্ৰীৰ বিক্ৰীৰ বাবে ই-কমাৰ্ছৰ ব্যৱস্থা বিস্তৃত কৰি তোলা উচিত।

★ হস্ত-তাঁতৰ উৎকৰ্ষৰ কাৰণে ভাল বজাৰকৰণৰদ্বাৰা পৰিৱৰ্তিত আৰ্হিৰ প্ৰয়োজন।

★ কৰ্মচালি নিৰ্মাণ আৰু তাঁতশাল আৰু আনুষংগিক সঁজুলি ক্ৰয় কৰাৰ বাবে এতিয়া প্ৰত্যক্ষভাৱে শিপিনীৰ বেংক একাউণ্টলৈ সাহায্য হস্তান্তৰ কৰা হ'ব। আমি হস্ত-তাঁত উন্নয়নৰ কাৰণে উন্নয়ন খণ্ড পৰ্যায়ত ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিছো। পূৰ্বতে হস্ত-তাঁতৰ এটা থুপৰ বাবে মাত্ৰ ৬০ লাখ টকাহে সাহায্য দিয়া হৈছিল। বৰ্তমান ইয়াৰ পৰিমাণ ২ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

★ উৎপাদন বৃদ্ধি আৰু প্ৰাক্ তাঁতশাল কৰ্মৰ শ্ৰম হ্ৰাস কৰাৰ বাবে প্ৰযুক্তি বিজ্ঞান বিকাশ কৰাৰ দৰ্কাৰ।

★ অণু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিত্তীয় সমস্যা জোৰা মাৰিবলৈ চৰকাৰ মুদ্ৰা (এম য়ু ডি আৰ এ) বেংক স্থাপনৰ বিষয়ে ঘোষণা কৰিছে। এই বেংকৰ ২০ হাজাৰ কোটি টকাৰ কপাহী আৰু ৩ হাজাৰ কোটি টকাক ঋণ নিশ্চিতিৰ কৰ্পাছ আছে। মুদ্ৰা বেংকে ৫০ হাজাৰতকৈ কম ঋণত অন্ততঃ ৬০ শতাংশ বিত্ত প্ৰৱাহ নিশ্চিত কৰিব। এই আঁচনিসমূহে হস্ত-তাঁত শিপিনীক বিশাল ৰূপত উপকৃত কৰিব বুলি মই নিশ্চিত।